# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ২৯/৮/২০২৪ বৃহস্পতিবাৰ

(পুৱা ৯.৩০ বজাৰ লগে লগে অসম বিধান সভাৰ শৰৎকালীন অধিবেশন,২০২৪ চনৰ দিনাংক ২৯-০৮-২০২৪ তাৰিখৰ সদনৰ কাৰ্য্যক্ৰমণিকা অধ্যক্ষ মহোদয়ৰ সদনত প্ৰবেশৰ লগে লগে আৰম্ভ হয় )

(৯.৩০ বজাত অধ্যক্ষ মহোদয়ৰ সদনত প্ৰবেশ)

মাননীয় অধ্যক্ষ ঃ কোৱেশ্বন নং -৬১ শ্ৰীপোনাকণ বৰুৱা ।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, বন ও পৰিবেশ ইত্যাদি) ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

শ্ৰীপোনাকণ বৰুৱা, (চাবুৱা) ঃ অধ্যক্ষ মহোদয়, ডিব্ৰু- চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ সংৰক্ষণ ও সংবৰ্দ্ধন সম্পৰ্কত মই যিটো প্ৰশ্ন আনিছিলো , মাননীয় মন্ত্ৰী মহোদয়ে খুৱ সুন্দৰকৈ উত্তৰখিনি আগবঢ়াইছে তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো । ১৯৯৯ চনত ডিব্ৰু -চৈখোৱা অভয়াৰাণ্যখনক ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰা হৈছিল । সেই সময়ত উদ্যানখনৰ মাটিকালি কিমান আছিল মই শুধিছিলো, তাৰ পৰৱৰ্ত্তী কালত খহনীয়া আৰু বেদখলত পৰি ইয়াৰ মাটিকালি যথেষ্ট হ্ৰাস হৈছে এই কথাটো ইয়াত উল্লেখ কৰা হৈছে । একেসময়তে ডিব্ৰু- চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত থকা বহু মূল্যবান গছ গছনি, চোৰাং বেপাৰী- বান পানীৰ কৱলত পৰি একেবাৰে নিচিহ্ন হোৱাৰ উপক্ৰম হৈছে । মাননীয় মন্ত্ৰী মহোদয়ে তেখেতৰ উত্তৰত যদিও চোৰাং বেপাৰী কথাটো অস্বীকাৰ কৰিছে যদিও আমি নিতৌ দেখো প্ৰায়ে বাতৰি কাকতত আহে যে ব্ৰহ্মপুত্ৰৰ মাজেৰে ডিব্ৰু- চৌখোৱাৰ পৰা চোৰাং কাঠ আহে, কেতিয়াবা বন বিভাগে ধৰে কেতিয়াবা পুলিছে ধৰে - এনে ধৰনৰ বাতৰি আমি পাই থাকো গতিকে মন্ত্ৰী মহোদযক এই ক্ষেত্ৰত দৃষ্টি দিবলৈ অনুৰোধ জনাইছো আৰু কঠোৰ ব্যৱস্থা আশা কৰিছো। একে সময়তে অধ্যক্ষ মহোদয় ডিব্ৰু চৈখোৱা ৰাষ্ট্ৰীয় উদ্যাণত বিভিন্ন জীৱ-জন্তু, চৰাই-চিৰিকতি আপুৰুগীয়া বনজ সম্পদ আছে। চৰকাৰে এই জীৱ-জন্তু, চৰাই- চিৰিকতিখিনি সংৰক্ষণৰ বাবে ব্যৱস্থা লৈছে যদিও সেইটো পৰ্য্যাপ্ত নহয় । গতিকে এইবোৰ সঠিকভাৱ সংৰক্ষণ কৰিব লাগে। বানপানী- গৰাখহনীয়াৰ সময়ত তাৰ পহু নিধন কৰি বাহিৰত বিক্ৰী কৰা বুলি অভিযোগ আছে । আনকি চৌৰাং চিকাৰীয়ে তাৰ ম'হ মাৰি বাহিৰৰ বজাৰত পহুৰ মাংস বুলি বিক্ৰী কৰিছে এনেধৰণৰ বহু ঘটনা আছে । গতিকে এই ক্ষেত্ৰত চৰকাৰে সতৰ্ক হৈ ব্যৱস্থা ল'ব লাগে । একেসময়তে এই ৰাষ্ট্ৰীয় উদ্যানখন সংলগ্ন ' মাগুৰি মতাপুং বিল' যিখন আছে তাত দেশ বিদেশৰ অজস্ৰ চৰাই চিৰিকতি আহে । তাক চাবৰ বাবে দেশৰ বাহিৰে ভিতৰে অসংখ্য পৰ্য্যটক আহে । গতিকে এই মাগুৰি মতাপুং বিলখনকো সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে । যোৱা সপ্তাহত মন কী বাত'ৰ ৰেডিঅ' অনুষ্ঠানত প্ৰধান মন্ত্ৰী মহোদয়ে বাৰেকুৰীৰ হলৌ বান্দৰৰ কথা উল্লেখ কৰিছে । বাৰেকুৰি ডিব্ৰু- চৌখোৱা ৰাষ্ট্ৰীয় উদ্যানখনৰ একেবাৰে গাঁতে লাগি থকা অঞ্চল গতিকে এই হলৌ বান্দৰ সংৰক্ষণৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে সেইখিনি কথা মই জানিব বিচাৰিছো ।মাননীয় অধ্যক্ষ ঃ অনাৰেবল্ মিনিষ্টাৰ ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, বন ও পৰিবেশ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য পোনাকণ বৰুৱা ডাঙৰীয়াই ডিব্ৰু চোখোৱাক লৈ যিটো প্ৰশ্ন আনিছে, ১৯৯৯ চনত যেতিয়া

ডিব্ৰু- চোখোৱা অভয়াৰাণ্যক ৰাষ্ট্ৰীয় উদ্যানলৈ উন্নীত কৰা হৈছিল, সেই সময়ত মাটিকালি আছিল -৩৮০ বৰ্গ কি.মি আৰু বনাঞ্চল আছিল ৩৫.৮৪ শতাংশ । বান পানী বা খহনীয়া ইত্যাদি কাৰণত উদ্যানখনৰ ১২৩.৮৭ বৰ্গ কি.মি মাটিকালি ক্ষতিগ্ৰস্থ হৈছে । ইয়াৰ ওপৰিও অভয়াৰাণ্যখনৰ ৬.৫৩ বৰ্গ কি.মি বৰ্ত্তমান বেদখলৰ কবলত আছে সেইটো আমি জানো আৰু তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি আছো । দ্বিতীয় কথাটো হ'ল যে এই বনাঞ্চলখনৰ উন্নয়ণৰ কাৰণে আমি এখন মেনেজমেন্ট প্লেন তৈয়াৰ কৰিছো । মাননীয় সদস্যগৰাকীয়ে নিশ্চয় এইটো ভাল পাব । এই যিখন মেনেজমেন্ট প্লেন আমি বনাইছো তাত গৰাখহনীয়া প্ৰতিৰোধকে আৰম্ভ কৰি , আমাৰ অবৰ্জাভেশ্যেন টাৱাৰলৈকে আৰম্ভ , পহৰা চকী অন্যান্য বিষয়ত ব্যৱস্থা লোৱা বাবে ২৬৯ কোটি টকা ধৰিছো । এই কামখিনি আগলৈ আমি পৰ্য্যায়ভিত্তিত কৰি যাম । আৰু এটা কথা তেখেতে উল্লেখ কৰিছে তাত চোৰাংভাৱে গছ কাটি আছে - এইক্ষেত্ৰত আমাৰ যি টহলদাৰী বন কৰ্মী আছে তেওঁলোকে দিনে নিশাই পহৰা দি আছে । মাননীয় সদস্যগৰাকীয়ে জানে যে তাত দুটা ৰেঞ্জ অফিছ আছে - গুইজান আৰু চৈখোৱা ৰেঞ্জ অফিছ । তাত বন বিষয়াৰ কাৰ্য্যালয়ো প্ৰতিস্থা কৰা হৈছে । আমাৰ দুস্প্ৰাপ্য ৱাইল্ড লাইফবিলাক ৰক্ষা কৰাৰ কাৰণে আমাৰ তিনিচুকীয়া বণ্য প্ৰাণী সংমণ্ডলৰ ৬ খন যন্ত্ৰচালিত নাও আছে । ২ খন স্পীড বোট , ৪ খন সৰু যন্ত্ৰ চালিত নাও আৰু ১২ খন দেশীয় নাও আছে । নাওসমূহৰ দ্বাৰা আঞ্চলিক বন কাৰ্য্যালয়ৰ পৰা বন বিষয়াৰ নেতৃত্বত ইয়াৰ বাবে পহৰা চলি থাকে । তাৰ ওপৰিও অধ্যক্ষ মহোদয়, এটা ভাল কথা যে তাত আমাৰ ৪৫ টা ইক'ডেভ'ল'পমেন্ট কমিটি আছে । গাওঁ অঞ্চলৰ যিখিনি গাওঁবাসী আছে তেওঁলোককো ইয়াত অন্তৰ্ভূক্ত কৰা হৈছে । মই সেই মানুহখিনিক ধন্যবাদ দিম যে তেওঁলোকে এই বনাঞ্চলখন ৰক্ষা কৰাৰ বাবে যথেষ্ট সহযোগ কৰিছে । আমি যেতিয়া এই অভয়াৰণ্য খনক ৰাষ্ট্ৰীয় উদ্যান ঘোষণা কৰিছিলো তেতিয়া ফৰেষ্ট ক'ভাৰেজ এৰিয়া আছিল ৩৫ শতাংশ আৰু এতিয়া হৈছেগৈ ৩৮ শতাংশ । তাত আৰু নতুনকৈ গছ পুলি ৰোৱাৰ ব্যৱস্থাও আমি গ্ৰহণ কৰিছো । গতিকে মই তেখেতক আশ্বস্ত কৰো যে, তেখেতৰ যিটো কনচাৰ্ণ - বন বিভাগৰো সমানেই আছে । তাত যিখিনি প্ৰয়োজনীয় ব্যৱস্থা ল'ব লাগে আমি গ্ৰহণ কৰিম ।

**শ্ৰী পোনাকণ বৰুৱা, (চাবুৱা) ঃ** অধ্যক্ষ মহোদয় , মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰটো সুন্দৰকৈ দিছে - দধীয়া আৰু লাইকা নামৰ দুখন গাওঁ ডিব্ৰু চোখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত আছে । আজি দধীয়া - লাইকাৰ মানুহখিনিক বিতাৰণ বুলি কোৱা হৈছে কিন্তু বিতাৰণ বুলি নকৈ পুনৰ সংস্থাপন বুলি ক'ব লাগে কাৰণ এই সমস্যাটো আমি নিজে সৃষ্টি কৰা সমস্যা । ১৯৫০ চনত যেতিয়া অসমত বৰ ভুঁইকপ আহিছিলে তেতিয়া দধীয়া- লাইকাত বাস কৰা লোকক চৰকাৰীভাৱে তাত সংস্থাপিত কৰা হৈছিল । পৰৱৰ্ত্তী সময়ত যেতিয়া ডিব্ৰু চৌখোৱাক ৰাষ্ট্ৰীয় উদ্যান ঘোষণা কৰা হ'ল তেতিয়া আইনগতভাৱে সেই লোক সকল তাত থাকিব নোৱাৰা হ'ল । বছৰত তিনি - চাৰিটাকৈ বানপানী - গৰাখহনীয়াৰ ফলত তেওঁলোকৰ জীৱন আজি অচল হৈছে । তেওঁলোকে চাং ঘৰত থাকে ৫-৬ মাহলৈকে মাটিৰ লগত সম্পৰ্ক নাথাকে, গতিকে দধীয়া - চৈ খোৱাৰ যি দুখন গাওঁ তাৰ পুনৰ সংস্থাপনৰ বাবে চৰকাৰে উদ্যোগ গ্ৰহণ কৰিছে কিন্তু পৰ্য্যাপ্ত হৈ উঠা নাই । লাইকাৰ ১৬০ টা পৰিয়ালক তিনিচুকীয়া জিলাৰ এটা অংশত সংস্থাপন কৰা হৈছে । দধীয়াৰ লোক সকলোকো আমি সোনকালে সংস্থাপন কৰাৰ ব্যৱস্থা কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয় , মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিম যে, ডিব্ৰু চৈখোৱাক ভিত্তি কৰি ব্যক্তিগত খণ্ডত যি নদী পৰ্য্যটন গঢ় লৈ উঠিছে তাৰ বিকাশৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে । এই ক্ষেত্ৰত আমাৰ চৰকাৰে কি ব্যৱস্থা কৰিছে মই

জানিব খুজিছো ?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, বন ও পৰিবেশ ইত্যাদি) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে দধীয়া- লাইকাৰ যিটো কথা কৈছে - লাইকাত ৫৪৩ টা পৰিয়াল আছিল আৰু দধীয়াত ৬৭৫ টা পৰিয়াল আছিল। গতিকে দধীয়া আৰু লাইকাৰ যিকেইটা পৰিয়াল তাৰ ভিতৰ আমি ইতিমধ্যে ১৬০ টা পৰিয়ালক তিনিচুকীয়া সংমণ্ডলৰ অধীনত ‘ নামফাই ’ ফৰেষ্ট এৰিয়াত প্ৰায় ৭২ হেক্টৰ মাটিত আমি তেওঁলোকক সংস্থাপিত কৰা হৈছে । বাকী ৩৮৩ টা পৰিয়ালক আমি ইতিমধ্যে পাহাৰপুৰ সংৰক্ষিত বনাঞ্চলত সংস্থাপন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছো । তাৰ বাবে টেণ্ডাৰ কল কৰা হৈছে । ডিচি আৰু এচ পিৰ লগতে এই বিষয়ে আলোচনা কৰি থকা হৈছে। মাননীয় সদস্য গৰাকীয়ে জানে যে পাহাৰপুৰ অঞ্চলত নগাসকলৰ বসবাস আছে তাৰ বাবে তেওঁলোকে অলপ আপত্তি কৰিছে গতিকে এই আপত্তিখিনি আমি যাতে নিস্পত্তি কৰিব পাৰো তাৰ বাবে তাৰ নগা মানুহখিনিৰ লগত আলোচনা কৰি আছো । মই ভাবো এই আলোচনা ফলপ্ৰসূ হ’ব আৰু এই মানুহখিনিকো আমি তাত সংস্থাপিত কৰিব পাৰিম ।** আমি এই নিষ্পত্তি কৰণৰ কাৰণে নগা ৰাইজৰ লগত আলোচনা কৰি আছো। ডি চি, এচ পি য়ে এই ক্ষেত্ৰত আমাক সহায় সহযোগ কৰি আছে। গতিকে মই ভাৱো যে এই আলোচনাটো ফলপ্ৰসু হ’ব। এই মানুহসকলক আমি তাত সংস্থাপিত কৰিব পাৰিম। এইটো আমাৰ লাইকা আৰু দধিয়াত যি ৬৭৫ টা পৰিয়াল আছে, এই ৬৭৫ টা পৰিয়ালক ইতিমধ্যে এটা ব্যৱস্থা গ্ৰহণ কৰিছিলো। ব্যৱস্থা গ্ৰহণ কৰাৰ পিছত আমি ধেমাজি জিলাৰ কহুৱা ৰিজাৰ্ভত এটা প্ৰস্তাৱ দিছিলো। কিন্তু সেই মানুহসকলে কহুৱা ৰিজাৰ্ভলৈ নাযায়। কাৰণ কহুৱা ৰিজাৰ্ভত বছৰি প্ৰায় ৩/৪ বাৰ বানপানী হয়। Low lying place সেই কাৰণে তেওঁলোকে তাত যাবলৈ বিচৰা নাই। সেই কাৰণে এই যিসকল দধিয়াৰ মানুহ আছে সেই মানুহসকলক সংস্থাপনৰ বাবে অন্য এটা চিন্তা-চৰ্চা কৰি আছো। আজি সদনত মই এই কথাখিনি নকওঁ এই কাৰণে কাৰণ এই বিষয়টো চিন্তা চৰ্চা কৰি থাকিলে আকৌ সেই অঞ্চলৰ অন্য মানুহে আপত্তি কৰিব পাৰে। গতিকে আমাৰ বিভাগে এই বিষয়টো গুৰুত্ব সহকাৰে আলোচনা কৰি আছে and I am equally concerned with the Honorable members. সেই মানুহ সকলক যেনেকৈ নহওঁক আমি সংস্থাপিত কৰিব লাগিব।

**শ্ৰীপোনাকণ বৰুৱা** ঃ অধ্যক্ষ মহোদয়, নিজান ঘাটত এটা ভেটি নিৰ্মাণ কৰাৰ কথা আছিল গতিকে সেই সম্পকৰ্ত জনাব।

**মাননীয় অধ্যক্ষ** ঃ হৈছে , হৈছে। মাননীয় মন্ত্ৰীয়ে আপোনাক দি দিব যি তথ্য আছে। আপুনি দুটা supplementary কৰিলে। অনুগ্ৰহ কৰি বহক, আপুনি চেম্বাৰৰ পৰা জানি লওঁক।

শইকীয়া ডাঙৰীয়া আপোনাৰো supplementary.

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ ছাৰ, যিটো আজি প্ৰশ্নৰ উত্তৰ দিছে তাত ছাৰ, যিটো ঘাট আছে উদ্যান খনত থকা মুঠ ১৩০০ পৰিয়ালে ২০২১ চনত তিনিচুকীয়া উপায়ুক্তৰ কাৰ্য্যালয়ৰ সন্মুখত পুনৰ সংস্থাপন বিচাৰিছিল উচ্ছেদ হৈ থকা সময়ত। আৰু প্ৰশ্নকৰ্তাই কব যে ১৯৫০ চনত লখিমপুৰৰ পৰা আহি তাত চেটল কৰিছিল। এতিয়ালৈকে ছাৰ তাত গোটেইখিনি চেটল হোৱা নাই। কিন্তু যিটো হৈছে সেই সময়ত ৰিজাৰ্ভ ফৰেষ্ট কৰা হ’ল, কিন্তু সেই সময়ত যে তাত মানুহ বহি আছে ১৯৫০ চনৰ ভূমিকম্পৰ পিছত এই খিনি বিভাগে ভালকৈ সেই সময়ত নোচোৱাকৈ ঘোষণা কৰাৰ বাবে তেনেহ’লে এনেকুৱা ঘটনা ছাৰ, এতিয়াও সদ্যহতে অসমৰ বন বিভাগত চলি আছে সেই গতিকে এই প্ৰসংগত প্ৰশ্নটো গুৰুত্বপূৰ্ণ হৈছে। ছাৰ, আজি আমি চাওঁ।

**মাননীয় অধ্যক্ষ ঃ** বাহিৰত নাযাব।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** ছাৰ, আমি ৰিজাৰ্ভ ফৰেষ্টৰ ভিতৰত দুটা বেটেলিয়ান কেম্প দিয়াৰ কাৰণে National Green Tribunal য়ে অসম চৰকাৰক সেই সময়ত পি চি চি এফ ৰ ওপৰত অৱজেক্চন দিবলৈ কৈছে। তেওঁক কিয় শাস্তি লোৱা নহ'ব অসম চৰকাৰে কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰীক মাফ কৰি দিবলৈ কৈছে আৰু যিটো আইন অনুসৰি দোষ হয় সেই দোষৰ ৰেহাই দিবলৈ কৈছে। এই বিলাক সেই বিভাগৰ বিষয়া সকলে ভালকৈ নোচোৱাৰ বাবে। এতিয়া তেনেকুৱা কথা পুনৰ আহিছে এই যিটো বেদান্ত নামৰ কোম্পানীক তেল গেছ আয়োগৰ বাবে গিৱন অভয়াৰণ্য খনৰ এটা অংশ দিব বিচাৰিছে; কৈছে যে ৰাষ্ট্ৰীয় হিতৰ কাৰণে লাগে। বিভিন্ন আইন বিলাক কৰা হয় পৰিৱেশ ৰক্ষা কৰাৰ লগতে পৰিৱেশৰ ওপৰত দি অমৃত, বন মহোৎসৱ পতা হয়। আমি ছাৰ, পৰিৱেশ ৰক্ষা কৰিব লাগিব ৰাষ্ট্ৰীয় হিতত পৰিৱেশো লগত আছে। ২০১০ চনত বেদান্ত কোম্পানীয়ে উৰিষ্যাৰ দধিয়া কনভয়ত ট্ৰাইবেল বিলাকৰ নিয়ম গীৰি নামৰ পাহাৰটোত এনেকুৱা অন্বেষণ চলাবলৈ যাওঁতে ৰাষ্ট্ৰজুৰি প্ৰতিবাদ হৈছিল। এতিয়া বিভিন্ন পৰিৱেশবিদে এই যিটো গিৱন অভয়াৰণ্যত থকা বিপন্ন হ'ব পৰা হলৌ বান্দৰৰ ইয়াত অনুমতি দিবলৈ মানা কৰিছে। আৰু এই গোটেইবিলাক আমি এটা ভুল কৰিম কাৰোবাক ক্ষমা খুজিম, কিন্তু পৰিৱেশটো আমি ঘুৰাই নাপাও। আগৰ গছ বোৰ ১০০ বছৰ পুৰণি গছ কাটি দিলে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্নটো কৰক।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** সেই গতিকে ছাৰ, এই যিবিলাক খেলিমেলি চলি আছে যোৱা সময়ছোৱাত চৰকাৰে আনকি নন ফৰেষ্ট লেণ্ডৰ পৰা চিমেন্ট কোম্পানীৰ পইচা লৈ আছিল অসম চৰকাৰে, সেই কাৰণে ডালমিয়া চিমেন্টে নেচ্‌নেল গ্ৰীণ ট্ৰিবুনেলক কৈছে যে নন ফৰেষ্ট লেণ্ডৰ পৰা তেওঁলোকে কেনেকৈ পইচা ললে আমাক ৫৬ কোটি টকা ঘুৰাই দিয়ক। ছাৰ, এনেকুৱা ধৰণৰ বিভিন্ন ধৰণৰ খামখেয়ালি যে বিভাগটোত হৈ আছে, বিভাগটোত এনেকুৱা নহ'বলৈ কিবা দৃষ্টান্ত মূলক শাস্তি দিব নে তেওঁলোকে মাফ খোজাটোকে মানি ল'ব আৰু ভৱিষ্যতে তেনেকৈ মাফ খুজি খুজি পৰিৱেশ ধ্বংস কৰিব এই বিষয়টো ছাৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে কি হয় এই সংস্থাপনৰ কথাটো ইতিমধ্যে কলো। যে তেওঁলোকে এটা পৰ্চন আমাৰ যিটো লাইকাৰ ৫৪৩ পৰিয়াল, সেইটো সংস্থাপিত হৈ যাব, সেইটোত কোনো অসুবিধা নাই। কেৱল আমি নগা গাঁও সমূহৰ লগত অলপ আলোচনা কৰি আছো। আলোচনাটো ফলপ্ৰসু হৈ যাব। সেইটোত কোনো কথা নাই। কিন্তু দধিয়াৰ যিখিনি ৬৭৫ পৰিয়াল আছে তেওঁলোকক কহুৱা ৰিজাৰ্ভত দিছিলো, কিন্তু সেই মাটিখিনি Low lying place.

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওবৈছা) ঃ** আপুনি কহুৱা ৰিজাৰ্ভত দিয়াত নিহিত, দধিয়ান মানুহ বিলাকক লখিমপুৰৰ ৰঙা ৰিজাৰ্ভ, নহলে কাকৈ ৰিজাৰ্ভ, নহলে গুলুং ৰিজাৰ্ভ, তাত অসম ইন্দো বোৰ্ডাৰত কিয় নবহায় তেওঁলোকক?

**মাননীয় অধ্যক্ষ ঃ** হ'ব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** গতিকে আমি তেওঁলোকক দিয়াৰ পিছত তেওঁলোকে কলে যে আমি তাত নাযাওঁ। সেইখিনি দ ঠাই আৰু তাত বানপানী হয়। গতিকে আমি অন্য কথা এটা বৰ্তমান চিন্তা কৰি আছো। মই অলপ আগতে উত্তৰটো দিছো পোনাকণ বৰুৱাৰ ক্ষেত্ৰত যে আমি

এইটোৰ এটা আলোচনা কৰি আছো আৰু সেই খিনি মানুহক সংস্থাপিত কৰিম এইটো মই সদনত আশ্বাস দিলো। দ্বিতীয় কথাটো হ'ল, ইয়াত বেদান্তৰ কথাটো আহিল এইটো প্ৰশ্নৰ লগত বেদান্ত জড়িত নহয়। আচলতে গীৰনৰিজাৰ্ভত আমি বেদান্তক অইলৰ কাৰণে অনুমতি দিয়া নাই। তাত এনেকুৱা হৈছে যে গিৰন ৰিজাৰ্ভৰ পৰা ১৩ কি.মিটাৰ দূৰত তাত oil exploration ৰ কাৰণে অনুমতি হ'ব নে নাই কথাটো চিন্তা কৰা হৈছে আৰু আমাৰ state wildlife বোৰ্ডে এটা সিদ্ধান্ত লৈছে যে তেওঁলোকে exploration তাত তেল সচাঁকৈ আছেনে নাই, গেচ আছেনে নাই এই গোটেইখিনি চোৰাচিতা কৰাৰ কাৰণে বেদান্ত গ্ৰুপক চাব দিয়া হৈছে। এইখিনি কথা আমি অনুমতি দিব নোৱাৰো, এইটো state wildlife বোৰ্ডে ফৰৱাৰ্ড কৰি দিছো কেন্দ্ৰীয় wildlife বোৰ্ডলৈকে। এইটোত ভাৰত চৰকাৰেহে অনুমতি দিব, আমি দিব নোৱাৰো।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ অসম চৰকাৰে defend কৰিছে এইটো national interest বুলি, ছাৰ, পৰিৱেশ তেতিয়াহলে আইনখিনি national interest নাইকিয়া কৰিব লাগিব।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী, আপোনাৰ হাতত যদি বৰ্তমান তথ্য নাই তথ্যটো পিছত দি দিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ অধ্যক্ষ ডাঙৰীয়া, মই বেদান্তৰ তথ্যটো লৈ অহা নাই।

**মাননীয় অধ্যক্ষ** ঃ সেই কাৰণে পিছত দি দিব। আমি পৰৱৰ্তী প্ৰশ্নত যাও। যিহেতু এইটো প্ৰশ্নতে নাই।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মই তথ্যখিনি লৈ অনা নাই কিন্তু বিষয়টোৰ সম্পৰ্কত অৱগত। সেই কাৰণে মই আপোনাক ক্লিয়াৰ্লী উত্তৰটো দিছো। গতিকে মোক আপোনালোকৰ পৰা কাগজ নালাগে।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ কাগজ নহয় তথ্য।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ এইবিলাক ছাৰ, national green tribunalৰ অৰ্ডাৰ।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰীয়ে কৈ আছে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, তথ্য মোৰ লগত আছে আপোনালোকৰ পৰা তথ্য মোক নালাগে।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ** ঃ Please, মাননীয় সদস্য সকল। উত্তৰটো দিবলৈ দিয়ক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, এইটো কেতিয়াও আমি গিৰন ৰিজাৰ্ভত oil explorationৰ ক্ষেত্ৰতহে ১২/১৩ কি.মিটাৰ দূৰত এই তেওঁলোকক চাবলৈ দিয়া হৈছে। তাৰপিছত আমাৰ state wildlife board য়ে কৈছো যে এইটো আমি কেন্দ্ৰীয় wildlife board লৈ পঠিয়াইছো আৰু কেন্দ্ৰীয় wildlife boardয়েহে এইটোৰ অনুমতি দিব পাৰিব।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ ছাৰ, Environmentalist আৰু চৰাইৰ যিবিলাক specialist, তেওঁলোকে অভিযোগ কৰি আছে। সেইগতিকে ছাৰ, যিকোনো এটা কাম বেয়া হলে গুৱাহাটী আই আই টি ৰ পৰা যেনেকৈ পৰামৰ্শ লোৱা হয় তেনেকৈ ছাৰ, external আৰু মানুহৰ expert opinion লব নেকি এইবোৰৰ অনুমতি দিয়াৰ আগত, এই কথাটো মন্ত্ৰী মহোদয়ে কব লাগে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে

গতিকে এইটোৰ কাৰণে বিভিন্ন stake holderৰ লগত আমি আলোচনা কৰিম। আমি আই আই টি য়ে হওঁক বা অন্যান্য প্ৰতিষ্ঠানৰ লগত আলোচনা কৰিম, নকৰাকৈ নাথাকো। কিন্তু প্ৰশ্নটো হৈছে কি যে এইটো অইল উলিয়াবলৈ দিয়া হোৱা নাই এইটো মানে তাত তেল আছেনেকি সেইটোহে চাব দিয়া হৈছে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৬২। সুৰেণ ফুকন।

**ডাঃ ৰনোজ পেগু, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী সুৰেন ফুকন, (ডিগবৈ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ পৰা উত্তৰটো পাইছো। এতিয়া কথা হ'ল অসম চৰকাৰে শিক্ষা বিকাশৰ কাৰণে যথেষ্ট কাম কৰিছে। আজি বিনামূলীয়া এডমিশ্যন, বিনামূলীয়া কিতাপ-পত্ৰ, বিনামূলীয়া ইউনিফৰ্ম, দুপৰীয়াৰ আহাৰ, মেধাবী ছাত্ৰীক স্কুটী, নিযুট মইনা, বাগান সমূহত হাইস্কুল নতুনকৈ স্থাপন আৰু জৰাজীৰ্ণ বিদ্যালয়, মহাবিদ্যালয়, প্ৰাথমিক বিদ্যালয় পুনৰ নিৰ্মাণ কৰিছে । তাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই ধন্যবাদ জনাইছো। শিক্ষা মন্ত্ৰী মহোদয়ক মই ধন্যবাদ দিছো। এতিয়া কথাটো হ'ল সমগ্ৰ অসমৰ লগতে তিনিচুকীয়া জিলাৰ প্ৰায় কেইটা সমষ্টিতে হাইস্কুলত প্ৰধান শিক্ষকৰ অভাৱ। গতিকে মোৰ সমষ্টি ডিগবৈত প্ৰায় ১২ খন হাইস্কুল আৰু হায়াৰছেকেণ্ডাৰীত আজি বহু দিন ধৰি প্ৰধান শিক্ষক নাই। সহকাৰী শিক্ষকেই প্ৰধান শিক্ষকৰ দায়িত্ব পালন কৰি আহিছে। প্ৰধান শিক্ষকৰ দায়িত্ব পালন কৰাৰ কাৰণে আমাৰ ছাত্ৰ-ছাত্ৰী সকল বহু সময়ত শিক্ষাৰ পৰা বঞ্চিত হৈছে। যিহেতু সহকাৰী শিক্ষকে প্ৰধান শিক্ষকৰ দায়িত্ব পালন কৰি আছে, তেওঁলোকে প্ৰতি দিনত দুটাৰ পৰা তিনিটা ক্লাছ কৰে। আমি জানো যে এই প্ৰধান শিক্ষক গৰাকীৰ যি দায়িত্বত আছে তেওঁ জিলাৰ অফিচলৈ যাব লাগে মাহত অন্ততঃ ১৫ ৰ পৰা ২০ দিন যাবলগীয়া হয়, তাৰ কাৰণে ছাত্ৰ-ছাত্ৰী সকলে শিক্ষাৰ পৰা বঞ্চিত হৈছে বুলি ভাবো। গতিকে অতি শীঘ্ৰেই প্ৰধান শিক্ষকৰ দায়িত্ব অৰ্পণ কৰিব লাগে, আৰু এটা কথা ক'ব বিচাৰিছো যিহেতু নতুনকৈ সমষ্টি নিদ্ধাৰণ হোৱাৰ পাছত বুঢ়ীদিহিং মৌজাৰ বৃহৎ অঞ্চল এটা ডিগবৈ সমষ্টিত অন্তৰ্ভুক্ত হ'ল আৰু সেই পিছ পৰা অঞ্চলটোত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ যথেষ্ট নাটনি। এই বিষয়ত স্কুল পৰিদৰ্শকক মই কথাখিনি অৱগত কৰিছিলো। কিন্তু আজি এবছৰ ধৰি এইখিনি আমি সমাধান কৰিব পৰা নাই। গতিকে অতি শীঘ্ৰেই সেইখিনি সমাধান কৰাৰ এটা ব্যৱস্থা কৰিব লাগে। দ্বিতীয় কথা হ'ল আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰটো দিছে, আমাৰ বহু হায়াৰছেকেণ্ডাৰীত বিজ্ঞানাগাৰ নাই, science laboratory নাই। science laboratory ৩৫ টা দিয়াৰ কথা কৈছে কিন্তু তিনিচুকীয়া জিলাত বা মোৰ সমষ্টি এটাটো নতুনকৈ নিৰ্মাণ কৰাৰ ব্যৱস্থা মই পোৱা নাই। গতিকে তিনিচুকীয়া জিলাৰ লগতে ডিগবৈ সমষ্টিত হায়াৰছেকেণ্ডাৰী বোৰত বিজ্ঞানাগাৰ দিয়াৰ ব্যৱস্থা কৰিব।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**ডাঃ ৰনোজ পেগু, (শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত প্ৰধান শিক্ষক আৰু প্ৰিঞ্চিপাল এইটো আমাৰ মাধ্যমিক শিক্ষাৰ ২০১৮ চনৰ সেৱাবিধি অনুযায়ী হয়, আৰু সেৱাবিধি অনুযায়ী প্ৰথম পয্যায়ত শিক্ষক- শিক্ষায়ত্ৰী সকলৰ gradation list প্ৰস্তুত কৰিব লাগে। ইয়াৰ পাছত ৰাজ্যিক পৰ্যায়ত সেই gradation list ৰ ভিত্তিত বাচনি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হয়। আমি এই প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰিলো আৰু আৰম্ভ কৰি অসমৰ প্ৰায় সমূহ জিলাত আমাৰ যিটো জিলা পৰ্য্যায়ৰ বাচনি প্ৰক্ৰিয়া , তেওঁলোকৰ gradation list প্ৰস্তুত কৰণ কাৰ্য্য সমাপন কৰা হয়।কৰিব লাগে।কিন্তু ইয়াৰ মাজতে উচ্চ

ন্যায়ালয়ৰ একাংশ শিক্ষকে এটা গোচৰ তৰে, যিটো গোচৰত একালত fixed pay হিচাপে নিয়োজিত শিক্ষক, পিছত তেওঁলোকক নিয়মীয়াকৰণ কৰা হৈছিল, তেওঁলোককো এই gradation list ত তেওঁলোকৰ যি বিশেষ দাবী আছে সেই বিশেষ দাবীৰ পৰিপ্ৰেক্ষিতত তেওঁলোকে গোচৰ তৰে। বৰ্তমান মহামান্য আদালতে, আদালতৰ অনুমতি অবিহনে ফলা- ফল ঘোষণাত বাধা আৰোপ কৰিছে। আমাৰ ৰাজ্যিক পৰ্যায়ত ইতিমধ্যে আগষ্ট মাহতে আমাৰ বাচনি প্ৰক্ৰিয়া আমি সম্পূৰ্ণ কৰিছো। আমি ফলাফল ঘোষণা কৰিব পৰা অৱস্থাত আছো, আৰু আমি প্ৰধান শিক্ষক আৰু অধ্যক্ষ নিযুক্তি দিব পৰা অৱস্থাত আছো। কিন্তু উচ্চ ন্যায়ালয়ৰ বাধাৰ কাৰণে গোচৰটো চলি থকাৰ কাৰণে ফলা-ফলটো আমি প্ৰকাশ কৰিব পৰা নাই। মই আশাবাদী অতি সোনকালে উচ্চ ন্যায়ালয়ত এটা পজিটিভ ফলাফল পাম। পজিটিভ ফলাফলটো পালে এই প্ৰধান শিক্ষক আৰু অধ্যক্ষ নিযুক্তিৰ প্ৰক্ৰিয়াটো আমি আগবঢ়াই নিব পাৰিম। অন্তত যিকেইখন জিলাত এনেধৰণৰ শিক্ষক আছে বা যিকেইখন জিলাৰ শিক্ষকক লৈ গোচৰটো হৈছে, ধেমাজি, লক্ষীমপুৰ, নগাঁও, শোণিতপুৰ এই জিলাকেইখন বাদ দি হ'লেও বাকীকেইখন যিবিলাক জিলাত গোচৰ নাই সেই জিলা বিলাকত আমি নিযুক্তি প্ৰক্ৰিয়া আগবঢ়াই নিয়াৰ বাবে হাইকোৰ্টত আমাৰ ফালৰ পৰা আমি আবেদন জনাইছো, আৰু আমি আশাবাদী যে আমাৰ আবেদনটো গৃহীত হ'ব। যিহেতু আমাৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ হৈ গৈছে, গতিকে অতি সোনকালে আদালতৰ বাধা আতৰি গ'লেই প্ৰধান শিক্ষক আৰু অধ্যক্ষ নিযুক্তি ৰ প্ৰক্ৰিয়াটো আমি সম্পুৰ্ণ কৰিব পাৰিম। ইয়াৰ উপৰিও মই জনাব বিচাৰো যে যি বিলাক বিজ্ঞানাগাৰ আমি অসম চৰকাৰৰ তৰফৰ পৰা সমগ্ৰ শিক্ষাৰ অধীনতো নিৰ্মাণ কৰো আৰু SOPD শিতানতো নিমাৰ্ণ কৰো আৰু বহু অঞ্চলত স্থানীয় বিধায়ক, সাংসদ সকলে তেওঁলোকৰ সমষ্টি উন্নয়ন পুঁজিৰ পৰাও এনে বিজ্ঞানাগাৰ নিৰ্মাণ কৰিছে। CSR fund ৰ পৰাও বিজ্ঞানাগাৰ নিৰ্মাণ কৰা হৈছে, নিৰ্দ্দিষ্ট কোনো বিদ্যালয়ত ডিগবৈ সমষ্টিত যদি কোনো বিশেষ দাবী আছে তেনেহ'লে সেইটো মোৰ ওচৰত দাখিল কৰিবৰ কাৰণে অনুৰোধ জনাইছো। তাত বিজ্ঞানাগাৰৰ সমস্যা আমি দূৰ কৰিম। বুঢ়ীদিহিং অঞ্চলৰ কথা উল্লেখ কৰিছে। নতুনকৈ ডিগবৈ সমষ্টিত সংযোজিত হৈছে, আৰু বুঢ়ীদিহিং অঞ্চলটো শিক্ষাত পিছ পৰা এটা অঞ্চল। সেই কাৰণে আমি বিশেষ ব্যৱস্থা লৈছো। শেহতীয়াকৈ আমি কিছু বিদ্যালয় উন্নীতকৰণৰ কাৰণে সদৌ অসম মৰাণ ছাত্ৰ সন্থা, তেওঁলোকৰ এটা প্ৰতিনিধি দলে মোক অৱগত কৰাৰ পাছত আমি এখন বিদ্যালয়ৰ উন্নীতকৰণৰ বাবে আমি বুঢ়ীদিহিং অঞ্চলত পদক্ষেপ গ্ৰহণ কৰিছো, আৰু যিটো শিক্ষকৰ নাটনিৰ কথা কৈছে আমাৰ ইতিমধ্যে শিক্ষক বদলিকৰণ এইটো চেচনৰ কাৰণে এই প্ৰক্ৰিয়াটো সমাপ্ত হৈছে। এইটো সমাপ্ত হোৱাৰ লগে লগে আমাৰ rationalization ৰ প্ৰক্ৰিয়াটো আৰম্ভ হৈছে। গতিকে rationalization ত ডিগবৈ সমষ্টিৰ তিনিচুকীয়া জিলাৰ বুঢ়ীদিহিং অঞ্চলৰ যি শিক্ষকৰ নাটনিৰ সমস্যা তাক আমি সমাধান কৰাৰ পদক্ষেপ ল'ম। ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। দিগন্ত বৰ্মন।

**শ্ৰী দিগন্ত বৰ্মন, (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো যদিও ডিগবৈৰ লগত জড়িত তথাপিও মোৰ আজি এটা প্ৰশ্ন আছিল ১৮৭ তৰাবিহীন। যিহেতু মাননীয় মন্ত্ৰী মহোদয়ে মোক উত্তৰটো দিছে গতিকে মই এটা কথা অনুৰোধ জনাব বিচাৰিছো, যে নলবাৰী জিলাৰ বৰখলাত ১৯১১ চনতে স্থাপিত পি বি ধীৰ দত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়খন আজিলৈকে বাণিজ্য শাখাটো প্ৰবৰ্তন নহ'ল। আজি বহু বছৰ ধৰি তাতে বাণিজ্য শাখাত প্ৰায়৩০ জন ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা দি আহিছে। গতিকে আজি শিক্ষক সকলৰ অৱস্থা একেবাৰে বেয়া হৈ গ'ল, ১৯৯৮ চনৰ পৰা এতিয়ালৈ

বিনাবেতনে কাম কৰি আছে। মোক যিটো মাননীয় মন্ত্ৰী মহোদয়ে দিছে ইয়াত বাণিজ্য শাখা প্ৰৱৰ্তন হোৱাটো তেওঁলোকে জ্ঞাত বুলি কৈছে। কিন্তু ২০১৭ চনৰ প্ৰাদেশীকিকৰণ আইনৰ অধীনত শিক্ষক সকলৰ ইউ ডাইছ কোৰ্ড নথকাৰ বাবে প্ৰাদেশীকিকৰণ কৰিব নোৱাৰা বুলি কৈছে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম ইতিমধ্যে তেখেতে মোক এখন মডে'ল কমাৰ্চ কলেজ দিম বুলি সেই দিনা ভিডিঅ' কনফাৰেঞ্চত কৈছে। মই তেখেতক ধন্যবাদ জনাইছো। গতিকে মই ভাবো যে এই স্কুলখন পি বি ধীৰ দত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ কমাৰ্চ শাখাটো প্ৰদেশীকিকৰণ কৰি দিব লাগে বুলি মই অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰনোজ পেগু, শিক্ষা মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, তেখেতৰ প্ৰশ্নটো এটা তৰাবিহীন প্ৰশ্ন , তৰাযুক্ত প্ৰশ্নৰ শিতানত তেখেতে লৈ আনিছে। আপুনি নিৰ্দেশ দিছে, মই উত্তৰটো জনাব বিচাৰো, যে আমি সকলোৱে জানো প্ৰাদেশীকিকৰণ , প্ৰাদেশীকিকৰণ আইনৰ ভিত্তিত হয়। গতিকে ২০১৭ চনৰ আইনৰ ভিত্তিত যিখিনি কৰিব লগা আছিল, চৰকাৰে কৰিলে। এতিয়া আৰু কোনো আইনগত ব্যৱস্থা নাই। যি খিনি আওঁতাৰ ভিতৰত নপৰে তেখেতে যিটো কমাৰ্চ শাখাৰ কথা কৈছে, সেইটো আওঁতাৰ ভিতৰত নপৰে, নপৰে কাৰণে কৰিব পৰা হোৱা নাই। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া ড° ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম,বিধায়ক, (জনিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্কুল শিক্ষক আৰু প্ৰধান শিক্ষকৰ কথা কোৱা হৈছে। মোৰ সমষ্টিত বহুকেইখন বিদ্যালয় আছে। স্কুল বিশেষে শিক্ষক বহুত কম। কলগছিয়া গাৰ্লছ হাইস্কুলত ২৫০ জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে মাত্ৰ তিনি জন শিক্ষক আছে।

**মাননীয় অধ্যক্ষঃ** Hon'ble Minister য়ে এই বিষয়টোৰ উত্তৰ দিলে।

**ড° ৰফিকুল ইছলাম,বিধায়ক, (জনিয়া) ঃ** অধ্যক্ষ মহোদয়, ২০১৩ চনত বিদ্যালয় সমূহত শিক্ষক নাই। অতি সোনকালে হাইস্কুল সমূহত শিক্ষক দিব লাগে।

**মাননীয় অধ্যক্ষঃ** Already Hon'ble Minister যে এই বিষয়ত reply দিছে।

**ড° ৰফিকুল ইছলাম,বিধায়ক, (জনিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত মডেল স্কুল Science & commerce stream ৰ কথা সমষ্টিবাসীয়ে জানিব বিচাৰিছে। মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে মডেল স্কুল খন Science & commerce subject দি ডিগ্ৰী কলেজ কৰাৰ বাবে ইতিমধ্যে মন্ত্ৰী মহোদয়ে আশ্বাস দিছে। সমষ্টিবাসীয়ে জানিলে সন্তুষ্ট হ'ব। মই এইটোকে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। Hon'ble Minister, মডেল কলেজ সংক্ৰান্তত জানিব বিচাৰিছে।

**ড° ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** সেইটো সংখ্যলঘু উন্নয়ন বিভাগৰ MSDP ৰ অধীনত কিছু সংখ্যক আৱাসিক বিদ্যালয় নিৰ্মাণ কৰা হৈছিল। বৰ্তমান আৱাসিক বিদ্যালয়ৰ প্ৰকল্পসমূহ সম্পূৰ্ণ হৈ উঠিছে। খুব সুন্দৰ আন্তঃগাঁথনি আৰু তাত কোৱাৰ্টাৰ, ছাত্ৰাবাস ছাত্ৰী নিবাস এই সকলোবিলাকৰ ব্যৱস্থা আছে । এই বিদ্যালয় খিনি আমি সংখ্যালঘু উন্নয়ন বিভাগৰ পৰা শিক্ষা বিভাগলৈ হস্তান্তৰ কৰাৰ কাৰণে আমাৰ দুটা বিভাগৰ মাজত আলোচনা চলি আছে আৰু কিছুদিনৰ পূৰ্বে এই যিবিলাক সমষ্টিত এই আৱাসিক বিদ্যালয় ভৱন বিলাক আছে বিদ্যালয় হোৱা নাই। এতিয়াও য'ত ভৱন বিলাক আছে এই বিধায়ক সকলৰ লগত মই মিটিং কৰিছিলো আৰু তেওঁলোকে পৰামৰ্শ আগবঢ়াইছে। তেওঁলোকৰ পৰামৰ্শ অনুযায়ী যি সকলে মডেল ডিগ্ৰী কলেজ বিচাৰে আমি মডেল কলেজ প্ৰতিষ্ঠা কৰিম। কোনোবাই পলিটেকনিক বিচাৰিছে কোনোবাই ইঞ্জিনিয়াৰিং কলেজ

বিচাৰিছে, কোনোবাই সৈনিক স্কুল বিচাৰিছে। গতিকে স্থানীয় বিধায়ক সকলে যি ধৰণে অনুমোদন জনাইছে বা যি ধৰণে তেওঁলোকে বিচাৰিছে সেইধৰণে কৰিবৰ বাবে আমি শিক্ষা বিভাগৰ পৰা চেষ্টা কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, Next question no. 63 শ্ৰী ৰমাকান্ত দেউৰী। Hon'ble Minister.

**ড° ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী ৰমাকান্ত দেউৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ পাইছো। ইয়াৰ আগতেও আমাৰ সন্মানীয় বিধায়ক শ্ৰী সুৰেণ ফুকন ডাঙৰীয়াৰ প্ৰশ্নটোৰ মিল আছে। অধ্যক্ষ মহোদয়, মই যি উত্তৰ বিচাৰিছিলো সেইটো পাইছো। কিন্তু উত্তৰটো সন্তুষ্টজনক হোৱা নাই। অসমৰ বিভিন্ন স্পৰ্শকাতৰ অঞ্চলত শিক্ষক-শিক্ষয়িত্ৰী সকলে কাম কৰি থকা বিষয়টো বহুবাৰ বিধানসভাত উপস্থাপন হৈছে। মোৰ সমষ্টিত, মোৰ জিলাত স্পৰ্শকাতৰ শব্দটো মই ব্যৱহাৰ কৰিছো এই কাৰণেই এটা সময়ত আজি ১বছৰ ২ বছৰ আগলৈকে জীয়ৰী-বোৱাৰী যি সকলে শিক্ষকতা কৰি আছে, সেই সকলৰ আজি নিৰাপত্তা নাইকিয়া হৈছে। মোৰ এলেকাত বাংলাদেশী মূলৰ মিঞা সকলৰ পৰা অসুবিধাৰ সৃষ্টি হৈছে। গতিকে নিৰাপত্তা শিক্ষক-শিক্ষয়িত্ৰীসকলক দিব লাগে। ইয়াৰ আগতে মই বহুবাৰ কৈছিলো।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষঃ** সন্মানীয় বিধায়ক সকল, আপোনালোকে অলপ বহকচোন। মই কাৰোৰে কথা শুনা নাই। আপোনালোকে নিজৰ নিজৰ আসন গ্ৰহণ কৰক। মই নুশুনিলে কেনেকৈ ক'ম আপোনালোকে মোৰ কথাই নুশুনে।

(সদনত হুলস্থুল)

The House is Adjourned for 10 minutes

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী ৰমাকান্ত দেউৰী ডাঙৰীয়া আপুনি কেৱল supplementary হে কৰিব।

**শ্ৰী ৰমাকান্ত দেউৰী, (মৰিগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এগৰাকী ভূমিপুত্ৰ। বিধান সভাত মই বেছি প্ৰশ্ন নকৰো। কেতিয়াবা এটা বা দুটাহে প্ৰশ্ন উত্থাপন কৰো। তেওঁলোকৰ ফালৰ পৰা হাজাৰ হাজাৰ প্ৰশ্ন থাকে। মোক প্ৰশ্ন কৰিবলৈ আপোনালোকে সময় কিয় দিয়া নাই। এনেকুৱা কৰিব নালাগে। আপোনালোকে এনেকুৱা কাম নকৰিব।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে আমাক advice কৰিব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য ডাঙৰীয়া আপুনি প্ৰশ্নটো কৰক।

**শ্ৰী ৰমাকান্ত দেউৰী, মৰিগাওঁ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক সত্য কথাটো কৈছো। যেতিয়া মাননীয় বিধায়ক শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য ডাঙৰীয়া শিক্ষামন্ত্ৰী আছিল তেতিয়া একাংশই গো-মাংস জোৰ জবৰদস্তি কৰি খুৱাবৰ কাৰণে(.......... সদনত হুলস্থুল..................................)

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য ডাঙৰীয়া আপুনি কথাবিলাক কোনফালে লৈ গৈছে। আপোনাৰ supplementary প্ৰশ্নটো কৰক। এইটো ডিবেট নহয়।

(...........................................সদনত হুলস্থুল...........................)

**माननीय अध्यक्ष ঃ** माननीय সদস্য ডাঙৰীয়া আপোনাক মই বাৰে বাৰে কৈ আছো আপুনি আপোনাৰ প্ৰশ্নটো কৰক। আপুনি মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা কি বিচাৰে সেইটো কওঁক।

**শ্ৰী ৰমাকান্ত দেউৰী, (মৰিগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্পৰ্শকাতৰ অঞ্চল সমূহৰ পৰা নিৰাপত্তাৰ খাতিৰত আমাৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সকলক লৈ আনিব লাগে আৰু গো-মাংস খোৱা ইত্যাদি কামবোৰ বন্ধ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু, (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰকীয়ে গুৰুতৰ অভিযোগ এটা উত্থাপন কৰিছে আৰু এনেকুৱা অভিযোগ সময়ে সময়ে মোৰ whatsapp ত ও আহি থাকে। ২০১৭ চনত এই পবিত্ৰ সদনতে শিক্ষক সকলৰ বদলি কৰণৰ বিষয়টো এটা নীতি-নিয়ম বিধিৰ মাজেৰে কৰাৰ কাৰণে শিক্ষক বদলি কৰণ আইন গৃহীত হৈছিল আৰু এই আইন গৃহীত হোৱাৰ পিছত এইখন চৰকাৰে দায়িত্ব লোৱাৰ পিছৰে পৰা আমি এক online ব্যৱস্থাৰে শিক্ষক সকলৰ বদলি কৰণৰ আবেদন বিলাক গ্ৰহণ কৰা আৰু নিষ্পত্তি কৰাৰ ব্যৱস্থা এটা গঢ়ি তুলিছিলো। সমান্তৰাল ভাৱে যাতে শিক্ষক সকলৰ এখন জিলাৰ ভিতৰতে তেওঁলোকৰ posting বিলাক সমানুপাতিক ভাৱে হয় তাৰ কাৰণে rationalization ৰ পদক্ষেপ এটা ও লোৱা হৈছিল। এতিয়া বদলি কৰণ আৰু rationalization এই দুয়োটা একেটা সময়তে চলাবলৈ অসুবিধা আৰু সেইকাৰণে আমি এটা বিভাগীয় পলিচী গ্ৰহণ কৰিছিলো যে প্ৰথম গৰমৰ বন্ধৰ সময়ত বদলি কৰণ হ'ব আৰু তাৰপিছত rationalization বা সমানুপাতিক শিক্ষকৰ বিতৰণৰ পদক্ষেপটো লোৱা যাব। মই আজি সদনত জনাবলৈ পাই সুখী যে ইতিমধ্যে আমি ৩১,৩৪৪ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক online portal ৰ যোগেদি কোনো ধৰণৰ ফিজিকেল ফাইল নোহোৱাকৈ তেওঁলোকৰ বদলি কৰণ যোৱা কালিলৈকে সম্পন্ন কৰিছো। শিক্ষক সকলৰ যি বিভিন্ন দূৰ্গম অঞ্চলত posting হয়, তাত বিভিন্ন ধৰণৰ অসুবিধা বিশেষকৈ মহিলা শিক্ষয়িত্ৰী সকলে ভুগিব লগীয়া হয়। গতিকে মহিলা শিক্ষয়িত্ৰী সকলৰ ক্ষেত্ৰত আমি বিশেষ গুৰুত্ব প্ৰদান কৰি rationalization ৰ পদক্ষেপ আৰম্ভ কৰিলো আৰু খুব সোনকালে আমি ইয়াক সমাপনো কৰিম। যিহেতু শিক্ষক সকল কিছুমান দূৰ্গম অঞ্চল বিশেষকৈ চৰ-চাপৰি বা পাৰ্বত্য অঞ্চলত যিসকল শিক্ষক-শিক্ষয়িত্ৰীৰ posting হয় সেই শিক্ষক-শিক্ষয়িত্ৰী সকলৰ নিৰাপত্তাৰ বিষয়টোত স্থানীয় ৰাইজে, স্থানীয় সমাজখনে, জনপ্ৰতিনিধি সকলো খুব সংবেদনশীল হৈ তেওঁলোকক নিৰাপত্তা দিয়াৰ ক্ষেত্ৰত, তেওঁলোকক comfortable কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বহু এনেকুৱা অঞ্চল আছে দুটা-তিনিটা ঘাট পাৰ হৈ শিক্ষয়িত্ৰী সকল যাব লাগে। গতিকে আমি rationalization ৰ যি বিধি আছে OM আমি প্ৰস্তুত কৰিছো। তাত আমি পৰাপক্ষত দূৰ্গম অঞ্চলবোৰত শিক্ষয়িত্ৰী সকলক নিযুক্তি নিদিয়াৰ পক্ষত। কিন্তু এই দূৰৱৰ্ত্তী অঞ্চলবোৰত যিহেতু শিক্ষকৰ নাটনি ও আছে গতিকে আমি একেটা সময়তে বিদ্যালয় সমূহত DTR maintain কৰাৰ কথাটোও চাব লাগিব। লগতে শিক্ষক-শিক্ষয়িত্ৰী সকলৰ নিৰাপত্তাৰ দিশটোও চাব লাগিব। জনিয়া সমষ্টিৰ মাননীয় বিধায়ক গৰকীয়ে নিজে উত্থাপন কৰিছে যে তেখেতৰ সমষ্টিৰ এখন বিদ্যালয়ত ২৫০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীয়ে তিনিগৰকী শিক্ষক-শিক্ষয়িত্ৰী আছে। এই শিক্ষক-শিক্ষয়িত্ৰী সকলে তাত যাব বা থাকিব এইক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰী সকলৰ নিৰাপত্তা বা comfortabily যাতে শিক্ষাদান কৰিব পাৰে এইক্ষেত্ৰত স্থানীয় সমাজখনে বা বিধায়ক গৰাকীয়ে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব লাগিব। আমি এতিয়াৰ পৰা rationalized প্ৰক্ৰিয়াটো আৰম্ভ কৰিম। মই মাননীয়

মৰিগাওঁ সমষ্টিৰ বিধায়ক শ্ৰী ৰমাকান্ত দেউৰী ডাঙৰীয়াৰ কথাখিনি ইয়াত অৱগত হোৱাৰ পিছত আমি নিশ্চিত ভাৱে এই বিষয়টো চাম। বিশেষকৈ শিক্ষয়িত্ৰী সকলক যাতে দুৰ্গম বা অসুবিধা বা তেওঁলোক য'ত নিৰাপত্তা জনিত সমস্যাৰ সন্মুখীন হৈছে আৰু তেওঁলোকে যাতে নিজৰ শালীনতা আৰু মৰ্য্যদা সহকাৰে সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত যি সমস্যাৰ সন্মূখীন হৈছে সেই সমস্যাখিনি আমি rationalized প্ৰক্ৰিয়াৰ মাজেৰে যাতে সমাধা কৰিব পাৰো তাৰ বাবে আমি প্ৰয়োজনীয় ব্যৱস্থা আমি গ্ৰহণ কৰিম। ইয়াত তেখেতৰ দ্বিতীয় প্ৰশ্নটোৰ ক্ষেত্ৰত ইতিমধ্যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰিছে যে আমি পৰ্য্যায়ক্ৰমে অসমৰ যিবোৰ মাধ্যমিক শিক্ষানুষ্ঠান আছে সেই সমূহ পুনৰ নিৰ্মাণৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম আৰু এই প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈ গ'ল আৰু আমি RIDF 29, RIDF 30 ত যিটো NESID(North East Special Infrastructure Development) স্কীম আছে, সেই স্কীমৰ অধীনত আমি ইতিমধ্যে বিদ্যালয় সমূহৰ পুনৰ নিৰ্মাণৰ কাৰণে ৭-৮ কোটি টকা ব্যয়েৰে এই কাম আৰম্ভ কৰিছো। মাননীয় বিধায়ক গৰাকী যিহেতু মৰিগাওঁ জিলাৰ গতিকে তাত ইতিমধ্যে ৯ খন বিদ্যালয়ৰ কাম গ্ৰহণ কৰিছো। তেখেতে কৈছে পুঁজি আবন্টন পোৱা নাই। কিন্তু মই জনাব বিচাৰো যে দেৱাগুৰি হাইয়াৰ চেকেণ্ডাৰী স্কুল, মিকিৰভাটা আঞ্চলিক স্কুল, ন'শলা চিনিয়ৰ চেকেণ্ডাৰী স্কুল, চৰাইবাহী হাইয়াৰ চেকেণ্ডাৰী স্কুল, জাগি হাইয়াৰ চেকেণ্ডাৰী স্কুল, জাগীৰোড হাইয়াৰ চেকেণ্ডাৰী স্কুল, দন্দুৱা হাইয়াৰ চেকেণ্ডাৰী স্কুল, চেণ্ট্ৰেল ধৰমতুল মতিৰাম বৰা হাইয়াৰ চেকেণ্ডাৰী স্কুল, নগাবন্ধা হাইস্কুল, ললাবৰী হাইয়াৰ চেকেণ্ডাৰী স্কুল এই বিদ্যালয় সমূহ ইতিমধ্যে অনুমোদিত হৈছে, ইয়াৰ নিবিদা আহ্বান কৰা প্ৰক্ৰিয়া, কিছুমানত নিবিদা সম্পূৰ্ণ হৈছে। আমি লক্ষ্য কৰিছো যাতে ২০২৬ চনৰ ভিতৰতে ইয়াৰ আধা সংখ্যক বিদ্যালয়ৰ নিৰ্মাণ কাৰ্য্য যাতে আমি সম্পূৰ্ণ কৰিব পাৰো আৰু এনেকৈ আগন্তুক বছৰতো আমি ১২৬ টা সমষ্টিৰ ১২৬ টাতে আমি বিদ্যালয় নিৰ্ব্বাচন কৰিম আৰু আমি ২০০০ বিদ্যালয়ত পুনৰ নিৰ্মাণৰ যিটো অভিযান এই অভিযানটো আমি সম্পূৰ্ণ কৰিম। তেতিয়া তেখেতৰ বিদ্যালয়ৰ এই আন্তঃগাঁথনিৰ সমস্যা সমূহ নাথাকিব বুলি মই অনুমান কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন কালীন ঘণ্টাৰ সময় অন্ত পৰিল। এতিয়া শূন্য কালীন ঘণ্টা। মাননীয় সদস্য শ্ৰী হেমাঙ্গ ঠাকুৰীয়া।

**শ্ৰী হেমাঙ্গ ঠাকুৰীয়া, বিধায়ক, (পলাশবাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ........................

**মাননীয় অধ্যক্ষঃ** Question Hour over....interruptions.....

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** অধ্যক্ষ মহোদয়, Point of Order ...interruptions.....

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক মই এটা কথা অনুৰোধ কৰিব বিচাৰিছো যে তেওঁৰ ...interruptions....... জাতীয় ভাৱ থাকিব পাৰে তাৰ বাবে..........interruptions.......

**মাননীয় অধ্যক্ষঃ** Sherman Ali, please sit down. কি Point of Order?

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** অধ্যক্ষ মহোদয়, যোৰাকালি ওৰাং ৰাষ্ট্ৰীয় উদ্যানত এজন জোৱানক বাঘে আক্ৰমণ কৰাত তেখেতৰ মৃত্যু হৈছে। প্ৰথমে বাঘে তেওঁক লৈ যোৱা বুলি বাতৰি ওলাইছিল, কিন্তু আজি দেখিলো তেখেতৰ মৃত্যু হৈছে। যিহেতু বিধান সভাৰ অধিবেশন চলি আছে, গতিকে বন মন্ত্ৰীয়ে ইয়াৰ ওপৰত এটা বিবৃতি দিব লাগে।

**মাননীয় অধ্যক্ষঃ** হ'ব। মাননীয় মন্ত্ৰীয়ে অলপ পিছত সদনত ক'ব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, বন ইত্যাদিঃ** অধ্যক্ষ মহোদয়, মই এই সম্পৰ্কত বিবৃতি এটা দিম আৰু সেই ঘটনাস্থলীলৈ মই Principal CCF, Wildlife ক ৰাতিপুৱাই পঠাইছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শূন্যকালীন ঘণ্টা। শ্ৰীহেমাংগ ঠাকুৰীয়া।

**শ্ৰী হেমাংগ ঠাকুৰীয়া, (পলাশবাৰী)ঃ** অধ্যক্ষ মহোদয়, যোৱা ২২ আগষ্ট তাৰিখে 'গণ অধিকাৰ' বাতৰি কাকতত, 'কবচ' নামৰ বাতৰি কাকতৰ লগতে আন কেইবাখনো বাতৰি কাকতত এটা বিশেষ বাতৰি প্ৰকাশ পাইছিল যে -'গুৱাহাটী বিমান বন্দৰ কৃত্ৰিম বানপানীৰ কৱলত ভৱিষ্যতে পৰিব'। মিৰ্জা, বিজয়নগৰ, আজাৰাত কৃত্ৰিম বানপানী হয় কাৰণ আগতে তাত যিবোৰ drain আছিল, সেই drain বোৰ বন্ধ কৰা হৈছে। মই নিজেও এই কথাটো উপলব্ধি কৰিব পাৰো যে গুৱাহাটী বিমান বন্দৰ যদিও পলাশবাৰীৰ ওচৰত লাগি আছে , ই আমাৰ গোটেই অসম তথা ভাৰতবৰ্ষৰ সম্পত্তি। গুৱাহাটী বিমান বন্দৰৰ পৰা মিৰ্জা হৈ বগুৱা হৈ ওপৰহালী আৰু হুদুমপুৰ বুলি অঞ্চল এটা আছে। সেই অঞ্চলৰে গৈ দখলা হৈ ৰামপুৰৰ দৰাবিলত পানীখিনি এটা সময়ত পৰিছিল আৰু বিভিন্ন প্ৰকাৰে জান-জুৰিৰে গৈ বিমান বন্দৰৰ পানীখিনি ব্ৰহ্মপুত্ৰত পৰিছিল। বৰ্তমান দেখা গৈছে যে এই বৃহত্তৰ অঞ্চলটোত earth filling হৈছে, যিহেতু আমাক ইণ্ডাষ্ট্ৰী লাগে, তাৰ পৰা সংস্থাপনৰো ব্যৱস্থা হয়। কিয়নো আমাৰ পলাশবাৰীত যিবোৰ উদ্যোগ হৈছে তাত স্থানীয় যুৱক-যুৱতীয়ে চাকৰি পাইছে। আমাৰ পলাশবাৰী অঞ্চলটো লাহে লাহে প্ৰায় চহৰলৈ ৭৫% ৰূপান্তৰিত হৈছে। গতিকে তাত থকা মানুহখিনিয়ে ভৱিষ্যতে বানপানীৰ সমস্যাত যাতে ভুগিব লগা নহয়। কিয়নো বৰ্তমান তাত কৃত্ৰিম বানপানীৰ সমস্যা আৰম্ভ হৈছে। সেয়েহে তাত যিবোৰ drain আছিল, সেই drainবোৰ খোলাৰ ব্যৱস্থা কৰিব লাগে। আগতে মিৰ্জা, ওপৰহালী বা বিজয়নগৰত বানপানী হোৱা নাছিল, কিন্তু এতিয়া এজাক বৰষুণ দিলেই সেই অঞ্চলটোত বানপানী হয় ইয়াক সহজতে প্ৰত্যক্ষ কৰিব পাৰি। মাননীয় মন্ত্ৰী মহোদয়ে জানিব, দখলাৰ পৰা সত্ৰাপাৰা হৈ ৰামপুৰৰ দলাবিলত এটা artificial drain বনোৱা হৈছিল য'ত বিমানবন্দৰৰ পানী আৰু বৃহত্তৰ মিৰ্জা, বিজয়নগৰৰ পানী গৈ পৰিছিল আৰু তাৰ পৰা ব্ৰহ্মপুত্ৰত পৰিছিল। বহু বছৰ আগতে, চৰকাৰী, ম্যাদী মাটি অধিগ্ৰহণ কৰি এই artificial drain টো বনোৱা হৈছিল। কিন্তু, বৰ্তমান দেখা গৈছে যে এই artificial drain টোৰ সন্মুখতে কিছুমান উদ্যোগ স্থাপন কৰা হৈছে আৰু তেওঁলোকে drainage system টো block কৰি দিলে ফলত এতিয়া সেই অঞ্চলবোৰত বানপানী হয়। পলাশবাৰী, মিৰ্জাই হওঁক বা সৰু তেজপুৰ, বৰতেজপুৰ, হুদুমপুৰ, ৰামপুৰেই হওঁক, তাত ইতিমধ্যে ৫৬টাৰো অধিক উদ্যোগ স্থাপন হৈছে। কিন্তু এই উদ্যোগ সমূহৰ proper drainage system নথকাৰ বাবে এতিয়া পানীবোৰ চাৰিওফালে গুচি যোৱা হ'ল। সেয়েহে, মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো যে এতিয়াই যদি পদক্ষেপ লোৱা নহয়, তেন্তে পিছলৈ কৰাত অসুবিধা হ'ব। চৰকাৰী মাটি উলিয়াই লৈ প্ৰয়োজন হ'লে আৰু কিছু মাটি অধিগ্ৰহণ কৰি হ'লেও proper drainage systemটো যাতে কৰে। আপোনালোকে জানে যে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে পলাশবাৰী অঞ্চলত বিভিন্ন অনুষ্ঠান দিছে। Indian Institute of Management (IIM) পলাশবাৰীত আহি আছে। তাত বিভিন্ন শিক্ষানুষ্ঠান, DK Girls' College, Rampur College, Bijoynagar Commerce College আছে। উদ্যোগীকৰণ হোৱাৰ বাবেও তাত বাহিৰৰ পৰা যথেষ্ট সংখ্যক মানুহ আহে ফলত মানুহৰ বসতি যথেষ্টখিনি বাঢ়িছে। কিন্তু, proper drainage system নথকাৰ বাবে পলাশবাৰীত কৃত্ৰিম বানপানী দেখিবলৈ পোৱা

গৈছে। সেয়েহে মন্ত্ৰী মহোদয়ক মই এই ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় জলসম্পদ মন্ত্ৰী.....interruptions.....

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ ( উত্তৰ কৰিমগঞ্জ)ঃ** চাৰ, এটা কথা add কৰিব বিচাৰিছো। বানপানী গুৱাহাটীত হয়, কিন্তু ইতিমধ্যে দেখা পালো যে USTM ৰ পৰা পানী নামি আহে। এই ক্ষেত্ৰত তদন্ত হ'ব লাগে। কাৰণ কিয় পানী হয়, USTM ৰ কিবা আছে নেকি, তাৰ তদন্ত হ'ব লাগে।

**মাননীয় উপাধ্যক্ষঃ** ইয়াৰ উত্তৰ অশোক সিংহাল ডাঙৰীয়াই দিব।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি)ঃ** উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য হেমাংগ ঠাকুৰীয়াই যি কেইটা কথা কৈছে তাৰ গুৰুত্বপূৰ্ণ দিশটো হৈছে কৃত্ৰিম বানপানী। আচলতে জলসম্পদ বিভাগে কৃত্ৰিম বানপানীৰ ব্যৱস্থাটো চোৱা-চিতা নকৰে। তথাপিতো আমি কিছু ক্ষেত্ৰত কৰো। গৌহাটী বিশ্ববিদ্যালয়ৰ যি কৃত্ৰিম বানপানী তাক মোকাবিলা কৰিবলৈ আমি ব্যৱস্থা হাতত লৈছো। কিন্তু, মই আকৌ কৈছো যে জলসম্পদ বিভাগে আচলতে নদীৰ পৰা পানী আহি য'ত বানপানীৰ সৃষ্টি হয়, সেইখিনিক লৈহে সক্ষম হৈ থাকে। কিন্তু বিশেষ বিশেষ অঞ্চলত, বিশেষ বিশেষ সময়ত আমি কৃত্ৰিম বানপানীৰ কাৰণেও কাম কৰিবলৈ চেষ্টা কৰো।

যি কি নহওঁক, গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰ, মিৰ্জা, বিজয়নগৰ, পলাশবাৰী চহৰ আদি অঞ্চলত সৃষ্টি হোৱা কৃত্ৰিম বানপানীৰ বিষয়টো ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান (IIT), গুৱাহাটীয়ে অধ্যয়ন কৰি "Drainage network design for Kalbhog and Kalmoni river for releasing storm water from Gauhati International Airport" নামৰ প্ৰতিবেদনখন প্ৰস্তুত কৰি দিছে। এই প্ৰতিবেদনখনত জান দুটাৰ cross sectional area বৃদ্ধি কৰাৰ পৰামৰ্শ দাঙি ধৰে। এই প্ৰস্তাৱৰ দ্বাৰা Padma lake ৰ পৰা SOS নলালৈ পানী বোৱাই নি গড়ল অঞ্চলৰ পৰিত্যক্ত irrigation canal ত সংযোগ কৰি কালমণি নদীত পেলোৱাৰ ব্যৱস্থা কৰা হ'ব। অৱশেষত, কালমণি নদীৰ পানী কালভোগ নদীৰ জৰিয়তে পলাশবাৰী শ্লুইছ গেটৰ মাজেৰে ব্ৰহ্মপুত্ৰ নদীত পেলোৱা হ'ব। উক্ত প্ৰতিবেদনৰ ভিত্তিত প্ৰয়োজনীয় প্ৰাক্কলন প্ৰস্তুত কৰি থকা হৈছে আৰু প্ৰয়োজনীয় অনুমোদনৰ বাবে ব্যৱস্থা লোৱা হ'ব। পানী কালভোগ নদীৰ জৰিয়তে পলাশবাৰী চুইচ গেটৰ মাজেৰে ব্ৰহ্মপুত্ৰ নদীত পেলোৱা হ'ব। উক্ত প্ৰতিবেদনৰ ভিত্তিত চৰজমিন প্ৰাক্কলন প্ৰস্তুত কৰি থকা হৈছে, আৰু প্ৰয়োজনীয় অনুমোদনৰ বাবে ব্যৱস্থা হাতত লোৱা হ'ব। ইতিমধ্যে লোক নিৰ্মাণ বিভাগে কিছু কাম আৰম্ভ কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, জলসম্পদ বিভাগে **২০২২-২৩** বৰ্ষত resolution of Kalmoni revolated along the NH -17 from RCC bridge at Rani Gate to RCC bridge near GIMT for augmentation of fresh flood discharge for Rani Area নামৰ ৮৫.৯৩ লাখ টকাৰ আঁচনিখন SOPD- G শিতানৰ অধীনত সফলতাৰে ৰূপায়ন কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আচলতে কালমনি নদীখনত সম্পূৰ্ণভাৱে encroachment আছিল। আগতে নদী বুলি আছিল, এতিয়া drain হৈছে। আমি যোৱা বছৰ এই আঁচনিখনৰ জৰিয়তে প্ৰায় ৪.৫ কিলোমিটাৰ কালমনি নদীৰ মৃতপ্ৰায় অংশ পুনৰ খান্দি ৰাণী, আজাৰা আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃজাতিক বিমান বন্দৰ সংলগ্ন কিছু অঞ্চল কৃত্ৰিম বানৰ পৰা

লাঘৱ কৰা হৈছে। এই অঞ্চলত নামনি দখলাৰ পৰা দৰাবিল সংযোগী প্ৰায় ৪.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এটা জলসম্পদ বিভাগৰ নলা আছে। এই নলাটোৱে বঙৰা, মিৰ্জা, গোপজাৰ,উপৰআলি, হুদুমপুৰ ইত্যাদি বৃহৎ অঞ্চলৰ পানী দৰাবিললৈ বৈ আহিছে। নামনি দখলা অঞ্চলৰ উজনি up-stream পৰা কালভোগ নদীলৈ এটা বৃহৎ অঞ্চলত গঢ়ি উঠা উদ্যোগ প্ৰতিষ্ঠানসমূহৰ বাবে পানী ভাগ ওলাই যোৱাত কিছু বাধাৰ সৃষ্টি হৈছে। উক্ত অঞ্চলৰ কৃত্ৰিম বান সমস্যা লাঘৱৰ বাবে জলসম্পদ বিভাগে প্ৰয়োজনীয় জৰিপ কৰি যথা বিহিত প্ৰাক্কলনৰ প্ৰস্তুতিৰ ব্যৱস্থা গ্ৰহণ কৰিব।

লগতে USTM ৰ পৰা পানী নামি অহাটো আমি দেখিছো, TV, Social media ত বহুতো video দেখিছো। কিন্তু গুৱাহাটীৰ বানপানীৰ কাৰণে যিহেতু দহুৱা (DoHUA) বিভাগে চাই, গতিকে এই বিষয়ত আপোনালোকে জানিব খোজে তেতিয়া হ'লে সন্মানীয় দহুৱা (DoHUA) বিভাগৰ মন্ত্ৰী শ্ৰী অশোক সিংহল ডাঙৰীয়া উপযুক্ত উত্তৰ এই সদনত ৰাখিব।

**শ্ৰী হেমাঙ্গ ঠাকুৰীয়া, (পলাশবাৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ন-আলিৰ পৰা artificial water resource ৰ drain আছিল, সেইটো বন্ধ কৰি দিয়া হৈছে, যিটো দৰাবিলত পৰে। সেইটোৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

**শ্ৰীপীযুষ হাজৰিকা, (জলসম্পদ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীৰ লগত মই এদিন সেই নলাটো চাই আহিম।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী নুৰুল হুডা।

**শ্ৰী নুৰুল হুডা, (ৰূপহীহাট)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ২৭ আগষ্ট,২০২৪ তাৰিখৰ "দৈনিক গণ অধিকাৰ" কাকত প্ৰকাশিত "ডিংবৰি চাপৰিত বনকৰ্মীয়ে হত্যা কৰা দুই ভাতৃৰ পৰিয়ালে আজিও নাপালে চৰকাৰী সাহায্য" শীৰ্ষক বাতৰিটো শূণ্যকালীন ঘন্টাত আলোচনা কৰিবৰ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো।

মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা জুন মাহৰ ২১ তাৰিখ ৰাতি ডিংবৰি চাপৰি গাঁৱৰ আব্দুল জ্বলিল পিতা মমতাজ উদ্দিন, ৪৪ বছৰ বয়স, চমাৰুদ্দিন, পিতা মমতাজ উদ্দিন, ৩৪ বছৰ বয়স, তেওঁলোক দুই ভাই-ককাই। তেওঁলোকৰ ঘৰৰ পৰা প্ৰায় ২ শ মিটাৰ দূৰত মথাউৰি আছে। সেই মথাউৰিত বনকৰ্মীয়ে দুই ভাই-ককাইক শূণ্য দূৰত্বৰ পৰা এজনক মূৰত গুলিয়াছে আৰু এজনক বুকুত গুলিয়াই তেওঁলোকক হত্যা কৰিছে আৰু ৰাতি ৩ বজাৰ পিছত পুলিচে হস্পিতালত মৃতদেহ কেইটা লৈ গৈছে। তেওঁলোকক চোৰাং মাছ মৰিয়া বুলি সন্দেহ কৰি গুলিয়াইছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এই মানুহকেইজনৰ ঘৰৰ সন্মুখৰ ৰাস্তাৰ পৰা মথাউৰি বোধ হয় ১৫০, ২০০ মিটাৰ আৰু এই ১৫০,২০০ মিটাৰ ঠাইখিনি খেতি আছে। খেতি পাৰ হৈ মথাউৰি আৰু মথাউৰিৰ পৰা প্ৰায় আধা কিলোমিটাৰ পিছত বিল পায়। মথাউৰি আৰু বিলৰ মাজত ঠাইখিনি চৰনীয়া পথাৰ। তাত শুনামতে গৰু - ছাগলীয়ে ঘাঁহ খায়। তেওঁলোকে যদি মাছ মাৰিবলৈ গৈছিল, তেওঁলোক যদি চোৰাং মাছ মৰিয়া, তেওঁলোকক কৰায়ত্ব কৰি জেললৈ প্ৰেৰণ কৰিব পাৰিলে হেতেন। কিন্তু তাকে নকৰি সেই একেবাৰে নিৰিখ মানুহ দুজনক শূণ্য দূৰত্বৰ পৰা গুলিয়াই হত্যা কৰিলে। হত্যা কৰাৰ পিছত মানুহে গম নাপালে, পুলিচে খবৰ দিয়াৰ পিছহে গম পাইছে। পৰিয়ালৰ মানুহে গৈ জুৰিয়া আৰক্ষী থানাত বন বিভাগৰ কৰ্মচাৰীৰ বিৰুদ্ধে গোচৰ ৰুজ কৰিলে। মই জনাত সেই গোচৰ এতিয়ালৈ registration নকৰিলে, কোনো ধৰণৰ তদন্ত নকৰিলে। গতিকে এই কেচটো গুৱাহাটী হাইকোৰ্টৰ বৰ্তমান কৰ্মৰত এজন ন্যায়াধিশৰ দ্বাৰা তদন্ত হ'ব লাগে আৰু তদন্তৰ

ব্যৱস্থাটো আপোনাৰ জৰিয়তে মই বিচাৰিছো। এই দুটা পৰিয়ালৰ, এজনৰ সৰু সৰু তিনিটা শিশু আছে, তাৰ ঘৈনীয়েক আছে আৰু আনজনৰো তিনিটা শিশুৰ লগতে বৃদ্ধ মা-দেউতা আছে। পৰিয়ালৰ উপাৰ্জন কৰা কোনো ব্যক্তি নাই। ঘৈনীয়েক দুজনীয়ে মানুহৰ দুৱাৰে দুৱাৰে গৈ সহায় বিচাৰি শিশুকেইটাক পোহপাল দি আছে। ২৮ জুন তাৰিখে দুয়োটা পৰিয়ালে নগাঁও জিলা আয়ুক্ত ডাঙৰীয়াৰ ওচৰত সাহায্য বিচাৰি এখন আবেদন দিছে। কিন্তু আবেদন দিয়াৰ পিছতো আজিলৈকে কোনো ধৰণৰ সাহায্য প্ৰদান নকৰিলে। গতিকে মানৱতাৰ খাতিৰত এই পৰিয়াল দুটিক চলিব পৰাকৈ চৰকাৰে আৰ্থিক সাহাৰ্য্য প্ৰদান কৰিব লাগে আৰু গুৱাহাটী হাইকোৰ্টৰ ন্যায়াধিশৰ দ্বাৰা তদন্ত কৰি সেই বন বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বন বিভাগৰ কৰ্মচাৰী সকলক গুলিয়াই মানুহ মৰাৰ বাবে চৰকাৰে আইন প্ৰনয়ন কৰি দিয়া নাই, কেৱল ৰক্ষণা-বেক্ষণৰ বাবেহে দিছে। ৰক্ষকেই যেতিয়া ভক্ষক হৈছে, গুলিয়াই মাৰিছে, গতিকে তাৰ উচিত বিচাৰ হ'ব লাগে। মই আৰু এটা কথা স্পষ্ট কৰি দিব খোজে যে যিখিনি ঠাইত মানুহ কেইজনক গুলিয়াই মাৰিছে, তেওঁলোকক চোৰাং চিকাৰী বুলি ক'বলৈ তাত কোনো জীৱ-জন্তু নাই।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (বন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো বিষয় উত্থাপন কৰিছে, সেই বিষয় সম্পৰ্কত আমি বিভাগৰ পৰা এটা বিবৃতি দিব বিচাৰিছো যে যোৱা ২২-০৬-২০২৪ তাৰিখে পুৱতি নিশা প্ৰায় ১ মান বজাত লাওঁখোৱা অভয়াৰণ্যৰ ভিতৰত অৱস্থিত ৰৈ মাৰী বিলৰ সমীপত বন বিভাগৰ তহলদাৰী দলৰ সৈতে প্ৰায় ২০ জনীয়া চোৰাং চিকাৰীৰ দল এটাৰ মুখা মুখি হয়। চোৰাং চিকাৰীৰ দলটোৱে বন বিভাগৰ তহলদাৰী দলটোৰ ওপৰত অতৰ্কিতে আক্ৰমণ কৰাত দুয়ো পক্ষৰ মাজত অভয়াৰণ্যৰ ভিতৰত সংঘৰ্ষ হয়। উক্ত সংঘৰ্ষত দুজন চোৰাং চিকাৰী আঘাটপ্ৰাপ্ত হৈ পৰৱৰ্তীসময়ত চিকিৎসালয়ত মৃত্যু হোৱা বুলি ঘোষণা কৰা হয়। চোৰাং চিকাৰীৰ দলটোৱে বন বিভাগৰ ৪ জনীয়া দলটোৰ ওপৰত অতৰ্কিতে আক্ৰমণ কৰাত আটাইকেইজন বনকৰ্মী আঘাতপ্ৰাপ্ত হয় আৰু তেনে পৰিস্থিতি বনকৰ্মীৰ দলটোৱে আত্মৰক্ষাৰ বাবে চোৰাং চিকাৰীৰ দলটোক খেদি পঠিয়াবলৈ গুলি চালনা কৰিবলৈ বাধ্য হয়। ফলত দুজন চোৰাং চিকাৰী আঘাটপ্ৰাপ্ত হয় আৰু স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰাৰ পিছত দুজনৰ মৃত্যু হোৱা বুলি চিকিৎসকে ঘোষণা কৰে। অভয়াৰণ্যৰ ভিতৰত চোৰাং চিকাৰৰ উদ্দ্যেশে অনাধিকাৰে প্ৰবেশ কৰ্তব্যৰত বনকৰ্মীক অতৰ্কিতে আক্ৰমণ কৰি মুখামুখী সংঘৰ্ষত লিপ্ত হৈ নিহত হোৱা ব্যক্তি বিশেষক কোনো ধৰণৰ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা বন্যপ্ৰাণী সুৰক্ষা আইন Wild Life Protection Act 1972 ৰ ভিত্তিত নাই। জিলা আয়ুক্ত নগাওঁ জিলাৰ আদেশ মৰ্মে NRAD 02/2024/2 dt.22-6-2024 ৰ মতে এগৰাকী অতিৰিক্ত জিলা দণ্ডাধীশক উক্ত ঘটনা সন্দৰ্ভত তদন্তৰ নিৰ্দেশ দিয়ে আৰু তদন্ত প্ৰক্ৰিয়াটো কি পৰ্য্যায়ত আছে বন বিভাগে আমাক এতিয়ালৈকে জনোৱা নাই গতিকে তদন্ত চলি আছে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীনুৰুল হুদা, (ৰূপহী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই অনুৰোধ জনাইছো, তদন্তটো High Court ৰ Judge ৰ দ্বাৰা কৰাই দিয়ক। যিখিনি কথা মাননীয় মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে এই কথাখিনি কিন্তু সত্যৰ আধাৰত প্ৰতিষ্ঠিত নহ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** ইতিমধ্যে মাননীয় মন্ত্ৰী মহোদয়ে enquiry ৰ setup কৰিছে।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** Forest ৰ ভিতৰত মথাউৰিতে গুলিয়াইছে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, (বন মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে এটা enquiry দণ্ডাধীশ পৰ্য্যায়ত চলি আছে। যেতিয়া এটা enquiry চলি আছে তাৰ ওপৰত আৰু এটা enquiry চলিব, সেইটো কথা নহয়। Enquiry report টো অহাৰ পিছত এই enquiry report টোৱে কি কয় চাওঁ আৰু চোৱাৰ পিছত আপুনি enquiry report ৰ ওপৰত সন্তুষ্ট বা অসন্তুষ্ট হ'ব পাৰে সেইটো বেলেগ কথা। আপুনি যিটো কথা কৈছে যে য'ত মানুহ কেইজনৰ লগত গুলিয়াগুলী হ'ল তাত একো নাছিল বুলি কৈছে আপুনি। কিন্তু উপাধ্যক্ষ মহোদয়, মই আপোনাক জনাও যে লাওঁখোৱা অভয়াৰণ্যত eviction হোৱাৰ পিছত আপুনি শুনি সুখ পাব যে তাত গড়ো আহিছে। গড় এই কাৰণে আহিছে যে গড়ৰ বিচৰণভূমি বহু পৰিমাণে কমি গৈছে। লাওঁখোৱা অভয়াৰণ্যত আমি eviction কৰিলো, অন্যান্য জীৱ-জন্তু আহিছে। মই আৰু এটা কথা কওঁ, ৰাতি ১ বজাত অভয়াৰণ্যৰ ভিতৰত ২০ জন মানুহ কি কাম থাকে বুজাই দিয়কচোন?

**শ্ৰী নুৰুল হুদা, (ৰূপহী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, তদন্তটো হওঁক। তদন্তটো হোৱা নাই।

**মাননীয় উপাধ্যক্ষ** ঃ তদন্ত ইতিমধ্যে initiate কৰিছে। তাত Magistrate enquiry চলি আছে। শ্ৰীনৰুল হুদা ডাঙৰীয়া, তেখেতে enquiry দিছে।

**শ্ৰী নুৰুল হুদা, (ৰূপহী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, Enquiry ৰ প্ৰতিবেদন কিমান দিনৰ ভিতৰত দিব, সেই কথাটো জনাই দিয়ক।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা, বিৰোধী দলৰ দলপতি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিধান সভাৰ মজিয়াত আজি অসমীয়া প্ৰতিদিন কাকতৰ এটা বাতৰি, চৰম অব্যৱস্থাৰ পৰিণতিত ভয়ংকৰ সংকটত অসম চাহ নিগমৰ লিজত দিয়া ১২ বাগিচাৰ উভতাই দিয়ে ৬ খন এই শীৰ্ষক বাতৰিটোৰ ওপৰত চৰকাৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। মহোদয়, অসম চাহ নিগমৰ ১২ খন বাগিচা ২ বছৰ পূৰ্বে চৰকাৰে ঘোষণা কৰিছিল যে লীজত দিয়া হ'ব আৰু এটা বহু জাতিক company ক তাৰ কাৰণে DPR বনাবলৈ দিছিল, সেই সমূহৰ বিভিন্ন মানুহে DPR ৰ পিছত যি participation হৈছিল interest, সেইমতে কৰি বাগানসমূহ লীজত লৈছিল। এই লিজত লোৱা বাগান সমূহ ৰাজ্য চৰকাৰে সংকটৰ পৰা উদ্ধাৰৰ চেষ্টা কৰিলেও কাৰ্য্যত ঃ কাৰ্য্যদক্ষতা আৰু সুপৰিচালনাৰ অভাৱত পৰিস্থিতিৰ কোনো পৰিবৰ্তন হোৱা নাই। নিগমৰ নেঘেৰীটিং, নিচামাৰী, ৰঙামাটি, দিজুভেলী, নাগিনীজান আদি বাগিচাকেইখন লীজত চলাই থকা হৈছে যদিও দিজুভেলী, লুংচুং, আমলখি, চইকটা, দিপলিং, ৰজাবাৰী আদি বাগিচাসমূহ লীজধাৰীয়ে চলাব নোৱাৰি পুণৰ নিগমক উভতাই দিছে। চাহ শ্ৰমিকৰ নিয়মীয়া মজুৰি PF ৰ ধন আদায় দিব নোৱাৰাৰ বিপৰীতে উৎপাদন আৰু ৰাজহৰ হৈ দোহাই দি বাগিচা সমূহ নিগমক ঘুৰাই দিবলৈ বাধ্য হৈছে। প্ৰাপ্ত তথ্য মতে চৰাইদেউ, দিপলিং আৰু শিৱসাগৰৰ ৰজাবাৰী দুয়োখন বাগিচাই চাহ শ্ৰমিকৰ বিপৰীতে ২-৩ কোটি টকাকৈ PF ৰ ধন জমা দিয়া নাই। চৰকাৰে এই বাতৰিত উল্লেখ কৰা মৰ্মে ১০ হাজাৰ শিল্পী কলা কুশলীৰ অংশ গ্ৰহণেৰে ঝুমুৰ নৃত্য প্ৰদৰ্শনৰ লেখীয়া কাৰ্য্যসূচীৰ জৰিয়তে ৰাজ্য চৰকাৰে চাহ জনগোষ্ঠীৰ লোক সকলৰ মন জয় কৰা প্ৰয়াস চলালেও চৰকাৰৰ কেতবোৰ হতকাৰী নীতিৰ বাবে চাহ নিগমৰ বাগিচা কেইখনৰ লগতে অন্যান্য বাগান সমূহো ধ্বংসৰ গৰাহত পতিত হোৱাত সুদুৰ ভৱিষ্যতে ৰাজ্যত চাহ জনগোষ্ঠী গভীৰ সংকটৰ সন্মুখীন হোৱা আশংকা আছে। অভিযোগ মতে, চাকৰিৰ পৰা অৱসৰৰ পাছতো অসম চাহ নিগমৰ পৰিচালন সঞ্চালকৰ পদত বহি থকা ব্যক্তি, বাগানৰ পৰিচালক সকলে নিগমৰ বাগিচা কেইখন

লাভজন কৰি তোলাৰ বাবে কোনো সদ্দিচ্ছা প্ৰকাশ কৰা নাই। মহোদয়, এই বাতৰিটো যেনেধৰণে প্ৰকাশ হ'ল, বাতৰিত কোৱা হ'ল যে কেতবোৰ ব্যক্তিক বাগানসমূহ দিয়া হ'ল। বাগানৰ যি সম্পত্তি, সেই সম্পত্তিখিনি প্ৰকৃততে তেওঁলোকে বাগান পৰিচালনাৰ বাবে ল'ব লাগিছিল, কিন্তু এই দুখন বাগানৰ ক্ষেত্ৰত আৰু এটা কথা আহিল যে Punjab National Bank য়ে ৬ কোটি ৩১ লাখ ৯৪ হাজাৰ ৭ শ ১২ টকা Punjab National Bank ৰ পৰা ৰজাবাৰী Tea Estate ৰ ৭ শ ৫৬ বিঘা, দিপলিং Tea Estate আৰু ইয়াৰ factory ইত্যাদি ৪ হাজাৰ ২ শ ৮৮ বিঘা লীজত তেওঁলোকে লোৱা বাগান খনো বেংকত mortgage দি পইচা ললে। ইয়াৰ পিছত provident fund য়ে যেতিয়া বাগান কেইখনৰ PF জমা নিদিয়াৰ বাবে নিজৰ হাতলৈ আনিবলৈ গ'ল তেতিয়া তথ্যটো ওলালে যে, বাগানেও বেংকৰ পৰা লোৱাৰ কাৰণে Punjub Bank য়েও এইখিনি নিৰ্দ্দিষ্ট আইন অনুসৰি secure কৰি ললে। মহোদয়, ঠিক তেনেকৈ যোৱাকালি এটা বাতৰি ওলাইছে আজিও ওলাইছে অসমৰ ৰাজহুৱা খণ্ডৰ বাগিচা বিক্ৰী কৰি ৰাজহ গোটাব চৰকাৰে। কেন্দ্ৰীয় চৰকাৰৰ Enroll নামৰ এটা Ministry of Commerce ৰ সংস্থা আছে, এই সংস্থাৰ অধীনত অসমত ১০ খন চাহ বাগিচা আছে এই ১০ খন চাহ বাগিচা মুখ্য সচিব ডাঙৰীয়াই অসম চৰকাৰলৈ চিঠি লিখিছে যে এইকেইখন বাগানতো ৮ হাজাৰ চাহ শ্ৰমিক আছে। বিগত সময়ছোৱাত চাহ গছত ভেকুৰৰ সমস্যা, মজুৰিৰ ব্যয় বৃদ্ধি, মন্দা বজাৰৰ বাবে ২০২৩-২৪ বিত্তীয় বৰ্ষত বাগান কেইখন ৯৯ কোটি টকা লোকচানৰ সন্মুখীন হ'ল যদিও বিগত আন দুটা বৰ্ষত ৮৩ কোটি টকা লাভ হৈছিল। মহোদয়, ঠেক তেনেকৈ মোৰ সমষ্টিৰ এখন চৰাইদেউ চাহ বাগিচা, যিখন বাগিচাত প্ৰায় ১৩ শতকৈয়ো অধিক permanent employee আছে, এই বাগানখন ২৬ মাহ ধৰি বন্ধ হৈ আছে। তাত কোনো মেডিকেলৰ ব্যৱস্থা কৰিব পৰা হোৱা নাই, ৰেচন দিয়াৰ ব্যৱস্থা দিয়ো হোৱা নাই, Provident fund জমা দিয়া হোৱা নাই। যোৱা ডিচেম্বৰত প্ৰায় চাৰি কোটি টকা provident fund পাওনা আছিল আৰু এতিয়া ডিচেম্বৰ মাহৰ পাছত বাগান lock হৈ আছে ২৬ মাহে আৰু অধিক হৈ গৈছে। গতিকে গোটেই অসমৰ বাগিচা সমূহ যিকোনো মানুহে পইচা আছে কাৰণে কিনি লৈছে বুলি অভিযোগ আহিছে কিন্তু বিশেষজ্ঞ সকলে কয় যে এইটো বতৰৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে মানুহে ধৈৰ্য্য ধৰিব লাগে। কিছুমান মানুহৰ ধৈৰ্য্য নাই তেওঁলোকে অন্য income ৰ নিচিনাকৈ তৎক্ষণাত কাম কৰিব বিচাৰে। গতিকে বাগানবিলাক লোৱাৰ পিছত profit ৰ মুখ নেদেখি তেওঁলোকে পুনৰ এৰি দিছে। এনে কৰিলে এই গোটেই ভাৰতৰ ৫০ শতাংশ চাহ উৎপাদন কৰা আমাৰ এই উদ্যোগটো য'ত আমাৰ আটাইতকৈ বেছি labour employment হৈ আছে এইটো সংকটত পৰিব। সেই গতিকে চৰকাৰে ভাল এটা নীতি ল'ব লাগে যাতে অসমৰ চাহ উদ্যোগ জীয়াই থাকে।

মাননীয় উপাধ্যক্ষ মহোদয়, পইচা আছে বাবে কিনি লোৱা বুলিও অভিযোগ দিছে। কিন্তু বিশেষজ্ঞ সকলে কয় যে এইটো বতৰৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে মানুহে ধৈৰ্য্য ধৰিব লাগে। কিছুমান মানুহৰ ধৈৰ্য্য নাই কাৰণে সোনকালে কাম কৰিব বিচাৰে। সেইকাৰণে বাগানবোৰ লোৱাৰ পিছত লাভৰ মুখ নেদেখাৰ বাবে পুনৰ এৰি দিছে। এনে কৰিলে ভাৰতৰ ৫০ শতাংশ চাহ উৎপাদন কৰা এই উদ্যোগটো য'ত সকলোতকৈ বেছি নিয়োগ হৈ আছে, এইটো সংকটত পৰিব। চৰকাৰে ভাল এটা নীতি ল'ব লাগিব যাতে অসমত চাহ উদ্যোগ জীয়াই থাকে। তাৰ বাবে চৰকাৰক দৃষ্টি আকৰ্ষণ কৰিছো। এতিয়াই যাতে তাৎক্ষণিকভাৱে বিশেষজ্ঞ সকলৰ লগত আলোচনা কৰি অসমৰ বাবে ভাল চাহ নীতি এটা ল'ব লাগে। য'ত শ্ৰমিক, মালিক আৰু ক্ষুদ্ৰ চাহ খেতিয়কোও জীয়াই

থাকিব। পূৰ্বেও আমি এই বিষয়ে কথা পাতিছো। যিহেতু ২০ টা কীট নাশক বেগু কৰি দিছিল তাৰ বাবে অসুবিধা হৈছিল। কিন্তু এই বছৰ বতৰ বেয়া হোৱাৰ বাবে চাহৰ দাম বজাৰত বিশ শতাংশ বৃদ্ধি পাইছে। যিটো এটা ভাল লক্ষণ। গতিকে ধৈৰ্য্য ধৰি এই উদ্যোগটো গঢ়ি তুলিব লাগিব। এইটো এটা দুশ বছৰীয়া উদ্যোগ আৰু তেতিয়াহে এইটো বাচি থাকিব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী সঞ্জয় কিষাণ, (শ্ৰমিক আৰু চাহ উদ্যোগ ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই বিৰোধী দলৰ দলপতিক এই কথাখিনি অনাৰ বাবে ধন্যবাদ জনাইছো। মই সদনক জনাব বিচাৰিছো যে অসম চাহ নিগমৰ অৱস্থা কেতিয়াৰ পৰা এনেকুৱা হ'ল? অসম চাহ নিগমৰ সৰ্বমুঠ চাহ বাগিছা আছে ১৫ খন। তাৰে বৰ্তমান উদ্যোগ বিভাগে ১০ খন লীজত দিছিল। তাৰে ATCL ৰ অধীনত ৬ খন আৰু PF ৰ অধীনত দুখন আৰু দুখন হেৰীটেজ হিচাপে ATCL ৰ অধীনতে আছে। অতি দুখেৰে মই জনাব বিচাৰিছো যে যোৱা কংগ্ৰেছ চৰকাৰৰ দিনত অসম চাহ নিগমৰ অধীনত ১৫ খন চাহ বাগিছাই সম্পূৰ্ণৰূপে মৃতপ্ৰায় অৱস্থাত গুচি গৈছে। সেই সময়ত চাহ শ্ৰমিক সকলে দৰমহা, ৰেচন, থকা ঘৰ, বনাচ আদি একো পোৱা নাছিল। কংগ্ৰেছৰ দিনত যদি এই বাগানৰ অৱস্থা এনেকুৱা নহ'লহেঁতেন তেতিয়াহ'লে আজি এনেকুৱা অৱস্থা দেখিবলৈ পোৱা নগ'লহেঁতেন। আমি ইতিমধ্যে বিধায়ক ডাঙৰীয়াই কোৱাৰ দৰে আমাৰ যি PF আইন আছে সেই মতে ৰজাবাৰী আৰু ডিপলিং চাহবাগিছাত আমি কৰ্তৃপক্ষই বকেয়া ধন আদায় দিব নোৱাৰাৰ বাবে ভৱিষ্য নিধি কৰ্তৃপক্ষই দুয়োখন বাগান বাজেয়াপ্ত কৰে। ডিপলিং চাহবাগিছা ইতিমধ্যে ৰাজহুৱা নিলামৰ যোগেদি বিক্ৰী কৰা হৈছে আৰু এই বাগিছাৰ শ্ৰমিকে পাব লগা ধন বিক্ৰী কৰি পোৱা ধনেৰে সম্পূৰ্ণৰূপে আদায় দিয়াৰ ব্যৱস্থা কৰা হৈছে। ৰাজাবাৰী চাহবাগিছা বিক্ৰীৰ বাবে দুবাৰ অনলাইন যোগেৰে ৰাজহুৱা বিক্ৰীৰ চেষ্টা কৰা হৈছিল। এই বাগিছাত্তসমূহ বিক্ৰী কৰি পোৱা ধনেৰে যথা সময়ত শ্ৰমিকসকলে পাবলগীয়া ধন আদায় দিয়া হ'ব। আমি তৃতীয়বাৰৰ বাবে নিলামৰ ব্যৱস্থা কৰিছো আৰু এইখন নিলাম হোৱাৰ লগে লগে ডিপলিং চাহবাগিছাৰ নিচিনাকৈ ইয়াৰো শ্ৰমিক সকলে পাবলগীয়া ধনখিনি আদায় দিয়া হ'ব। আমি অতি সোনকালে ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰিম। যোৱা চৰকাৰৰ দিনত যি সমূহত PF ৰ ধন সম্পূৰ্ণৰূপে বন্ধ হৈ আছিল আমাৰ চৰকাৰ অহাৰ পিছত প্ৰথমবাৰৰ পৰা এতিয়ালৈকে প্ৰায় ৩৩৯ কোটি টকা চৰকাৰৰ ফালৰ পৰা দিয়াৰ ব্যৱস্থা কৰিছো। যোৱা দিনত মানুহৰ থকাৰ বাবে কোনোধৰণৰ ব্যৱস্থা নাছিল। ঘৰসমূহ সম্পূৰ্ণৰূপে জহি-খহি গৈছিল। ইতিমধ্যে ইতিহাস ৰচনা কৰি আমাৰ চৰকাৰে ATCL ৰ বিভিন্ন চাহবাগিছাত প্ৰায় ১৯০৩ টা ঘৰ নতুনকৈ নিৰ্মাণ কৰি দিছো। যোৱা চৰকাৰৰ দিনত এই চাহ বাগিছা সমূহ প্ৰায় ১৪৫ কোটি টকাৰ লোকচানত চলি আছিল। বৰ্তমান আমাৰ চৰকাৰ অহাৰ পিছত ই কমি প্ৰায় ৪৫ কোটি টকা হৈছে। আমি সকলোৱে জানো মাননীয় ড° হিমন্ত বিশ্ব শৰ্মাদেৱৰ নেতৃত্বৰ চৰকাৰখনে অন্যান্য জাতি-জনগোষ্ঠীৰ লগতে চাহ জনগোষ্ঠীৰ লোকসকলকো অতি আন্তৰিকতাৰে আৰ্শীবাদ প্ৰদান কৰিছে। যাৰ কাৰণে প্ৰায়বোৰ চাহ বাগিছাত জগন্নাথ ভৱন নিৰ্মাণ হৈছে। তাৰ লগতে কংগ্ৰেছ চৰকাৰৰ দিনত প্ৰায় ভাগ হস্পিতালেই নষ্ট হৈ গৈছিল, ঔষধ-পাতি একো নাছিল। ATCL ৰ বাগানসমূহত আমি নতুনকৈ হস্পিতাল বনোৱাৰ ব্যৱস্থা কৰিছো। সকলোৱে জানে যে আমি চাহ বাগিছাসমূহত বিনামূলীয় দৰৱ-পাতিৰ ব্যৱস্থা কৰিছো। প্ৰায়ভাগ চাহ বগিছাতে জলজীৱন মিশ্যনৰ জৰিয়তে পানীৰ ব্যৱস্থা কৰা হৈছে। প্ৰায়ভাগ চাহবাগিছাতে এম্বুলেঞ্চৰ ব্যৱস্থা কৰিছো। গৰ্ভৱতী মহিলাসকলক চিকিৎসাৰ বাবে চাৰে বাৰ হাজাৰ টকাৰ সাহাৰ্য্য প্ৰদান কৰা হয়। আমি শ্ৰমিক

সকলক বিশ শতাংশকৈ বনাচ দিয়াৰ ব্যৱস্থা কৰিছো। যোৱা দিনসমূহত এইবোৰ একোৱেই কৰা নাছিল। অতি আন্তৰিকতাৰে ATCL পুনৰ্জীৱিত কৰাৰ বাবে চৰকাৰে চেষ্টা কৰি আছে। যোৱা চৰকাৰৰ দিনত তেওঁলোকে অলপ সহযোগিতা কৰা হ'লে হয়তো বাগানসমূহ ইমান বেয়া অৱস্থালৈ নগ'লহেঁতেন। বহু চাহ বাগিছা আছে য'ত গছপুলি ৰোপণ নহ'ল। বিঘা বিঘা মাটি খালী হৈ আছে। আমাৰ চৰকাৰে অতি আন্তৰিকতাৰে কামবোৰ কৰিছে। উপাধ্যক্ষ মহোদয়, এনড্ৰুইলৰ বিষয়ে আমাক প্ৰশ্ন কৰিছে। এই বিষয়টো আমাৰ উদ্যোগ বিভাগে সম্পূৰ্ণৰূপে চোৱা-চিতা কৰে। আমাৰ ইয়াত উদ্যোগ বিভাগৰ মন্ত্ৰী ডাঙৰীয়া আছে। আপোনালোকে যদি বিচাৰে তেখেতে আপোনাক অৱগত কৰিব। ধন্যবাদ।

**শ্ৰী বিমল বৰা, (উদ্যোগ ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী দলপতি ডাঙৰীয়াই ATC আৰু এনড্ৰুইল সম্পৰ্কে শূন্যকালীন ঘণ্টাত প্ৰশ্ন আনিছে। মই ক'ব বিচাৰিছো যে অসমত এনড্ৰুইলৰ দহ খন চাহবাগিছা আছে আৰু এই দহ খন চাহ বগিছাত যোৱা কিছু দিনৰ পৰা চাহ খেতি কম হোৱাৰ বাবেই হওক বা গছসমূহৰ ওপৰত পোক-পতংগৰ আক্ৰমণ, চাহ পাতৰ দামৰ কম-বেছি মূল্য আদিৰ কাৰণে এনড্ৰুইলৰ চাহ বাগিছাসমূহত শ্ৰমিক সকলৰ পযেকীয়া দৰমহা দিয়াত আৰু ৰেচন দিয়াত অলপ দোৰি হৈছে। উদ্যোগ বিভাগে এনড্ৰুইল নাচায়, এনড্ৰুইল ভাৰত চৰকাৰৰ হেভী ইণ্ডাষ্ট্ৰী বিভাগৰ এটা কোম্পানী। ইয়াৰ অধীনত গোটেই ভাৰতবৰ্ষত ১৫ খন চাহ বাগিছা আছে আৰু অসমত দহ খন আছে। তথাপিও অসমৰ এটা ভাল কোম্পানী হিচাপে উদ্যোগ বিভাগ ইয়াক লৈ চিন্তিত আৰু তাত কৰ্মৰত শ্ৰমিক কৰ্মচাৰীসকলে ভৱিষ্যতে কোনো সংকটৰ সন্মুখীন হ'বলগীয়া নহয়। ইয়াই বাবে মই গোটেই পৰিৱেশটো বৰ্ণনা কৰি গুৰু উদ্যোগ সমূহৰ মাননীয় মন্ত্ৰী কুমাৰা স্বামীজী লৈ এক জুলাই তাৰিখৰ দিনা এখন পত্ৰ প্ৰেৰণ কৰিছো। আমাৰ মাননীয় মুখ্য সচিব ডাঙৰীয়াও গুৰু উদ্যোগ সমূহৰ সচিব শ্ৰী তামৰাণ ৰীবজী ডাঙৰীয়ালৈ যোৱা চব্বিশ আগষ্টত এনড্ৰুইলৰ গোটেই পৰিৱেশটো বৰ্ণনা কৰি ইয়াত উদ্যোগ বিভাগে হস্তক্ষেপ কৰাৰ বাবে দৃষ্টি আকৰ্ষণ কৰিবলৈ এইখিনি কৰা হৈছে। বিৰোধী দলপতি ডাঙৰীয়াক মই এই বিষয়ে অৱগত কৰিছো আৰু ইয়াৰ বিষয়ে আমাৰ চৰকাৰ চিন্তিত।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং-২।.............. Interruption...............

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ শূন্যকালীন ঘণ্টাত এখন নোটিচ আছিল। এইটো খুব দৰকাৰী বিষয়।

**মাননীয় উপাধ্যক্ষ ঃ** ৰোলৰ অধীনত যি কেইটা কাৰ্য্যসূচী আছিল, সেইকেইটা অনা হৈছে।............. Interruption.............. শ্ৰী শ্বেৰমান আলী ডাঙৰীয়া, আপুনি বহক। আপুনি আঙুলি টোঁৱাই কথা নক'ব। You are suspended for the whole day.

**(মাননীয় সদস্য শ্বেৰমান আলী ডাঙৰীয়াক গোটেই দিনটোৰ বাবে সদনৰ পৰা suspend কৰা হয়।)**

**শ্ৰী পদ্ম হাজৰিকা, (চতীয়া)** ঃ আজি ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ সময়ত চতীয়া থানাত ২০ আগষ্টৰ দিনা ইউনিয়ন জেক নোমায় যি তিৰঙ্গা পতাকা উত্তোলন কৰিছিল এই কথাখিনি ইয়াত উত্থাপন কৰিব দিয়াৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো । ১৯৪২ চনৰ ৭ আগষ্টৰ দিনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ যি সভা হৈছিল তাত সিদ্ধান্ত গ্ৰহণ কৰিছিল যে থানা সমূহত তিৰংঙ্গা পতকা উৰুৱাৰ ইউনিয়ন জেক আতৰাই আৰু সেই সময়ত গোপীনাথ বৰদলৈ দেৱ, তীৰ্থনাথ শৰ্মা, ৰোহিনী শৰ্মা তেওঁলোক যেতিয়া বোম্বেৰ মিটিংৰ পৰা আহিছিল ধুবুৰীত গোপীনাথ বৰদলৈ দেৱ, তীৰ্থনাথ

শৰ্মা দেৱক গ্ৰেপ্তাৰ কৰিছিল । ৰোহিনী শৰ্মা পলায় সেই বাৰ্তা গোটেই অসমত বিয়পাই দিছিল আৰু সেই সময়ত স্বেচ্চাসেৱক বাহিনীয়ে এই যে ২০ চেপ্তেম্বৰত পতকা উত্তোলন কৰিবৰ কাৰণে বা ইউনিয়ন জেক নোমাবৰ কাৰণে যি পৰিকল্পনা লৈ কাম কৰি আছিল বৃটিছ বাহিনীয়ে তাক বাধা দিবৰ কাৰণে গ্ৰেপ্তাৰকে ধৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছিল আৰু সেই সময়ত চতীয়াত বিজয় চন্দ্ৰ ভাগৱতী দেৱ, কামাখ্যা ত্ৰীপাথি তেখেত সকলক যেতিয়া গ্ৰেপ্তাৰ কৰিছিল এক বিশেষ পৰিস্থিতি চতীয়াত উদ্ভৱ হৈছিল আৰু সেই সময়তে ২০ আগষ্টত সেই সময়ৰ মুক্তিযোদ্ধা বিমান বৰা ডাঙৰীয়া কুৰাল বৰা ডাঙৰীয়া, বিৰেণ বৰকটকী ডাঙৰীয়া মহেন্দ্ৰ বৰকটকী, শ্ৰেণীধৰ দাস, বলো বৰমুদৈকে ধৰি কেইবাজনে নেতৃত্ব লৈ ২০ আগষ্ট ১৯৪২ চন কাহিলী পুৱাতে চতীয়া থানাত তিনি হাজাৰৰ ওপৰত মানুহ একত্ৰিত হৈ থানা ঘেৰি ইউনিয়ন জেক নমায় আমাৰ ত্ৰিৰঙ্গা পতকা উৰুৱাইছিল । কোনো ৰক্তাক্ত হোৱা নাছিল । বৃটিছ বাহিনী আৰু পুলিচ বাহিনী পলায় জাবলৈ বাধ্য হৈছিল আৰু তাৰ পিছত ২০ চেপ্তেম্বৰত গহপুৰত আৰু ঢেকীয়াজুলিত এই ত্ৰিৰঙ্গা পতকা উৰুৱাবলৈ যাওঁতে কনকলতা বৰুৱা, মুকুণ্ড কাকতি আৰু ঢেকীয়াজুলিতো কেইবাজনো শ্বহীদ হৈছিল । এতিয়া এই যে গহপুৰ আৰু ঢেকীয়াজুলি এই ২০ চেপ্তেম্বৰটো পালন কৰি আহিছে আৰু চৰকাৰী ভাবেও স্বীকৃতি দিছে । কিন্তু ২০ আগষ্টত যি চতীয় থানাত সেই তিনি হাজাৰ মানুহ তাত মুক্তিযোদ্ধা, বিমান বৰা এই সকলৰ নেতৃত্বত থানা যেতিয়া তেওঁলোকে ঘেৰি ধৰি এই যে ত্ৰিৰঙ্গা পতকা উৰুৱালে এই কথাটো এটা স্বীকৃতি চৰকাৰী ভাবে পাবৰ কাৰণে চতীয়াবাসী ৰাইজে আশা কৰে আৰু চতীয়াবাসী ৰাইজে সেই কাৰণে ৰাজহুৱা ভাবে ২০ আগষ্ট এই দিনটো পালন কৰি আহিছে আৰু অসমৰ বৰ্তমান মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ২০১৮ চনত দিল্লীত এক আলোচনা তেনেকৈ হৈছিলে কেন্দ্ৰীয় চৰকাৰৰ লগত । সেই আলোচনাৰ কথা গম পাই সেই সময়তে যোগাযোগ কৰিছিল আৰু এই ঘটনাটো কেনেধৰণে কোন কোন জড়িত জানিবলৈ বিচাৰিছিল । কিন্তু আমি বিচাৰো যে আজি চৰকাৰৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই চতীয়া ৰাইজৰ সেই চেন্টিমেন্টতো গুৰুত্ব প্ৰদান কৰি সেই সন্মান স্বীকৃতি দিবৰ বাবে আজি আপোনাৰ জৰিয়তে উপাধ্যক্ষ ডাঙৰীয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়ালৈ আবেদন জনাইছো চতীয়া বাসী ৰাইজৰ হৈ যে চতীয়াবাসী ৰাইজে যাতে সন্মান আৰু স্বীকৃতি পায় তাৰ কাৰণে তেখেতৰ দৃষ্টিগোচৰ কৰিলো । ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মুখ্যমন্ত্ৰী।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য পদ্ম হাজৰিকা ডাঙৰীয়াই উল্লেখ কৰাৰ দৰে অসমত তেতিয়া অবিভক্ত দৰং জিলাৰ চতীয়া আৰক্ষী থানাত ১৯৪২ চনৰ ২০ আগষ্টত পোন প্ৰথম বাৰৰ বা বে ভাৰতীয় ত্ৰিৰঙ্গা পতকা উত্তোলন কৰা হৈছিল আৰু এই বিষয়ে বিভিন্ন সময়ত আমাৰ মাজত আলাপ আলোচনা হৈছিল । এই বিষয়ে বিভিন্ন স্বাধীনতা সংগ্ৰামী বিভিন্ন পৰিঘটনা সমূহৰ ভিতৰত চতীয়া থানাত পতকা উত্তোলন কৰাটো এটা ঐতিহাসিক ঘটনা হিচাপে স্বীকৃতি পাই আহিছে । আমি সকলোৱে জানো যে স্বাধীনতা আন্দোলনৰ বিশেষকৈ কুইট ইণ্ডিয়া মুভমেন্ট ৰ সময়ত জ্যোতিপ্ৰসাদ আগৰৱালাৰ পৰামৰ্শত স্বাধীনতা সংগ্ৰামী সকলে ত্ৰিৰঙ্গা পতকা উত্তোলনৰ বাবে ১৯৪২ চনৰ ২০ চেপ্তেম্বৰ তাৰিখ নিৰ্ধাৰণ কৰিছিল । কিন্তু আন্দোলনটোৰ তীব্ৰতা আৰু উৎসাহ উদ্দিপনাৰ প্ৰতি লক্ষ্য ৰাখি চতীয়াবাসী ৰাইজে সিদ্ধান্ত গ্ৰহণ কৰে যে আমি ২০ চেপ্তেম্বৰৰ পৰিৱৰ্ত্তে এমাহ আগতে চতীয়া থানাত ত্ৰিৰঙ্গা পতকা উত্তোলন কৰিম । স্বৰ্ণলতা মহন্ত, হীৰাৰাম বৰকটকী আৰু ডিম্বেশ্বৰ হাজৰিকাৰ দৰে সাহসী ব্যক্তি সকলৰ অংশ গ্ৰহণে এই অভিযানক শক্তিশালী কৰি তুলিছিল । ১৯৪২ চনৰ ২০ আগষ্টত এই অভিযানৰ

বাবে সৰ্বসাধাৰণৰ মাজত সজাগতা আৰু সচেতনতা সৃষ্টি কৰিবলৈ অসংখ্য বৈঠক, আলাপ আলোচনা আৰু সভা সমিতিও কৰা হৈছিল । ২০ আগষ্ট তাৰিখে চতীয়া হাইস্কুলৰ শিক্ষক শিক্ষয়ত্ৰী, ছাত্ৰ-ছাত্ৰীৰ সবল নেতৃত্বৰ অধীনত এটা বৃহৎ সমদল চৰাইজনীয়া হস্পিতাল ৰ'ডৰ শান্তিপূৰ্ণ ভাবে আগবাঢ়ি ৰেল লাইনৰ কাষে কাষে কছাৰী গাওঁ, হাজৰী মল বৰভূএগ্ৰা গাওঁৰ মাজেৰে আৰু মৰণৈ নদীৰ পাৰে পাৰে গৈ অৱশেষত চতীয়া আৰক্ষী থানাত উপস্থিত হয় । এই গোটেই লোক সকলে আৰক্ষী থানাখন চাৰিওফালে আবৰি ধৰে আৰু তাৰ মাজতে দেৱেন বৰকটকী আৰু শ্ৰেণীধৰ দাসে আৰক্ষী থানাত ত্ৰিৰঙ্গা পতকা উত্তোলন কৰিবলৈ সক্ষম হয় । এই অভিযানত চতীয়া নাগশংকৰ, জামুগুৰীহাট, বিশ্বনাথ চাৰিআলিৰ প্ৰায় তিনি হাজাৰ লোকে অংশ গ্ৰহণ কৰিছিল । এই সভাযাত্ৰাত শিক্ষক-শিক্ষয়ত্ৰী, ছাত্ৰ-ছাত্ৰী, কৃষক-বনুৱা, যুৱক-যুৱতী, মহিলা- ব্যৱসায়ীকে ধৰি সকলো শ্ৰেণীৰ লোকে অংশ গ্ৰহণ কৰিছিল । শান্তিৰ পতকাকে ধৰি শতাধীক পতকা লৈ তেওঁলোকে শ্লোগান দিছিল । থানাত আৰক্ষী হস্তক্ষেপৰ পিছত বিমান চন্দ্ৰ বৰাৰ অধ্যক্ষতাত আৰক্ষী থানা চৌহদত এখন সাধাৰণ সভা অনুষ্ঠিত হৈছিল । বলোৰাম বৰমুদৈ, ডিম্বেশ্বৰ হাজৰিকাৰ লগতে স্বৰ্ণপ্ৰভা মহন্তই হাতত এখন ডাঙৰ পতকা লৈ সভা যাত্ৰাত নেতৃত্ব দিয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰী সকলে হাতেৰে নিৰ্মিত কাগজৰ পতকা লৈ সভাযাত্ৰ কৰিছিল । সেই দিনা নিশা থানা চৌহদত ত্ৰিৰঙ্গা পতকা উত্তোলনৰ অভিযোগত বৃটিছ প্ৰশাসনে বিমান চন্দ্ৰ বৰা, ডিম্বেশ্বৰ হাজৰিকা, মহেন্দ্ৰ বৰকাকতী, বিৰেন বৰকাকতী, বেণুধৰ হাজৰিকা, চন্দ্ৰনাথ বৰা, চেনীধৰ দাস আৰু বলোৰাম বৰমুদৈ, দেৱেন্দ্ৰ নাথ শৰ্মা, কুৰাল বৰুৱা আৰু অন্যান্য সকলক গ্ৰেপ্তাৰ কৰিছিল । থানাত আলোচনাৰ অন্তত এখন সাধাৰণ সভা অনুষ্ঠিত হয় আৰু পিছত মুক্তিকামী ৰাইজে গহপুৰ আৰু ঢেকীয়াজুলি থানাতো পৰৱৰ্ত্তী সময়ত পতকা উত্তোলনৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই ঐতিহাসিক ঘটনাৰ স্বীকৃতি স্বৰূপে চতীয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা ডাঙৰীয়াৰ আহ্বানত ২০ আগষ্টৰ দিনটোত চতীয়াৰ সাধাৰণ জনতাই চতীয়া দিৱস হিচাপে পালন কৰি আহিছে। ২০২৪ চনৰ ২০ আগষ্ট তাৰিখে তৃতীয় চতীয়া দিৱস উদযাপন কৰা হয় । ৰাজ্য চৰকাৰে চতীয়াক ঐতিহ্যমণ্ডিত আৰক্ষী থানা হিচাপে ঘোষণা কৰি পুৰণি চতীয়া আৰক্ষী থানাৰ প্ৰাঙ্গনত চতীয়া বিধানসভা সমষ্টিত মাননীয় বিধায়ক পদ্ম হাজৰিকা দেৱৰ দ্বাৰা পতাকা উত্তোলনেৰে সেই দিনটোৰ কাৰ্য্যসূচী আৰম্ভ কৰিছিল। সেইদিনাখন NCC cadet সকলেও march past ত অংশগ্ৰহণ কৰিছিল আৰু পিছত এখন সুন্দৰ মূকলি সভাও অনুষ্ঠিত কৰা হৈছিল। অধ্যক্ষ মহোদয়, পদ্ম হাজৰিকা ডাঙৰীয়াই যিটো বিষয় আজি উত্থাপন কৰিছে, স্বাভাৱিকভাৱে ২০ আগষ্টৰ দিনটো স্বাধীনতা সংগ্ৰামৰ এটা উল্লেখনীয় দিন আছিলে। কিন্তু আমাৰ নৱ প্ৰজন্মৰ মাজত এই বিষয়ে চিন্তা-চৰ্চা আৰু জ্ঞানৰ যিটো ৰূপ তাক মই নিজেও এবাৰ উপলব্ধি কৰিছিলো। নতুন দিল্লীত অনুষ্ঠিত এখন সভাত মই চতীয়া আৰক্ষী থানাৰ ঘটনাটো উল্লেখ কৰিছিলো। যেতিয়া মই চতীয়া আৰক্ষী থানাৰ ঘটনাটো উল্লেখ কৰিছিলো, বাহিৰত ক'ব নোৱাৰাকৈ আৰু পিছদিনাখন গোটেই অসমৰ বাতৰি কাকত বিলাকত মোক উপলুঙা কৰিছিলে যে হিমন্ত বিশ্ব শৰ্মাৰ স্মৃতি শক্তি বেয়া হৈ গ'ল, হিমন্ত বিশ্ব শৰ্মাই এইটো ঘটনা ক'ৰ পৰা আনিলে। তেতিয়া মই আকৌ চতীয়াৰ বিধায়ক পদ্ম হাজৰিকা ডাঙৰীয়াৰ লগত কথা পাতিলো। পতাকা উত্তোলন কৰাৰ সময়ত যি ব্যক্তি জীৱিত হৈ আছিল তেওঁলোকৰ দ্বাৰা মোৰ কথাটোক এক প্ৰকাৰ স্বীকৃতি দিয়াবৰ বাবে মই যত্ন কৰিবলগীয়া হৈছিল। এটা দুটা TV channel ক মই অনুৰোধ কৰিবলগা হৈছিল যে চতীয়াৰ যিসকল ব্যক্তি সেই ঘটনাটোৰ সাক্ষী আছিল তেওঁলোকৰ কিছুমান এতিয়াও জীৱিত আছে আৰু আপোনালোকে তেওঁলোকৰ interview লওঁক আৰু সেইদিনাখন

ৰাতিপুৱা মই নিজে এক প্ৰকাৰ মানসিক হেঁচাত আহি গৈছিলো। মই ভাৱিলো ক'ৰবাত মোৰেই ভুল গৈ গ'ল নেকি? ৰাতি TV News ৰ পৰা ৰাতিপুৱা বাতৰি কাকতলৈকে মই নিজে বহু উপলুঙাৰ সন্মুখীন হ'লো। গধূলি যেতিয়া চতীয়াৰ ৰাইজে নিৰ্ভীকভাৱে কথাখিনি ক'লে তেতিয়াহে বিষয়বস্তুটো সামৰণি পৰিলে। মই অসম চৰকাৰৰ সাংস্কৃতিক বিভাগক এটা পৰামৰ্শ দিম যে স্বাধীনতা আন্দোলনৰ এনেকুৱা বহুত সৰু বৰ ঘটনা আছে, যাক আমাৰ নতুন প্ৰজন্মই এতিয়াও নাজানে। অসমতে বহু ঘটনা সংঘটিত হৈছিল, অসমৰ ৰাইজে সাহসেৰে স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰিছিল। মই ভাৱো চতীয়াৰ দৰে ঘটনাবিলাকক লিপিবদ্ধ কৰি এখন ভাল পুঁথি প্ৰকাশ কৰিব লাগে যিখন অসমৰ সকলো কলেজ অনুষ্ঠানলৈকে আমি দিব পাৰো। ৰাজ্যৰ সাংস্কৃতিক মন্ত্ৰী ডাঙৰীয়া ইয়াত উপস্থিত আছে মই তেখেতক এইটো অনুৰোধ কৰিছো।

যিটো এতিয়া বিধায়ক মহোদয়ৰ পৃষ্ঠপোষকতাত হৈ আছে, সেইটো আমি ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাত চতীয়াৰ ২০ আগষ্টৰ দিনটো পালন কৰাৰ বাবে সিদ্ধান্ত লম। ২০ আগষ্টৰ দিনটো পালনৰ বাবে আমি ৰাতিপুৱা বাতৰিকাকত আদিত বিজ্ঞাপন দিব পাৰো, চতীয়াত আমি অনুষ্ঠানটো পালন কৰিব পাৰো আৰু চতীয়াৰ পুৰণি আৰক্ষী থানাখনত ২৪ ঘন্টাই জাতীয় পতাকাখন উৰুৱাই ৰখাৰ এটা প্ৰকল্প কৰিব পাৰো। তাত সুন্দৰ ডাঙৰ পতাকাখন থাকিব আৰু এইখন যাতে ২৪ ঘন্টাই প্ৰজ্বলিত হৈ থাকিব তেনধৰেণৰ এটা modern আৰু traditional technology ব্যৱহাৰ কৰি এটা ভাল পদক্ষেপ লোৱাৰ বাবে ব্যৱস্থা লম। এইবাৰ চতীয়াত গ'লে মই নিজেও তাত ৰখি এই গোটেই কথাখিনি কিদৰে কৰিব পাৰি সেয়া বিধায়ক মহোদয়ৰ লগত আলোচনা কৰিম। মই পুনৰবাৰ পদ্ম হাজৰিকা ডাঙৰীয়াক এই বিষয়বস্তুটো উত্থাপন কৰাৰ বাবে ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী পদ্ম হাজৰিকা, (চতীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, চতীয়াবাসী ৰাইজৰ হৈ মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মহামান্য উপাধ্যক্ষ মহোদয়, এশাৰী সংযোজন কৰিব পাৰিম নেকি?

**মাননীয় উপাধ্যক্ষ ঃ** এইটো scope নাই, তথাপি আপুনি কিবা ক'ব খুজিছে, কওক।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰকৃততে ২০ আগষ্ট তাৰিখটো এটা সিদ্ধান্তমৰ্মে গোটেই অসমৰ বিভিন্ন থানাত পতাকা উত্তোলন কৰিব কোৱা হৈছিল চতীয়াৰ দৰে বিহালীতো কৰিছিল আৰু অন্যান্য স্থানতো কৰিছিল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা ক'লে তাৰ মই শলাগ লৈছো আৰু তেখেতে গোটেই অসমৰে যাতে সকলো থানাত Assam Pradesh Provincial Congress ৰ আহ্বানত এই কামটো কৰা হৈছিল সেই গোটেই তথ্যখিনি সদৰী কৰে তাৰবাবে তেখেতক অনুৰোধ জনালো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ২০ আগষ্ট তাৰিখে বিহালী থানাত পতাকা উত্তোলন হোৱা নাছিলে। আমি history ক আকৌ তাৰতম্য কৰি দিম। এই গোটেই ঘটনাটো চতীয়াৰ অনন্য ঘটনা আছিল। গতিকে চতীয়াৰ বস্তুটো dilute কৰিব চেষ্টা কৰিব নালাগে। মই ভাৱো যে চতীয়াৰ ঘটনাটো অসম বুৰঞ্জীৰ এটা অনন্য ঘটনা। গতিকে ২০ আগষ্টৰ দিনটোত আমি চতীয়াৰ focus কৰিব লাগে আৰু পৰৱৰ্তী সময়ত বাকী যিসমূহ কথা আছে সেইখিনি কৰিব লাগে। কিন্তু এটা কথা এই সদনত clear হৈ থাকিব লাগে যে জ্যোতিপ্ৰসাদ

আগৰৱালাই দিনটো ঠিক কৰিছিল ২০ চেপ্তেম্বৰ। সেইকাৰণে কণকলতা বৰুৱা আৰু ঢেকীয়াজুলিৰ ঘটনাটো সংঘটিত হ'ল ২০ চেপ্তেম্বৰত। চতীয়াৰ মানুহখিনিয়ে ভাবিলে যে আমাৰ ইতিমধ্যে preparation, গতিকে আমি ২০ চেপ্তেম্বৰলৈকে নৰৈ অকস্মাতে ২০ আগষ্টত কৰিম। ২০ চেপ্তেম্বৰ তাৰিখটো ঘোষিত হৈ থকা কাৰণে পুলিচে গহপুৰত এটা প্ৰতি আক্ৰমন কৰিলে, স্বহীদ হ'ল, সেইটো আন এক ঘটনা। কিন্তু চতীয়াৰ ৰাইজে অকস্মাতে যিটো কৰিলে সেইটো মই আজিৰ ভাষাত surgical strike বুলি কম। কাৰণ বৃটিছে গমেই নাপালে, তেওঁলোকে পতাকা উত্তোলন কৰিলে আৰু তাৰ পিছত সভাও কৰিলে। গধুলীহে বৃটিছে মানুহক arrest কৰিবলৈ গ'ল। গতিকে ২০ আগষ্টটো আমি ২০ আগষ্ট চতীয়া হিচাপেই ৰাখিব লাগে। আৰু মই ভাবো আমাৰ বিৰোধী দলপতি ডাঙৰীয়াও ইয়াত একমত হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। আজি অসমৰ ৰাইজে ভালদৰে গম পালে যে ভাৰতবৰ্ষৰ অসমেই হ'ল প্ৰথমখন ৰাজ্য য'ত চতীয়াত ৰাষ্ট্ৰীয় পতাকা উত্তেলন কৰিছিলে।

এতিয়া কাৰ্য্যসূচী নং ৩। Rule 301, শ্ৰী ধমেশ্বৰ কোৱৰ।

**শ্ৰী ধমেশ্বৰ কোঁৱৰ, (সোণাৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, চৰাইদেউ মৈদাম ক্ষেত্ৰ বিশ্ব সাংস্কৃতিক ঐতিহ্যক্ষেত্ৰলৈ UNESCO ৰ বিৰল স্বীকৃতি, আমাৰ চৰকাৰৰ মহান কৃতিত্ব। এই বিষয়ে দুআষাৰ সদনত ক'বলৈ দিয়াৰ বাবে মই উপাধ্যক্ষ মহোদয়ক মোৰ ফালৰ পৰা ধন্যবাদ জনাইছো। যিহেতু আমাৰ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বাধীন ভাৰতীয় জনতা পাৰ্টী দলৰ চৰকাৰ খনৰ কাৰ্য্যকালত পুৰাতত্ব অসম খিলঞ্জীয়া আৰু জনজাতি বিশ্বাস আৰু সাংস্কৃতিক বিভাগৰ সঞ্চালকালয়ে আহোম ৰজা সকলৰ মৈদামসমূহ বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে UNESCO ই স্বীকৃতি দিয়াত অগ্ৰণী ভূমিকা ল'লে আৰু সফলো হ'ল। এইটো অসম চৰকাৰৰ মহান কৃতিত্ব বুলি গণ্য কৰিছো।

প্ৰথমে ২০১৪ চনতে চিন্ত-চৰ্চা কৰা হৈছিল যদিও ২০১৯-২০ বৰ্ষত অগ্ৰাধিকাৰ উন্নয়ণ অনুমোদিত প্ৰকল্প, শিৰোনামা সুৰক্ষা সংৰক্ষণ, আন্তঃগাথঁনি উন্নয়ণ, খনন আৰু সংৰক্ষণৰ অধীনত কাম সমূহ আগবঢ়াবলৈ প্ৰেৰণা যোগাইছিল। চৰাইদেউ মৈদামসমূহ Guwahati Circle of the Archaeological Survey of India আৰু Directorate of Archaeology , Indigenous and Tribal Faith and Cultural Department ৰ অধীনত ৯৫.০২ হেক্টৰ মাটিকালি আৱৰি দুটা ভাগত সংৰক্ষণ হৈ আছে। প্ৰথম সন্ধিক্ষণটো হ'ল ২০২৩ চনৰ জানুৱাৰী মাহত আমাৰ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই চৰাইদেউৰ মৈদামক্ষেত্ৰৰ Dossier **খন ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ হাতত তুলি দিলে । উক্ত সময়তে প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ একমাত্ৰ** Dossier **হিচাপে চৰাইদেউ মৈদামৰ** Dossier **খন প্ৰেৰণ কৰিলে । প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ নিজা সমষ্টিত সাৰনাথৰ** Dossier **খন থকাৰ পিচতো অসমৰ প্ৰতি মহানুভৱতা দেখুৱাই আমাৰ চৰাইদেউ মৈদামৰ** Dossier **খন একমাত্ৰ** Dossier **হিচাপে প্ৰেৰণ কৰিলে । এই মহানুভৱতাৰ বাবে প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ লগতে মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা দেৱক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো । চৰাইদেউ মৈদামে সাংস্কৃতিক বিশ্ব ঐতিহ্য স্বীকৃতি লাভ কৰাৰ বাবে প্ৰতিজন অসমীয়া আজি গৌৰৱ অনুভৱ কৰিছে ।** Dossier **দাখিল কৰাৰ পিচতে২০২৩ চনৰ অক্টোবৰ মাহত** ICOMOS **বিশেষজ্ঞ** Evaluation Mission**ৰ বাবে চৰাইদেউলৈ আহিল ।** ICOMOS **চেন চিয়ান লিম ডাঙৰীয়াৰ**

মূল্যায়ণ প্ৰতিবেদনতে স্বীকৃতি  লাভ কৰিবলৈ সক্ষম হ'বনে নহ'ব বহু কথা নিৰ্ভৰ কৰিছিল। ICOMOSৰ প্ৰতিবেদন অতি যোগাত্মক আছিল সেই কথা ঘোষণা কৰা প্ৰাক্ মূহুৰ্তত আমি জানিবলৈ পালো । গতিকে ICOMOS গৰাকীও নিশ্চয় ধন্যবাদৰ পাত্ৰ ।

ভাৰতৰ ইতিহাসত প্ৰথম বাৰৰ বাবে প্ৰগতি ময়দানৰ ভাৰত মণ্ডপমত এই বছৰ World Herritage Committee ৰ ৪৬ সংখ্যক সন্মিলন ভাৰত ৰাষ্ট্ৰদূতUNESCO স্থায়ী সদস্য বিশাল ভি. শৰ্মাৰ অধ্যক্ষতাত  ২১ জুলাইৰ পৰা ৩১ জুলাই২০২৪ লৈ অনুষ্ঠিত হৈছিল । সন্মিলনৰ ষষ্ঠ দিনা ১০.৫২ মিনিটত অৱশেষত সকলো উৎকন্ঠাৰ অন্ত পেলাই সংস্কৃতিৰ বিশ্ব ঐতিহ্য হিচাপে স্বীকৃতি দিয়ে । আলোচনা কালত ICOMOS বিশেষজ্ঞই মৈদামৰ বুৰঞ্জী বিৱৰণ পাঠ কৰা আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ভিয়েটনাম আৰু জাম্বিয়াৰ প্ৰতিনিধিয়ে মুকলি সমৰ্থন দিয়াৰ পিছতে ঘোষণা কৰিলে । চৰাইদেউ মৈদাম ক্ষেত্ৰ ভাৰত ৪৩ নং সাংস্কৃতিক বিশ্ব ঐতিহ্য আৰু অসমৰ কাজিৰঙা আৰু মানাহৰ পাছতে ৩ নং বিশ্ব ঐতিহ্য হোৱাৰ লগতে উত্তৰ পূৰ্ব্বঞ্চলৰ একমাত্ৰ সাংস্কৃতিক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে পৰিগণিত হ'ল । World Herritage Committee বৈঠকত ঐতিহাসিক ক্ষণৰ সাক্ষী হ'বলৈ পোৱাৰ বাবে অসম প্ৰত্নতাত্বিক সঞ্চালিকা ডঃ দীপাৰেখা কুলি সাংস্কৃতিক বিশেষজ্ঞ ডঃ কে চি নাৰিয়ল, আয়ুক্ত সচিব ৰঞ্জন শৰ্মা ডাঙৰীয়া, উপ সঞ্চালক ডঃ নৰজিৎ দেউৰী, চাৰিনা হাচান আৰু বিষয়া কৰ্মচাৰীসকলক ধন্যবাদ জনাইছো লগতে উক্ত বৈঠকত অংশ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী মহোদয় অনুমতি নোপোৱা হ'লে মোৰ পক্ষে সম্ভৱ নহ'লহেঁতেন । এই আপাহতে মুখ্যমন্ত্ৰী মহোদয়ক পুনৰ ধন্যবাদ জনাঁলো ।

কেন্দ্ৰীয় সংস্কৃতিৰ আৰু পৰ্য্যটন বিভাগৰ মন্ত্ৰী মাননীয় গজেন্দ্ৰ সিং সেখাৱট ডাঙৰীয়াই চৰাইদেউ মৈদাম ক্ষেত্ৰৰ  সাংস্কৃতিক বিশ্ব ঐতিহ্য ক্ষেত্ৰ অনুমোদন স্বীকাৰ কৰি ধন্যবাদসূচক মন্তব্য প্ৰদান কৰিলে তাৰ বাবে কেন্দ্ৰীয় সংস্কৃতি আৰু পৰ্য্যটন বিভাগৰ মন্ত্ৰী ডাঙৰীয়া তাৰ বাবে তেখেতলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিলো ।

চৰাইদেউ মৈদাম ক্ষেত্ৰত বিশ্ব ঐতিহ্য হেচাপে ক্ষেত্ৰ হিচাপে অৰ্ন্তভূক্ত কৰিবলৈ ২০১৫ চনৰ পৰা চৰাইদেউ মহোৎসৱ আয়োজন কৰা হয় । এই মহোৎসৱৰ প্ৰধান উদ্দেশ্য আছিল চৰাইদেউ মৈদাম ক্ষেত্ৰক বিশ্বৰ ঐতিহ্য ক্ষেত্ৰত তালিকাত অৰ্ন্তভূক্তৰ বাবে ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰা আৰু চৰকাৰ তথা সংশ্লিষ্ট বিভাগসমূহৰ দৃষ্টি আকৰ্ষণ কৰা । চৰাইদেউ মহোৎসৱলৈ বিশিষ্ট অতিথি হিচাপে মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই অংশ গ্ৰহণ কৰাৰ উপৰিও  চৰাইদেউ মৈদাম ক্ষেত্ৰ পৰিদৰ্শন কৰিছিল। সেই সময়ৰ মহামহীম ৰাজ্যপাল গোলাপ চান্দ কাটাৰিয়া ডাঙৰীয়া, অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী ডাঙৰীয়া, অসম চৰকাৰৰ মন্ত্ৰী নন্দিতা গাৰ্লোছা ডাঙৰীয়ানী, কেশৱ মহন্ত ডাঙৰীয়া, যোগেন মহন ডাঙৰীয়া, ডঃ ৰণোজ পেগু ডাঙৰীয়া , অসম বিধান সভাৰ উপাধ্যক্ষ ডাঃ নোমল মোমিন ডাঙৰীয়া,  সাংসদ কামাখ্যা প্ৰসাদ ডাঙৰীয়া , প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈ ডাঙৰীয়া আৰু অসম বিধান সভাৰ ভালে সংখ্যক বিধায়ক , কেন্দ্ৰীয় পুৰাতত্ব বিষয়াসকলে, অসম প্ৰত্নতাত্বিক বিষয়াসকলে অংশ গ্ৰহণ কৰিছিল। ২০১৮ চনত সেই সময়ৰ মুখ্যমন্ত্ৰী মাননীয় সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই চৰাইদেউ মহোৎসৱত অংশগ্ৰহণ কৰি মৈদামক্ষেত্ৰ উন্নয়নৰ কাৰণে পুঁজি আৱন্টন দিয়াৰ কথা ঘোষণা কৰিছিল । ২০১৯ চনত বৰ্ত্তমানৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই চৰাইদেউ মহোৎসৱত অংশ গ্ৰহণ কৰি চৰাইদেউ মৈদামক্ষেত্ৰ উন্নয়নৰ বাবে ৫ কোটি টকা মোকলাই

দিয়াৰ কথা ঘোষণা কৰিছিল । কিন্তু পৰৱৰ্ত্তী সময়ত ৫ কোটিৰ সলনি ২৫ কোটি টকা আৱন্টণ দিয়ে । এই পৰিমানৰ টকাৰে অসম চৰকাৰৰ দ্বাৰা আন্তঃগাঁথনি উন্নয়নৰ কাম সমূহ চলি আছে । মাননীয় অধ্যক্ষ মহোদয় খিলঞ্জীয়া আৰু জনজাতীয় তথা সংস্কৃতি বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোছা ডাঙৰীয়ানীৰ অদম্য প্ৰয়াসক আজিৰ সদনত আন্তৰিকতাৰে সলাগ লৈছো । লগতে মই অৱশেষত ক'ব বিচাৰো যে অসমত বৰ্ত্তমানেও যিসমূহ কীৰ্তিচিহ্ন আছে সেই সমূহৰ উপযুক্ত সংৰক্ষণ, যিসমূহ চিনাক্তকৰণ হোৱাই নাই সেই সমূহ চিনাক্তকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। প্ৰাক আহোম যুগৰ বহু প্ৰাচীন ঐতিহ্য আছে যেনে- অগ্নিগড়, সূৰ্য্য পাহাৰৰ সূৰ্য্য মন্দিৰ, কামাখ্যা মন্দিৰ,অসংখ্য গুহাৰে পৰিবেষ্টিত ঢলপুৰ পাহাৰ, অসমৰ বিভিন্ন ঠাইত সিঁচৰিত হৈ থকা দৌল - দেৱালয়সমূহ পৰ্য্যায়ক্ৰমে বিশ্বত পৰিচয় কৰাৰ বাবে আঁচনি যুগুত কৰিলে ভাল হ'ব বুলি ভাবিছো । সত্ৰ নগৰী মাজুলী ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অৰ্ন্তভূক্তকৰণৰ ব্যৱস্থা পুনৰ ত্বৰাণ্বিত কৰিব পাৰিলে ভাল হ'ব। অসমৰ সত্ৰসমূহত বিশেষ ঐতিহ্য বহন কৰি আহিছে । সঠিকভাবে ডচিয়েৰ প্ৰস্তুত হ'লে নিশ্চয় বিশ্ব ঐতিহ্যৰ ক্ষেত্ৰৰ দিশত অসমে আৰু এঢাপ আগবাঢ়িবলৈ সক্ষম হ'ব । ঠিক সেইদৰে অসমৰ ন্যতম আদিম খিলঞ্জীয়া জনগোষ্ঠী ডিমাচাসকলৰ খাচপুৰৰ প্ৰাচীন কীৰ্তিচিহ্নসমূহ, অসমৰ বিভিন্ন প্ৰান্তত সিঁচৰিত হৈ থকা মৈদামসমূহ, ভজো বগৰীগুৰিস্থিত আহোম যুগৰ দগা যুঁজ ক্ষেত্ৰ, ৰজাদিনীয়া পুখুৰীসমূহৰ উপযুক্ত সংৰক্ষণ আৰু সৌন্দৰ্য্যবৰ্দ্ধন কৰি পৰ্য্যটনৰ আকৰ্যনীয় স্থলী হিচাপে গঢ়ি তুলিবলৈ পাৰিলে অসম পৰ্য্যটনৰ ক্ষেত্ৰত বহু দূৰ আগবাঢ়ি যাবলৈ সক্ষম হ'ব ।

খিলঞ্জীয়া আৰু জনজাতি বিশ্বাস তথা সংস্কৃতি বিভাগৰ বৃহৎ সাফল্য আৰু ্সম চৰকাৰৰ মহান কৃতিত্ব যে চৰাইদেউ মৈদাম ক্ষেত্ৰই বিশ্বৰ সাংস্কৃতিক ঐতিহ্য স্বীকৃতি পাবলৈ সক্ষম হ'ল । লগে লগে সমগ্ৰ অসম আজি পৰ্য্যটনৰ দিশত এঢাপ আগবাঢ়ি গ'ল । অসমীয়া জাতিক আজি চৰাইদেউ সাংস্কৃতিক বিশ্ব ঐতিহ্য ক্ষেত্ৰই গৌৰান্বিত কৰিলে ।

উপাধ্যক্ষ মহোদয়, পবিত্ৰ সদনত নতুনকৈ স্বীকৃতি পোৱা সাংস্কৃতিক বিশ্ব ঐতিহ্য চৰাইদেউ মৈদাম ক্ষেত্ৰৰ বিষয়ে ক'বলৈ সুবিধা দিয়াৰ বাবে আন্তৰিক ধন্যবাদ জনালো ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ... আপুনি যদি লিখি আনিছে, সদনত লে কৰি দিব ( সদনত বিতৰণ কৰা হয়) এইবাৰ চৰাইদেউ মহোৎসৱত আমাক নিমন্ত্ৰণ দিব আমি আকৌ এবাৰ যাম ।

**শ্ৰীপোনাকন বৰুৱা, (চাবুৱা) ঃ** উপাধ্যক্ষ মহোদয়, এই সম্পৰ্কে মই চমুকৈ দুটামান কথা ক'ব বিচাৰো। ভাৰতবৰ্ষৰ মাননীয় প্ৰধান মন্ত্ৰী আৰু অসমৰ মাননীয় জনপ্ৰিয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাই আৰু এটা কথা মই উল্লেখ কৰিব বিচাৰিছো যে, অসমখনত আগতে বিভিন্ন সময়ত বহু সৰু সুৰা ৰাজ্য আছিল - তেনেকুৱা এখন ৰাজ্য হৈছে বেংমৰাত মটক ৰাজ্য। বেংমৰা মটক ৰাজ্য সৰ্ব্বানন্দ সিংহই প্ৰতিষ্ঠা কৰিছিল। তাৰ পৰৱৰ্ত্তী যিসকল ৰজা আছিল বিভিন্ন কৃতিচিহ্ন তাত আছিল। সেই কৃতি চিহ্নসমূহ আজি বেদখল হৈ আছে । গতিকে এই খিনি বেদখলমুক্ত কৰিব লাগে । পদুমনি পুখুৰী, চাউলমনি পুখুৰী, উনতী পুখুৰী ইত্যাদি ।

মাননীয় উপাধ্যক্ষ ঃ হ'ব আৰু ক'ব নালাগে......আপুনি তথ্যখিনি মন্ত্ৰী ডাঙৰীয়াক দিব তেখেতে নিশ্চয় ব্যৱস্থা ল'ব ।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, স্থানীয় বিধায়ক হিচাপে মই এষাৰ ক'ব বিচাৰিছো । চৰাইদেউ মৈদাম হেৰিটেজ চাইট স্বীকৃতি পোৱাৰ বাবে মই ধন্যবাদ জনাইছো আৰু এপ্ৰিচিয়েট কৰিছো । ২০১৪ চনত আৰ্কিঅ'ল'জিকেল চাৰ্ভে অব ইণ্ডিয়াৰ গুৱাহাটীৰ যিজন ডাইৰেক্টৰ মিঃ ছাৱলে আৰু এটা সময়ৰ ডিচি মিনাক্ষী সুন্দৰম ডাঙৰীয়ানীয়ে

স্পেচিয়েল পাৰপাজ verticle কৰি গোটেই শিৱসাগৰ জিলাৰ প্ৰাচীন কৃতিচিহ্ন খিনি প্ৰিজাৰ্ভেশ্যনৰ বাবে এটা ডকুমেন্টেশ্যন কৰিছিলে সেইখিনিও যথেষ্ট সহায়ক হ'ল গতিকে এই কথাখিনিও ইয়াত উল্লেখ কৰিলে ভাল হ'ব ৷ ২০১৪ চনতে হেৰিটেজ চাইটত অৰ্ন্তভূক্তৰ বাবে ইউনেচক'লৈ পঠিও ৱা হৈছিল এই কথাখিনি মই উল্লেখ কৰিলো ।

**মাননীয় উপাধ্যক্ষ ঃ** হয় বহু মানুহৰ কনট্ৰিবিউশ্যন আছিল, তেওলোকে যথেষ্ট চেষ্টা কৰিছে । এতিয়া অনাৰেবল মিনিষ্টাৰ ।

শ্ৰীমতী নন্দিতা গাৰ্লোছা, (জনজাতি, বিশ্বাস আৰু সংস্কৃতি ইত্যাদি)ঃ Hon'ble dy. speaker Sir, on behalf of the government of Assam I extend our heartiest gratitude to hon'ble MLA of Sonari for his gracious acknowledgement for the affairs in securing the inscription of the Charideo Maidams as UNESCO world heritage site .This prestigious recognisation not only honours the rich cultural and heritage of Assam but also significe our shared commitment to preserving and promoting the historical legacy of our state on the world stage . The unwhelming- support form leaders had resolved to continue the safeguarding and celebrating Assam in valuable trasers for future generations. It was mentioned that the Charaideo festival in 2015 and that was a purpose from making and awarness to the common people among the locality to bring to the North East to the government also. We appreciate to it and I would also like to informed that data has listed 166 archeological sites and monument through the state of Assam which has been preserved as priority and and in phaged manner and also on the besis of the allocation of the funds as per the Assam ancient monuments and records 1959 and Assam ancient monuments and records rules 1964 . I would also like to inform that - any information is received by the directorate regarding any scientific findings from any part of the state the directorate has taken immediate action by physically visiting the reporting scenes and taking necessary steps with the district administration to bring under the physical position and protection directorate of Archeology Government of Assam . Recently Hon' Minister Ashok Singhal Sir has notified about one of the Archeological site in his Area that has also been taken into consideration. Assam ancient monuments Act and records 1959 and Assam ancient monuments and records rules 1964 .I would like to inform that; any onformation is recieved by the Directorate regarding any scientific findings from any part of the state. The Directorate has taken immediate action by physically visiting the reporting sites,

then taking necessary steps with a District Administration to be under the physical possession and protection under the Directorate of Archeology Govt. of Assam. Recently, Hon'ble Minister Ashok Singhal sir has notified one of the Archeological sites in his area that has also been taken into consideration. In this connection I would also like to inform that the Directorate of Archeology, Govt. of Assam has protected 47 Archeological sites and monuments only in Sibsagar district. and 3 Archeologiocal sites & monuments in Charaideo district. From this, we can understand the vast range of Archeological sites being present in all over in Assam & the Archeological Survey of India has also protected 18 Archeological sites & monuments as of the National Importance only in Sibsagar district . To be mentioned here, as we all know that Assam has also such rich Archeological sites throughout the Geographical area of Assam. I would also like to mention that many of the Natrobis Medium that there known as Stone Jars of Dima Hasao which is very prevalent only in the parts of Dima Hasao & to some parts of Meghalaya, and to the knowledge of th House that these Stone Jars are World Heritage Site in Laos, Cambodia. We are also moving forward to see that rather the Stone Jars of Dima Hasao, we had found that when it was in Laos it is only 434 but in Dima Hasao in one part of area which is Dihamlai Constituency dominated by the Jeminagas we had found the 534 numbers of Stone Jars in one simple area only. The Stone Jars are one of the priority basis which can also built the focus map under the Govt. of Assam in terms of an Archeological sites & also in terms of a Tourism Sites. So it is worth noting that under the Puaview of Directorate that the ongoing efforts to promote the other scientific sites has also been taken up. But before I conclude from this House we would like to convey our deep gratitude to Hon'ble Prime Minister Narendra Modi, Hon'ble Union Minister of Culture Gajendar Singh Sekhawal, Hon'ble Chief Minister Himanta Biswa Sarma and all the concerned Ministers of Govt. of Assam and the Local MLAs and also to the people of Charaideo and those involved in the journey to make the Charaideo Maidam our World Heritage Site. It was indeed a very tedious job from 2014 it started then 2023 where we expected that, and then it had come to World Heritage Site. We see that more of World Heritage Site that needs a recogni-

tion from Assam. We will continue under the Leadership of Hon'ble Chief Minister. Thank You.

**माननीय উপাধ্যক্ষ** ঃ Thank you very much. I request all of the members of this House that they should visit this World Heritage Site in Charaideo to promote Tourism. Next Hon'ble Abdul Rashid Mandal.

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ ধন্যবাদ মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভা প্ৰক্ৰিয়া আৰু কাৰ্যপৰিচালনা নিয়মাৱলী ৩০১ নিয়ম অনুসৰি এটা গুৰুত্বপূৰ্ণ বিষয় এই সদনত উপস্থাপন কৰাৰ সুযোগ দিয়াৰ বাবে। আমি জানো এখন সমাজ বা এটা অঞ্চলৰ উন্নয়ন নিৰ্ভৰ কৰে সেই অঞ্চলৰ যোগাযোগৰ ওপৰত। আনকি সততে যিবোৰ বস্তুৱে আজি অসমত শংকা প্ৰকাশ কৰে ক্ৰাইমৰ কথা , জনসংখ্যা বৃদ্ধিৰ কথা এই বিলাকৰ ক্ষেত্ৰত যোগাযোগৰ বহুত পৰিমাণে নিৰ্ভৰ কৰে। মই এনেকুৱা এটা অঞ্চলৰ কথা কৈ আছো যিটো অঞ্চলত আজিও যদি আমাৰ সদনৰ মানুহে মানকাছাৰত যাব খোজে আমি মেঘালয়ৰ মাজেৰে যাব লাগে আমি প্ৰত্যক্ষ ভাৱে সেই ঠাইলৈ যাব নোৱাৰো। আজি আমি হঠাতে দেখা পাইছো যে আমাৰ মন্ত্ৰী সকল প্ৰায় মানকাছাৰলৈ গৈ থাকে। মই জনাত তেখেত সকলে টুৰা হৈ যাব লাগে। অসমৰ মাজেদি অসমৰ এটা আন্তৰাষ্ট্ৰীয় সীমা অঞ্চলত যাবলৈ আমাৰ অসমৰ মাজেৰে ৰাস্তা নাই। আমাৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী মহোদয় তেখেত মুখ্যমন্ত্ৰী হোৱাৰ পিছত তেখেত কনফাৰেন্স হলত প্ৰথম যেতিয়া বিৰোধী দলৰ বিধায়ক সকলৰ লগত এবাৰ মিলিত হৈছিল তেতিয়াই, মই মনত পেলাই দিব বিচাৰিছো তেখেতে আমাৰ এই অঞ্চলৰ যি সকল বিধায়ক আছে মানকাছাৰ বা গোৱালপাৰা বা ধুবুৰী তেখেত সকলক এটা আশ্বাস দিছিল যে হয় গোৱালপাৰাৰ পৰা মানকাছাৰলৈ যিখিনি ৰাস্তা আছে অসম মালাৰ অধীনত কৰি দিয়া হ'ব। অসমমালাৰ অধীনত এইটো ঘোষণা হৈছিল দূৰ্ভাগ্যক্ৰমে সেই ৰাস্তাটো হৈ নুঠিল। ইতিমধ্যে যিটো Assam gadget ত এটা প্ৰকাশ পাইছে মই যিটো ৰাস্তা প্ৰস্তাৱ কৰিব বিচাৰিছো ইয়াৰে এটা অংশ state highway 43 হিচাপত নটিফাই কৰিছে। ইয়াত এইটো আৰম্ভ হৈছে লখিমপুৰ, কালটোলা, খৰমোজা, গোৱালপাৰা মাটিয়া, চিগুিটোলা, কালাটুলি, চিংলামাৰী, হাবিছয়গাঁও, ঔগুৰি, কুলচি, লোহাৰঘাট, ৰাজাপাৰা, চান্দদুবি বিল। ২০৪ কি.মিটাৰ। মই যিটো প্ৰস্তাৱ কৰি আছো ইয়াৰ মাজতে আছে খৰিচাপিঠালৈকে, গোৱালপাৰা পঞ্চৰত্ন নৰনাৰায়ণ সেতু সংলগ্ন ঠাইৰ পৰা খৰিচাপিঠালৈকে, তাৰ পৰা একেবাৰে মানকাছাৰলৈকে য'ত নেকি গোৱালাপাৰা পশ্চিম সমষ্টি, জলেশ্বৰ সমষ্টি, দক্ষিণ শালমাৰ সমষ্টি আৰু মানকাছাৰ সমষ্টি, ৪ টা সমষ্টি লগ লাগিব আৰু প্ৰায় দৈৰ্ঘ্য ১৫০ কি.মিটাৰ। এই ১৫০ কি.মিটাৰ অঞ্চল আজি দেখা গৈছে য'ত ৰাজ্যিক ঘাইপথ, ৰাষ্ট্ৰীয় ঘাই পথ আৰু চাৰিলেণ্ডযুক্ত পথ হৈছে তাৰ আশে পাশে এনেকুৱা ব্যৱসায় বানিজ্য গঢ় লৈ উঠিছে মানুহৰ অৰ্থনৈতিক অৱস্থা ভাল হৈছে। আজি কেইদিন মান আগত যদি লক্ষ্য কৰা যায় আমাৰ ৰূপক শৰ্মাৰ যিটো নগাওঁ বাইপাছ তাত কিন্তু মোৰ চাকৰি কালত মোৰ মনত আছে যেতিয়া মই লামডিং বা লংকালৈ গৈছিলো তাত একেবাৰে কিবা কিবি আছিল। এতিয়া এনেকুৱা লাগে চহৰৰ নিচিনা হৈছে। এইটো হৈছে কেৱল ৰাস্তাৰ যোগাযোগৰ বাবে। এতিয়া গুৱাহাটীৰ পৰা গোৱালপাৰালৈকে যাওতে ৪ লেন হোৱাৰ কাৰণে সকলো যায় ইমান ধুনীয়া চহৰৰ নিচিনা এটা পৰিৱেশ। কিন্তু যেতিয়া গোৱালপাৰাৰ পৰা মানকাছাৰলৈ যোৱা যায় সম্পূৰ্ণ এটা বেলেগ ছবি। সেই কাৰণে ইয়াৰোপৰিও দেখা গৈছে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত বহুত কেইখন দলং হোৱাৰ লগে লগে য'ত দলং হৈছে দুয়োপাৰে চহৰৰ ৰূপ লৈছে। পৰ্যটনৰ প্ৰসাৰ হৈছে। ব্যৱসায় গঢ়িছে,

নিবনুৱা অসুবিধা সমধান হৈছে। আনকি তাৰে থলুৱা মানুহ অসমৰ বাহিৰত কাম কৰাৰ যিটো প্ৰৱণতা সেইটোও কমি গৈছে। যদি নামনি অসমত এই পথটো হৈ যায় আজি উজনি অসমত যিটো শ্ৰমিকৰ migration লৈ যিটো resentment, সেইটো কমি আহিব তাত কামৰ সৃষ্টি হ'ব। তাত ব্যৱসায় বাণিজ্য হ'ব, পৰ্যটনৰ ভিৰ হ'ব, সেই কাৰণে আমি মেছপৰা ৰজাৰ যিটো স্থান লক্ষিপুৰ, লক্ষিপুৰৰ ওচৰত আছে চুনাৰি, চুনাৰিৰ পৰা ধুবুৰী জিলাৰ, দূধনৈ পাহাৰত সংযোগ কৰি এটা দলং ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত এখন দলংৰ প্ৰস্তাৱ ৰাখিছো। বিতংকৈ কবলৈ গলে গোৱালাপাৰা জিলাত নৰনাৰায়ণ সেতু সংলগ্ন ৰাষ্ট্ৰীয় ঘাইপথ ৩১ বি পঞ্চৰত্নৰ পৰা লক্ষিপুৰ, ধুমুৰঘাট, ফকিৰগঞ্জ, ধুবুৰী, ফুলবাৰী দলং সংলগ্ন হৈ হাটশিঙিমাৰী মানকাছাৰলৈ দূৰত্ব প্ৰায় ১৬০ কি.মিটাৰ আৰু দুখন জিলাৰ ৪ টা বিধান সভা সমষ্টিক সামৰাৰ উপৰিও অসমৰ যিকোনো ঠাইৰ পৰা মানকাছাৰলৈ স্থলপথেৰে যাতায়াত কৰিব পৰা এক মাত্ৰ পথ। প্ৰস্তাৱিত পথটো পঞ্চৰত্নৰ পৰা পাগলাতাক মন্দিৰ হৈ খৰমুজা, আমবাৰী, বগোৱাল, লক্ষিপুৰ, খাজদুবা, গৌনগৰ, ধুমুৰঘাট, চাফচিয়া বজাৰ, ফকিৰগঞ্জ, ধুবুৰী ফুলবাৰী দলং সংলগ্ন পথ। ফুলবাৰী হাটশিঙিমাৰী হৈ মানকাছাৰ ভাৰত-বাংলাদেশ সীমান্তলৈ যাব। গোৱালপাৰা পশ্চিম সমষ্টি, জলেশ্বৰ সমষ্টি, দক্ষিণ শালমাৰা সমষ্টি, মানকাছাৰ সমষ্টিক সামৰা এই পথৰে যথেষ্ট সংখ্যক যানবাহান আৰু জনসাধাৰণ যাতায়াত কৰাৰ উপৰিও অসমৰ যিকোনো ঠাইৰ পৰা মানকাছাৰলৈ স্থলপথেৰে যাবলৈ এইটোৱে একমাত্ৰ পথ। এই পথ নিৰ্মাণে এই অঞ্চলৰ জনসাধাৰণৰ আৰ্থিক সামাজিক, শৈক্ষিক ইত্যাদি সকলো দিশতে সূদূৰ প্ৰসাৰী ইতিবাচক প্ৰভাৱ পেলাব। ইয়াৰোপৰি এই অঞ্চলৰ জনসাধাৰণ ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰত ধুবুৰী, গৌৰীপুৰ, বিলাসীপাৰা, চাপৰ আৰু কোক্ৰাঝাৰ আদি ঠাইলৈ যাবলৈ বৰ্তমানত পঞ্চৰত্নত থকা নৰনাৰায়ণ সেতু আৰু নিৰ্মিয়মাণ ধুবুৰী-ফুলবাৰী দলংৰে যাবলৈ অতি কমেও প্ৰায় ১০০ কি.মিটাৰ দূৰত্ব। আৰু অতিৰিক্ত অৰ্থ-সময় ব্যয় কৰিব লাগে। ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ আৰু এই অঞ্চলত কৃষিজীৱি জনসাধাৰণ, ব্যৱসায়, বাণিজ্য, শিক্ষা আৰু স্বাস্থ্য আদি বিষয় উন্নতিৰ বাবে গোৱালপাৰা জিলাৰ সোণাৰী আৰু ধুবুৰী জিলাত দূধনৈত সংযোগ কৰি ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত পকী দলং নিৰ্মাণৰ প্ৰয়োজন আছে। সেয়েহে উক্ত পঞ্চৰত্নৰ পৰা মানকাছাৰলৈ ৰাজ্যিক ঘাইপথ আৰু সোণাৰী দূধনৈ সংযোগী দলং নিৰ্মাণ হোৱাৰ পক্ষে সৰ্বাংগিন বিকাশৰ বাবে অতি জৰুৰী। যিহেতু মুখ্যমন্ত্ৰী মহোদয় সদনত উপস্থিত আছে, তেখেতক এই অঞ্চলৰ বিধায়ক কেইজনে আগতে মেম'ৰেণ্ডাম দিছিল, আজি পুনৰবাৰ তেখেতক নিবেদন কৰিব বিচাৰিছো আপোনাৰ জৰিয়তে যাতে তেখেতে এই ক্ষেত্ৰত এটা সদনত এটা আশ্বাস দিয়ে।

**माननीয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মুখ্যমন্ত্ৰী।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক মহোদয়ে উল্লেখ কৰা ধৰণে গোৱালপাৰা জিলাত নৰনাৰায়ণ সেতু সংলগ্ন পঞ্চৰত্নৰ পৰা বৰভিটা, খৰমুজা, লক্ষিপুৰ, ধুমুৰঘাট, ফকিৰগঞ্জ, ধুবুৰী, ফুলবাৰী দলং সংলগ্ন হাট শিঙিমাৰী হৈ মানকাছাৰলৈ ৰাজ্যিক ঘাইপথ অঞ্চলসমূহ সংলগ্ন কৰি গোৱালপাৰা জিলাৰ সোনাৰি আৰু ধুবুৰী জিলাৰ দুধনাথ সংযোগী ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত পকী দলং নিৰ্মাণ হ'লে নিশ্চিতভাৱে গোৱালপাৰা আৰু ধুবুৰী জিলাৰ মাজত যোগাযোগ বহুখিনি উন্নতি হ'ব আৰু অঞ্চলটো আৰ্থসামাজিক উন্নতিও হ'ব। অধ্যক্ষ মহোদয় ,আমি সকলোৱে জানো ভাৰত চৰকাৰ আৰু প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ বিশেষ আগ্ৰহত বৰ্তমান ধুবুৰী ফুলবাৰী দলংৰ নিৰ্মাণৰ কাম পূৰ্ণ গতিত চলি আছে। এই দলংখন নিৰ্মাণ হোৱাৰ পিছত এই অঞ্চলৰ ৰাইজৰ যাতায়তৰ ব্যৱস্থা বহু পৰিমাণে উন্নত হ'ব আৰু এটা আৰ্থ সামাজিক

পৰিবৰ্তন হ'ব। ইয়াৰ লগে লগে ব্ৰহ্মপুত্ৰৰ ওপৰত আন কেইবাখনো দলং নিৰ্মাণৰ কাম বৰ্তমান চলি আছে। ধুবুৰী ফুলবাৰীৰ পিছত আমাৰ শুৱালকুছি পলাশবাৰী নিৰ্মিত ব্ৰহ্মপুত্ৰ ওপৰত দলংৰ কাম চলি আছে। গুৱাহাটী উত্তৰ গুৱাহাটীৰ দলং নিৰ্মাণৰ কাম চলি আছে, অহাবছৰ ই সামৰণি পৰিব। যোৰহাট মাজুলীৰ মাজটো ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণৰ কাম চলি আছে। এই মুহূৰ্তত ব্ৰহ্মপুত্ৰৰ নদীৰ ওপৰত ৪ খনকৈ দলং কাম চলি আছে। তেনে এক মুহূৰ্তত পঞ্চমখন দলঙৰ বাবে আজিয়েই আমি সদনত কিবা এটা প্ৰতিশ্ৰুতি দিয়াটো সম্ভৱ নহয়। কিন্তু আমি ভাবো যে উত্তৰ আৰু দক্ষিণপাৰক সামৰি আমি যিমানেই দলং বনাব পাৰো, অসমখন ওচৰ চাপি আহে আৰু আৰ্থসামাজিক উন্নতিও হয়। সেই দিশৰ পৰা সোনৰি আৰু ধুবুৰী জিলা দুধনাথ সংযোগী দলং খন হ'লে আমি নিশ্চয় ভালে পাম। কিন্তু এই ক্ষেত্ৰত কোনো ধৰণৰ আৰ্থসামাজিক সমীক্ষা বা কিনো fund requirement হ'ব। কৰিব পৰা যাব নে নাই এই দলং নিৰ্মাণ হ'লে ব্ৰহ্মপুত্ৰই তাক কেনেকৈ impact কৰিব। তাৰ ফলত ওচৰৰ বান নিয়ন্ত্ৰন ব্যৱস্থাত কি প্ৰভাৱ পৰিব, এই বিষয়টো এতিয়ালৈকে আমাৰ বিভাগে প্ৰাৰম্ভিক ভাৱেও আমাৰ এজেণ্ডাত বৰ্তমানলৈকে ই নাই। আজি সদনত বিষয়টো উত্থাপন হৈছে, বিভাগৰ দৃষ্টিগোচৰ হৈছে গতিকে বিষয়টোৰ ক্ষেত্ৰত অনাগত ভৱিষ্যতত কেনেকৈ কি ৰূপ লয় তাক আমি চাব লাগিব। ইয়াৰ লগতে আমি মৰিগাওঁ আৰু দৰং জিলাৰ মাজতো দলং এখন নিৰ্মাণৰ কথা চিন্তা কৰি আছো । তাৰো এটা দিশ আগবাঢ়িছে। গতিকে এই বিষয়টো মই ভাৰত চৰকাৰক techno economic survey ৰ কাৰণে বা ভৱিষ্যতে কি কৰিব পাৰি তাৰ বিষয়ে মই আগবঢ়াই দিম। কিন্তু আজি সদনত এই বিষয়ে কিবা খাটাং কথা, প্ৰতিশ্ৰুতি আদি দিব পৰা অৱস্থাত নাই। বিষয়টো আমি পৰৱৰ্তী সময়ত চালি-জাৰি চাম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। আছিফ মহম্মদ নাজাৰ।

**ড° আছিফ মহম্মদ নাজাৰ,** (লাহৰীঘাট) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ২৭ ফেব্ৰুৱাৰী ২০২৪ তাৰিখে মই এইখন পবিত্ৰ সদনত মৰিগাওঁ জিলাত অন্তোদয়া কাৰ্ড, AAY card লৈ চলি থকা দুৰ্নীতি সম্পৰ্কত কিছু তথ্য সহকাৰে আগবঢ়াইছিলো। ২০১৫ চনত National Food Security Act. ডিচেম্বৰ মাহত আহিছিল আৰু এই National Food Security Act অহাৰ লগে লগে যিবোৰ AAY ৰ কাৰ্ড আছে অন্তোদয়া কাৰ্ড, সেই বোৰ অন্তৰ্ভুক্ত হৈ গৈছিল। কিন্তু দেখা গৈছে মৰিগাওঁ জিলাত বিগত ডেৰ বছৰ ধৰি AAY ৰ কাৰ্ডৰ সংখ্যা বৃদ্ধি পাইছে। উপাধ্যক্ষ মহোদয়, এই বস্তুটো বুজিবলৈ অতি সহজ যে যিবোৰ কাৰ্ড ২০১৫ চনত বন্ধ হৈ গৈছিল, সেইবোৰ কাৰ্ড এতিয়া কিছু বছৰ ধৰি কেনেকৈ বৃদ্ধি পালে? মাননীয় উপাধ্যক্ষ মহোদয় এটা আচৰিত কথা হ'ল যে ২৫ ফেব্ৰুৱাৰী তাৰিখে অসমীয়া খবৰ বাতৰি কাকতত এই AAY ৰ কাৰ্ড বৃদ্ধি হোৱাৰ খবৰটো ওলাইছিল। এই বাতৰি কাকত মোৰ লগত এতিয়াও আছে। তাত লিখা আছিল অন্তোদয়া কাৰ্ড বন্ধ হোৱাৰ পিছতো গোপনে বিতৰণ। মৰিগাওঁ যোগান বিভাগত ভয়াবহ কাণ্ড। তাত লিখা হৈছিল মৰিগাওঁ জিলাত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ কাৰ্য্যালয় যেন নিজৰ আইন মতে পৰিচালিত হয়। পোহৰলৈ অহা তথ্য অনুসৰি চৰকাৰে কোনো যোজনাৰ বাচনি তালিকা নোহোৱাকৈ দুষ্ট চক্ৰই সমবায় সমিতিৰ সৈতে গোপন বুজাবুজি কৰি অন্তোদয়া অন্ন যোজনাৰ ৰেচন কাৰ্ড এতিয়াও প্ৰদান কৰি আছে। অভিযোগ অনুসৰি চৰকাৰৰ বাচনি তালিকা নোহোৱাকৈ ২৪৬ খন অন্তোদয়া অন্ন যোজনাৰ ৰেচন কাৰ্ড মৰিগাৱৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ কাৰ্য্যালয়ত সক্ৰিয় হৈ থকা দুষ্ট চক্ৰই ৩০ হাজাৰ টকা সংগ্ৰহ কৰি বৰ্তমান প্ৰদান কৰি আছে। একেদৰে ২০৪ খন অন্তোদয়া অন্ন যোজনা ৰেচন কাৰ্ডৰ নাম সলনি কৰি ধনৰ বিনিময়ত নতুন

মানুহৰ নাম অন্তৰ্ভুক্ত কৰিছে । মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰ ভিতৰত মই এটা উদাহৰণ দিব বিচাৰো যে ২৫ তাৰিখে বাতৰি কাকতত এই খবৰটো ওলোৱাৰ পাছত আৰু ২৬ তাৰিখে সেই বাতৰি কাকতত ওলোৱাৰ দ্বিতীয় দিনাই বহুত কেইটা AAY ৰ কাৰ্ড যিটো system আছে সেই system ৰ পৰা delete কৰি দিয়া হয়। তাৰ ভিতৰত এটা উদাহৰণ মই পঢ়ি শুনাব বিচাৰিছো। AAY ৰ কাৰ্ড নং ১৮১০০৭৯০৯৪৭০ এই কাৰ্ডৰ গৰাকীৰ নাম আছিল হামিদা খাটুন, এজেন্টৰ নাম আছিল আব্দুৰ কাচেম আৰু AAY ৰ কাৰ্ড বনাওঁতে তাত এটা পাছ ৱাৰ্ড লাগে। মাননীয় উপাধ্যক্ষ মহোদয় এইটো এটা গুৰুত্বপুৰ্ণ কথা। যদি কোনো AAY ৰ কাৰ্ড দিব লাগে বা ডিলিট কৰিব লাগে যিজন ADS থাকে ADSক পাছ ৱাৰ্ড লাগে, সেই পাছ ৱাৰ্ডটো অবিহনে কেতিয়াওঁ ডিলিট কৰিব নোৱাৰে। মোৰ লগত এই বিষয়ত বহুত তথ্য আছে, যে ২৪৬ খন নতুন AAY ৰ কাৰ্ড দিছে, তাৰ ভিতৰত ২০৪ খনত Beneficiary ৰ নাম সলনি কৰি বেলেগৰ নামত দি দিয়া হৈছে। মই যদি তাৰ উদাহৰণত দেখুৱাব বিচাৰো সেই হামিদা খাটুনৰ কথা ক'লো। মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত Government of Assam, Department of food Civil Supply and Consumer Affair, RC and Member Details ইয়াত Details লিখা আছে। ইয়াত অতি সহজে আমাৰ ইয়াত যি সকল মাননীয় সদস্য আছে , সকলোৱে বুজি পাব এটা AAY ৰ কাৰ্ডত ৩৫ কেজি চাউল দিয়ে ২৪৬ টা AAY ৰ কাৰ্ড যদি ডিলিট কৰা হয় বা নতুনকৈ অন্তৰ্ভুক্ত কৰা হয়, যিটো allotment কৰা হয় এখন জিলাত। যিটো allotment যায় চাউলৰ সেই allotment পিছৰ মাহত বাঢ়ি যাব। যদি AAY ৰ কাৰ্ড ডিলিট কৰে পিছৰ মাহত যিটো allotment যাব , allotment কমি যাব। অতি সুন্দৰকৈ জলজল- পট পটকৈ ওলাই আছে যে ইয়াত এটা দুষ্কৃতিকাৰীয়ে এইটো দুষ্ট চক্ৰ চলাইআছে। কিন্তু এইখিনি কথা মই যোৱা সদনত উত্থাপন কৰাৰ পিছতো মাননীয় মন্ত্ৰী মহোদয়ে জিলা উপায়ুক্তক তদন্ত কৰিবলৈ দিছিল। কিন্তু তদন্ত অলপ লেহেমীয়া হোৱাৰ কাৰণে জিলাৰ উপায়ুক্তই লোক সভাৰ নিৰ্ব্বাচনৰ আগে আগে কৈছে যে ADSৰ কোনো হাত নাই আৰু এখন দোষমুক্ত চাৰ্টিফিকেট দি দিছে। এই দোষমুক্ত চাৰ্টিফিকেট দিয়াৰ পিছত ADS কুদুৰ ৰহমান ডাঙৰীয়াই এজেন্টবোৰক মাতি আনে, মাতি আনি কৈ আছিল চৰকাৰে একো কৰিব নোৱাৰে তোমালোকে অপেন পইচা লোৱা। এতিয়া মৰিগাওঁ জিলাত কেৱল AAY কাৰ্ড নহয় যিমান ৰেচন কাৰ্ড আছে গোটেই বিলাকতে অপেন পইচা লৈ আছে, এজেন্টৰ জৰিয়তে । প্ৰায় ২ কোটি টকাৰ কেলেংকাৰী আছে। কিন্তু কোনো তদন্ত নহ'ল। সকলোতকৈ ডাঙৰ কথাটো হ'ল এই জিলা উপায়ুক্তই তেখেতক নিৰ্দোষী সাব্যস্ত কৰাৰ পিছতেই আমাৰ যেতিয়া নিৰ্বাচনৰ সময়ত অধিসুচনা জাৰি হৈছিল ১৬-০৩-২০২৪ ত এই অধিসোচনা জাৰি হোৱাৰ পিছত ৩০-০৩-২০২৪ তাৰিখে নতুন AAY ৰ কাৰ্ড এপ্ৰোভ দিছে। ইয়াৰ তথ্য মোৰ ওচৰত আছে। নিৰ্বাচনৰ অধিসুচনা জাৰি হোৱাৰ পিছত এই তথ্য দিছে যে. ৰফিকুল ইছলাম, মুফটিহিজা খাতুন, মঃ জামান চাহ, চাজিদা খাতুন, হাচনাৰা খাতুন এনেকুৱা ৬ খন নতুন কাৰ্ডৰ তথ্য আছে নিৰ্বাচনৰ অধিসূচনা জীৰি হোৱাৰে পিচতApproived দিয়াৰ

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি Submit কৰি দিয়ক।

**শ্ৰী আচিফ মহম্মদ নাজাৰ, (লাহৰিঘাট), বিধায়কঃ** কাৰণ, ADS ডাঙৰীয়াই Passward নোহোৱাকৈ কেতিয়াওঁ Approved দিব নোৱাৰে, কোনো Delete কৰিব নোৱাৰে। তাৰ পিছতো কিয় Enquire হোৱা নাই? গতিকে মই আপোনাৰ জড়িয়তে এই বিষয়টো সদন কমিটিত উৎথাপন কৰি পৰামৰ্শ ল'বলৈ অনুৰোধ জনালো।

**উপাধ্যক্ষ ঃ** Hon’ble Minister.

**শ্ৰী ৰণজিৎ কুমাৰ দাস,(পাটাচাৰকুছি), মাননীয় মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ মাননীয় বিধায়ক, শ্ৰী আচিফ মহম্মদ নাজাৰ ডাঙৰীয়াই জোৰা ২৭ February, ২০২৪ তাৰিখে সেই বিষয়ে মোক এটা অভিযোগ দিছিল, আৰু এই অভিযোগ দিয়াৰ লগে লগে মই আমাৰ বিভাগৰ জড়িয়তে মৰিগাওঁ জিলা আয়ুক্তক বৃহৎ ভাৱে তদন্ত কৰিববৈলে দায়িত্ব দিছিলো আৰু তেতিয়া জিলা আয়ুক্ত, শ্ৰীমতী সংগীতা বৰঠাকুৰৰ জড়িয়তে তেখেতে তদন্ত কৰিছিলে। আৰু সেই তদন্ত কৰাৰ পিছত, তাত আমি হিতাধীকাৰী বাচঁনি আৰু আঁচনি entry ৰ ক্ষেত্ৰত বিসংগতি দেখা পাইছিলো আৰু এই বিসংগতি কৰাৰ ক্ষেত্ৰত গুণগত ভাৱে যি গৰাকী ব্যক্তি দোষী, সেই গৰাকী আছিল data entry operator. কাৰণ আপোনালোকে নিশ্চিতত ভাৱে জানে যে আমি শেহতীয়াকৈ ৪২ লাখ মানুহক যি ৰেচন কাৰ্ড দিলো আৰু এই ৰেচন কাৰ্ড দিয়াৰ ক্ষেত্ৰত এই ৪২ লাখ মানুহৰ লগতে আৰু ১০ লাখ ৭৫ হাজাৰ মানুহক ৰেচৰ্ন কাৰ্ড দিয়াৰ ক্ষেত্ৰত আমি data entry operator সকলক নিয়োগ কৰিছিলো। ঠিক তেনেকৈ আমাৰ এই বিভাগত ডাটাৰ ক্ষেত্ৰত সকলো জিলাতে যিবোৰ data entry operator আছে, সেই data entry operator সকলক সেই Passward টো দিয়া থাকে। কাৰণ, সেই কেইদিন authorised কৰা থাকে আৰু সেইকেইদিন বিসংগতি ভাৱে কিছু নাম data entry operator জনে সংযুক্ত কৰিছিলে, আৰু সেই সংযুক্ত কৰাৰ পিছত আমি তেতিয়া অপপূন হিতাধীকাৰীৰ নাম ধৰা পেলাওঁ, ধৰা পেলোৱাৰ পিছত আমি এতিয়া আচিয়া most data best ৰ পৰা সেইবোৰ কৰ্তন কৰো। লগতে এই নীতিবৰ্হিভূত ভাবে যি অন্তঃদয়া অন্ন আচঁনিৰ জড়িয়তে য়ি সমূহ approved কৰা হৈছিলে, আৰু সেই এক পক্ষীয় ভাৱে approved কৰা, নবাজুল ৰহমান নামৰ data antry জনক চিৰদিনৰ কাৰণে উক্ত জিলাত আমি কৰ্ম বন্ধ কৰিছো। তাৰোপৰি আমি বিভাগে মৰিগাওঁ সদৰ থানাত এখন FIR কৰিছিলো, আৰু সেই FIR দাখিল কৰাৰ পিছত এতিয়া গোটেই বিষয়টো বিবেচনাধীন হৈ আছে। এইটো তৎকালিনভাৱে আমি যি সমূহৰ নাম বাতিল কৰিছিলো, সেই সমূহৰ নাম হৈছে, ৰুমেনা বেগম ,ৰবিনা ইয়াচমিন, লটিফুল হাৰা, নাফিচা হ’ক চৌধুৰী আৰু ছামচুন নাহাৰ। গতিকে এওঁলোকক আমি বাটিল কৰিছো আৰু কেচটো যিহেতু আমাৰ court ৰ অধিনত আছে, এতিয়া কথা হৈছে অধ্যক্ষ ডাঙৰীয়া, আমাৰ যি আঁচনি আছে তাৰ নিয়ম মতে প্ৰতি কাৰ্ডত চাউল পায় প্ৰায় ২৫ কিলো।তাৰোপৰি পৰিয়ালৰ সদস্য যদি দুইজন থাকে, তেতিয়া হ’লে ৩৫ কিলোকৈ চাউল পায় ।আৰু আমাৰ যি PPS ( priority house hold ) সেইটোৰ ক্ষেত্ৰত per person পায় ৫ কিলোকৈ, আৰু norms টো আছিল সেই সময়ত ১ লাখতকৈ income বেছি হ’ব নোৱাৰিব। সেয়েহে, আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই cabinet ৰ জড়িয়তে ক’লে যে আমি income ৰ ক্ষেত্ৰত আমাৰ হাতত অজস্ৰ কাম আছে, সেয়েহে আমি অবৈধ কাম ধৰা পেলালো ।প্ৰায় ৫০ লাখ হিতাধীকাৰিয়ে অবৈধ ভাৱে চাউল লৈ আছিল। যিহেতু চাউলটো ভাৰত চৰকাৰৰ পৰা আহি আছে, আমি সেইকাৰণে নতুনকৈ তেওঁলোকক enhence কৰিলো আৰু income টো enhence কৰি ২.৫০ লাখ কৰিলো, আৰু ২.৫০ লাখ কৰাৰ পিছত দেখিলো যে আমি ২৭ লাখ মানুহকে দিব পাৰিম। তথাপিও আমাৰ হাতত আৰু ২৩ লাখ ৰখি যায়। তাৰপিছত আমি আকৌ income টো ৪ লাখ কৰি দিলো । তাৰপিছতো প্ৰায় ৩৬ লাখ মানুহৰ নাম আহিছিলে।পৰৱৰ্ত্তী সময়ত মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৰিলে যে যিসকল Gr-IV ষ্টাফ আছে, তেওঁলোক কেন্দ্ৰীয় চৰকাৰৰ হওঁক বা অসম চৰকাৰৰ হওঁক, retired staff, যিহেতু

NFS ৰ Act মতে কোনো চাকৰিয়াল বা পেঞ্চনাৰক দিব নোৱাৰে । গতিকে আমি কি কৰিলো পৰৱৰ্ত্তী সময়ত তেওঁলোকক আমি entry কৰিলো। তেওঁলোকক entry কৰাৰ পাছত আমি প্ৰায় ৪২ লাখ মানুহক ৰেচন কাৰ্ড দিব পাৰিলো অৰ্থাৎ NFS ৰ আগৰ যিটো system আছিল যে ১ লাখ, সেইটো মাননীয় মুখ্য মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এতিয়া ৪ লাখলৈ দুখীয়া মানুহক আৰু ধৰিছে। এতিয়া ৪ লাখলৈ entitle. গতিকে entitle যিহেতু হৈছে আৰু হোৱাৰ ফলস্বৰূপে আমি ৰাজ্যত সৰ্বমুঠ ৰেচন কাৰ্ড দিছো ৬৬ লাখ ৬৮ হাজাৰ ৮৪৫ খন। ইয়াৰ ভিতৰত AAY আমাৰ ৬ লাখ ৭২ হাজাৰ অন্তঃদ্বাৰ কাৰ্ড আছে, অৰ্থাৎ তেওঁলোকৰ বেনিফিট এটাই তেওঁলোকৰ পৰিয়ালৰ মানুহ যদি তিনিজনও থাকে তেওঁলোকে চাউল পাব ৩৫ কিলো আৰু যি আমাৰ priority house hold ৰ কাৰ্ড আছে তাত দিয়া আছে ৬০ লাখ ১৪ হাজাৰ ৮২১ গৰাকী কাৰ্ড দিয়া হৈছে। ৰাজ্যত সৰ্বমুঠ ২ লাখ ৩১ হাজাৰ ৬০৮ গৰাকী হিতাধিকাৰী আছে আৰু মৰিগাওঁ জিলাত আমি বিনামূলীয়াকৈ চাউল দি থকা যিটো আমাৰ কাৰ্ড সেই কাৰ্ড হৈছে ২ লাখ ৩১ হাজাৰ ৫৭৮ খন আৰু ইয়াৰ ভিতৰত ২০ হাজাৰ খনহে অন্তোদয়াৰ কাৰ্ড আছে আৰু বাকী ২ লাখ ১১ হাজাৰ মৰিগাওঁ জিলাত আছে অগ্ৰাধিকাৰী ভিত্তিত কাৰ্ড। গতিকে মৰিগাওঁ জিলাত এতিয়া মুঠ হিতাধিকাৰী হৈছে ৭ লাখ ৭৮ হাজাৰ ৯৭ গৰাকী। আগন্তুক দিনত মৰিগাওঁ জিলাত আৰু বাঢ়িব। যিহেতু মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই সিদ্ধান্ত লৈছে যোৱাকালি যিটো সিদ্ধান্তৰ কথা সদৰি কৰিছে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মই ধন্যবাদ জনাইছো। বহুতো মানুহ দেখিছো যে আমি NRC ৰ সময়ত Biomatrix ৰ কাৰণে বহুতৰ নাম ব্লক কৰাৰ কাৰণে R.G আহে। তেওঁলোকে আধাৰ কাৰ্ড বনাব পৰা নাছিল। গতিকে আধাৰ কাৰ্ড বনাব নোৱাৰা বাবে তেওঁলোকে education আৰু চিকিৎসাৰ পৰা Deprived হৈছিল, আয়ুস্মান কাৰ্ড বনাব পৰা নাছিল, আৰু খাদ্যৰ ক্ষেত্ৰতো Deprived হৈছিল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেওঁৰ একক চেষ্টাত তেখেতে ভাৰত চৰকাৰক কৈছিল যে অন্তত মানুহৰ শিক্ষা ,স্বাস্থ্য আৰু বিশেষকৈ খাদ্যৰ ক্ষেত্ৰত বঞ্চিত হ'ব নালাগে । যাৰ কাৰণে R.G. য়েক তেখেতে অনুৰোধ জনাইছিল যে এই NRC relation টো বেলেগ বিষয়। এইটো যিহেতু শিক্ষা, স্বাস্থ্য আৰু খাদ্যৰ লগত সম্পৰ্ক আছে, তাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰচেষ্টাত যোৱা দিনত প্ৰায় ৯ লাখ মানুহৰ যি NRC ৰ ক্ষেত্ৰত আধাৰ কাৰ্ড বনাব পাৰিব, তেতিয়া আমি সেই সকল মানুহক দিব পাৰিম। তাৰ কাৰণে মই মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই আন্তৰিক ধন্যবাদ জনাইছো যে তেখেতে নিস্পষিত , বঞ্চিত সকলৰ বাবে যিটো চেষ্টা চলাইছে আৰু NRC ত নাম Block থকা অসমীয়া ল'ৰা ছোৱালীও আছে। মোৰ পাঠশালাতে আছে, কিছুমান ছোৱালীয়ে কান্দি কান্দি আহি কয় যে আমিও এই আধাৰ কাৰ্ডৰ পৰা বঞ্চিত। মই ভাবো. আজি আচলতে সদনৰ সকলো প্ৰতিনিধিয়ে মাননীয় মুখ্যমন্ত্ৰীক আন্তৰিক ধন্যবাদ জনাব লাগে যে কাৰণ এইটো এটা বিৰাত ডাঙৰ এটা সমস্যা তেখেতে সমাধান কৰিছে। ইয়াৰ পিছতো আমি সমগ্ৰ অসমত পুনৰ এই NRC related বিষয়টো লৈ debate কৰিব নালাগে, Rule 54, 301, আৰু Zero Hour ত অধ্যক্ষ মহোদয় debate হ'ব নালাগে। গতিকে আগন্তুক দিনত আমি IIA দিব পাৰিম। এইখিনি মাননীয় অধ্যক্ষ মহোদয়, আপোনাক জনালো। আপোনাৰ যদি এইক্ষেত্ৰত আৰু কিবা specific আছে মোক দিলে মই তদন্ত কৰি দিম।

**শ্ৰী আচিফ মহ ম্মদ নাজাৰ, (লাহৰিঘাট), বিধায়কঃ** চাৰ ,Question কৰিছো বেলেগ, উত্তৰ দিছে বেলেগ এইটো কেনেকৈ হ'ব ? কাৰণ, নিৰ্বাচনী অধিসূচনা জাৰি হোৱাৰ পিছত ৬ খন AY

কাৰ্ডৰ বিতৰ্ক হৈছে। মই এটা কথা আপোনাৰ পৰা জানিব বিচাৰিছো AY card যদি ADS ডাঙৰীয়াই Passward নোহোৱাকৈ Approved বা Delete কৰিব পাৰে নে ? মই জনামতে নোৱাৰে চাৰ। এইটো মই গম পাওঁ। গতিকে নিৰ্বাচনী অধিসূচনা জাৰি হোৱাৰ পিছতো AY card দিয়া হৈ আছে?

**শ্ৰী ৰঞ্জিত দাস, বিধায়কঃ** কাৰন নিবাৰ্চনী অধিসূচনাৰ সময়ত আমি একো কৰিব নোৱাৰো। You approch to the election commission of India .

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া Item no 4, মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** the Assam official

লগতে এই নীতিবহিভূত ভাৱে যি অন্তঃদয়া অন্ন আৰ্চনিৰ জড়িয়তে যি সমূহ approved কৰা হৈছিল, আৰু সেই একপক্ষীয় ভাৱে জনৈক নবাজুল ৰহমান নামৰ data antry জনক চিৰদিনৰ কাৰনে উক্ত জিলাত আমি কৰ্ম বন কৰিছো। তাৰোপৰি আমি বিভাগে মৰিগাওঁ সদৰ থানাত এখন AFAIR, কৰিছিলো আৰু সেই Afair দাখিল কৰাৰ পিছত এতিয়া গোটেই বিষয়টো বিবেচনাধীন হৈ আছে। এইটো ত্যকালিন ভাৱে আমি যি সমূহৰ নাম বাতিল কৰিছিলো, সেই সমূহৰ নাম হৈছে, ৰুমেনা বেগম ,ৰবিনা ইয়াচমিন, লটিফুল হাৱা নাফিচা হ'ক চৌধুৰী আৰু চামচুন নাহাৰ। গতিকে এওঁলোকক যিহেতু আমি বাটিল কৰিছো আৰু কেচটো যিহেতু আমাৰ courd ৰ অধিনত আছে, এতিয়া কথা হৈছে অধ্যক্ষ জাঙৰীয়া যিহেতু এইবাৰ আমাৰ যি আৰ্চনি চাউল, প্ৰতি কাৰ্ডত পায় ২৫ কিলো । তাত যদি দিবা কাৰনত পৰিয়ালৰ ভিতৰৰ সদস্য যদি legal ত থাকে। তেতিয়া হ'লে ৩৫ কিলোকৈ চাউল পায়। আৰু যি আমাৰ pps prioriy House hold সেইটোৰ ক্ষেত্ৰত per person পায় ৫ কিলোকৈ গতিকে per person পায় ৫ কিলোকৈ আৰু norms টো আছিল সেই সময়ত ১ লাখতকৈ income বেছি হ'ব নোৱাৰিব । আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই cabinet ৰ জড়িয়তে আমি income ৰ ক্ষেত্ৰত যিহেতু আমাৰ হাতত অজস্ৰ কাম সেয়েহে আমি অবৈধ ধৰা পেলালো প্ৰায় ৫০ লাখ মানুহ হিতাধীকাৰিয়ে অবৈধ ভাৱে চাউল লৈ আছিল। চাউলটো যিহেতু ভাৰতবৰ্ষৰ পৰা আহি আছে।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** পৰৱৰ্ত্তী সময়ত মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৰিলে কি যে যিসকলৰ ৪টা গেটৰ ষ্টাফ কেন্দ্ৰীয় চৰকাৰৰ হওক বা অসম চৰকাৰৰ হওঁক । যিহেতু NFS Act মতে কোনো চাকৰিয়াল বা পেঞ্চনাৰক দিব নোৱাৰে গতিকে আমি কি কৰিলো পৰৱৰ্ত্তী সময়ত তেওঁলোকক আমি entry কৰিলো। আৰু তেওঁলোকক entry কৰাৰ পাছত আমি প্ৰায় ৪২ লাখ মানুহক কাৰ্ড দিব পাৰিলো অৰ্থাৎNFS ৰ আগৰ যিটো system আছিল যে ১ লাখ সেইটো মাননীয় মুখ্য মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এতিয়া ৪ লাখলৈ দুখীয়া মানুহক ধৰিছো। ৪ লাখলৈ entitle গতিকে entitle যিহেতু হৈছে আৰু হোৱাৰ ফলস্বৰূপে আমি ৰাজ্যত সৰ্বমুঠ ৰেচন কাৰ্ড দিছো ৬৬ লাখ ৬৮ হাজাৰ ৮৪৫ খন। ইয়াৰ ভিতৰত AAY আমাৰ ৬ লাখ ৭২ হাজাৰ অন্তঃদ্বাৰ কাৰ্ড আছে অৰ্থাৎ তেওঁলোকৰ বেনিফিট এটাই তেওঁলোকৰ চাউল পাব ৩৫ কেজি আৰু যি আমাৰ priority house ৰ কাৰ্ড আছে তাত ৬০ লাখ ১৪ হাজাৰ ৮২১ গৰাকী কাৰ্ড দিয়া হৈছে। ৰাজ্যত সৰ্বমুঠ ২ লাখ ৩১ হাজাৰ ৯৭ ,৬০৮ গৰাকী হিতাধিকাৰী আছে আৰু মৰিগাওঁ জিলাত আমি বিনামূলীয়াকৈ চাউল দি কথা যিটো আমাৰ কাৰ্ড সেই কাৰ্ড হৈছে ২ লাখ ৩১ হাজাৰ ৫৭৮ খন আৰু ইয়াৰ ভিতৰত ২০ হাজাৰ খনহে অন্তদুয়াৰ কাৰ্ড আছে আৰু বাকী হল ১১ হাজাৰ মৰিগাওঁ জিলাত আছে অগ্ৰাধিকাৰী ভিত্তিত কাৰ্ড। গতিকে মৰিগাওঁ জিলাত এতিয়া

মুঠ হিতাধিকাৰী হৈছে ৯ লাখ ৭৮ হাজাৰ ৯৭ গৰাকী। আগন্তুক দিনত মৰিগাওঁ জিলাত আৰু বাঢ়িব। যিহেতু মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই সিদ্ধান্ত লৈছে। যোৱাকালি যিটো সিদ্ধান্তৰ কথা সদৰি কৰিছে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই  মই ধন্যবাদ জনাইছো। বহুতো মানুহ দেখিছো আমি যে NRC সময়ত Biomatrix ৰ কাৰণে বহুতৰ নাম ব্‌তক কৰাৰ কাৰণে RG আছে। তেওঁলোকে আধাৰ কাৰ্ড বনাব পৰা নাছিল। গতিকে আ আধাৰ কাৰ্ড বনাব নোৱাৰা বাবে তেওঁলোকে Deprived হৈছিল , education ৰ পৰা Deprived হৈছিল , তেওঁলোকে চ্কিৎসাৰ ক্ষেত্ৰত Deprive ক্ষেত্ৰত Deprived হৈছিল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেওঁৰ অপ্ৰাণ চেষ্টাত তেখেতে ভাৰত চৰকাৰক কৈছিল যে অন্তত মানুহৰ শিক্ষা ,স্বাস্থ্য আৰু বিশেষকৈ খাদ্যৰ ক্ষেত্ৰত বঞ্চিত হ'ব নালাগে । যাৰ কাৰণে R.G য়েক তেখেতে অনুৰোধ জনাইছিল যে এই NRC related টো বেলেগ বিষয়। এইটো যিহেতু সিক্ষা, স্বাস্থ্য আৰু খাদ্যৰ লগত আছে। তাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰচেষ্টাত যোৱা দিনত প্ৰায় ৯ লাখ মানুহৰ  যি NRC ৰ ক্ষেত্ৰত আধাৰ কাৰ্ড বনাব পাৰিব তেতিয়া সেই সকল মানুহক ঢুবাক নোৱাৰিব তাৰ কাৰণে মই মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই আন্তৰিক ধন্যবাদ জনাইছো যে তেখেতে নিস্পষিত , বঞ্চিত সকলৰ বাবে যিটো চেষ্টা চলাইছে আৰু NRC ত নাম Block থকা অসমীয়াল'ৰা ছোৱালীত আছে, মোৰ পাঠশালাতে আছে, কিছুমান ছোৱালীয়ে কান্দি কান্দি আহি কয় যে আমিও আধাৰ কাৰ্ডৰ পৰা বঞ্চিত মই ভাবো. আজি আচলতে সদনৰ সকলো প্ৰতিনিধিয়ে  মাননীয় মুখ্যমন্ত্ৰীক ধন্যবাদ জনাব লাগে। কাৰন এই ডাঙৰ ডাঙৰ সমস্যাটো তেখেতে সমাধান কৰিছে। ইয়াৰ পিছতো আমি সমগ্ৰ অসমতে পুনৰ এই NRC related লৈ Zero Hour অধ্যক্ষ মহোদয়  ৫৪,৩০১ লৈ Debate নহয় কেতিয়াও। গতিকে আগন্  দিনত আমি মৰি গাওঁত হিলাত IIA দিব পাৰি এইখিনি জনালো। আপোনাৰ যদি এই ক্ষেত্ৰত আৰু কিবা Speeific কিবা আছে মোক দিলে মই তদন্ত কৰি দিম।

**ডঃ আচিফ মহম্মদ নাজাৰ , বিধায়কঃ** চাৰ ,Question কৰিছো বেলেগ, কেনেকৈ হ'ব ? কাৰণ, নিৰ্বাচনী অধিসূচনা জাৰী হোৱাৰ পিছত ৬ খন AY কাৰ্ডৰ বিৰ্তক  হৈছে ।মই এটা কথা আপোনাৰ পৰা জানিব বিচাৰিছোAY card যদি ADS ডাঙৰীয়াই Pass Ward নোহোৱাকৈ Approved বা Delite কৰিব পাৰে নে?

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Official Language(Amendment) Bill, 2024" বিবেচনাৰ বাবে মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) আপোনাৰ বিলখনৰ ওপৰত সংশোধনীৰ ওপৰত থকা পইণ্টখিনি উত্থাপন কৰক।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত আমি যিটো Amendment দিছো, Sub-Clause-I ত, তাত Manipuri Language shall be used as an Associate Official Language in four district of the State mainly Cachar, Karimganj, Hailakandi and Hojai. এইটোত আমাৰ সহমত আছে কাৰণ এইকেইখন জিলাত মণিপুৰী ভাষা কোৱা বহু লোক আছে গতিকে এইটোক যদি Associate Official Language কৰা হয় তেওঁলোকৰ কাৰণে ভাল হ'ব। এই চাৰিখন জিলাত যিটো কছাৰী ভাষা, চিলেটি ভাষা আৰু কছাৰী ভাষা প্ৰায় একেই। আমি ভাবিছো মণিপুৰী ভাষাৰ লগত কছাৰী ভাষাটোও ইয়াত include কৰা হওঁক আৰু এইটোক ও Associate Official Language কৰা হওঁক। কছাৰী ভাষা যিসকলে কয় তেওঁলোকৰ কাৰণে অলপ ভাল হ'ব।

দ্বিতীয়তে, আমি এটা Sub-Clause ইয়াত add কৰিব দিছো। Sub-Clause-V ত দিছো "Sangthali Language shall be used as an Associate Official Language in the districts of Upper Assam and BTR region.আদিবাসী সকলে যিটো চান্থালি ভাষা কয় তেওঁলোকৰ বহু লোক আছে। তেওঁলোকৰ বহু কেইটা dialect আছে। কিন্তু ক'ব গ'লে চান্থালিটো তেওঁলোকৰ common এটা language. আমাৰ অসমত গৰিষ্ঠ সংখ্যক আদিবাসী লোক আছে। আমি ভাবো চৰকাৰে যাতে এই আদিবাসী সকলক এটা সন্মান দিয়ে এইটো আমাৰ AIUDF দলৰ পৰা এটা দাবী কৰিছো। Sangthali Language টোক ও এটা Associate Official Language কৰা হওঁক। যিহেতু উজনি অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ,যোৰহাট, গোলাঘাট, লখিমপুৰ এই জিলা কেইখনৰ লগতে BTR এলেকাতো আমাৰ যিসকল আদিবাসী লোক আছে Sangthali Language টো মই দেখিছো, বাকী তেওঁলোকৰ ৩৪ টা dialect আছে কিন্তু চান্থালিটো তেওঁলোকৰ এটা major dialect. আদিবাসী লোক সকল যিহেতু শিক্ষা, চাকৰি বা আন বিভিন্ন ক্ষেত্ৰত অনগ্ৰসৰ সেয়েহে মই ভাৱো চান্থালি ভাষাটোক Associate Official Language কৰিলে নিশ্চয় তেওঁলোকৰ কাৰণে ভাল হ'ব। মই ভাবো যে আমি AIUDF দলে যিটো প্ৰস্তাৱ আনিছো চৰকাৰে যাতে এই আদিবাসী লোক সকলৰ প্ৰতি গুৰুত্ব দি, তেওঁলোকৰ প্ৰতি সন্মান জনাই এই চান্থালি ভাষাটোক Associate Official Language কৰে এইটোৱে অনুৰোধ জনাইছো আৰু কছাৰী ভাষাটোক যাতে চাৰিখন জিলাৰ কাৰণে মণিপুৰী ভাষাৰ লগত include কৰে এইটো আমি অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থঃ(উত্তৰ কৰিমগঞ্জ সমষ্টি)ঃ**-- অধ্যক্ষ মহোদয়, মনিপুরি ভাষা আমাদের অবিছিন্দ অঙ্গ এবং এই চিন্তাধারার জন্য আমি ধন্যবাদ জ্ঞাপন করছি। অধ্যক্ষ মহোদয়, আমাদের মাননীয় বিধায়ক একটি কথা বললেন কাছাড়ি এবং সিলেটি ভাষার কথা। আমি নিজেও একজন সিলেটি ভাষার মানুষ। সিলেটি ভাষা এবং কাছাড়ি ভাষা প্রায় সমসাময়িক যদিও এরমধ্যে কিছু তারতম্য থাকে কিন্তু আমাদের লেখার ক্ষেত্রে, কথা বলা বা ভাব প্রকাশ করার ক্ষেত্রে এই দুটি ভাষা একই তাতে কোন তারতম্য নেই। আমি সেইসঙে মাননীয় মুখ্যমন্ত্রীর কাছে অনুরোধ করব যে বরাকের ভাষা সংস্কৃতি এগিয়ে নিয়ে যাওয়ার জন্য বরাক বঙ্গকে আর্থিক ভাবে সাহায্য প্রদান করার জন্য ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী মিছবাহুল ইছলাম লস্কৰ।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ,(বৰখোলা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মণিপুৰী ভাষাটোক এটা associate language কৰাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। কিন্তু মণিপুৰী ভিতৰত দুটা মণিপুৰী আছে। ইয়াৰ আৰু এটা হ'ল বিষ্ণুপ্ৰিয়া মণিপুৰী। এই দুইটা কমিউনিটিৰ ভিতৰত এটা cold war আছে। গতিকে লগতে বিষ্ণুপ্ৰিয়া মণিপুৰীটো add কৰি দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী কৌশিক ৰয়।

**শ্ৰী কৌশিক রাই (লক্ষীপুর সমষ্টি)ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়কে আমি ধন্যবাদ জানাই যে "The Assam official language amendment bill 2024" এই যে বিলটি আনা হয়েছে তাতে মনিপুরি ভাষা কে সহযোগী ভাষা করা হয়েছে কাছাড়, করিমগঞ্জ, হাইলাকান্দি এবং হোজাই এই চার জেলাতে করা হয়েছে। আমি যে লক্ষীপুর বিধানসভা

সমষ্টি থেকে প্রতিনিধিত্ব করি, সেই সমষ্টিতে সবচেয়ে বেশি সংখ্যা মনিপুরি লোকের বসবাস আছে এবং সেটার জন্য দীর্ঘ দিন থেকে মৈথেই মনিপুরি সমাজ বিভিন্ন ভাবে আন্দোলন করেছিলেন। এবং দীর্ঘ বছর পর সরকারের তরফ থেকে এরকম যে ব্যবস্থা নেওয়া হয়েছে, এই বিলের মাধ্যমে মনিপুরি ভাষাকে সহযোগী ভাষা হিসাবে স্বীকৃতি দেওয়া হয়েছে এজন্য আমি মাননীয় মুখ্যমন্ত্রী মহাশয়কে অত্যন্ত ধন্যবাদ ও কৃতজ্ঞতা জানাচ্ছি সমস্ত মনিপুরি ভাষাভাষীদের পক্ষ থেকে ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মুখ্যমন্ত্রী মহোদয়।

**ড°হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বহুদিনৰ পৰা অসমত বাস কৰা মণিপুৰী লোক সকলে মণিপুৰী ভাষা সহযোগী চৰকাৰী ভাষা হিচাবে অন্তৰ্ভুক্ত কৰিব লাগে বুলি চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰি আহিছে। আমি Official Language বা Associate Official Language সেই ভাষাটোক কৰিব পাৰো যিটো ভাষা সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত হৈ আছে। ইয়াত কছাৰী ভাষাৰ কথা কোৱা হৈছে। কছাৰী ভাষা সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত হৈ থকা নাই। যেতিয়ালৈকে এই ভাষাটোৱে নিজকে এটা independent language হিচাবে distinguish from Bengali যে মোৰ script বেলেগ, ভাষা বেলেগ এই কথাখিনি ভাৰত চৰকাৰক প্ৰতিপন্ন কৰি সংবিধানৰ অষ্টম অনুসূচীত তেওঁলোকে স্বীকৃত ভাষা হিচাপে নাম অন্তভুক্তিকৰণৰ পিছতহে আমি ইয়াত সেই ভাষাটোক Official Language বা Associate Official Language কৰিব পাৰো। অসমৰ বৰাক ভেলীত বেংগলী অফিচিয়েল ভাষা আৰু বড়ো সমগ্ৰ অসমতে Associate Language কাৰণ এই দুইটা ভাষাই সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত হৈ আছে। মণিপুৰী ভাষাটো সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত, কিন্তু বিষ্ণুপ্ৰিয়া মণিপুৰী ভাষাটো সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত নহয় আৰু আমাৰ কছাৰী ভাষাটোও সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত নহয়। সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত হোৱাৰ পিছতহে Official Language হিচাপে আমি স্বীকৃতি দিব পাৰো। সেইকাৰণে যিকোনো ভাষাৰ প্ৰথম প্ৰচেষ্টা হ'ব লাগিব not to including in official language প্ৰথম প্ৰচেষ্টা হ'ব লাগিব to get include in the 8th schedule of the Constitution of India. গতিকে কছাৰী ভাষাই হওঁক বা বিষ্ণুপ্ৰিয়া মণিপুৰী ভাষাই হওঁক সকলো ভাষাই সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত হ'বলৈ প্ৰচেষ্টা কৰিব লাগিব। কাৰণ সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত হ'লেহে অসম চৰকাৰে অসমত কিমান শতাংশ লোকে এই ভাষাটো ব্যৱহাৰ কৰে তাৰ ওপৰত এটা চৰজমিন সমীক্ষা চলাই আমি সেই ভাষাটোক স্বীকৃতি দিয়াৰ বাবে আগবাঢ়ি যাম। আমাৰ ২০১১ চনৰ যিটো চেনচাচ আছে, সেই চেনচাচৰ তথ্যত প্ৰমাণ কৰে যে হোজাই আৰু বৰাক ভেলীত মণিপুৰী ভাষা কোৱা এটা substanital population আছে। যদি ২০২১ ৰ চেনচাচত আহে যে আমাৰ অসমত আন কিবা ভাষা substanitally কোৱাৰ প্ৰমাণ আহে তেতিয়া পৰৱৰ্ত্তী সময়ত তাক আমি Associate Official Language কৰাৰ কথা চিন্তা বা বিবেচনা কৰিব পাৰিম। দ্বিতীয়তে, চাস্থালি ভাষাৰ ওপৰত আজি আমি সদনত অৱগত কৰাই ভাল পাইছো যে প্ৰথম বাৰৰ কাৰণে অসম চৰকাৰে কিছুদিন আগতে চাস্থালি ভাষাক Medium of Language হিচাবে recognised কৰিছো আৰু তেওঁলোকৰ যিটো script এই script টোক ও আমি গ্ৰহণ কৰিছো। যিখিনি চাওঁতালী সমাজৰ লোক অসমত থাকে script আৰু Medium of instruction নথকাৰ বাবে সেই ভাষাটো অষ্টম অনুসূচীত থকাৰ পিছতো এই ভাষাটো ব্যৱহাৰ কৰি স্কুলত পঢ়া-শুনা  কৰাৰ যি পৰিমাণ সেইটো বহুতখিনি সীমিত আছিল। আমাৰ প্ৰথম প্ৰচেষ্টা

হ'ল medium of instruction কৰা যাতে স্কুল-কলেজত এই ভাষাটো আহিব পাৰে। Medium of instruction হিচাপে আমি চাওতালী ভাষাটো আৰু OI-Chiki script approve কৰিছো। শিক্ষা বিভাগে ইয়াৰ শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়া এতিয়া চলাই আছে। মণিপুৰী ভাষাই এতিয়া পূৰ্ণতা পালে আৰু তাৰ বাবে তেওঁলোকক আমি official language কৰিছো। সময়ৰ লগে লগে চাওতালী ভাষা যেতিয়া medium of instruction হ'ব, ল'ৰা-ছোৱালীয়ে সেই ভাষাত মেট্ৰিক দিব, OI-Chiki script ব্যৱহাৰ কৰিব আৰু ইয়াৰ পটভূমি আমি ইতিমধ্যে নিৰ্মাণ কৰি দিলো যাতে ভাষাটো আগবাঢ়ে। অনাগত ভৱিষ্যতত নিশ্চয়কৈ তেওঁলোকেও official language ৰ মৰ্যাদা পাব পাৰে। কিন্তু, বিষ্ণুপ্ৰিয়া আৰু কাছাৰী ভাষা দুটা অষ্টম অনুসূচীতে এতিয়ালৈকে অহা নাই সেয়েহে মই ভাৱো যে এই ভাষাৰ বিদগ্ধ পণ্ডিতসকলে এই ভাষাটোৰ ওপৰত চিন্তা-চৰ্চা কৰি অষ্টম অনুসূচীলৈ লৈ যোৱাৰ বাবে প্ৰচেষ্টা কৰিব লাগিব আৰু যদি তেওঁলোকে ভাৱে যে বিষ্ণুপ্ৰিয়া মণিপুৰী ভাষাৰ ওপৰত গৱেষণা কৰি ইয়াক অষ্টম অনুসূচীত অন্তৰ্ভুক্ত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰক প্ৰস্তাৱ দিব লাগে, তেতিয়া অসম চৰকাৰেও বিষ্ণুপ্ৰয়া মণিপুৰী ভাষাৰ ক্ষেত্ৰত পৃষ্ঠপোষকতা কৰাত আমাৰ কোনো আপত্তি নাই। কাছাৰী ভাষাৰ ক্ষেত্ৰত আমি প্ৰমাণ কৰিব লাগে যে it is an independent language with different script from Bengali. এই ভাষাটোৰ আৰম্ভণি Sylhet ত। বাংলাদেশত এই ভাষাটোৰ স্বীকৃতি আছে নে নাই তাতো বেংগলীৰ পৰা পৃথক হয় নে নহয় এই বিষয়ে মোৰ কোনো জ্ঞান নাই। সেইকাৰণে উত্তৰ দিবও অসুবিধা। বৰাক উপত্যকাত Sylhetৰ পৰা অহা, শ্ৰীহট্ট জিলাৰ পৰা অহা বহুত লোক আছে। গতিকে, তেওঁলোকে সিদ্ধান্ত ল'ব লাগিব যে বেংগলী আৰু কাছাৰী একেই ভাষা নে পৃথক ভাষা? আৰু যদি পৃথক ভাষা তেন্তে কেনেকৈ পৃথক ভাষা হয়? ভাৰত চৰকাৰক প্ৰথমে তেওঁলোকে প্ৰতিপন্ন কৰিব লাগিব, অষ্টম অনুসূচীত আহিব লাগিব আৰু তাৰ পিছতহে official language ৰ কথা আহিব। ই এটা trajectory । মণিপুৰী ভাষাই সেই যাত্ৰাটো সম্পূৰ্ণ কৰিলে বাবে আজি আমি তেওঁলোকক official language ৰ স্বীকৃতি দিছো। বাকীসকলে যাত্ৰাটো আৰম্ভ কৰক। আমি সকলো ভাষাকে সন্মান কৰো। যেতিয়া পূৰ্ণতা পাব তেতিয়া আমি এই পৰ্যায়লৈ আনিবলৈ চেষ্টা কৰিম। আজি মণিপুৰী ভাষাটো official language হোৱাৰ পিছত এটা ডাঙৰ সুবিধা হ'ব যে চৰকাৰী নিযুক্তিৰ ক্ষেত্ৰত যিবোৰ পৰীক্ষা হয় সেইবোৰত এতিয়ালৈকে আমি যি কেইটা ভাষাত প্ৰশ্নকাকত কাটি আহিছিলো, তাৰ লগতে এতিয়াৰ পৰা মণিপুৰী ভাষাতো প্ৰশ্নকাকত কাটিম। ফলত, মণিপুৰী মানুহখিনিৰ বহুত সুবিধা হ'ব। তেওঁলোকৰ ভাষাতো সংৰক্ষণৰ সুবিধা পাব। বৰাক উপত্যকাৰ ই এটা বহুত দিনীয়া দাবী আছিল। স্বাধীনতাৰ ৭৮ বছৰ পিছত আমাৰ চৰকাৰৰ দিনত এনেকুৱা বহুত কথা হৈ আছে যিটো মানুহে আশাও কৰা নাছিল, চিন্তাও কৰা নাছিল। বৰাকৰ মণিপুৰী লোকসকলৰ পৰা সাংসদ আছিল নুৰুল হুদা। এইটো বহুত পুৰণা দাবী আছিল। কিন্তু ইমান দিনে সকলোৱে দাবীটো ignore কৰি আছিল। ৰাইজৰ আশা-আকাংক্ষাক যে এইখন চৰকাৰে প্ৰতিনিধিত্ব কৰিব পাৰে সেই কথাটো আজি আকৌ প্ৰমাণ হৈছে। মই আজিৰ এই সুন্দৰ দিনটোত অসম বিধান সভাৰ হৈ অসমৰ মণিপুৰী সমাজক অভিনন্দন জনাইছো and I assure that we will work together to further develop the language in the State of Assam.

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ ...interruptions.....

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** অধ্যক্ষ মহোদয়, চিলেটী ভাষাটো Sylhetত উৎপন্ন আৰু কাছাৰী

ভাষাটো কাছাৰ জিলাৰ। আমি দেখিছো যে বৰাক উপত্যকাৰ শাসকীয় দলৰ বিধায়কসকলে এইটো বিচৰা নাই। কিন্তু, চাওতালী ভাষাটো সংবিধানৰ অষ্টম অনুসূচীত থকাৰ কাৰণ এইটোৱেই যে ই কেৱল অসমতে নহয়, উৰিষ্যা, ঝাৰখণ্ড, বিহাৰৰ এটা অংশৰ বহু লোক চাওতালী। চাওতালী সকলৰ সংখ্যা বিষ্ণুপ্ৰিয়া সকলতকৈ বহুত বেছি। চাওতালী ভাষাক ইতিমধ্যে যিহেতু medium of instruction হিচাপে আৰম্ভ কৰা হৈছে, এই ছেগতে আজি যদি আমি Associate official language কৰাৰ বাবে আইন কৰি থৈ যাওঁ তেন্তে তেওঁলোকে এই ভাষাটোক উন্নত কৰাৰ বাবে আৰু বেছি উৎসাহিত হ'ব। অধ্যক্ষ মহোদয়, আমাৰ দলটো লাঞ্ছিত- বঞ্চিত।

**মাননীয় অধ্যক্ষঃ** মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে উত্তৰ দিলে ......interruptions.....

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** সেইকাৰণে মই কৈছো আমাৰ দলটো লাঞ্ছিত- বঞ্চিত আৰু আমি weaker section ৰ বাবে সদায় চিন্তা কৰো .......interruptions.....

**মাননীয় অধ্যক্ষঃ** বুজি পালো। যি পদক্ষেপ লৈছে তাৰ উত্তৰ মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে দিলেই ....interruptions.....

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** আমাৰ বিধায়ক তেৰছ গোৱালা ডাঙৰীয়া হাঁহি আছে। ৰূপজ্যোতি কুৰ্মী, সঞ্জয় কিষাণ ডাঙৰীয়াও আছে। তেওঁলোকে কথাটো চিন্তা কৰক যে চাওতালীক official language হিচাপে recognize কৰিলে বহুত ভাল হ'ব ....interruptions.....

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

মই এতিয়া প্ৰস্তাৱটো সদনত ভোটদানৰ বাবে ৰাখিম।

প্ৰশ্নটো হ'ল যে-

"The Assam Official Language (Amendment) Bill, 2024" বিধেয়কখন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে, কওঁক 'হয়', যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

এতিয়া সদনত বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে ৰখা হ'ল।

২ আৰু ৩ নং দফাত কোনো সংশোধনী নাই।

মই এতিয়া ২ আৰু ৩ নং দফা দুটা সদনত ভোটদানৰ বাবে ৰাখিলো।

প্ৰশ্নটো হ'ল যে-

২ আৰু ৩ নং দফা দুটা বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়', যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

২ আৰু ৩ নং দফা দুটা বিধেয়কখনৰ অংশ হ'ল।

৪ নং দফাত মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) আৰু তেখেতৰ সহযোগীসকলৰ দুটা সংশোধনী আছে।

আপোনালোকে সংশোধনী দুটা উঠাই ল'ব নে?

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** চাৰ, আমি চৰকাৰক এই বিষয়টো বিবেচনাৰ কাৰণে অনুৰোধ জনালো যে চাওতালী সকলৰ কাৰণে অলপ চিন্তা কৰে।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল যে-

শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)ৰ লগতে তেখেতৰ সহযোগীসকলে আগবঢ়োৱা সংশোধনী দুটা গ্ৰহণ কৰা হওঁক৷

যিসকল সপক্ষে আছে, কওঁক 'হয়', যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে,

সংশোধনী দুটা নাকচ কৰা হ'ল।

প্ৰশ্নটো হ'ল যে-

৪নং দফা বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়', যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

৪ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

মই এতিয়া ১ নং দফা, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনাম সদনত ভোটদানৰ বাবে ৰাখিলো।

প্ৰশ্নটো হ'ল যে-

১ নং দফা, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়', যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

১ নং দফা, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

মাননীয় মুখ্যমন্ত্ৰী।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, "The Assam Official Language (Amendment) Bill, 2024" পাৰিতকৰণৰ বাবে মই সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল যে-

"The Assam Official Language (Amendment) Bill, 2024" বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সপক্ষে আছে, কওঁক 'হয়', যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গ্ৰহণ কৰা হ'ল।

বিধেয়কখনো পাৰিত কৰা হ'ল।

**এতিয়া কাৰ্য্যসূচী নং ৫।**

মাননীয় মন্ত্ৰী।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা, ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, মই "The Assam (Temporarily Settled Areas) Tenancy (Amendment) Bill, 2024" বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া ইয়াত আলোচনা কৰিবগীয়া আছে৷

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)ঃ** অধ্যক্ষ ডাঙৰীয়া, সংশোধনীত আমাৰ বিশেষ ক'বলগীয়া নাছিল। কিন্তু, চৰকাৰে যিটো সংশোধনী আনিছে যে কাৰোবাৰ দখলত থকা মাটি তৎক্ষণাত মালিকীস্বত্ব দিব বিচাৰিছে । এই সম্পৰ্কত যোৱাকালি আমি এটা সংশোধনীত কৈছিলো যে ৰাষ্ট্ৰীয় ঘাইপথ বা চাৰিলেন হোৱাৰ বাবে ৰাস্তাৰ কাষৰ মাটিবিলাক বিভিন্ন ব্যৱসায়িক গোষ্ঠীয়ে তৎক্ষণাত কিনি তেওঁলোকে record কৰি আছে, আৰু আগতে এটা সংশোধনী আছিল সেইটোত

town লৈ ৰূপান্তৰ কৰি, তেওঁলোকক লগে লগে ownership, যদিও taxation, revenue ৰ কথা কোৱা হৈ আছে আৰু তাত মালিকীস্বত্বৰ কথাও আছিল। আজি যিটো "The Assam(Temporarily Settled Areas) Tenancy (Amendment) Bill, 2024" খন আনিছে, তাত মালিকীস্বত্ব দিয়াৰ কথা আছে। যদি ৫ মাহ বা ৬ মাহ আগতে কোনোবাই মাটি কিনিছে, তাৰ পিছত লগে লগে তেখেতক মালিকিস্বত্ব দিয়া হয়, বিশেষকৈ এই সন্দেহটো আহিছে যে নেচেনেল হাইৱেইৰ আশে-পাষে থকা মাটি বিলাকক, তাত সংশোধনী আমি আনিছিলো যে আজিৰ পৰা ২০ বছৰ আগৰ পৰা যাৰ দখলত আছে, তেখেতক মালিকীস্বত্ব দিয়া হ'ব।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীযোগেন মোহন, (ৰাজহ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন urban ৰ কাৰণে আহিছে। আমাৰ যিখন ১৯৭১ চনৰ tenancy Act. আছিল, সেইখন rural ত implement আছিল। এতিয়া চহৰ বিলাক যিহেতু বাঢ়ি গৈছে, গতিকে চহৰ বিলাকত এতিয়া যদি tenant আছে, বহুদিন ধৰি তেওঁলোকে দখলিস্বত্বত আছে, তেওঁলোককো settled কৰি দিব পৰাকৈ এই আইনখনত আনিছে। গতিকে তেওঁলোকে এই Act. ৰ জৰিয়তে মালিকীস্বত্বটো পাব।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিলখনত period ৰ কথাটো উল্লেখ নাই যে কিমান দিনৰ পৰা tenant আছে, কোনো উল্লেখ নাই সংশোধনীত। আমি ২০ বছৰ কৈছো, আপোনালোকে এটা নিৰ্দিষ্ট period ক'ব লাগে যে কিমান দিনৰ পৰা tenant আছে। লগতে নতুন কৃষি ভূমি convert কৰি urban land কৰি township কৰিব বিচাৰিছে। তাতো এইটো প্ৰয়োজ্য হৈ যাব। গতিকে কিমান দিনৰ পৰা tenant হৈ আছে, এই কথাটো যদি Act. ত স্পষ্টকৈ নাথাকে, তেতিয়া হলে সেইটো কেনেকুৱা হ'ব।

**শ্ৰীযোগেন মোহন, ৰাজহ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ tenant Act. এখন Rural ত আছে। আমি তাত এতিয়া নতুনকৈ অকল urban এৰিয়াৰ কাৰণে 23(A) include কৰি দিছো। গতিকে ইয়াতে যি তেওঁলোকে পাব লাগে, 50% revenue দি তেওঁলোকে মালিকীস্বত্ব ল'ব পাৰিব।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ submission আছিল যে এটা নিৰ্দিষ্ট সময় যদি হয়, যে কোনোবাই এক মাহ, দুই মাহ আগতে urban ত মাটি ললে, তেনেকুৱাও হৈ আছে।

**শ্ৰীযোগেন মোহন, ৰাজহ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেনেকুৱা হ'ব নোৱাৰিব। কাৰণ দীঘলীয়া সময়ৰ  পৰা তেওঁলোকৰ দখলৰ মালিকীস্বত্ব থাকিব লাগিব। Tenant Act, কে যিমানখিনিলৈকে allow কৰে, ১৯৭১ চনৰ Act মতে হ'ব, কেৱল আমি এইটো urban লৈ convert কৰিছো। তেওঁলোকে 50% revenue দি মালিকীস্বত্ব হ'ব পাৰিব বা notification চৰকাৰে দিব যেনেকৈ সময়ে সময়ে দি থাকে, ঠিক তেনেধৰণে আহিব। ইয়াৰ ফলত বহুখিনি চহৰত থকা ৰাইজৰ লাভ হ'ব, যিবিলাকে মাটিৰ মালিকীস্বত্ব পাবলৈ সক্ষম হোৱা নাই, গতিকে মই ভাৱো যে ownership right টো তেঁওলোকে যেতিয়া পাব, তেতিয়া occupancy tenant সকলে তেওঁলোকৰ land owner ক পৰিশোধ কৰা সাপেক্ষে উক্ত মালিকীস্বত্ব পাব পাৰিব। এই Act খনত এটাই সংশোধনী আছে, এই সংশোধনীটো মই ভাৱো সদনে সন্মতি দিলে বিলখন পাছ কৰিব পৰা হ'ব।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য আব্দুৰ ৰছিদ মণ্ডল ডাঙৰীয়াই যিটো কথা কৈছে, সেই কথাটো এটাই আমাক লাগে যে কোনোবাই মাটিটো দীৰ্ঘদিনৰ পৰা তেখেতৰ দখলত আছে বা তাত আছে, এতিয়া যেতিয়া Rural ৰ পৰা Urban হ'ব, কিন্তু তেতিয়া তাত urban ৰ নিয়মত গুছি যাব, আজি বিল খন পাছ হোৱাৰ লগে লগে আইন হৈ যাব। গতিকে তাত এটা কথা উল্লেখ থাকিব লাগে যে নিৰ্দিষ্ট কিমান দিনৰ ভিতৰত তেখেতৰ দখলত থাকিব লাগিব, সেই কথাটো আমি আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টভাৱে জানিব বিচাৰিছো ।

**মাননীয় অধ্যক্ষ** ঃ existing original Act খনত যিটো আছে, নতুন খনতো সেইটো থাকিবই। এতিয়া মাত্ৰ urban area টো সেইটো apply হ'ব।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ, (বৰখলা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, urban ত তেনেকুৱা একো লিখা নাই যে কিমান দিনৰ পৰা তেওঁ tenant আছে।

**মাননীয় অধ্যক্ষ** ঃ original ত যিটো আছে, rural ত যিটো আছে, সেইটোৱে তাত applicable হ'ব। মন্ত্ৰী মহোদয়ৰ মতে এইটোৱে নহয় জানো? originally যিটো আছে, সেইটো মাত্ৰ expand হৈ গ'ল urban লৈকে। একে বিষয়টো এতিয়া urban টো apply হ'ব, বাকী সকলো একে থাকিব।

**শ্ৰীযোগেন মোহন, ৰাজহ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিখিনি criteria, rules আছে, সেইখিনি লাগিবই।

**শ্ৰী অশোক সিংহল, নগৰ উন্নয়ন মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিহেতু urban area ৰ কথাটো আহিছে, নগৰ উন্নয়ন মন্ত্ৰী হিচাপে মই দুটা শব্দ যোগ কৰিব বিচাৰিছো। Act.ত কোনো পৰিবৰ্তন হোৱা নাই, condition ত কোনো পৰিবৰ্তন হোৱা নাই। এটা সময়ত যিবিলাক ঠাই rural ৰ অন্তৰ্গত আছিল, য'ত tenancy Act applicable হৈ আছিল, সেই এৰিয়াবোৰ পৰ্য্যায়ক্ৰমে urban area ত সোমাই আহিল, GMC ত সোমাই আহিল, বেলেগ বেলেগ urban area ত সোমাই আহিল আৰু তাত কোনো settlement দিয়াৰ কোনো ব্যৱস্থা নাছিল। এতিয়া আমি প্ৰথম বাৰৰ বাবে মূখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত বিভাগে এই ধুনীয়া এটা ব্যৱস্থা আনিছে যে urban area ত থকা tenant সকলকো চৰকাৰে মালিকিস্বত্বটো সংশোধনী কৰিলে দি দিব পাৰিব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

মই এতিয়া সদনত প্ৰস্তাৱটো ভোট দানৰ বাবে ৰাখিলো।

প্ৰশ্নটো হ'ল যে "**The Assam (Temporarily Settled Areas) Tenancy (Amendment) Bill, 2024**" বিধেয়কখন

বিবেচনাৰ বাবে লোৱা এহওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

এতিয়া সদনত বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে ৰখা হ'ল।

২ নং দফাত কোনো সংশোধনী নাই।

মই এতিয়া ২ নং দফা সদনত ভোটৰ বাবে ৰাখিলো।
প্ৰশ্নটো হ'ল ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।
৩ নং দফাত মাননীয় সদস্য শ্ৰীঅখিল গগৈৰ ১ টা সংশোধনী আছে।

তেখেত অনুপস্থিত। গতিকে ৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

প্ৰশ্নটো হ'ল ৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

৪ নং দফাত মাননীয় সদস্য শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱ আছিল, তেখেত অনুপস্থিত,

প্ৰশ্নটো হ'ল ৪ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
৪ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।
মই এতিয়া ১ নং দফা, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনাম সদনত ভোটদানৰ বাবে ৰাখিলো।
প্ৰশ্নটো হ'ল ১ নং দফা, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
১ নং দফা, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনাম বিধেয়কখন অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী মহোদয়ক বিধেয়কখন পাৰিত কৰাৰ কাৰণে অনুৰোধ কৰিলো।

**শ্ৰীযোগেন মোহন, ৰাজহ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam(Temporarily Settled Areas) Tenancy (Amendment) Bill, 2024" পাৰিত কৰণৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
প্ৰস্তাৱটো গ্ৰহণ কৰা হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া Item No. 6. Hon'ble Minister Shri Jogen Mohan.

**শ্ৰী যোগেন মোহন, মাননীয় ৰাজহ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই, "The Assam Repealing Bill, 2024" বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ মই এতিয়া সদনত প্ৰস্তাৱটো ভোটদানৰ বাবে ৰাখিলো। প্ৰস্তাৱটো হ'ল যে "The Assam Repealing Bill, 2024" বিধেয়কখন বিবেচনাৰ বাবে লোৱা হওঁক।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, পশ্চিম গোৱালপাৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, Actually "The Assam Repealing Bill, 2024" যেতিয়া আহিছিল, যিহেতু Repeal কৰিব নতুন বিলৰ সম্ভাৱনা তেতিয়া আমি দেখা নাছিলো। অৱশ্যে পিছলৈ The Assam Compulsory Registration of Muslim Marriages and Divorce Bill এইটো lay হৈছে গতিকে আমি বহুত কথা নক'লেও হ'ব। Repeal টো আমি repeal কৰাৰ কাৰণে আমি amendment আনিছো। এই কাৰণে যে এইটো এটা The Muslim Marriages Act. এই Act হ'ল Indian Constitution ৰ আধাৰত Article-246 মতে এইটো শ্বৰীয়ত আইন মতে এইখন Central Act. State য়ে তাৰ ওপৰত কোনো contradict কৰিব নোৱাৰে। অৱশ্যে তাক regulate কৰিব পাৰে। কিন্তু এনেকুৱা এটা বস্তু যেতিয়া বিধান সভাত মুখ্যমন্ত্ৰীয়ে আনিব খুজিছে আৰু বহুত সময়ত Child Marriage বা polygamy কথাবিলাক কৈ আছে, সেয়েহে stock holder ৰ লগত proper discussion ৰ পিছত এই বিলখন অহাটো আমি বিচাৰিছিলো। কিন্তু দেখা গ'ল যে কোনো stock holder ৰ লগত আলোচনা নকৰাকৈ Act Repeal কৰি আছে। কোনো Act নোহোৱাকৈ চলিব নেকি? যাৰ কাৰণে Repeal টো Repeal কৰাৰ কাৰণ আমি amendment আনিছো। যিহেতু বিল আহিছে আমি আলোচনাৰ সুযোগ পাম।আমি amendment এই মূহুৰ্তত withdraw কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে।

**শ্ৰী আমিনুল ইছলাম (মানকাছাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত অলপ আইনগতভাৱে মই অলপ confused. সেইদিনাখন এই কথাটো মই উত্থাপন কৰিছিলো। প্ৰথম কথা হ'ল যে যেতিয়া ordinance আনিছিল, তেতিয়া আমি আপত্তি কৰিছিলো যে ordinance টো এনেকুৱা হৈছিল আমাৰ যিটো The Muslim Marriages and Divorce Registration Act 1935. যদিও তাত State Sub-concurrent list ত আছে State য়েও regulation আনিব পাৰে, Central য়েও regulation আনিব পাৰে। State য়ে যিহেতু ordinance আনিলে, তেতিয়া আমি আপত্তি কৰিছিলো যে ordinance আনিব নোৱাৰে House চলাৰ কাৰণে এইখন ordinance আনিছিল যিটো Rule য়ে cover নকৰে, Number 1. Number 2 এতিয়া ordinance টো within 6 month Repeal কৰিব লাগিব। ঠিক আছে Repeal Bill খন আনিছে। Repeal Bill খন আজি আপোনালোকে আমাক amendment ৰ কাৰণে date দিছে আৰু সেইমতে আমি amandment দিছো। আজি সেইখন discussion হ'ব।

এই discussion টো হোৱাৰ আগত same subject টোৰ ওপৰত আপোনালোকে নতুন আৰু এখন বিল আনিলে সেই কথাটো উত্থাপন কৰিছো। আগৰটো Repeal হ'ব নে নাই সেইটো আমি নাজানো, কিন্তু Repeal টো নোহোৱাকৈ আৰু এখন নতুন বিল same subject ৰ ওপৰত The Muslim Marriages and Divorces Compulsory Act আপোনালোকে আনিলে। এইটো Repeal আগতে কৰি ল'ব নে দুটা একেলগে discussion কৰিব। এতিয়া কথাটো হৈছে চৰকাৰে কেনেকৈ Simultaneously একেদিনাই দুখন বিল Repeal ও একেদিনাখন আৰু New Bill য়ো সেই দিনাখন tabulation. এইটো Constitutional ৰ provision ত কি আছে।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী আমিনুল ইছলাম (মানকাছাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Constitution ৰ provision টো clear কৰিব লাগে যে same day same subject ৰ ওপৰত এটা Repeal আৰু এটা New fresh bill tabulation কৰিব পাৰি বা discussion কৰিব পাৰি নে নাই এইটো এটা technical point. দ্বিতীয় কথাটো হ'ল, Muslim Marriage and Divorce Registration 1935 আপোনালোকে যিটো Repeal আনিলে ১৫ মাৰ্চত যিটো ordinance আনিলে আজিৰ Repeal ত, Repeal bill আহিছে ইয়াত আমি repeal অনাৰ কোনো যুক্তি দেখা নাই। দুটা section যিহেতু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বাৰে বাৰে এটা কথা কৈ আছে যে child marriages. আমি যদি section 8 আৰু 10 marriage যিটো Act. Section 10 আৰু 8 Rule-26 এই তিনিটা বস্তু যদি আমি amend কৰি দিলোহেঁতেন, তেতিয়াহ'লে child marriage টো totaly already ২০১০ চনত amendment অনা হৈছিল 1935 ৰ Muslim Marriage and Divorce Registration Act যিখন Amendment আনি Registration is a compulsory ইয়াৰ আগতে obtional আছিল তাৰপাছত compulsory কৰা হ'ল। Compulsory কৰাৰ পাছত এই নতুনকৈ এইখন বিল অনা হ'ল। Compulsory টো আছেই। Section 8 আৰু 10 ত যিখিনি আপত্তিজনক কথা আছে যদি bride বা groom ৰ দুয়োজনৰ যদি minor হয় আৰু কোনোবা এজনো minor হয়, এইটো concent দিব পাৰে। এইটো as per Shariat Act 1937 এটা কথা আছে সেইটো কৰিব পাৰে prevesity হ'লে গাৰ্জেনে concent দিব পাৰে। But it is not a exercise any part of country I think. এইটো muslim সকলে কেতিয়াও demand য়ে কৰা নাই যে as per Shariat Act 1937 আমি এইটো demand কৰা নাই যে আমি সেই বিয়াখন minor হ'লে পাতিব বিচাৰো বা পাতি আছো, এই exercise টো নাই এতিয়া। তেতিয়াহ'লে section 8 and 10 of the earlier 1935 Act. আৰু যিটো1935 ৰ যিখন Act লগতে Rule টো যদি change কৰি দিব পাৰো, তেতিয়া মই নতুন বিলৰ প্ৰয়োজন দেখা নাই। তৃতীয় কথাটো হ'ল এই গোটেইখিনি process এতিয়া যিটো process অনা দেখা গৈছে যে, কাজিটো abolished কৰা হৈছে। কাজিৰ বিষয়টো, কাজিয়ে 1988 Corneal Act. It is task by the Indian Parliament. How State Government can stop this provision. কেনেকৈ এইটো stop কৰিব পাৰে State Government য়ে। মই এইখিনি বুজাত অসুবিধা হৈছে। বুজি পাইছো এইটো concurrent State data. State য়ে Registration আনিব পাৰে। সেই কাৰণে মই স্পষ্টভাৱে এটা কথা ক'ব বিচাৰিছো

যে কাজিখিনিক abolige কৰিব নে কি কৰিব সেইটোক registration আনিব পাৰে। State Government য়ে State Legislature ৰে Indian Parliament Act ৰ ওপৰত ordinance আনিব পাৰে নেকি বা stop কৰিব পাৰে নেকি ? এটা legal question মোৰ মনত আহিছে সেই কাৰণে মই আপোনালোক চৰকাৰৰ আগত এই কথাটো আনিব বিচাৰিছো। মোৰ এটাই কথা এই বিলখন Repeal নকৰাকৈ যদি amendment rule 26-27 আৰু section 8 and 10 যদি সংশোধন কৰি দিয়া যায়, তেতিয়াহ'লে আগৰ যিখন Act আছে সেইটো হৈ যাব। Child marriage টো বন্ধ হৈ যাব। তেতিয়াহ'লে কোনো ধৰণৰ সমস্যা নাথাকিব। যিহেতু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া concern child marriage ৰ ক্ষেত্ৰত আমিও সদনৰ সকলোৰে concern যে child marriage টো বন্ধ হ'ব লাগে। তেতিয়া হ'লে মই ভাবো এইখন repealing নকৰি আগৰ যিখন Act সেইখন সংশোধন কৰিব পাৰি নেকি বিবেচনা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰীকমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমি দেখা পালো যে মাননীয় মুখ্যমন্ত্ৰীয়ে child marriage বন্ধ কৰাৰ ক্ষেত্ৰত বিভিন্ন পদক্ষেপ হাতত লৈছে। শিক্ষাৰ ক্ষেত্ৰতে হওঁক। কেনেকৈ child marriage টো বন্ধ কৰিব পাৰি যোৱা বিধান সভাত সেই কথাটো উত্থাপন কৰিছিলো। তেতিয়া সকলো বিধায়কেই এটা কথাই কৈছিলো যে আমাৰ প্ৰত্যেকৰে এটাই মতামত হৈছে যে child marriage টো বন্ধ হ'ব লাগে। এতিয়া কথাটো হৈছে যে child marriage যেতিয়া বন্ধ হ'ব যেতিয়া repeal হ'ব যেতিয়া চৰকাৰে বিলখন আনিলে এতিয়া কথাটো আহিল যে Shariat Bill ৰ কথাটো আহিলে, Shariat আইনৰ কথাটো আহিল। আমাৰ কথাটো হ'ল যে যদি মানিব লাগে গোটেই কথাখিনি মানিব লাগিব। আমি বিচাৰিছো, যে ভাল এটা পদক্ষেপ লোৱাৰ কাৰণে চৰকাৰে চিন্তা চৰ্চা লয় আৰু আগন্তুক দিনত child marriage টো বন্ধ হ'ব লাগে। যি পদক্ষেপ ল'ব লাগে চৰকাৰে লওঁক আমি লগত আছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা,(মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো কোৱা হৈছে, যে Repealing কৰিহে নতুন বিধেয়ক আনিব লাগে। Tecnically এইটো শুদ্ধ নহয়। দুখন independent bill. পুৰণা যিখন Registration আইন আছে, 1935 ৰ আছিল তাত কোৱা নাই। ইয়াত যিখন আমি repeal কৰিছো এই Shariat ৰ লগত confuce কৰিব নালাগে। Shariat Act is 1935. সেইখন যিঠাইত আছে আছেই। We are amending Assam Muslim Marriges and Divorce Registration Act 1935. দুখন confuse কৰিব নালাগে। এইখন হ'ল Muslim Registration Act. আগতে By this act Muslim Registration ৰ এটা নিয়ম কৰা হৈছিল।তাৰ পাছত সংবিধান পৰিৱৰ্তন হ'ল, দেশৰ পৰিৱৰ্তন হ'ল। এতিয়া সেই পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত আমি আমি এখন নতুন বিল আনিছো। পুৰণা bill খন repeal হোৱাৰ পাছত যে নতুন বিল আনিব লাগে তেনেকুৱা কোনো কথা নাই। দুই খন symontaniously যাব পাৰে যে প্ৰথম এই বিলখন আমি repeal কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, কিন্তু নতুন যিখন বিল তাৰ এইখনৰ লগত কোনো সম্পৰ্ক নাই। এইখন এখন সম্পূৰ্ণ নতুন ষ্ট্ৰাকচাৰ আৰু ৰিপিলিং হৈছে আগৰ বিলৰ। এই বিলখন এমেণ্ড কৰিলেও আমাৰ কামটো হ'লহেঁতেন। কিন্তু কথাটো হ'ল যে আমি কাজিসকলকো আঁতৰাই দিব লাগে।

আমাৰ কেৱল বাল্য বিবাহটোৱে বিলুপ্ত কৰা নহয়। কাজি ব্যৱস্থাটোও বিলুপ্ত কৰিব বিচাৰিছো। এতিয়া মোক যদি কিয় বুলি প্ৰশ্ন কৰে মই উত্তৰটো দিম। আমি বাল্য বিবাহৰ গোটেই কেচবোৰ চালো তেতিয়া আমি দেখিলো যে কাজিসকলে বাল্য বিবাহ সমূহো ৰেজিষ্টাৰ কৰে। আজি আপোনালোকে যিমান ভালকৈ কৈছে, তেওঁলোকে ওলোটাকৈ হাই কোৰ্টলৈ গৈ ক'লে যে তেওঁলোকৰ বাল্য বিবাহ ৰেজিষ্টাৰ কৰাৰ অধিকাৰ আছে। তাৰ মানে নীতিগতভাৱে তেওঁলোকে বাল্য বিবাহৰ বিৰোধী নহয়। তেওঁলোকে যদি হাইকোৰ্টলৈ গৈ আজি আপুনি কোৱা কথাখিনি ক'লেহেঁতেন তেতিয়া বেলেগ কথা আছিল। তেওঁলোকে হাই কোৰ্টলৈ গৈ ক'লে যে তেওঁলোকৰ বাল্য বিবাহ ৰেজিষ্টাৰ কৰাৰ অধিকাৰ আছে। সেয়েহে তেওঁলোকক কৰিব দিব লাগে বা পুলিচে তেওঁলোকৰ ওপৰত কোনো একশ্যন ল'ব নালাগে আৰু বেইল (Bail) দিব লাগে। মুছলিম মেৰিজ ৰেজিষ্ট্ৰেশ্যন এক্টৰ অধীনত হাইকোৰ্টে তেওঁলোকক বেইল দিয়ে। কাৰণ কাজিৰ বাল্য বিবাহ ৰেজিষ্টাৰ কৰাৰ অধিকাৰ আছে, সেই অনুসৰি তেওঁলোকে ৰেজিষ্টাৰ কৰিছে। সেয়েহে এইটোত আমি ভুল ধৰিব নালাগে যেতিয়ালৈকে এক্টখন সদনে সলনি নকৰে। তেওঁলোক আৰু এই অনুষ্ঠানটো বিশ্বাসযোগ্য নহয়। কাজি সকলে চাব-কাজি নিযুক্তি দিয়ে। কিন্তু এইটো আইনত লিখা নাই। গাঁৱে-ভূঞে আন-অথ'ৰাইজ মানুহে মুছলিম বিয়া ৰেজিষ্টাৰ কৰে। আপোনালোকে দেখিব যে তালাকক চৰকাৰ আৰু চুপ্ৰিমকোৰ্টে অবৈধ বুলি ক'লে। এতিয়া তালাকৰ ওপৰত কোৰ্টত মেইনটেইনেঞ্চ আদি বিচাৰি বহুত কেচ আহিব। কাজি সকলো বহু ক্ষেত্ৰত আইন পালন নকৰাকৈ ৰাতিৰ ভিতৰতে তালাক কৰি দিয়ে। চুপ্ৰিম কোৰ্ট আৰু লোকসভাত আইন পাচ হ'ল যে তালাক এটা প্ৰক্ৰিয়াৰ মাজেৰে হ'ব লাগিব আৰু তালাক হ'লেও maintenance ৰ পইচা পাব লাগিব। ইয়াক সকলোৱে আদৰণি জনালে। ১৯৩৫ চনৰ পৰিৱেশতকৈ বৰ্তমান পৰিৱেশ বহু সলনি হৈছে। ধৰক, দুজন ল'ৰাই পঢ়া নাই। তেওঁলোকৰ জন্মৰ প্ৰমাণ পত্ৰ নাই। তেওঁলোকৰ দাঁত, হাৰ আদি চাই ডাক্তৰে ক'ব পাৰিব যে তেওঁলোকৰ বয়স কিমান? কিন্তু কাজি যিজন এজন ব্যক্তিগত মানুহ তেওঁ এই কামটো কৰিব জানো? বিয়া এখন যদি চৰকাৰী কৰ্মচাৰীয়ে ৰেজিষ্টাৰ কৰে তাত বিধায়ক সকলৰ কথাও চলিব। আপোনালোক যদি সঁচাকৈ বাল্য বিবাহৰ বিৰোধী তেন্তে বিধান সভাত ইয়াৰ ওপৰত প্ৰশ্ন আনিব পাৰিব। কাৰণ চাব-ৰেজিষ্টাৰ আৰু বিধান সভাৰ প্ৰতি দায়বদ্ধ হ'ব। আপোনালোকে তেওঁক প্ৰশ্ন সুধিব পাৰিব, সকলো স্বচ্ছ হ'ব আৰু ৰেজিষ্টাৰ চাৰ্টিফিকেট থাকিব। 'ধৰিত্ৰী প'ৰ্টেল'ৰ সকলো দেখা পাই থাকিব। ব্যক্তিগত মানুহ এজনক যদি আমি দায়িত্ব দিওঁ তেওঁ কৰিব নোৱাৰে। চুপ্ৰিম কোৰ্ট অৱ ইণ্ডিয়াৰ 'Aswini Kumar Vs Sima' ত আমাক নিৰ্দ্দেশ দিছে যে Supreme Court in its Judgement directed the State Government and the Central Government that the marriages of all persons who are citizen of India belonging to various religions have been made compulsory registable in their respective state where marriage solemnized. তাৰ মানে ৰেজিষ্ট্ৰেশ্যন কৰাৰ দায়িত্ব ৰাজ্যক দিছে। কিন্তু ৰাজ্যই ৰেজিষ্ট্ৰেশ্যনৰ বাবে কাজি অনুষ্ঠানটোৰ ওপৰত বিশ্বাস কৰিব নোৱাৰে।কিন্তু আপোনালোকে যদি কয় চাব-ৰেজিষ্টাৰৰ ওচৰত আহিবলৈ মানুহখিনি অসুবিধা হ'ব আৰু মুছলিম ৰেজিষ্ট্ৰেশ্যন অফিচাৰ বেলেগকৈ বনাই দিয়ক। মই বুজি পাম। এইটো এটা ভাল পৰামৰ্শ আৰু আমি এইটো পৰীক্ষা কৰিম। কিন্তু ৰেজিষ্ট্ৰেশ্যন অফিচাৰজন চৰকাৰী বিষয়া হ'ব লাগিব। ব্যক্তিগত মানুহক আমি দিব নোৱাৰো। এইটো অতি স্পৰ্শকাতৰ বিষয়। কেৱল বাল্য বিবাহেই নহয়, মুছলিম ৰেজিষ্ট্ৰেশ্যন আৰু

তালাকৰ লগত মুছলিম মহিলাৰ সম্পত্তি, অধিকাৰ আদি বহু কথা জড়িত থাকে। বিয়াৰ সময়ত তালাক দিলে এটা এমাউণ্ট ছোৱালীজনীক দিয়া হ'ব বুলি কোৱা হয় আৰু যদি ৰেজিষ্ট্ৰেশ্যন হয়, সেই এমাউণ্টটো ৰেজিষ্ট্ৰেশ্যন দলিলত আহিব আৰু লিখিতভাৱে থাকিব। এতিয়াতো মুখে মুখেহে থাকে। আগতে হ'লে কাজিয়ে নিজৰ কাগজখন সলনি কৰি দিব পাৰে। তাৰ কোনো গ্যাৰাণ্টি নাই। যদি কাজিয়ে বিয়া ৰেজিষ্টাৰ কৰিব পাৰে তেন্তে মাটি-বাৰী ৰেজিষ্টাৰ কৰিবৰ বাবে ব্যক্তিগত মানুহক দায়িত্ব দিব পাৰো। দুয়োটা একেই কথা। কাজিসকল মোৰ তাতো আহিছিল। 1935 চনৰ পৰা তেওঁলোকে চলালে। এতিয়া নতুন ব্যৱস্থা দিয়াৰ সময় আহি পৰিছে। Concurrent List ৰ কথা কোৱা হৈছে। মহামান্য ৰাজ্যপাল মহোদয়ৰ তাত বিল যাব। যদি মহামান্য ৰাজ্যপাল মহোদয়ে ভাবে মাননীয় ৰাষ্ট্ৰপতি মহোদয়ৰ assent দৰকাৰ আছে। তেতিয়া ৰাষ্ট্ৰপতি মহোদয়লৈ যাব। কিন্তু স্বাধীন ভাৰতত Concurrent List ত কাজিৰ ব্যৱস্থাটো বাধ্যতামূলক আইন হয়নে নহয়, সেইটো ৰাজ্যপাল মহোদয়ে চাব। তেওঁৰ এইটো অধিকাৰ ক্ষেত্ৰ। তেওঁ যদি ভাৱে কোনোবা এখন ৰাজ্যিক আইন এমেণ্ডমেণ্ট কৰোতে কেন্দ্ৰীয় আইনৰ লগত conflict হৈছে then he will withhold the assent and sent it to the President of India. ৰাষ্ট্ৰপতি মহোদয়ে যদি এছেণ্ট দিয়ে তেন্তে কেন্দ্ৰীয় আইনৰ লগত conflict হ'লেও আমাৰ বিধান সভাৰ আইনখন চাৰ্ভাইভ কৰিব আৰু এইটোক ষ্টেট এমেণ্ডমেণ্ট বুলি কোৱা হয়। গতিকে মই ভাৱো যে এইক্ষেত্ৰত এটা ভুল ধাৰণা যাব নালাগে যে আমি শ্বৰিয়াট এক্টখন এমেণ্ডমেণ্ট কৰিছো। এইটো নহয়, আমি কেৱল মুছলিম ৰেজিষ্ট্ৰশ্যন এক্টখন এমেণ্ডমেণ্ট কৰিছো। কাৰণ চুপ্ৰিম কোৰ্টে ২০০৬ চনত ভাৰ্ডিক্ট দিয়াৰ পিছত ১৯৩৫ ৰ এক্টখন ইতিমধ্যে নোহোৱা হৈ গৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে যেতিয়া ভাৰ্ডিক্ট দিছে তেতিয়া তেওঁলোকে এইটো বিবেচনা কৰা নাছিল যে চুপ্ৰিম কোৰ্টে ইতিমধ্যে ৰাজ্যত অৰ্ডাৰ দি থৈছে যে আমি এইটো এমেণ্ড কৰিবই লাগিব আৰু ৰেজিষ্ট্ৰেশ্যনটো বাধ্যতামূলক কৰিবই লাগিব। আমি যদি ৰেজিষ্ট্ৰেশ্যন কৰিব লাগে তেন্তে ব্যক্তিগত মানুহৰ দ্বাৰা কিয় কৰিব লাগে। কাজি সকল ব্যক্তিগত লোক। চাব-ৰেজিষ্টাৰ কৰিলে সদনত প্ৰশ্ন আহিব, নথি-পত্ৰসমূহ প'ৰ্টেলত আহিব, নিয়ম-নীতি হ'ব। সেইটো মুছলিম লোকসকলৰ বাবে ভালহে হ'ব।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ, (বৰখলা)** ঃ চাৰ, মোৰ এটা কথা আছিল যে এতিয়া কাজিৰ যিটো ৰেজিষ্ট্ৰেশ্যন হয়, সেইটোত ফিজ নালাগে। আমাৰ যিটো মোহৰ সেইটো চাৰি-পাঁচ লাখ হয়। ৰেজিষ্ট্ৰেশ্যন ভেল্যুটো যদি চাৰি-পাঁচ লাখ হয় বহুত অসুবিধা হ'ব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মই আপোনাৰ লগত একমত। মুছলিম ৰেজিষ্ট্ৰেশ্যন কৰোতে চিম্বলিক এক টকা লম। কাৰণ আমি পইচা উপাৰ্জন কৰাৰ কাৰণে এইটো কৰা নাই। ন্যায়ৰ কাৰণে আনিছো। গতিকে মোহৰ ৰেজিষ্টাৰ কৰোতে যদি পাঁচ লাখ হয় আৰু ইয়াৰ ওপৰত যদি ৰেজিষ্ট্ৰেশ্যন ফিজ ল'বলৈ যায়, তেতিয়া কথাটো ওলোটা হ'ব। সেইকাৰণে মই আপোনালোকক আশ্বাস দিলো যে Muslim marriage will be register as a symbolic Rs.1 কাজিয়ে এইটো এটকাত কৰি নিদিয়ে। মই আপোনালোকক এটা কথা ক'লো যে মুছলিম মানুহৰ ভালৰ কাৰণে আপোনালোকে দ্বিতীয় এক্ট খন অহাৰ সময়ত যিমান পাৰে পজিটিভ পৰামৰ্শ দিব। মোৰ এটা কথা যে যিটো আমিনুল ইছলাম ডাঙৰীয়াই কৈছে যে এমেণ্ড কৰিলেও হৈ গ'লহেঁতেন কিন্তু আমাৰ মতলবটোৱেই হৈছে কাজিক বিদায় দিয়া। মুছলমান মানুহৰ ভালৰ কাৰণে আপোনালোকে দ্বিতীয় আইনখন আহিবৰ সময়ত যিমান পৰামৰ্শ দিয়ে দিব মোৰ মাইণ্ড ক্লিয়াৰ আছে । যিমান পজিটিভ পৰামৰ্শ দিব, কেৱল মোৰ এটাই কথা যিটো আমিনুল ইছলাম (কনিষ্ঠ) ডাঙৰীয়াই কৈছে যে সংশোধন

কৰিলেও হৈ গ'ল হেতেন । আমাৰ মতলবটোৱে হৈছে কাজীক বিদায় দিয়া । গতিকে সংশোধন কৰিলে আমাৰ কামটো নহয় । কথাটো বুজি পালেটো? সেই কাৰণে আমি এমেণ্ডমেন্ট কৰিব বিচৰা নাই কেৱল ৰিপিল হে কৰিছো । কাজী সকলক মই ইয়াৰ পৰাই ধন্যবাদ জনাইছো যে ইমান দিনে আপোনালোকে কষ্টকৰ কাম এটা কৰিলে আৰু কোৰ্টত ইমান খেলিমেলি কৰাৰ কি দৰকাৰ আছে অহা যোৱা কৰা। গতিকে আপোনালোকে ৰেষ্ট লওক । আজিৰ পৰা আমি তেওঁলোকক বিদায় দিছো । সেইটো কাৰণে এইখন ৰিপিলিং আইন আনিছো ।

**ড° ৰফিকুল ইছলাম, (জনিয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয় দুটা কথা ক'ব বিচাৰিছো মই , মাননীয় মুখ্যমন্ত্ৰীয়ে কাজীৰ বিষয়ে যিটো ক'লে বাৰ্তাটো অলপ বেলেগকৈ যাব নালাগে। মই যিমানখিনি জানো কাজী গোটেই খিনি আপোনাৰ কৰ্মচাৰী, আৰবী শিক্ষক হাইস্কুল, এম. ই. স্কুলৰ দুই এজন অৱসৰো ল'লে । বাকী গুৱাহাটীৰ সদৰ কাজী হাইস্কুলৰ শিক্ষক ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃতেতিয়াহ'লেতো আৰু বেয়া কাম। ৰণোজ পেগু ডাঙৰীয়াক অনুৰোধ জনাম যে গুৱাহাটীৰ সদৰ কাজিয়ে কেনেকৈ স্কুল আৰু কাজীৰ কাম দুটাকৈ কৰি আছে ? তেওঁৰ ওপৰতো ডিপাৰ্টমেন্টেল প্ৰচিডিংচ হ'ব । তেওঁৰ এই কথাটো নিশ্চিতভাবে গোপনীয়কৈ ৰাখিছে । এনেকৈ কৈ থাকি তেওঁলোকক আৰু দ্বিতীয় বিপদত নেপেলাব । কাৰণ এজন যদি চৰকাৰী বিষয়াই বাল্যবিবাহ পঞ্জীয়ন কৰাই আছিল তেওঁৰটো বিপদ হ'ব ।

**শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ, মানকাছাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই কোৱাৰ দৰে ইয়াতেই বাল্যবিবাহৰ প্ৰভিজন থকা বাবে ৰিপিল কৰিবলগীয়া হ'ল । আজি স্পেচিয়েল মেৰেজ এক্টত চাইল্ড মেৰেজৰ কোনো প্ৰভিজন নাই । গোটেই ভাৰতবৰ্ষৰ যদি আমি ডাটা চাও এই কোটি কোটি যিটো চাইল্ড মেৰেজ হৈ আছে ইয়াৰ ৮৪ শতাংশ নন-মুছলিমত হৈ আছে । ৰাষ্ট্ৰীয় সংবাদ মাধ্যমে এইবোৰ চৰ্চা কৰি আছে । কিন্তু নন-মুছলিমত যদি স্পেচিয়েল মেৰেজ এক্টত ৰেজিষ্ট্ৰেশ্যন হয় তাত চাইল্ড মেৰেজৰ কোনো স্কপ নাই। নথকাৰ পিছতো ৮৪ শতাংশ বাল্যবিবাহ হৈ আছে। গতিকে এখেতে এমেণ্ড কৰি ৰিপিল কৰিলে চাইল্ড মেৰেজ শেষ হৈ যাব এই কথাটো কেনেকৈ ক'ব পাৰে । এই কথাটো আমি ষ্পষ্ট যে আজি স্পেচিয়েল মেৰেজ এক্টত চাইল্ড মেৰেজৰ প্ৰভিজন নথকাৰ পিছতো লাখ লাখ কোটি কোটি চাইল্ড মেৰেজ গোটেই ভাৰতবৰ্ষত হৈ আছে । আমি নিবিচাৰো চাইল্ড মেৰেজ এই কথাটো ঠিক । আগৰ যিটো এক্ট আছিল তাতেই সুৰুঙাটো বন্ধ কৰি দিলে । কাজী থাকিলে দুটা লাভ আছে অধ্যক্ষ মহোদয়, এখেতসকল ইছলামিক স্কলাৰ হয়, এই আলিম বা পুজাৰী সকলে যি বিয়া কৰোৱা আৰু কাজী অফিচত ৰেজিষ্ট্ৰেশ্যনৰ কামো কৰিব পাৰে । বয়স কিমান, কোন ধৰ্মৰ হয় আৰু কিমান টকা মহাৰনা দি বিয়া কৰোৱা হয় এইখিনি লিপিবদ্ধ কৰিয়ে তেওঁলোকে কৰে । Child Marriage Prohibition Act থকাৰ পিছত তেখেত সকলে এই কথাখিনি লিখিব নোৱাৰে আৰু তাত তেখেত সকলক শাস্তি দিয়াৰ ব্যৱস্থা আছে । মই ভাবো কোনো কাজীয়ে Child Marriage Prohibition Act অহাৰ পিছত তেনেকুৱা কাম কৰা নাছিল । যদি কোনোবাই কৰিছিল সেই আইনৰ আওঁতাত আনি তেখেত সকলক শাস্তি দিয়াৰ প্ৰভিজন আছিল । যিহেতু গোটেই অমসত নব্বৈ জনহে কাজী আছে আৰু এনেকুৱা যে তেওঁলোকে স্কুল থকা সময়ত পঢ়াইছে আৰু মুছলিম সমাজত বিয়া ৰাতিহে হয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক মনোৰঞ্জন তালুকদাৰক সুধিব পাৰে কেৰেলাত চি পি আই (এম) চৰকাৰ আছে তাতো Muslim registration is done with the state government কাজিয়ে নকৰে । ভাৰতৰ সৰ্বাধিক মুছলিম জনসংখ্যা

এতিয়া মাননীয় মন্ত্ৰী শ্ৰী অশোক সিংহল।

**শ্ৰী অশোক সিংহল, (নগৰ উন্নয়ণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Urban Water Bodies(Preservation and Conservation) Bill, 2024 পাৰিত কৰণৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল বিধেয়কখন পাৰিত কৰা হওক।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া Supplementary Bussiness আছে আৰু ইয়াৰে আমি take up কৰিম। এতিয়া "The Assam compulsory Registration of Muslim Marriage and Divorces Bill. মাননীয় মন্ত্ৰী শ্ৰী যোগেন মোহন।

**শ্ৰী যোগেন মোহন, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam compulsory Registration of Muslim Marriage and Divorces Bill,2024 বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিৰোধী দলৰ দলপতি।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যি বিল উত্থাপন হৈছে, এই বিলখনত আমি কেইটামান সংশোধনী দিছো। মই এতিয়া clause wise Amendment খিনি কৈ যাম। পৰৱৰ্ত্তী সময়ত এইখিনি স্পষ্টীকৰণ বিচৰা হ'ব। In Clause-IV, the word "solemnize" in line two, ***shall be substituted by*** the word 'Registered'. In the note of clause 5, the word "Marriage Notice Book and Publication" ***shall be substituted by-*** "Registration Notice Book and Publication". In clause 5 (2), the words - "notice of marriage" appearing in line one***, shall be substituted by the word-*** " registration ". In Clause 5 (3) the words, " or an intended marriage" in line two and three ***shall be deleted***. In the side note of clause 6, the words, "Objection to Marriage" ***shall be substituted by-*** "Objection to Registration". In Clause 6 (1), the word " marriage" in line three, ***shall be substituted by the word-*** " registration". In Clause 6 (2), the words ***shall be substituted by the following words-*** "After the expiration of thirty days from the date on which notice of registration has been published under section 4, the marriage may be registered unless it has been previously objected to under sub section (1) above". In Clause 6 (3), the word " marriage" in line three, ***shall be substituted by the word-*** "registration". In Clause 7 (1), the words ***shall be substituted by the following words-***"If an objection is made under section 6 to an intended registration, the Marriage and Divorce Registrar shall not register the marriage until he has inquired into the matter of the objection, if satisfied that it ought not to prevent the registration of the marriage or the objection is withdrawn by the person making it, the Marriage and Divorce Registrar shall within thirty days from the date of receipt of the objection inquire into the

matter of objection and arrive at a decision." In Clause 7 (2), the word "solemnize" in line two and "marriage" in line three, ***shall be substituted by*** the word "Registered"& "Registration" respectively. In clause 11 in the proviso, the words - "any other Officer" in line two and three ***shall be substituted by*** the words- "Block Development Officer". In Clause 18, after sub-clause (2), a new clause ***shall be added*** as " No Court shall take cognizance of any offence punishable under this Act, except with the previous sanction of the Government." In the side note of Clause 19 (4), the word "solemnizing" in line two, ***shall be substituted by*** the word "Registering". In Clause 19, a new proviso **shall be added** as "Provided that, no Court shall take cognizance of any offence punishable under this Act, except with the previous sanction of the Government." After Clause 26, a new clause ***shall be added*** with side note as **Nothing in this Act contained shall be construed to-**

(a) render invalid, merely by reason of its not having been registered any Marriage or Divorce which would otherwise be valid;

(b) render valid, by reasons of its having been registered, any Marriage or Divorce which would otherwise be invalid;

(c) authorize the attendance of any Marriage and Divorce Registrar or Kazi or Naib Kazi at the solemnization of Marriage or completion of Divorce except at the request of all the parties concerned;

(d) prevent any person, who is unable to write, from putting his or her thumb impression, instead of the signature required by this Act.

মহোদয়, এইখিনি আমাৰ সংশোধনী। ইয়াৰ ওপৰত আমাৰ সদস্যসকলে ব্যাখ্যা আগবঢ়াব।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয় 'The Assam Compulsory Registration of Muslim Marriages and Divorces Bill, 2024 ত কিছুমান ভাল কথা আহিছে। আমি ভাল পাইছো। আমি বিচাৰো সকলো বিয়াৰ ৰেজিষ্টাৰ হওঁক। পূৰ্বে বহু দুখীয়া বা অশিক্ষিত কিছুমান পৰিয়ালে কম বাজেটত বিয়াবোৰ কৰে। তেওঁলোকৰ টকা-পইচাৰ অভাৱত কেই হাজাৰমান টকাত কেইজনমান মানুহেৰে বিয়া কৰি থয়। তেওঁলোকৰ মাজত সজাগতাও নাই যে ৰেজিষ্টাৰ কৰি থোৱাটো ভাল। গতিকে এই বিলখনৰ জৰিয়তে এটা উদ্দেশ্য হ'ব লাগে যে

মুছলিম সমাজত যিমান বিয়া হ'ব, সকলোবোৰ ৰেজিষ্টাৰ কৰাটো যাতে বাধ্যতামূলক হয়। আমি ইয়াৰ বাবে উপযুক্ত ক্ষেত্ৰ আৰু পৰিৱেশ দিয়াৰ চেষ্টা কৰিছো বা কৰিব লাগে। এই বিলখনৰ দ্বাৰা ইয়াকে বুজিছো। ইয়াত আমি কেইটামান সংশোধনী আনিছো। Clause 2 ৰ (e) ত আছে Marriage and Divorce Registrar means All registering Officers appointed under the Registration Act, 1908. আমি ১৯০৮ ৰ আইনখন পঢ়ি চালো। সেই আইনমতে হয়তো Sub-Registrar বা district level ত গৈ ৰেজিষ্টাৰ কৰিব লাগে। কিন্তু আমি ভাৱো এই ক্ষেত্ৰত অলপ অসুবিধা হ'ব কিয়নো তাত কৰ্মচাৰী কম। তাত মাটি-বাৰী, দলিলৰ বাবে যিসকলে আবেদন কৰে তেওঁলোকৰ কপিবোৰ ওলাওতেই ৭-৮ মাহ লাগি যায়। তেনে স্থলত ইমানবোৰ বিয়াৰ ৰেজিষ্টাৰ তাত হ'ব। একেটা অফিচতে একেখিনি কৰ্মচাৰীয়ে কৰিব লাগিব। ইয়াৰ পূৰ্বেও মাননীয় মুখ্যমন্ত্ৰীয়ে Repealing Bill ত কৈছিল যে তাত হয়তো বহুত মানুহ নাযাব, কিছুমানৰ ঘৰ দূৰ হ'ব বা official process নাজানিব। সেই কাৰণে আমি এনেধৰণে সংশোধনী আনিব বিচাৰিছো যে- Local Marriage and Divorce Registrar means GP Secretary or CEO of Municipal Board or Town Committee. গাওঁ পঞ্চায়তবোৰৰ কাৰণে পঞ্চায়তৰ সচিব, যিজন চৰকাৰী কৰ্মচাৰী তেওঁক যদি authority দিয়া হয় তেন্তে এটা পঞ্চায়তৰ মানুহে অফিচখন ওচৰতে পাব আৰু তেতিয়া হয়তো সকলো মানুহ যাব আৰু যোৱাৰ বাবেও সজাগতা আনিব পৰা যাব। গতিকে, Local Marriage and Divorce Registrar হিচাপে পঞ্চায়তৰ সচিব পৰ্যায়ৰ কাৰোবাক দিব লাগে, তেতিয়া সুবিধা হ'ব। এই বিলখন কোনে বনাইছে মই নাজানো। কিন্তু, ইয়াত বহুত কেইটা শব্দ থাকি গ'ল বা মাজত এটা শব্দ থাকি গ'ল, যাৰ ফলত অৰ্থটো সম্পূৰ্ণ হোৱা নাই, এইবোৰ ক'লে বহুত সংশোধনী আহিব। Clause 3 ৰ Sub Clause (1) ৰ vii ৰ (a), (b), (c) ত কেইটামান document দিবলৈ কোৱা হৈছে, যেনে- identity of parties, Age of parties কিন্তু আমি ভাৱো তাৰ সলনি identity proof of the parties and Age proof of the parties হ'ব লাগে। Age of parties বুলি কোনো document নাথাকে। ইয়াৰ পিছত Clause 3 ৰ Sub Clause 2 ত আছে fulfillment of conditions specified in Sub-Section 1 above in the Schedule 1, কিন্তু এইটো "in the prescribed form in Schedule 1" বুলি হ'ব লাগে, নহ'লে কথাটো সম্পূৰ্ণ নহয়। Clause 4 ৰ side note ত সংশোধনী আছে যে the word "Notice of Marriage" ***shall be substituted by-*** "Notice of Registration". The word " Marriage and Divorce Registrar of the district" in line four ***shall be substituted by*** the words- "Local Marriage and Divorce Registrar". অৰ মানে District Marriage and Divorce Officer ৰ ওচৰত বিয়াৰ বাবে notice কৰিবলৈ গাঁৱৰ অশিক্ষিত বা পিছ পৰা মানুহখিনিয়ে official process ত যাবলৈ হয়তো টান পাব। সেয়েহে, আমি ভাৱো District Officer ক notice খন দিয়াৰ পৰিৱৰ্তে Local Marriage and Divorce Officer অৰ্থাৎ চৰকাৰে যদি পঞ্চায়ত সচিবক allow কৰে, তেওঁক দিলে প্ৰত্যেক partyৰে notice দিয়াত সুবিধা হ'ব আৰু সকলোৰে ওচৰ হ'ব। আমি এই ক্ষেত্ৰত এক পৰিৱৰ্তন বিচাৰিছো। তাৰ লগে লগে clause 6 ত আমি ভাৱো যে notice বিলাক কিছুমান public place লগাই দিয়া আৰু এক মাহলৈকে কেনেকুৱা objection আহে, কিছুমান

unnecessary provision দিয়া হ'ল। সেই কাৰণে clause 5 ৰ 1,2,3 এইকেইটা delete কৰাটো বিচাৰিছো। কাৰণ ইতিম্যধে sub-register office মানুহে ৮,৯ মাহলৈকে মাটিৰ কামৰ কাৰণে গলে কপি নাপায়। গতিকে আমি গোটেই কেইটাৰ পৰিবৰ্তে ৭ নম্বৰত এটা substitute কৰি বিচাৰিছো যে if any objection received by the local marriage and divorce register. তাৰ ধৰা বন্ধা সময়ত থাকিব। তাৰ ভিতৰত যদি কিবা objection পাই, সেইটো enquiry কৰিলে make up কৰিব, পিছত সেইটো register কৰিব। যদি গোটেই কেইটা কেচত যদি এক মাহলৈ notice দিয়া হয়, ৰাজহুৱা ঠাইসমূহত লগাই দিয়ে, এক মাহলৈ objection কি আহে, মই ভাৱো এই process টো বহুত মানুহে বুজি নাপাব, ভাবিব আমি এইবিলাক নকৰো, আমি চিধা চিধি solemnize কৰি বিয়া কৰাই থৈ দিওঁ, তেওঁলোকে সেই কথাটোৰ গুৰুত্ব উপলব্ধি নকৰিব। সেই কাৰণে বেছি জটিলতা avoid কৰি if any complain received বুলি এটা single process ত আমি এই কথাটো আনিব বিচাৰিছো।

তাৰ পিছত, if the local marriage & divorce register shall ensure solemnization of the marriage under shariat laws before registration of the marriage, তাৰ মানে registration আগত নিকাশটো চৰিয়ত সন্মতত হ'ল নে নাই, এইটো নিশ্চিত কৰিব লাগিব। এই Act. খনত এটা উল্লেখ আছে যে prohibited degree of relationship যাতে নহয়, যিটো চৰিয়তত বাধা আছে। গতিকে যাৰ লগত বৈধ হয়, সেইটো চৰিয়ত সন্মতিভাৱে নিকাশটো হ'ল নে নাই, হোৱাৰ পিছত তেওঁলোকৰ চহী ইয়াতে দিয়া হওঁক যে নিকাশটো চৰিয়ত সন্মতভাৱে হৈছে, এতিয়া registration টো হ'ব পাৰে। সেইটো ensure কৰিব লাগে, ইয়াত আমি এই দফাটো সংযোগ কৰিছো।

বাকী মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে fees ৰ কথাটো আগত repealling বিলত কৈ দিছে, সেইটো ভাল কথা, তাত আপত্তি কৰিবলগীয়া নাই। আমি আসোৱা বিলাক গুচাব খুজিছো, যিবিলাক আসোৱাৰ কাৰণে আমাৰ অশিক্ষিত আৰু দুখীয়া পৰিয়ালবিলাকে registration এটা জটিল process বুলি ভাবি নলয়, registration নকৰাকৈ নাথাকে। এনেকুৱা যাতে নহয়, আমি এইটো সৰলীকৰণ কৰি যাতে সকলো মানুহে এইটো সহজ বুলি ভাবি কৰি লয় আৰু সকলোবিলাক যাতে register হয়, আমি চৰকাৰৰ লগত এই কথাটোত একমত আছো আৰু প্ৰত্যেকখন বিয়াৰ registration হ'ব পৰাকৈ আমি এইখিনি সৰলীকৰণ বিচাৰিছো। গতিকে মই মন্ত্ৰী মহোদয়ে এই কথাখিনি বিবেচন কৰি আমাৰ সংশোধনখিনি গ্ৰহণ কৰিব, যাতে সহজভাৱে আমাৰ বিয়া বিলাক registration হ'ব পাৰে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই বিলখনৰ কাৰণে আজি ৩ বজালৈকে সংশোধনীৰ সময় আছিল। কিন্তু ৰাতি ১১ বজাত গম পাইছো যে এই বিলখন আজি অনা হ'ব। গতিকে আমি সিমান thoroughly যাব পৰা নাই। ইয়াৰ লগত connected বহুত বিল আছে। তথাপিও আমি যিমানখিনি পাৰিছো। "Assam Compulsory Registration of the Muslim Marriage and the Divorce Bill, 2024" এইটো preamble তে Compulsory Registration of the Muslim Marriage and Divorce ৰ defination টোতে marriage in section 2(d) whether the contacted be-

fore in the second line may be omitted. এই বস্তুটো চাব যে marriage ৰ defination 2(d) ত আছে, সেইটো 2nd line omitted হ'ব লাগে, এইটো আমাৰ স্পষ্ট কথা।

দ্বিতীয়তে, section 3(1), ইয়াত কথাটো হ'ল whether before may be deleted, section 3(1), এই কথাটোত আছে যে marriage টোৰ before যিটো কথা আছে, মানে Act টো পাছ হোৱাৰ আগত যিখিনি মানুহ, সেইখিনি মানুহক এই বিলখনত কেনেকৈ অনা হ'ব। এই বিলখনৰ জৰিয়তে যিখন বিল যিদিনাৰ পৰা কাৰ্য্যকাৰী হ'ব সেইদিনাৰ পৰা বলবৎ হ'ব লাগে। before যদি যায়, আমি স্পষ্টভাৱে জানো যে ইয়াৰ আগত যিখিনি মানুহ marriage register হৈছিল, আমাৰ Muslim Marriage Act আগৰ যিটো repeal কৰিলো, সেই Act মতে তেখেতসকলে register কৰিছে। এতিয়া আমি নতুনকৈ যদি ১৩ বছৰ আগৰ, ২০১০ চনৰ পৰা যেতিয়া compulsory হৈছে, সেই বিয়াখিনি আকৌ যদি আমি registration কৰিবলৈ যাওঁ, এটা retrospective effect যিটো হ'ব, সেই effect টোৱে কিন্তু সমাজত এটা বেমেজালিৰ সৃষ্টি কৰিব। সেই কাৰণে আমি স্পষ্টভাৱে whether before or এই শব্দটো delete কৰিব লাগে section 3(1) ৰ মতে।

তৃতীয়তে, আমি যাব বিচাৰিছো section 3(1), sub-clause 2, য'ত আমি স্পষ্টভাৱে দেখিছো যে ইয়াত the word 30 days preceeding of the date of marriage of the act may be substituted with the 30 days preceeding of the date of application of the registration. এই কথাটোত ৩০ দিন আগতীয়াকৈ notice দিয়াৰ যিটো ব্যৱস্থাটো Special Marriage Act 1954 ত আছে। Special Marriage Act 1954 ত this is a optional Act. that is not a compulsory Act আৰু Special Marriage Act টো কাৰ কাৰণে? it is a inter caste, Hindu can marry Muslim, Muslim can marry Hindu, Christian can marry Muslim, Muslim can marry Christian. That is the Special Marriage Act 1954. Special Marriage Act ৰ provision এটা ইয়াত আনি তাত এটা সন্দেহ থাকে যে কোনোবাই চুৰি কৰি বিয়া পাতিছে, অবৈধ ভাৱে বিয়া পাতিছে, তাৰ কাৰণে এক মাহ আগত notice দিব লাগে। yes, I agree। সেই হিচাপত আজিৰ দিনটো বিয়া হৈ আছে। কিন্তু তাৰো এটা provision যিহেতু এই marriage টো inter caste marriage, only Muslim can marriages Muslim under this Act. This is a compulsory Act. It is totally under those who are the Muslims, bride and groom both parties are muslim. It is applicable for them only. আমাৰ কথাটো হৈছে, আমি দুটা দিব বিচাৰিছো যে (A) A case where the parties belong to two different district or areas, outside the jurisdiction of the particular marriage registrar, it is not practicible to require for both the parties to reside to the same place of 30 days prior to the marriage.

(B) Residing both the parties together prior to the marriage is not permissible nor otherwise practicible.

(C) Since marriage solemnization cannot be brought under the

ambit of this Act unlike the Special Marriage Act' 1954, these provisions is not required at all in once. To keep, it should be the effect the both the parties have to reside for 30 days after marriage Act before they applying for registration.

আমি কব বিচাৰিছো যে ৩০ দিনৰ ভিতৰত যদি থাকিব লাগে, এই বস্তুটো ইয়াত থাকিব নালাগে, Special Marriage Act' ৰ provision টো ইয়াত ব্যৱহাৰ হ'ব নালাগে।

Section 4, the 'word' of intended to be solemnization under this Act of the beginning to be omitted. Solemnization is a separate matter, is personal law. Personal law, it is solemnization, it is either it was under the Kahji. After repealing this, there is no Kahji. The rule is solemnized. এই বিয়াখন পাতিব কোনে, কোনজন মানুহে বিয়াখন পাতি দিব, ধৰি লওঁক কোনোবাই বিয়া পাতি দিলে, তাৰ পিছত আহিব লাগিব Registrar ৰ ওচৰত .The word intended that to be solemnization under this act.Solemnization is a total a seperate, it a personal law. Personal law it is solemnization it is earlier it was under the Kazi after the this repeling there was a no Kazi. The rule is organised. এই বিয়াখন পাতিব কোনে। কোনজন মানুহে বিয়াখন পাতি দিব। ধৰি ললো কোনো ADC য়ে পাতি দিলে তাৰ ভিতৰত আমি আহিব লাগিব Register ৰ ওচৰত। যিজন Sub-Registration তেওঁৰ তাত আহিব লাগিব। এই Sub-Registerd ৰ তাত আহিবৰ কাৰণে তেখেতে originally solemnize কৰিছে নে নাই এইটো কেনেকৈ প্ৰমাণ পাম number 1. Number 2. তাৰ পৰা কিবা certificate ৰ ব্যৱস্থা থাকিব নেকি যে তেখেত সকলে পাছৰ solemnized হৈছে বা পাছৰ solemnized হয় নে নাই এই কথাটো আমি কেনেকৈ গম পাম? সেই কাৰণে আমাৰ কথাটো হৈছে solemnization ৰ যিটো প্ৰশ্ন যে intended that to be solemnization under this Act is beginning to be omitted. solemnization টো totally omitted কৰিব লাগে registration part টো ইয়াত ৰাখিব লাগে আৰু এইটো jurisdiction ৰ ক্ষেত্ৰত It would be solemnized the marriage registered in the the party of this act. Marriage Registered may not be compitent to perform the religious regularise. যিহেতু তাৰ কাৰণে seperate muslim ৰ কাৰণে Act অনা হৈছিল solemnization ৰ কাৰণে ধৰ্মীয় যিটো প্ৰথা, ধৰ্মীয় যিটো বিধি বিধান হিন্দু বিবাহৰ আইন 1955 সেইখন seperate আৰু যদি 2024 Act খন আনিব বিচাৰে, তেতিয়াহ'লে মুছলমানৰ কাৰণে solemnization বিবাহখন সম্পূৰ্ণ কৰিবৰ কাৰণে totally seperate কৰিব লাগে। As per religious book আহিব লাগে সেইটো Sub-Registered ৰ সন্মুখত আহিব নালাগে। Law খনে কি কৰিব পাৰে this provision notises is itended to give scope of the objection it is samely taken from the special marriage Act under which solemnization of marriage also time schedule.আমি কি কৰিব বিচাৰিছো যে 1954 special marriage that is totally special marriage. It is not compulsory it is mandetory সেইটোতো

কিন্তু solemnizatio ব্যৱস্থাটো seperate কৰা ব্যৱস্থা আছে। ১ মাহৰ আগত notice দিব লাগিব, কোনো complain থাকিলে আহিব, কোনো complain থাকিলে intertain কৰিব নে নকৰে সেইটো seperate. কিন্তু তাতে seperate বিয়া পতা হিন্দুৱে যদি হিন্দু মতে পাতিব খোজে, খ্ৰীষ্টানে যদি খ্ৰীষ্টানমতে পাতিব খোজে, মুছলমানে যদি মুছলমানৰ মতে পাতিব খোজে keeping their religion এজন হিন্দু ল'ৰাই মুছলমান ছোৱালী এজনীক বিয়া পাতিছে মুছলমান ছোৱালীজনীয়ে যদি কয়, মুছলিম ধৰ্ম লৈ থাকিম, হিন্দু ল'ৰাজনে যদি কয় হিন্দু ধৰ্ম লৈ থাকিম এইটো special marriage ত আনিব পাৰিব। তাতে solemnizatio দিয়া আছে সেই কাৰণে বহুতে কি কৰে যে কৰবাত মুছলমানৰ ঘৰত গৈ মুছলমানক বিয়া পাতে, হিন্দুৰ ঘৰত গৈ হিন্দুক বিয়া পাতে। Anand Act 1909 Sikh সকলৰ পৰা অনা হৈছিল। সেই কাৰণে কথাটো ক'ব বিচাৰিছো যে, এইটো একে লাইনত থিয় কৰাব নালাগে। Section -5 Sub-Clause (1) The words Marriage Notice Book occuring between the word of the purpose to be caused the and an word and serve book shall be open shall be sustituted the words may be registration notice book. ইয়াত Marriage ৰ Notice Book ৰ কথা কোৱা হৈছে। Marriage Notice Book খন যদি Marriage Notice Book এখন থাকে আৰু সেই Notice Book মতে যদি Notice ৰ যিটো ব্যৱস্থা কৰা হয়, মোৰ বোধেৰে আকৌ এইটো Special Marriage 1954 ৰ নিচিনা হৈ যাব। Notice Book খন থাকিলে same section 5 sub clause (2) the word on receive of the notice of marriage of beginning of the substitute with the word received and received of the notice of the registration of marriage. এইখিনি বস্তু আমি received of the notice of the marriage এইখিনি বস্তু substitute কৰিব লাগে। এইখিনি বস্তুৰ ঠাইত on receive of notice of marraige substitute on received of the notice of the registration of marriage. এইটো আহিব লাগে। মোৰ বোধেৰে সেই আগৰখিনি amend কৰি এইটো সুমুৱাব লাগে। Section 5 sub clause (3) the word or intended or intended that marriage. Ocurring between the two words where either of the paries or to a marriage and the word is not permanemntely residing within this total limit of the district shall be omitted. এই কথাটো আপোনালোকে আকৌ চাব লাগে whether either parties to a marriage.য'ত বিয়াৰ এই কথাটো আছে। District shall be ইয়াত district ৰ ভিতৰত হ'ব নেকি আমিতো confine কৰিব নোৱাৰিম যে বিয়াখন district ৰ মাজতে হ'ব লাগিব। বেলেগ district ৰ পৰা আহিব পাৰে, বেলেগ state ৰ পৰা আহিব পাৰে, ভাৰতৰ জম্মুকাশ্চমিৰৰ পৰা আহিব পাৰে, এই district shall be omitted. এই district ৰ কথাটো ইয়াত omit কৰিব লাগে। Section 6 subclause (1) the wird object to the marriage. এই কথাটো object to the marriage বিয়া পাতিব তাৰ কাৰণে objection ৰ ৰাস্তা খোলা ৰখা হয় আজি কোনোবাই বিয়া পাতিছে, একমাহ আগতে যদি notice দিয়ে, সেই ছোৱালীজনীৰ বেলেগ কোনোবা প্ৰেমিক বা প্ৰেমিকা আছিল তেখেতে যদি complain দিয়ে, বিয়াখন কি হ'ব। Objection of the marriage টো কিহৰ কাৰণে। ইয়াত

যিকেইটা কাৰণ দিয়া হৈছে, যে তাত বয়স কিমান হ'ব লাগিব, তাত birth certificate age proof থাকিব, তাত address proof থাকিব। There is no provision for the objection. ইয়াত objection থকাৰ কোনো provision থাকিব নালাগে। সেইকাৰণে মই ক'ব বিচাৰিছো the word objection to the marriage ocurring between the words notice has been publish under the section 4 and the words on the ground that it would coverage it is fundaments shall be substituted which is the word object to the registration of the marriage. Section 6 sub clause (2) the word Notice or intended marriage or marriage. In the second line shall be substituted with the words notice of registration of marriage. এই কথাখিনি Notice of the intended marriage or marriage এই কথাখিনিৰ ঠাইত substitute ভাৱে এই কথাখিনি সুমুৱাই দিব লাগে notice of the registration of the marriage intended শব্দটোৰ এই part টো কাটি দিব লাগে। Section 6 sub clause (2) the word the marriage may be solemnized and registered as the case may be. এই কথাটোৰ ঠাইত marriage may be solemnized, এই solemnized part টো omit কৰি the marriage may be registered আহিব লাগে। Section 6 subclause (2) again কৈছো, the word the marriage may be solemnized and registered as the case may be ocurring in the part of the 3 and 4 line shall be substituted with the word the marriage may be registered. Section 6 sub clause (3) the word Marriage Notice Book in the third line may be substituted with the words Marriage Registration Notice Book. Marriage Notice Book ৰ ঠাইত তাত Marriage Registration শব্দটো সুমুৱাই Marriage আৰু Notice ৰ মাজত registration শব্দটো সুমুৱাই দিলে Marriage Notice Book নহয় Marriage Registered Notice Book হ'ব লাগে এইখিনি শুদ্ধ কৰি ল'ব লাগে। Section 3 sub clause (1) intended that marriage against the word intended the marriage use in the first and second line may be omitted and the words shall not be solemnized the marriage or ocurring in the third line may also be omitted. Section 7 sub clause (2) the words to solemnized the marriage ocurring in the second line shall be constitute with the word to registered the marriage and the word either partythe intedded the marriage may in the third line shall be substitute with words either party to the marriage. এইকথাখিনি substitute ভাৱে এই দুটা ঠাইত সলনি কৰি কৰাই দিব লাগে। Section 8 sub clause (1) the word to an intended the marriage ocurring the first line shall be omitted. Section 8 subclause (1) the word intended the marriage or ocurring in the first line shall be omitted. এইটো omit হ'ব লাগে। Section 10 sub section (1) the word intended the marriage is solemnized

ocurring as the beginning shall be omitted. the word when the marriage solmnized ocurring in the beginning shall be omitted. এটো biginning shall be এইটো omitted কৰি দিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, Section-10, Sub-Section-I, when the marriage is solemnized occuring at the beging shall be omitted. The word beging shall be omit কৰি দিব লাগে। In Section-10, Sub-Clause-II, the word solemnized of this Act occuring in the third line may be omitted. Third line ৰ পৰা omit কৰি দিব লাগে। Section-17, provision to appeal against ....Second appeal provision to against..... second appeal may be consider as it may put the patries in trouble.Second appeal ৰ কাৰণে চাব-ডিষ্ট্ৰিকে যদি কিবা কৰে উপায়ুক্তৰ তাত যাব পাৰে। Second appeal যদি ৰেজিষ্টাৰৰ তাত আহিব লাগে তেনে ক্ষেত্ৰত বিয়াখন হৈ উঠিব জানো। মানুহৰ কিমান হাৰা-শাস্তি হ'ব? এখন বিয়াক লৈ যদি মানুহে অভিযোগ দিয়ে বিয়াখন নহ'ব। এক মাহ আগতে নোটিচ বোৰ্ডত লগাব লাগিব। মই দেখিছো স্পেচিয়েল মেৰিজ এক্ট ১৯৫৪ ৰ বেছিভাগ অংশই ইয়াত সোমোৱাই দিয়া হৈছে। মুছলিম মেৰিজ এক্টখন ইমান এটা কঠিন ব্যৱস্থাৰ মাজেৰে সোমাই দিয়াৰ যি ব্যৱস্থা সেইটো ভয়ানক দেখিবলৈ পাইছো। মই নাজানো এই বিল খন ইমান খেলিমেলি, ইয়াত ইমান নতুন প্ৰভিজন আদি দি কেনেকৈ কৰিব? In Section-22, in the last part of the provision the word the payment of the fee at the rate of the double fee may be omitted. মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে registration fee 1 Rs. কৰিব বুলি ইতিমধ্য কৈছে। এতিয়া যদি কাৰোবাৰ দেন মোহৰ ৫০ লাখ টকা হয় আৰু সেইটোৰ যদি মাটিৰ নিচিনাকৈ ভেলু আহিব লগা হয় তেতিয়া জীৱনতো বিয়া নহ'ব। In the schedule 1 and 2, the firm steps should be modify to take away intended marriage. মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে বিয়াৰ কঠিনতা কৰিব লাগে। তেওঁ অহা এপ্ৰিলত আৰু এখন বিল আনিব য'ত বিয়াৰ বাবে ছয় মাহ আগতে নোটিচ দিব লাগিব। আমি স্পেচিয়েল মেৰিজ এক্টত দেখিছো যে ১৯৫৪ ৰ বেছিভাগ অংশই ইয়াত সোমোৱাই দিয়া হৈছে। লাখ লাখ মানুহৰ বিবাহৰ লগত সম্পৰ্ক হৈ আছে আৰু প্ৰত্যেকজন মানুহৰে বিবাহৰ প্ৰয়োজন আছে আৰু বিয়া হ'ব লাগে। ইয়াৰোপৰি ইয়াত কাজিৰ কথা উল্লেখ কৰা নাই। বিয়াখন চাব-ৰেজিষ্টাৰে পাতিব। আমাৰ যি ধৰ্মীয় ৰীতি-নীতিৰে বিয়া পতা হয় সেইটো ক'ত পতা হ'ব? মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কোৱাৰ দৰে এখন জিলাত এজন-দুজন কাজি থাকে আৰু তেওঁলোকে চাৰি-পাঁচজন চাব-কাজি জৰিয়তে বিয়াসমূহ পাতি থাকে। তেনে ক্ষেত্ৰত সেইখিনি যদি এজন চাব-ৰেজিষ্টাৰক দিয়া হয় তেন্তে তেওঁ কোনো দিনেই ইমান বিয়া পাতি শেষ কৰিব নোৱাৰে। সেই কাৰণে আমি এটা অনুৰোধ কৰিব বিচাৰিছো যে আমাৰ যিটো বিয়া পতা হ'ব তাৰ বাবে বেলেগকৈ মানুহ দিব পাৰিম নেকি? ঠিক আছে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কাজিৰ নামত দিব খুজা নাই। তেন্তে বিয়াসমূহ কেনেকৈ পতা হ'ব আৰু বিয়া যে পতা হৈছে সেইটো কোনে চাৰ্টিফাই কৰিব? এই গোটেই বিষয়টো যদি আমি পৃথকৈ কৰিব নোৱাৰো তেন্তে এই আইনখন আমাৰ বাবে কঠিন হৈ পৰিব। এই কথাখিনি ভালদৰে চিন্তা কৰি এই আইনখন আনিলে ভাল হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য আব্দুল ৰছিদ মণ্ডল।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এমেণ্ডমেণ্ট খিনি মূল কথাখিনি দফাই দফাই কৈ দিয়া হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে প্ৰাথমিক কথাখিনি কৈছে যে তেওঁ এই বিলৰ দ্বাৰা মুছলিম বিবাহক নিয়ন্ত্ৰণ বা ৰেগুলেট কৰিব খুজা নাই। ৰেজিষ্ট্ৰেশ্যনহে ৰেগুলেট কৰিব খুজা হৈছে। ইয়াত দেখা গৈছে যে বিলৰ টাইটেলটো ঠিকেই আছে যে মুছলিম মেৰিজ The Assam Compulsory Registration of Muslim Marriage Act and Divorces Bill. কিন্তু ইয়াৰ প্ৰত্যেকটো চেকশ্যন আৰু ক্লজত বিয়াৰ কথা কোৱা হৈছে। ৰেজিষ্ট্ৰেশ্যনটো চাবষ্টিটিউট কৰাৰ প্ৰয়োজন আছে আৰু এমেণ্ডমেণ্টত সেই কথাখিনিকেই কৈছো। য'ত য'ত বিয়াৰ কথা আছে সেইটো ৰেজিষ্ট্ৰশ্যনৰ দ্বাৰা চাবষ্টিটিউট কৰা হওঁক। In the Section III, Clause-I Sub- Clause-II it is mentioned that the parties have been residing within the District. ইয়াত Either Party হ'ব লাগে কাৰণ দুটা পাৰ্টী একে জিলাৰ নহ'বও পাৰে। তেওঁলোক বেলেগ বেলেগ জিলা বা বেলেগ বেলেগ ৰাজ্যৰো হ'ব পাৰে। ৰেজিষ্ট্ৰেশ্যনৰ ক্ষেত্ৰত দুয়োটা পাৰ্টী একে জিলাৰ হোৱাটো যদি বাধ্যতামূলক হয় তেন্তে বহু অসুবিধা হ'ব। ইয়াত নতুনকৈ ক'বলগীয়া একো নাই। আমাৰ ব্লক পৰ্য্যায়ত ইতিমধ্যে এমেণ্ডমেণ্ট হৈছে। কিন্তু তাৰ তলতো যদি নাথাকে তেন্তে বহু ভিৰ হ'ব। এনেই আমাৰ বি ডি অ' সকলৰ বহু কাম থাকে। তেনে ক্ষেত্ৰত আমাৰ বি ডি অ' সকলৰ লগত বিয়াও যদি সংযোগ কৰি দিয়া হয় তেওঁলোক অ'ভাৰ বাৰ্ডেন হৈ যাব। সেয়েহে বিয়া বিষয়টো এটা সম্পূৰ্ণ পৃথক এডমিনিষ্ট্ৰেশ্যনৰ অধীনত অনা ভাল হ'ব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে চৰকাৰী অনুষ্ঠান কৰিব বিচাৰিছে, কাজিৰ নামাকৰণ বেলেগ কৰিব বিচাৰিছে চৰকাৰী ষ্টেটাচ দিব খুজিছে সেইখিনিক আমি আদৰণি জনাইছো। এই বিলখনৰ ওপৰত আৰু আলোচনাৰ প্ৰয়োজন আছে। সেয়েহে আজি বিলখন পাচ কৰিব নালাগে। ইয়াত বহুত এমেণ্ডমেণ্ট আহিছে আৰু বহু কথা বিলতো অসম্পূৰ্ণ হৈ আছে। ইয়াৰ ওপৰত আগতে আলোচনা হোৱা নাই। চৰকাৰে বাল্য বিবাহ, দ্বিতীয় বিবাহৰ ওপৰত অতিকৈ কনচাৰ্ণ। আমি বুজি পাইছো। কিন্তু এই বিলখন অলপ আলোচনাৰ মাজেৰে আহিলে মই ভাৱো যে ইয়াত থকা আসোঁৱাহসমূহ দূৰ হ'ব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য ৰফিকুল ইছলাম ডাঙৰীয়াই কওঁক।

**ড° ৰফিকুল ইছলাম, বিধায়ক (জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ক্লজ-২ ত আমাৰ এমেণ্ডমেণ্টত জি পি চেক্ৰেটাৰীৰ কথা কোৱা হৈছে। আমি ৰেজিষ্টাৰ জি পি চেক্ৰেটাৰীক পৰামৰ্শ দিছো। চৰকাৰে এইটো লওঁতে যদি ভাৱে বেছি মানুহক দায়িত্ব দিব লাগিব তেতিয়া ব্লক ৱাইজ ও ল'ব পাৰে। এটা সমষ্টিত যিহেতু দুটা তিনিটা ব্লক হ'ব, জি পি হ'লে আমি বেছি ভাল পাম। প্ৰত্যেক জি পি ত এইখিনি হ'লে ভাল হ'ব। নহ'লে বেলেগকৈ মানুহ ল'লে পুনৰ নিযুক্তি দিব লাগিব। বাজেটৰ কথা আহিব। সেইকাৰণে আমি জি পি চেক্ৰেটাৰীৰ কথা কৈছো। নহ'লে ব্লক ৱাইজ কৰিবলৈ অনুৰোধ জনাইছো। ক্লজ-ছয় আৰু সাতত অবজেকশ্যনৰ কথা আহিছে। এইটো ঠিকেই আছে। যদি কোনোবাই বাল্যবিবাহ কৰিব আহিছে বা নিয়ম ভাঙি কিবা কৰিব আহিছে অবজেকশ্যন দিলে সেইখিনি মিটআপ কৰাটো অত্যন্ত দৰকাৰী। কিন্তু আমাৰ এচাম মানুহৰ এনেকুৱা প্ৰৱণতা আছে যে ছোৱালী এজনীক বিয়াৰ কাৰণে প্ৰস্তাৱ দিছিল আৰু তেওঁ প্ৰস্তাৱটো মনা নাই তেতিয়া এনেই মিছামিছিকৈ অবজেকশ্যন দিব। গতিকে অবজেকশ্যনৰ বিষয়টো গুৰুত্বসহকাৰে চোৱাৰ প্ৰয়োজন আছে। অবজেকশ্যনৰ বাবে দুৱাৰ খুলি দিব নালাগে। এইটো কৰিলে মানুহে

জধে-মধে অবজেকশ্যন দি হাৰা-শাস্তি কৰিব। বহু খুটি-নাটি বস্তু ইতিমধ্যে আমাৰ মাননীয় সদস্যসকলে আনিছে। অতি কম সময়ৰ ভিতৰত অনাৰ কাৰণে হয়তো ইয়াক শুধৰণিৰ প্ৰয়োজন আছে। গতিকে এইটো চিলেক্ট কমিটিত দি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যদি অলপ চিন্ত-চৰ্চ্চা কৰে। নহ'লে তেখেতে আকৌ এবাৰ কিছুদিন পিছে পিছে নহ'লে বেছি টাইট হ'লে কি হ'ব আমাৰ চুপ্ৰিম কোৰ্টে লিভ ইন ৰিলেশ্যনক পাৰ্মিচন দি থৈছে । আমি বহুতো ধৰ্মাৱলম্বী লোকে এইটো পচন্দ নকৰো । ইছলামেই মুঠেই পচন্দ নকৰে। মই ভাবো হিন্দু ধৰ্মৰ লোকেও এইটো পচন্দ নকৰে । আমাৰ সমাজত তানা-বানা নষ্ট হয় । ইয়াৰ কাৰণে চুপ্ৰিম কোৰ্টে যদিও ৰায় দিছে কিন্তু এইটো সভ্য সমাজে আজিলৈকে মানি ল'ব নিবিচাৰে আৰু নলয় । আমি মুছলমান হিচাপে এইটো সমৰ্থন নকৰো। কেতিয়াবা বেছি টান হ'লে মাননীয় মুখ্যমন্ত্ৰী মহোদয় তেখেত সকলে নিজৰ ধৰ্ম হিচাপে কৰি ল'ব সেইটো পাৰ্মিচেবল, ইল্লিগেল নহয় আৰু ৰেজিষ্ট্ৰেশ্যন পাৰ্টত নাহিবই । তেতিয়া আপুনি সেইবিলাক ধৰিব নোৱাৰে । কিন্তু আমাৰ উদ্দেশ্যটো সেইটো নহয় । উদ্দেশ্যটো হ'ল বিয়া হ'লে বাধ্যতামূলক ৰেজিষ্ট্ৰেশ্যন হ'ব লাগে, এইটো হয় এটা চৰকাৰৰ উদ্দেশ্য। সেইটোত আমি আপোচ কৰা নাই । কাৰণ ৰেজিষ্ট্ৰেশ্যন চাৰ্টিফিকেটোৰ বহুত দৰকাৰ । আজি এই চাৰ্টিফিকেটোৰ থাকিলে পাচপোৰ্ট বা বিভিন্ন ঠাইত গ'লে যেতিয়া মহিলা এজনক লৈ যোৱা যায় তেতিয়া প্ৰশ্ন কৰে আৰু কৰিবই লাগে, যাতে নিজৰ স্ত্ৰী আছেনে নে কোন আছে তেওঁলোকে চায় । মেৰিজ চাৰ্টিফিকেট তাতেও প্ৰয়োজন হয় । গতিকে বেছি টাইট কৰিলে বা কমপ্লেক্স কৰিলে চলেমোনাইজ নিজৰ ধৰ্ম হিচাপে কৰি লব আৰু ৰেজিষ্ট্ৰেশ্যন নকৰাকৈ ঘুৰিব ফুৰিব আৰু সুধিলে ক'ব আমি লিভ ইন ৰিলেশ্যনত আছো । তেতিয়া আপুনিও একো কৰিব পৰা অৱস্থাত নাথাকিব । সেই কাৰণে আমি বিচাৰিছো যে সোনকালে যিহেতু অনা হ'ল এইটো চিলেক্ট কমিটিত দি আৰু অলপ পলিচ কৰি আনক, তেতিয়া ভাল হ'ব । এই খিনি আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ আহ্বান থাকিল ।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ, (বৰখলা) ঃ** মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিম গোটেই বিষয়টো বহুত পৰিৱৰ্তন লাগিব । মানসিকতাটো ভাল আমি সকলোৱে সহযোগ কৰিছে কিন্তু এই বিলটো এতিয়া চিলেক্ট কমিটিত দিলে ভাল, আমি ভালকৈ চাই-চিতি পাছ কৰিম । দহ-পোন্ধৰ দিন লাগিব এটা তাৰিখ দি চিলেক্ট কমিটি কৰি দিলে বিলটো খুব ভাল হ'ব । সেইটো কৰিলে সকলোৰে বাবে হ'ব। আমি বিচাৰো যে এই বিলটো ধুনীয়া হ'ব লাগে । সকলো প্ৰভিজন চাই এইটো কৰিব লাগে । মুখ্যমন্ত্ৰীৰ বক্তব্যত গম পাইছো যে ভাবধাৰণা স্বচ্চল আছে। আমি ভাবো যে বিয়াৰ পঞ্জীয়ণটো কেনেকৈ সহজ ভাবে হ'ব । সেই বাবে মই এটা আপীল কৰিছো যদি সেইটো চিলেক্ট কমিটিত যায় এই বিলটো খুব ধুনীয়া হ'ব ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ ।

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, (উত্তৰ অভয়াপুৰী) ঃ** মহোদয় আপোনাক ধন্যবাদ জনাইছো মোক কবলৈ সুবিধা দিয়াৰ বাবে। উপাধ্যক্ষ মহোদয় আমাৰ মুছলিম বিয়া বিলাকত বা যিকোনো বিয়াতে দুটা পাৰ্ট থাকে এটা চোলেমনাইজেশ্যন আৰু আনটো হৈছে ৰেজিষ্ট্ৰেশ্যন । এই বিলখনত সোতৰ-ওঠৰটা আমাৰ দলৰ পৰা সংশোধনী দিলো কাৰণটো হৈছে চোলেমনাইজেশ্যন আৰু ৰেজিষ্ট্ৰেশ্যনৰ মাজত পাৰ্থক্য নথকাৰ বাবে ইয়াত দোধোৰমোধোৰ হৈ আছে । চোলেমনাইজেশ্যনৰ যিটো পাৰ্ট সেইটোত চৰকাৰে হস্তক্ষেপ কৰিব নোৱাৰে সংবিধান মতে আৰু লগতে ১৯৩৭ আইন মতে কিন্তু ৰেজিষ্ট্ৰেশ্যন পাৰ্টত চৰকাৰে হস্তক্ষেপ কৰিব পাৰে, ৰেগুলেট কৰিব পাৰে । গতিকে মুখ্যমন্ত্ৰী চাৰে ৰিপিলিং পাৰ্টত যিটো ভাষণ দিলে খুব ভাল লাগিল । তেওঁ খুব পজিটিভ ভাবে কথা বিলাক কৈছে

আৰু পজিটিভ মনোভাবেৰে আগবাঢ়িছে। আমাৰ যি সমূহ সংশোধনী আছে সেইটো কৰাতকৈ যিটো আমাৰ পূৰ্বৰ বক্তাই কৈ গ'ল যে চিলেক্ট সমিতিত দিব লাগে । গতিকে চিলেক্ট সমিটিত দিলে ভালকৈ ৰিফাইন কৰি আনিব পাৰিলে খুব কম সময়ৰ ভিতৰতে অনা হওঁক তাৰ কাৰণে আমি সমৰ্থন জনাম আৰু যিহেতু এইখন পজিটিভ বিল । সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ সুবিধাৰ্থে লোকেল লেভেলত যদি ৰেজিষ্টাৰ থাকে সকলোৰে সুবিধা হ'ব । ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই কথাটো উল্লেখ কৰিছে । গতিকে এই কথাখিনি সাঙুৰি যদি সম্পূৰ্ণৰূপে সংশোধনী কৰা সম্ভৱ হয় বেলেগ কথা যদি নহয় তেতিয়াহ'লে চিলেক্ট কমিটিত দি সকলোৰে লগত আলাপ- আলোচনা কৰি খুব ধুনীয়া এখন বিল আনিলে খুব ভাল হ'ব আৰু এই বিলখন আমি বিৰোধিতা কৰা নাই । কিন্তু চোলেমনাইজেশ্যন আৰু ৰেজিষ্ট্ৰেশ্যনৰ মাজত পাৰ্থক্য আছে আৰু খেলিমেলি আছে সেইটোতহে বিৰোধিতা কৰিছো। সেই কাৰণে আমি ইমানবিলাক দফাত সংশোধনী দিছো ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আইন খন ভালকৈ নপঢ়াকৈ আমি কেইটামান দফা উঠাই আনো আৰু আলোচনা কৰি আছো। প্ৰথম আপোনালোকে চাওঁক যে বিবাহৰ প্ৰকৃত সংজ্ঞা কি ? আপোনালোকে সকলো পঢ়িছে কিন্তু বিবাহৰ সংজ্ঞাটো পঢ়া নাই । Marriage means, marriage between two muslim persons whether contacted before or after commencment of this Act and include re-marriage in the event of death of any of the spouses or any dissolution of a marriage and include NIKAH or any other ceremony by which two persons are made husband and wife following Muslims Personal Law and Islamic ritual তাৰ মানে মেৰিজত আমি কোনো ধৰণৰ হস্তক্ষেপ কৰা নাই । ইছলামৰ ধৰ্মীয় ৰীতি-নীতি মতে যিয়ে বিয়া হ'ব আমি সেইটো গ্ৰহণ কৰি লম। আপোনালোকে খেলিমেলি কৰি বাহিৰত বেয়া বাৰ্তা নিদিব। গতিকে আপোনালোকে ভালদৰে পঢ়ি ল'ব যে প্ৰকৃতাৰ্থত বিবাহৰ সংজ্ঞা কি ? বিবাহ মানে দুজনৰ মাজত বিয়া হ'ব বা পুনঃবিবাহ হ'ব আৰু বিলখনত দিয়া চৰ্ত সমূহ হৈছে যিটো ইছলামৰ ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে হ'ব। তাৰমানে প্ৰথম হ'ব বিবাহ তাত আমাৰ কোনো কথা নাই Muslims Personal Law and Islamic ritual মানি বিবাহ হ'লে husband and wife । তাত লিভ ইন ৰিলেশ্যনৰ কথাটো নাহে। নিকাহ যি ধৰণে কৰিব নিকাহ হৈ গ'ল। এতিয়া ইয়াত ইন্টেনডেড আৰু চোলেমনাইজ মেৰিজৰ কথাটো কিয় আহিল । আজি অৰ্ডিনেঞ্চ কৰি কাজি চিচটেমটো বন্ধ কৰিলো । বহুত খিনি বিবাহ মাজত হ'ল। গতিকে ইতিমধ্যে বিবাহ কৰা পুৰুষ-মহিলা ৰেজিষ্ট্ৰেশ্যনৰ কাৰণে ৰৈ আছে । সেই কাৰণে এটা কেটেগৰী আহিল চোলেমনাইজ মেৰিজ । যিবিলাকে ইতিমধ্যে কাজীত ৰেজিষ্ট্ৰেশ্যন কৰিলে সেই বিলাকক এই আইন খনত ক'তো অবৈধ বুলি ঘোষণা কৰা নাই। আমিনুল ইছলাম চাহাবে কৈছে বিশ বছৰ আগতে বিয়া কৰা মানুহ ও আহি যাব । ইয়াত কোনো এটা লাইন নাই য'ত আমি লিখিছো The marriage already have registered before Kazis declared as illegal that word is not there কিন্তু আজি ছয় মাহ ধৰি অসমত কাজী নাই। এই ছয় মাহত যিখিনি বিবাহ হ'ল আৰু বিবাহ হ'ব, এই দুইখিনি মানুহক আমি ৰেজিষ্ট্ৰেশ্যনৰ সুবিধাটো দিব লাগিব সেই কাৰণে ভাগ দুটা ইন্টেনডেড আৰু চোলেমনাইজ । দ্বিতীয়তে, বহুতো মুছলমান পুৰুষ মহিলাই বিয়া পাতি ৰেজিষ্ট্ৰেশ্যনৰ কাৰণে আহিব , নিকাহ কৰি আহিব আৰু

কিছুমানে বিবাহ হোৱাৰ আগতে ৰেজিষ্ট্ৰেশ্যন কৰিব । সেই কাৰণে দুয়োটা ভাগৰ মানুহক সুবিধা দিব লাগিব । There will be another catagory of educated muslim family যিয়ে ক'ব আমি ৰেজিষ্ট্ৰেশ্যন আৰু নিকাহ একেলগে কৰিম let us give the notice prior সেই কাৰণে বিবাহিত ব্যক্তিও ইয়াত আহিব পাৰে আৰু ইন্টেনডেড মেৰিজৰ মানুহও আহিব পাৰে । কিন্তু মেৰিজটো কেতিয়া ৰেজিষ্ট্ৰেশ্যন হ'ব যেতিয়া ইছলামিক ফেইথ্ মতে চাব-ৰেজিষ্টাৰৰ বিয়া পতাৰ কোনো অধিকাৰেই নাই। Marriage হ'ব লাগিব as per Muslim Personal law and Islamic faith আৰু নিকাহ হ'ব লাগিব। Sub registrar ৰ কাম নিকাহ নহয়। আপোনালোকে সব পঢ়ি আছে কিন্তু definition "D"টো পঢ়া নাই। "D" ত clear আছে যে এই এক্টে Islamic Law and Islamic Faith আৰু নিকাহত কোনো প্ৰকাৰে interfere কৰিব খোজা নাই।

**শ্ৰী আমিনুল ইছলাম, (কণিষ্ঠ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই definition টোৰ মাজতে contated before এই শব্দকেইটাত আমাৰ আপত্তি।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** যদি contated before নহয়, তেতিয়াহ'লে মাজৰ ৬ মাহ আমি কেনেকৈ registration কৰিম।

**শ্ৰী আমিনুল ইছলাম, কণিষ্ঠ ঃ** That stipulated time, এই ৬ মাহৰ কথাটো লিখি দিব লাগে আৰু contated before এইটো upto that Act বুলি যাব পাৰে নেকি ?

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** নহ'ব নহয়। Repealling Act খনতে লিখা আছে যে any Act done,সেইটো আমি illegal declare কৰা নাই নহয়। আপুনি নিজে নিজে এটা interpretation কিয় আনিছে? মই আগতেই কৈছো যে কাজীয়ে যি register কৰিছে, আইনসন্মত register কৰিছে। আমি যদি Repealling Act খনত লিখিলোহেতেন যে all marriage solemnised by Kazi will be deemed to be illegal, তেতিয়াহে illegal হ'ব। এইটোতো আমি কোৱাই নাই। কিন্তু বহুত বিয়া কাজীৰ দিনতো registration নহ'ল।

**শ্ৰী আমিনুল ইছলাম, (কণিষ্ঠ) ঃ** ছাৰ, এইটো দি দিয়া ভাল হ'ব যে After ordinance, in absence of the ------interruption------

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** নালাগে। আপোনালোকে চাবোনটো ঘঁহি ঘঁহি ফেন উঠাই আছে। Repealling Act খনত ক'ৰবাত আমি লিখিছো নেকি যে কাজীয়ে কৰোৱা বিয়া বিলাক illegal বুলি ? ইয়াত যদি আপোনালোকৰ ভিতৰত কোনোবা উকিল আছে, তেওঁলোকে পঢ়ি লওক। যদি Repealling Act খনত আমি লিখিলোহেঁতেন যে all marriage solemnised during the presence of the Kazi system is declared illegal, আমি কি পগলা নেকি যে আজিৰ পৰা ২০ বছৰ আগতে হৈ যোৱা বিয়াখনো এতিয়া illegal হৈ যাব?

তাত ক'তো এইটো শব্দ নায়েই। আপোনালোকক শব্দ এটা কোনোবাই লিখি দিছে আৰু ইয়াত আহি পঢ়ি আছে । কাজীৰ যিখন Repealling Act আমি আনিলো, তাত কৰবাত এই শব্দটো লিখা আছে নেকি যে all marriage registered by Kazi is declared illegal.

**শ্ৰী আমিনুল ইছলাম, (কণিষ্ঠ) ঃ** তেতিয়াহ'লে আমি কথাই নাপাতো। Repeal হ'ব লাগে হৈ গ'ল।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** এনেকুৰা ধৰণৰ যুক্তিৰ কোনো উত্তৰ নাথাকে। এনেকৈতো কোনো আলোচনা নহয়। দ্বিতীয় কথাটো হ'ল অদ্ভুত কথাৰ উত্তৰ নাথাকে। যেতিয়া হাউচত থিয় হৈ মই clear কৰিছো, কাজী থকালৈকে যিমান বিয়া পাতিলে বা register কৰিলে, all are legal, that cannot be questioned আৰু ইয়াত কোনো উত্তৰ দিবলগীয়া নাথাকে। এইটো এটা সাধাৰণ কথা। আমি Act খনত লিখাই নাই these are illegal বুলি। দ্বিতীয়তে, আপোনালোকে আনিলে যে বিয়াখনৰ কাৰণে। কোনেও notice দিব নালাগে। Islamic faith মতে বিয়া হোৱাৰ লগে লগে that is marriage.তাত দুটা category আছে। কোনোবাই বিয়াৰ আগতো notice দিব পাৰে বা কোনোবাই বিয়াৰ পাছতো notice দিব পাৰে আৰু supreme court য়ে compulsory বুলি কোৱাৰ পাছতো বহুত husband wife থাকি যাব বিয়া পাতি registration নকৰাকৈ। সকলোৱে registration কৰে জানো? আপোনালোকে এনেকুৰা কৰি আছে as if 100% marriage are registered.ভিৰ লাগি যাব ইত্যাদি। আমাৰ হিন্দুয়ে registration কৰে জানো? এবাৰ faith ত registration হোৱাৰ পাছত বিয়া হৈ গ'ল। এতিয়া supreme court য়ে লাহে লাহে registration টো compulsory কৰি আছে। Hindu marriage are also not registered compulsory. কিন্তু যদি child marriage হয়, illegal marriage হয়, তেতিয়া চৰকাৰে ধৰিব যে তোমাৰ বিয়াখন null and void.But as long as marriage is as per Islamic law and marriage is as per constitution, law of the land,100% বিয়াটো কেতিয়াও registration নহয়। এইটো অসম্ভৱ কথা। ইয়াত আপোনলোকে যিখিনি কথা যুক্তিপূৰ্ণভাৱে কৈছে, যেনেকৈ the parties have been residing, either of the parties have been residing এইটো আমি কৈছো। তাৰ পিছত ৩১১ ত যিখিনি আপোনালোকে দিছে before the word the insection 3, এনেকুৰা ধৰণৰ যিখিনি সৰু সুৰা কথা কৈছে, সেইখিনি সংশোধনী আমি insert কৰি দিম। যিখিনি technical reassurance ৰ কাৰণে কৈছে সেইটো হাউচত আলোচনা কৰাৰ কথা নহয়। আমি Amendment খিনি পঠোৱাৰ আগতে সৰু সৰু Amendment বিলাক মই কৰাই দিম। কিন্তু আপোনালোকে solemnised marriage ৰ এটা provision ৰাখিব লাগিব। নহ'লে মাজৰ ৬ মাহৰ মানুহখিনি তেওঁলোকৰ মাজত হুৱাদুৱা লাগিব। দ্বিতীয়তে, marriage intended হ'বই লাগিব, registration ৰ আগতে। এটা পাৰ্টী আহিব বিয়া পাতি register কৰিব, আন এটা পাৰ্টী আহিব বিয়া পতাৰ আগত register কৰিব। গতিকে দুয়োটা provision Special Marriage Act তো আছে, Hindu Marriage Act, Muslim Marriage Act তো আছে। এই দুটা সুবিধা আমি মানুহক দিবই লাগিব। এইটো আপোনালোকৰ ভালৰ কাৰণে সুবিধা দিয়া হৈছে। গতিকে ইয়াত কোনো কথা নাই, আপোনালোকে মনত এইটো সন্দেহ নল'ব যে sub-regis-

trar য়ে বিয়া পাতিব। বিয়া Islamic faith মতে হ'ব, মুছলিম personal law মতে হ'ব, as per নিকাহ হ'ব। We are not concerning with marriage.We are concerning with registration. যিসকলে child marriage কৰে বা prohibited marriage কৰে, Islamic law মতে, তেওঁলোকে কাজীৰ তাত registration কৰি license এখন লৈ লয়। ইমানদিনে বাচ্চাক বিয়া কৰায় আৰু কাজীয়ে register কৰি দিয়ে। এতিয়া islamic নিয়মতেও যদি prohibited marriage হৈছে, register কৰাৰ লগে লগে বিয়াখন legal হৈ যায়। সেইকাৰণে আমাৰ condition দুটা যে ইছলামে prohibit কৰা marriage টো হ'ব নালাগে। তেতিয়াহ'লে registration নহয়। দ্বিতীয়তে, যদি আমাৰ নিয়ম কানুনৰ বাহিৰত, bellow 19 এই দুটায় কথা। এতিয়া আপোনলোকে কৈছে যে registration হ'লে বহুত কষ্ট হ'ব। আগতে ৯০ জনহে কাজী আছিল। তেতিয়া অসুবিধা নহ'ল। এতিয়া ১২৮ জন sub registrar থাকোতে কিয় কষ্ট হ'ব? মই এইটো হাউচত agree কৰিছো যদি registration ৰ সংখ্যাটো বাঢ়ে, up to GP Secretary, Muslim Registration Officer কৰি দিয়াত আমাৰ কোনো আপত্তি নাই। আমি সহায় কৰাৰ কাৰণেহে কৰিছো, বাধা দিয়াৰ কাৰণে কৰা নাই নহয়। আমাক মাত্ৰ computer registration টো লাগে যাতে পুলিচে পাছত চাই লৈ action ল'ব পাৰে। প্ৰথম তিনি মাহ আমি চাই লওঁ আৰু যদি আমি দেখো Registration বেছি হৈছে তেতিয়া portal টো ডাঙৰ কৰি দিম। Up to GP পৰ্য্যয়িত আমি অকল বিয়াৰ Registration য়ে নহয় মাটিৰ Registration ও দিব পাৰিলে ভাল হয়। সেইকাৰণে আপোনালোকৰ এই পৰামৰ্শটো মই মানি ললো। Registration ৰ ওপৰত কিবা যদি প্ৰেচাৰ আহে আৰু sub registrar নোৱাৰা হৈ যায় তেতিয়া ধীৰে ধীৰে ----- এতিয়া আপোনালোকে চাব ২ অক্টোবৰৰ পৰা Sub District আৰম্ভ হ'ব। তাৰমানে প্ৰতিটো সমষ্টিতে sub registrar হ'ব। তাৰ পিছত আপোনালোকৰ দাবী অনুসৰি আমি Block লৈকে গুচি গ'লো। তাতো যদি বাঢ়ি যায়, আমি GP ত যাম। কাৰণ যিমানRegistration হয় , আমি সিমানেই ভাল পাম। তেতিয়া মাত্ৰ আমি অলপ fees ল'ব লাগিব, আজি যিটো ১ টকা বুলি ক'লো তাতকৈ অলপ বাঢ়িব।Registration fees may be Rs.100.। কিন্তু মোহৰৰ ওপৰত নহয় । এই ফিজটো ল'ম যাতে আমাৰ চিষ্টেমটো চলি থাকে - নট অন মোহৰ । গতিকে মই আপোনালোকক এইটো এচুৰেঞ্চ দিলো - নাম্বাৰ ওৱান , বিলখন পাচ হোৱাৰ পিচত আপোনালোকে যিখিনি ক্লাৰিকেল পইন্টিং মিচটেক দিছে - যে এইজ অব দি পাৰ্টিছ নহয় - এইজ প্ৰুফ অৱ দি পাৰ্টিছ হ'ব লাগে । কিন্তু আচলতে এইজ অব দি পাৰ্টিছ এ হয় - সেইটো প্ৰুফ কৰাৰ কাৰণে এইজ প্ৰুফ আনিব লাগে । তথাপি যিখিনি সৰু সৰু টেকনিকেল পইন্ট ক'লে অধ্যক্ষ মহোদয়ৰ অনুমতি লৈছো সেইখিনি ষ্টাডি কৰি আমি ইনচাৰ্ট কৰি দিম যে হাউচে আমাক অথোৰিটিটো দিছে যি দুই এটা সৰু পইন্ট আছে। কিন্তু ইনটেনডেট- চোলেমনাইজড -এই পইন্টবিলাক একজেক্টলী আমি নিয়মত আছো যাতে মুছলমান মানুহখিনিৰ কষ্ট নহয় । সেই কাৰণে আমি কেটেগুৰিবিলাক ডাঙৰ কৰি দিছো যাতে আপোনালোকে হেছেলফ্ৰি ৰেজিষ্ট্ৰেশ্যন কৰিব পাৰে । তিনি নম্বৰ হাউচত মই এইটো এচুৰেঞ্চ দিছো মোহৰৰ ওপৰত কোনো ৰেজিষ্ট্ৰেশ্যন পইচা লোৱা নহয় । যদি অফিচাৰে কয় কিবা এটা ল'বই লাগিব তেতিয়া হ'লে ইট উইলবি ৰুপিছ ওৱান - কাৰণ আমি ছোৱালীখিনিক সহায় কৰাৰ বাবেহে ইয়াত আইন আনিছো । ইনকাম কৰাৰ বাবে আমি আইন অনা নাই । চতুৰ্থে - চাব ৰেজিষ্টাৰৰ যদি কাম বাঢ়ি যায় উইদিন ছিক্স মান্থ -

এপ্ৰিল চেশ্যনত আপোনালোকে প্ৰস্তাৱ আনিব , যদি কাম বাঢ়ি যায় - উই উইল ডেলিগেট ইট টু ব্লক । আৰু তাৰ পিচতো যদি কাম বাঢ়ি যায় উই উইল ডেলিগেট ইট টু দি জিপি । কেৱল ৰেজিষ্ট্ৰেশ্যনটো বাঢ়িব লাগে যাতে আমি ক'ব পাৰো যে আমি ৰেজিষ্ট্ৰেশ্যনটো আনিছো । হাউচত মই আৰু অলপ ষ্টাডি কৰিলো - শ্বেখ আব্দুল্লাই জন্মু কাশ্মীৰত আনিছিল যে, ৰেজিষ্ট্ৰেশ্যন উইল ডান বাই গৰ্ভমেন্ট অফিচাৰ । ইনচপাইট অৰ দি প্ৰেজেন্টচ অব চেন্ট্ৰেল এক্ট- যিটো আমিনুল ইছলাম ডাঙৰীয়াই আমাক কৈ আছে - আৰু কেৰেলাত অশোকানন্দন বুলি চিপিএমৰ মুখ্যমন্ত্ৰী আছিলে - তেওঁৰ দিনত আনিছিল যে, ইট উইল নট বি ৰেজিষ্টাৰড বাই কাজি- ইট উইল ৰেজিষ্টাৰড বাই দি গৰ্ভমেন্ট অফিচাৰ । গতিকে অসমে এইটো নতুন আবিস্কাৰ কৰা নাই - উই আৰ ফলোউইং টু মুছলিম পপুলেটেড ষ্টেট - এতিয়া কেৰেলাত মুছলমানৰ সংখ্যা অসমতকৈ বহুত ক'ম নহয় । গতিকে তেওলোকে যদি জিপিলৈকে লৈ গৈছে - ডাক্তৰক দিছে - আমিও দিম । কোনো অসুবিধা নাই কাৰণ এইবিলাক হ'ল যে, এটা হিউমেন ৰিলেশ্যনবিলাক ৰেগুলেট কৰাৰ কাৰণে দিয়া যায় যাতে ছোৱালী-মহিলাসকল আইনৰ সুবিধাৰ পৰা বঞ্চিত নহয় । বহু সময়ত কাজিয়ে কাগজ ফালি দিয়ে যে ৰেজিষ্ট্ৰেশ্যনে হোৱা নাছিল । - ইয়াত অন্তত নিয়মত থাকি গ'ল যে মেৰেজ এটা হৈছিল - মেৰিজটো ৰেজিষ্টাৰ হৈছিল আৰু প্ৰপাৰলী মেৰেজটো ৰেজিষ্টাৰ হৈছিল । সেই কাৰণে আপোনালোকক কোনোবা মানুহে ভূল কৰি কয় - যিহেতু আপোনালোক বিধায়ক- মানুহে আপোনালোকক সুধিব চেকশ্যন ২ (বি) টো পঢ়িব। ইয়াত লিখি দিছো - টু পাৰ্চন আৰ মেইড হাজবেণ্ড এণ্ড ৱাইফ ফলোইং মুছলিম পাৰ্চনেল ল এণ্ড ইছলামিক ৰিচুৱেলচ - এটা হ'ল মুছলিম পাৰ্চনেল ল' হ'ব লাগিব আৰু মুছলিম ৰিচুৱেলচ হ'ব লাগিব । তাৰ মানে নিকাহটো সম্পন্ন হ'ব লাগিব নহ'লে দে কেন নট বি হাজবেণ্ড এণ্ড ৱাইফ । গতিকে ইয়াতকৈ কমিউনিটিটোৰ কাৰনে - আপোনালোকৰ ইন্টাৰেষ্টটো ইয়াতকৈ আমি কি চেফগাৰ্ড কৰিম ? কাজি আইনতো এই শব্দটো নাছিল । মুছলিম হেজটু মেৰিড এচ পাৰ ইছলামিক ৰিচুৱেলচ- এণ্ড এচ পাৰ মুছলিম পাৰ্চনেল ল' । পাৰ্চনেল ল' মতে আজিলৈকে তিনিটালৈকে কৰিব পাৰে যেতিয়ালৈকে এমেণ্টমেণ্ড নহয় । সেইটোও ইয়াত পাৰিব এচ পাৰ মুছলিম ল' । ৰিমেৰিজো পাৰিব এচ পাৰ মুছলিম পাৰ্চনেল ল' । নিকাহ হ'ব লাগিব - উই আৰ অনলী অন ৰেজিষ্ট্ৰেশ্যন - নট অন মেৰেজ । এইটো ভূল নকৰিব। এই আইনখনত বিৱাহৰ ক্ষেত্ৰত একো নাই । পঞ্জীকৰণৰ ক্ষেত্ৰতহে কোৱা হৈছে । যদি আমি নোটিচ নাৰাখো বাচ্চা বিয়া হৈ গ'লে অৰজেকশ্যন কোনে কৰিব- নোটিচটোতো লাগিব । সংবিধানত লেখা আছে নেচাৰেল জাষ্টিছ - গৰ্ভমেন্টে যিকোনো কাম কৰিলে নোটিচ এটা যাবই লাগিব। গতিকে নিকাহ হলোৱে - হাজবেণ্ড ৱাইফ হলোৱে - গতিকে লিভিং কৰিব নালাগে নহয় - নিকাহ হোৱা মানে উই আৰ হাজবেণ্ড এণ্ড ৱাইফ । নিকাহ কৰাৰ পিচত আমি ৰেজিষ্টেশ্যনত গলো - তেতিয়াহে প্ৰশ্নটো আহিব। তেতিয়া ৰেজিষ্ট্ৰেশ্যনে ক'ব পাৰে উই কেন নট ৰেজিষ্টাৰ দিচ মেৰেজ । বা বিফোৰ মেৰেজ আহিলে ক'ব পাৰে যে এইটো ৰেজিষ্টাৰ নহ'ব - আপোনালোকৰ উপযুক্ত বয়স হোৱা নাই । আমিতো কোৱা নাই যে নিকাহ কৰাৰ বাবে নোটিচ দিব লাগিব । আপোনালোকে কনফিউচড কৰি কথাকেইটা কৈ আছে । নিকাহ কৰাৰ আগতে এইটো বা সেইটো কৰিব লাগিব- নো- নিকাহ কৰাৰ বাবে কোনো ৰেষ্ট্ৰিকশ্যন নাই - নিকাহ আপোনালোকে যেনেকৈ কৰায় তেনেকৈ কৰিব পাৰিব ।

**শ্ৰীআমিনুল ইছলাম,(মানকাছাৰ) ঃ** ছাৰ, এই পইন্টটোত মোৰ অলপ কনফিউজন আছে ।

চেকশ্যন- থ্রি - চাব ক্ল’জ- **২** - দা পাৰ্টিচ হেভ বিন ৰিচাইডিঙ উইদিন দা ডিষ্ট্ৰক্ট অব দা মেজিষ্ট্ৰেট- প্ৰচিডিঙটো আগতীয়াকৈ, **৩০** দিন আগতে নোটিচ দিয়াৰ যিটো ব্যৱস্থাৰ কথা কৈছে ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** ত্ৰিশ দিন আগতে যদি নোটিচ নিদিয়ে আপুনি নিদিয়ে আৰু এইটো যদি চাইল্ড মেৰেজ হয় - আমি কি কৰিম কওঁক ? আপোনালোকৰ কাৰণে আমি এটা গৰ্ভমেন্ট এমেণ্ডমেন্ট আমি ইয়াত আনিছো । আগতে আছিল পাৰ্টি হেচ বিন ডিচাইডিং এতিয়া আমি আইদাৰ অৱ দি পাৰ্টিছ- কৰিলো । যাতে হাজবেণ্ড ৱাইফৰ এজন সেইখন ডিষ্ট্ৰিকত থাকিলে হ’ব- ইজি হৈ গ’ল। কিন্তু নোটিচখন লাগিবই । নোটিচখন নট ফৰ মেৰেজ- নোটিচখন ফৰ ৰেজিষ্টেশ্যন । আপোনালোকে বিয়া আৰু ৰেজিষ্ট্ৰেশ্যনৰ মাজত কনফিউচ হৈ আছে ।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ,মানকাচৰ )ঃ** ছাৰ, মই এইটো কৈ আছো -আপুনি যিটো কৈছে - নিকাহ পিচত কৰিলে হ’ব ৰেজিষ্ট্ৰেশ্যন আগতে কৰিব লাগিব ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** আপোনালোকে এইটো বুজি পোৱা নাই- এইটো আপোনালোকক ফেচিলিটি দিছো । আজি কৰক কালি কৰক , পাঁচ বছৰ পিচত কৰক- ইট ইজ আপ টু ইউ । ধৰক আজি আপোনাৰ আৰু আপোনাৰ ৱাইফৰ বিয়া হৈছে কেতিয়াও ৰেজিষ্টাৰ কৰা নাই । কালি যদি বেংকে কয় আপোনাক মুছলিম ৰেজিষ্টেশ্যন লাগিব নহ’লে আপোনালোকৰ প্ৰপাৰ্টীটো ডিভাইড নহয় - তেতিয়া ৰেজিষ্ট্ৰেশ্যনৰ সুবিধা এটা আপোনাক আনি দিব নালাগিব জানো ? আজি বহু ক্ষেত্ৰত বেংকে কি কৰে - এজন মানুহ ঢুকালে । আমাৰ লক্ষিমপুৰ কেবিনেটত এটা ডাঙৰ ডিচিশ্যন হ’ব- গৰ্ভমেন্ট এমপ্লইৰ বাবে যে ঢুকালে - কি সুবিধা দিম । আমি এটা ডাঙৰ সুবিধা চৰকাৰী কৰ্মচাৰীসকলক দিব বিচাৰিছো - সুবিধাটো এটা চিষ্টেমত আহিব। হাজবেণ্ড ঢুকালে বেংকে ক’ব ৱাইফক যে আপুনি যে বৈধ ৱাইফ প্ৰমাণ কৰক । এইকাৰণে আমিতো সুবিধাটো দিব লাগিব। দহ-**১৫** বছৰ আগতে যদি নিকাহ হৈছে এতিয়া ৰেজিষ্ট্ৰেশ্যনটো কৰাই লওঁক । ইয়াত অৱজেকশ্যন কৰিব লগা একোৱেই নাই । গৰ্ভমেন্ট উদ্দেশ্যটো এটা নোবেল উদ্দেশ্য যে মুছলমানসকলে বিয়া পাতি মাটি বাড়ী বেংকৰ একাউন্টৰ কাৰণে যেতিয়াই ইচ্ছা নিকাহখন ৰেজিষ্টাৰ কৰিব পাৰে । ৪০ বছৰ আগতে পতা বিয়াও কেতিয়াবা বেংকত কামৰ বাবে আপোনালোকক প্ৰয়োজন হ’ব । আমিও কৰিব লগা হৈছে- পাচপোৰ্টত লাগে- বহু ক্ষেত্ৰতে লাগে সেই কাৰণে আমি এই সুবিধাটো দিছো , ৰেজিষ্ট্ৰেশ্যন যেতিয়াই ইচ্চা তেতিয়াই কৰিব।

**শ্ৰীচিদ্দিক আহমেদ, (দক্ষিন কৰিমগঞ্জ) ঃ** ছাৰ, আজিকালি দেখা গৈছে নিকাহ বা বিয়া হোৱাৰ এক মাহ নহওতে এৰা এৰি বা ডাইভোৰ্চ হৈ যায় । গতিকে নিকাহ হোৱাৰ পিচত এটা টাইম দিব লাগে ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** আপুনি কথাটো ঠিকেই কৈছে - কিন্তুএতিয়াই আমি বেছি ষ্ট্ৰিক কৰিব খোজা নাই । এইটো এক্টখনৰ বিগনিং হয় । এক্টখনত কোৱা হৈছে যে, ৰেজিষ্ট্ৰেশ্যন কৰক । আপোনালোকৰ কথা মই মানি লৈছো যে ব্ল’ক- জিপিলৈকে যাব । এপ্ৰিল মাহত এইটো আমি আলোচনা কৰিম বোলে ইমান কেছ বাঢ়ি গ’ল এতিয়া আমি ব্ল’কত যাম, ব্ল’কৰ পৰা জি পি ত যাম। দুটা ল’ৰাই চাকৰি পাব কিনো আছে, দুটা পদ ক্ৰিয়েট কৰিম প্ৰতি জি পি ত এজন মুছলমান ৰেজিষ্টেচন অফিচাৰ পদ ক্ৰিয়েট হ’ব আপোনালোকে ফিচ দিব, আপোনালোকৰ পইচাৰে দৰমহা পাব, দুটা ল’ৰা চাকৰি পাব। কোনেওতো বেয়া পাব লগীয়া নাই, মাছৰ তেলেৰে মাছ ভাজি যদি নিবনুৱা সমস্যা সমধান কৰিব পাৰি। তাততো কোনো কথা নাই, কেৱল আমি নিযুক্তি দিয়া মানুহ

জন মুছলমান হ'বও পাৰে, হিন্দুও হ'ব পাৰে এইটো এটা চিচটেমত হ'ব। জি পি ৰ সচিব জন যেনেকৈ হিন্দুও হ'বও পাৰে মুছলমানো হ'ব পাৰে সেইবাবে এইটো চেকুলাৰ নিযুক্তি হ'ব। Register will be a secular Register. তেওঁ এটা ধৰ্মৰে হ'ব লাগিব বুলি কোনো কথা নাই। যিটো এচ চি, এচ টি যি থাকে এইটো চিচ্‌টেমতে হ'ব জি পি ৰ সচিব যেনেকৈ হয়। দ্বিতীয়তে, মোহৰৰ ওপৰত কোনো নাই আৰু ৰেজিষ্ট্ৰেচন ফিচটো মই আজি কথা পাতি লম we will keep it minimum আৰু গাঁৱলৈকে গলে আমি আৰু কৰিম। আমাৰ কথাতো হ'ল ৰেজিষ্ট্ৰেচন হওক আৰু ইয়াত কোনো বেয়া ভাৱ নাই, আপোনালোকে একেবাৰে চিন্তা নকৰিব।

**ড° ৰফিকুল ইছলাম (জনীয়া)** ঃ বিয়াৰ কাৰণে চন্দ্ৰবাবু নাইডুৱে এক লাখ কৈ ছোৱালী বিলাকক দি আছে। আপুনিও কিবা এটা ঘোষণা কৰক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** যদি এজন এজন মুছলমান ল'ৰাই কৈ দিয়ে আমি এটাহে বিয়া কৰাম দুটা নকৰাও, তেতিয়াহলে কিবা এটা সুবিধা দিব পাৰি।

**ড° ৰফিকুল ইছলাম (জনীয়া)** ঃ এটা কৰোৱা সকলকে দিয়ক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** সেই কাৰণে আপোনালোকক মই এপিল কৰিছো আৰু মই যোগেন মহন ডাঙৰীয়াক অনুৰোধ কৰিম এক্টখন পাছ হোৱাৰ পিছত এদিন আপোনালোকক মাতিব। ইয়াত কৈছে কেটে বিলাক বাৰে বাৰে এমেণ্ডমেন্ট কৰো। It is a strength of democracy. এইটো নিগেটিভ কথা নহয়। যদি আমি বিৰোধীৰ কথা শুনি বাৰে বাৰে এই আইন খন সংশোধনত আনো এইটো আপোনালোকে ভালহে পাব লাগে। যে চৰকাৰে শুনে। গতিকে after this Act. is passed কাৰণ এতিয়া এইখন ৰিপিল হৈ গ'ল। এই খন নকৰিলে মানুহখিনিয়ে বিপদত পৰিব। এক্ট পাছ হোৱাৰ পিছত আপোনালোকৰ এপ্ৰিলৰ চেচনৰ আগত নৱেম্বৰতো আমাৰ চেচন হ'ব নৱেম্বৰ আৰু এপ্ৰিলৰ চেচনৰ আগত আপোনালোকে যোগেন মহন ডাঙৰীয়াৰ লগত এখন মিটিং পাতিব। বিশেষকৈ যি কেইজনে আজি পাৰ্টিচিপেট কৰিলে বা যোন আহিব খোজে, আমাৰ বিষয়া সকলো থাকিব। যিমান ব্যৱহাৰিক অসুবিধা আপোনালোকে দেখা পাই সেইখিনি কৰিম আৰু মই আজি নিজে হাউচত আশ্বাস দিছো যে নৱেম্বৰত আমি এটা এমেণ্ডমেন্ট্ আনিম যে not only sub-register, any other officer appointed by Government. যাতে ৰাস্তাটো খুলি যায়, sub-registerৰ বাহিৰতো যাতে ৰেজিষ্ট্ৰেচন হ'ব পাৰে। Meanwhile আমি কেৰেলা আৰু জন্মুকাশ্মীৰৰ চিচ্‌টেমটো অধ্যায়ন কৰি লম আৰু যদি সুবিধা কৰিব পাৰি আমি আৰু সুবিধা কৰিম, বাহিৰত এনেই বদনাম কৰি থাকে যে এইটো কাজী সকলে বেয়া পাওক কিন্তু এইটো মুছলমানৰ বিৰূদ্ধে নহয়, কাজীৰ বিৰূদ্ধে হ'ব পাৰে। সেই কাৰণে আপোনালোকৰ আৰু বাৰে বাৰে এই আইন খন পঢ়াইছো যে ডি টো আপোনালোকে এবাৰ পঢ়ি ল'ব। গতিকে 2 D টো ৰ পিছত কাৰো আপত্তিয়ে থাকিব নালাগে। Complete muslim personal law a islamic ritual. গতিকে এইটো নপঢ়াকলৈ আগত যোৱাৰ কাৰণে আমাৰ অসুবিধা হৈ আছিল। গতিকে মই হাউচক অনুৰোধ কৰিম যে আপোনালোকে এমেণ্ডমেন্ট খিনি উঠাই লক, টেক্‌নিকেল আইডাৰটো খিনি আমি লিখি দিম। Either of the party যি বিলাক জিলা আমি লিখি দিম। আৰু বাকীও যদি কিবা ব্যৱহাৰিক আপোনালোকৰ এমেণ্ডমেন্টত দাবি কলা কিবাৰ কাৰণে কনফিউজন হ'ব পাৰে ঠিক কৰি দিম। নৱেম্বৰত আৰু এটা এমেণ্ডমেন্ট আনিম যে not only sub-register, any officer appointed by the Government. যাতে আমি জি পি, বি ডি অ' সবলৈকে যাতে বস্তুটো লৈ যাব পাৰো। হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মই এতিয়া প্ৰস্তাৱটো সদনত ভোট দানৰ বাবে ৰাখিলো। প্ৰশ্নটো হ'ল যে The Assam Compulsory Registration of Muslim Marriages and Divorces Bill,2024 বিধেয়ক খন বিবেচনাৰ বাবে লোৱা হওক। যি সকল মাননীয় সদস্য সপক্ষে আছে কওক হয়, যি সকল মাননীয় সদস্য বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপেক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল। এতিয়া সদনত বিধেয়ক খন দফাই দফাই বিবেচনা কৰাৰ বাবে ৰখা হ'ল। ২ নং দফাত মাননীয় সদস্য শ্ৰীআমিনুল ইছলাম আৰু তেখেতৰ সহযোগীৰ সংশোধনী আছে, আপোনালোকে উঠাই লবনে?

**শ্ৰীআমিনুল ইছলাম(কনিষ্ঠ, মানকাচৰ)** ঃ অধ্যক্ষ মহোদয়, আজি এটা বিস্তাৰিত আলোচনা হ'ল। কিন্তু আমি গম পালো যে ইয়াত যথেষ্টখিনি কাৰিকেল মিছটেক হ'ল বা আমি যিখিনি সংশোধনী বিচাৰিছিলো ইয়াত আছে আৰু  মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই হাউচত এটা আশ্বাস দিছে যে আকৌ অক্টোবৰ, নৱেম্বৰত আমি অফিচাৰ আৰু ৰাজহ মন্ত্ৰীৰ লগত বহিব লাগিব, সেই গতিকে আমি এইটো যিহেতু কালি ৰাতি ১১ বজাত এই বিলটো পাইছো বা আমি আজি আহিব বুলি জানিছো আৰু অলপ অধ্যায়নৰ প্ৰয়োজন আছে। সেই কাৰণে আজি আমি এইটো উঠাই নলই আমি অলপ সময় বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ উঠাই নললে নাথাকিব এইটো।

**শ্ৰীআমিনুল ইছলাম(কনিষ্ঠ, মানকাচৰ)** ঃ সেইটো বেলেগ কথা। এই মুহূৰ্তত উঠাই লোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, আমিনুল ইছলাম আৰু তেখেতৰ সহযোগীৰ সংশোধনী প্ৰস্তাৱটো সদনত দাঙি ধৰিলো  যি সকল মাননীয় সদস্য সপক্ষে আছে কওক হয়, যি সকল মাননীয় সদস্য বিপক্ষে আছে কওক নহয়, মই ভাৱো নহয়ৰ সপেক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংশোধনী প্ৰস্তাৱটো নাকচ হ'ল।

প্ৰশ্নটো হ'ল ২ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য সপক্ষে আছে কওক হয়, যি সকল মাননীয় সদস্য বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপেক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ২ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল।

৩ নং দফাত মাননীয় সদস্য শ্ৰীআমিনুল ইছলাম আৰু তেখেতৰ সহযোগীৰ সংশোধনী আছে, একেই, মই সংশোধনী প্ৰস্তাৱটো সদনত দাঙি ধৰিলো যি সকল মাননীয় সদস্য সপক্ষে আছে কওক হয়, যি সকল মাননীয় সদস্য বিপক্ষে আছে কওক নহয়, মই ভাৱো নহয়ৰ সপেক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংশোধনী প্ৰস্তাৱ কেইটা নাকচ হ'ল।

প্ৰশ্নটো হ'ল ৩ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য সপক্ষে আছে কওক হয়, যি সকল মাননীয় সদস্য বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপেক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৩ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল।

৪ নং দফাত মাননীয় বিৰোধী দলৰ দলপতি শ্ৰীদেৱব্ৰত শইকীয়া তেখেতৰ সহযোগীৰ এটা আৰু শ্ৰীআমিনুল ইছলাম আৰু তেখেতৰ সহযোগীৰ সংশোধনী আছে। দেৱব্ৰত শইকীয়া ডাঙৰীয়া উঠাই লবনে?

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলপতি)** ঃ ছাৰ, আমি যিহেতু মুখ্যমন্ত্ৰী ডাঙৰীয়াই নৱেম্বৰ মাহৰ চেচনতো কিবা থাকিলে পৰামৰ্শ দিবলৈ কৈছে আমি সংশোধনী কেইটা উঠাই লৈছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, আমিনুল ইছলাম।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ, মানকাচৰ)** ঃ একেই কথা আমি অলপ চাব বিচাৰিছো। আৰু অলপ

বিস্তাৰিত আলোচনাৰ প্ৰয়োজন আছে। এতিয়া উঠাই নলও।

**মাননীয় অধ্যক্ষ ঃ** সংশোধনী প্ৰস্তাৱটো উঠাই লোৱা নাই। এতিয়া মই সংশোধনী প্ৰস্তাৱটো সদনত দাঙি ধৰিলো যি সকল মাননীয় সদস্য সপক্ষে আছে কওক হয়, যি সকল মাননীয় সদস্য বিপক্ষে আছে কওক নহয়, মই ভাৱো নহয়ৰ সপেক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংশোধনী প্ৰস্তাৱ টো নাকচ হ'ল।

এতিয়া ৪ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য সপক্ষে আছে কওক হয়, যি সকল মাননীয় সদস্য বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপেক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৪ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল।

৫ নং দফাত মাননীয় বিৰোধী দলৰ দলপতি শ্ৰীদেৱব্ৰত শইকীয়া তেখেতৰ সহযোগীৰ এটা আৰু শ্ৰীআমিনুল ইছলাম আৰু তেখেতৰ সহযোগীৰ সংশোধনী আছে। দেৱব্ৰত শইকীয়া ডাঙৰীয়া উঠাই লবনে?

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলপতি) ঃ** ছাৰ, আমি গোটেইখিনি প্ৰত্যাহাৰ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আমিনুল ইছলাম ডাঙৰীয়াই সংশোধনী প্ৰস্তাৱটো উঠাই লোৱা নাই। এতিয়া মই সংশোধনী প্ৰস্তাৱটো সদনত দাঙি ধৰিলো যি সকল মাননীয় সদস্য সপক্ষে আছে কওক হয়, যি সকল মাননীয় সদস্য বিপক্ষে আছে কওক নহয়, মই ভাৱো নহয়ৰ সপেক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংশোধনী প্ৰস্তাৱ টো নাকচ হ'ল।

এতিয়া ৫ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য সপক্ষে আছে কওক হয়, যি সকল মাননীয় সদস্য বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপেক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৫ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল।

৬ নং দফাত মাননীয় বিৰোধী দলৰ দলপতি শ্ৰীদেৱব্ৰত শইকীয়া তেখেতৰ সহযোগীৰ এটা আৰু শ্ৰীআমিনুল ইছলাম আৰু তেখেতৰ সহযোগীৰ সংশোধনী আছে। দেৱব্ৰত শইকীয়া ডাঙৰীয়া উঠাই ললে। এতিয়া আমিনুল ইছলাম ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱটো সদনত দাঙি ধৰিলো যি সকল মাননীয় সদস্য সপক্ষে আছে কওক হয়, যি সকল মাননীয় সদস্য বিপক্ষে আছে কওক নহয়, মই ভাৱো নহয়ৰ সপেক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংশোধনী প্ৰস্তাৱ টো নাকচ হ'ল।

এতিয়া ৬ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য সপক্ষে আছে কওক হয়, যি সকল মাননীয় সদস্য বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপেক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৬ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল।

৭ নং দফাত মাননীয় বিৰোধী দলৰ দলপতি শ্ৰীদেৱব্ৰত শইকীয়া তেখেতৰ সহযোগীৰ এটা আৰু শ্ৰীআমিনুল ইছলাম আৰু তেখেতৰ সহযোগীৰ সংশোধনী আছে। দেৱব্ৰত শইকীয়া ডাঙৰীয়া উঠাই ললে। এতিয়া আমিনুল ইছলাম ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱটো সদনত দাঙি ধৰিলো যি সকল মাননীয় সদস্য সপক্ষে আছে কওক হয়, যি সকল মাননীয় সদস্য বিপক্ষে আছে কওক নহয়, মই ভাৱো নহয়ৰ সপেক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংশোধনী প্ৰস্তাৱ টো নাকচ হ'ল।

এতিয়া ৭ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য সপক্ষে আছে কওক হয়, যি সকল মাননীয় সদস্য বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপেক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৭ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল।

৭ নং দফাটোৰ মাননীয় বিৰোধী দলৰ দলপতি শ্ৰীদেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী আৰু লগতে আমিনুল ইছলাম ডাঙৰীয়া আৰু তেখেতৰ সহযোগীৰ প্ৰস্তাৱ আছে মাননীয় শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগীয়ে উঠাই ল'লে এতিয়া শ্ৰীআমিনুল ইছলাম ডাঙৰীয়া আৰু তেখেতৰ সহযোগীৰ সংশোধনীৰ প্ৰস্তাৱটো দাঙি ধাৰিলো-

যি সকল সপক্ষে আছে কওঁক হয়, আৰু যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, সংশোধনী দুটা নাকচ কৰা হ'ল। প্ৰস্তাৱটো হ'ল এতিয়া ৭ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যি সকল সপক্ষে আছে কওঁক হয়,যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, ৭ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

৮, ৯ আৰু ১০ নং দফাত কোনো সংশোধনী নাই, মই এতিয়া ৮, ৯ আৰু ১০ নং দফাটো সদনত ভোটৰ বাবে ৰাখিলো। প্ৰস্তাৱটো হ'ল ৮, ৯ আৰু ১০ নং দফা কেইটা বিধেয়েক খনৰ অংশ হ'ব।

যি সকল সপক্ষে আছে কওঁক হয়,যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৮, ৯ আৰু ১০ নং দফাকেইটা বিধেয়েক খনৰ অংশ হ'ল।

১১ নং দফাত মাননীয় বিৰোধী দলৰ দলপতি শ্ৰীদেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগীৰ সংশোধনী আছে। আৰু তেখেতৰ সহযোগীয়ে উঠাই ল'লে, তাৰ কাৰণে ১১ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যি সকল সপক্ষে আছে কওঁক হয়,যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ১১ নং দফাটোা বিধেয়েক খনৰ অংশ হ'ল।

১২ নংৰ পৰা ১৭ নং দফালৈ কোনো সংশোধনী নাই। মই এতিয়া ১২ নংৰ পৰা ১৭ নং দফাকেইটা সদনত দাঙি ধৰিলো।

যি সকল সপক্ষে আছে কওঁক হয়,যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ১২ নংৰ পৰা ১৭ নং দফাকেইটা বিধেয়েক খনৰ অংশ হ'ল।

১৮ নং দফাত মাননীয় বিৰোধী দলৰ দলপতি শ্ৰীদেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগীৰ সংশোধনীৰ প্ৰস্তাৱ আছে। কিন্তু তেখেতসকলে উঠাই ল'লে, সেয়েহে ১৮ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যি সকল সপক্ষে আছে কওঁক হয়,যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ১৮ নং দফাটো বিধেয়েক খনৰ অংশ হ'ল।

১৯ নং দফাত মাননীয় বিৰোধী দলৰ দলপতি শ্ৰীদেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগীৰ সংশোধনীৰ প্ৰস্তাৱ আছে। কিন্তু তেখেতসকলে উঠাই ল'লে, সেয়েহে ১৯ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যি সকল সপক্ষে আছে কওঁক হয়,যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ১৯ নং দফাটো বিধেয়েক খনৰ অংশ হ'ল।

২০ নং দফাত মাননীয় বিৰোধী দলৰ দলপতি শ্ৰীদেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগীৰ সংশোধনীৰ প্ৰস্তাৱ আছে। কিন্তু তেখেতসকলে উঠাই ল'লে, সেয়েহে ২০ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যি সকল সপক্ষে আছে কওঁক হয়,যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ

সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ২০ নং দফাটো বিধেয়েক খনৰ অংশ হ'ল।

২১ নং দফাটোত কোনো সংশোধনী নাই, ২১ নং দফাটো বিধেয়েক খনৰ অংশ হ'ব।

যি সকল সপক্ষে আছে কওঁক হয়,যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ২১ নং দফাটো বিধেয়েক খনৰ অংশ হ'ল।

২২ নং দফাত মাননীয় বিৰোধী দলৰ দলপতি শ্ৰীদেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগীৰ সংশোধনীৰ প্ৰস্তাৱ আছে। কিন্তু তেখেতসকলে উঠাই ল'লে, সেয়েহে ২২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যি সকল সপক্ষে আছে কওঁক হয়,যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ২২ নং দফাটো বিধেয়েক খনৰ অংশ হ'ল।

২৩ নং ৰ পৰা ২৫ নং লৈ দফাকেইটাৰ কোনো সংশোধনী নাই এতিয়া ২৩নংৰ পৰা ২৫ নং দফাকেইটা বিধেয়েক খনৰ অংশ হ'ব।

যি সকল সপক্ষে আছে কওঁক হয়,যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ২৩ নংৰ পৰা ২৫ নং দফাকেইটা বিধেয়েক খনৰ অংশ হ'ল।

২৬ নং দফাত মাননীয় বিৰোধী দলৰ দলপতি শ্ৰীদেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগীসকলৰ সংশোধনীৰ প্ৰস্তাৱ আছে। কিন্তু তেখেত সকলে উঠাই ল'লে, সেয়েহে ২৬ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যি সকল সপক্ষে আছে কওঁক হয়,যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ২৬ নং দফাটো বিধেয়েক খনৰ অংশ হ'ল।

বিধেয়েক খনৰ ৫ খন অনুসূচী আছে, মই এতিয়া অনুসূচী ৫খন সদনত ভোট দানৰ বাবে ৰাখিলো। পাঁচোখন অনুসূচী বিধেয়েকখনৰ অংশ হ'ব।

যি সকল সপক্ষে আছে কওঁক হয়,যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে অনুসূচীকেইখন বিধেয়কখনৰ অংশ হ'ল।

মই এতিয়া১ নং দফা অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনাম সদনত ভোটদানৰ বাবে ৰাখিলো। প্ৰস্তাৱটো হ'ল ১ নং দফা অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যি সকল সপক্ষে আছে কওঁক হয়,যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ১ নং দফা অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনাম বিধেয়কখনৰ অংশ হ'ল। এতিয়া মাননীয় মন্ত্ৰী, আপুনি সংশোধনৰ কথাটো লগত উল্লেখ কৰি দিব।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Compulsory Registration of Muslim Marriages and Divorces Bill, 2024. চৰকাৰী সংশোধনী সহ পাৰিত কৰণৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** - প্ৰস্তাৱটো হ'ল যে বিধেয়কখন পাৰিত কৰা হওঁক-

যি সকল সপক্ষে আছে কওঁক হয়,যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখনো চৰকাৰী সংশোধন সহ পাৰিত কৰা হ'ল। এতিয়া আছে আইটেম নং ১৩। মাননীয় মন্ত্ৰী-

**শ্ৰী যোগেন মোহন (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Land and Revenue Regulation (Second Amendment) Bill, 2024. বিবেচনাৰ বাবে সদনত

উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** - মাননীয় ভৰত চন্দ্ৰ নৰহ।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, নাওঁবৈছা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে যিThe Assam Land and Revenue Regulation (Second Amendment) Bill, 2024. বিলখন আনিছে, এনেই ছাৰ বিলখন দেখাত ভাল, ভাল বিল এখনেই আনিছে। কিন্তু ছাৰ, ইয়াত কিছুমান, হয়তো চৰকাৰে খুব খৰখেদা কৰি আনিলে, মই এইটো চৰকাৰক জনাব বিচাৰিছো যে ইয়াত ছাৰ বিশেষকৈ মাজুলীৰ ক্ষেত্ৰত লিখিছে The entire District shall be protected area for the purpose of protection of iconic heritage institution existing therein অৰ্থটো এনেকুৱা হ'য় গোটেই মাজুলী District টোৱেই iconic heritage institution ৰ কাৰণে protection কৰা হ'ব। কিন্তু ছাৰ সেইটো হোৱাৰ লগে লগে আমাৰ তাত যিবিলাক original inhabitant মানুহ আছে, এই মানুহবিলাকৰ কথাটো আগতে আগত আহিব লাগে। মই ছাৰ এইটো ক'ব বিচাৰিছো যে The entire District shall be protected area for the purpose of protection to the original inhabitant and the iconic heritage institution existing therein

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ আপুনি বিচাৰিছে যে তাত original inhabitant শব্দটো আহিব লাগে। Actually for the purpose of this Act বুলি ক'লে, এইটো already meaning কৰে, আপুনি যদি বিচাৰিছে লাইনটো আমি লিখি দিম।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈছা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ঠিক আছে, আৰু ইয়াত যিটো কৈছে Clause 176(1) ত আছিল এতিয়া ছাৰ, ১৭৭ আৰু ১৭৮ ত আছে যে মাজুলীৰ entire District টো protected area কৰা হ'ব। কৰাৰ পাছত ইয়াত ছাৰ লিখিছে যে no person who unauthorisely occupies or possess any land surrounding such iconic heritage institution as notified under sub Section 1 and shall not occure any right or title over such land আৰু ১৭৮ ত লিখিছে ছাৰ এইটো unauthorise occupants ক eviction কৰিব পাৰিব District Commissioner য়ে। ছাৰ এতিয়া unauthorised occupants বুলি কি বুজাব বিচাৰিছে? মাজুলীত ছাৰ মিচিং মানুহ আছে, দেউৰী আছে, সোনোৱাল আছে। SC মানুহ আছে, general মানুহ আছে। বহুতৰ মই জনা মতে unauthorised occupants মানে কি? যাৰ ম্যাদী পট্টা নাই?

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি যদি এনেকুৱা এটা মেচেজ দিয়ে, তেতিয়া মাজুলীৰ লাইনটোৱে মই ড্ৰপ কৰি দিছো। কাৰণ আপুনি বস্তুটো এতিয়ালৈ encroachment, ইটো সিটো লৈকে বঢ়াই বঢ়াই এটা অদ্ভুত situation কৰি দিব। তাত অৰ্থটো হ'ল those who are not original inhabitant. Act খনৰ purpose টো পঢ়ক। purposeটোdefination টো পঢ়ক। অধ্যক্ষ মহোদয় মাজুলী লাইনটো আমি ড্ৰপ কৰি দিছো। আপুনি এনেকুৱা এটা কথা কৈ দিলে, পিছত আকৌ মাজুলিটো চিন্তা কৰি লৈ আনিম। অধ্যক্ষ মহোদয়, আমাৰ intention টোত যদি কালি আকৌ এটা মাজুলীত নতুন আন্দোলন হৈ যাওঁক। গতিকে মই খুব sensitive মানুহ। আপোনাৰ এই বক্তব্যটো এতিয়া ভিডিঅ' হ'ব। ভিডিঅ' হৈ ই circulationত যাব, আৰু গৈ মানুহৰ মনত হাজাৰটা প্ৰশ্ন উদয় হ'ব।। সেই কাৰণে অধ্যক্ষ মহোদয়, এইটো আলোচনাতে আমি নাযাওঁ। মাননীয় অধ্যক্ষ মহোদয়, The Provision

regarding the Majuli may be droped. আমি মাজুলীৰ কাৰণে বেলেগ কৰি আনিম। নহ'লে মোৰ যিটো purpose আছিল, সেইটোৰেই নোহোৱা হৈ যাব।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈছা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাজুলীৰ protection হোৱাটো বিচাৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাজুলীৰ protection ৰ কাৰণে আপোনাৰ লগত আলোচনা কৰি পিছত Act ত Amendment লৈ আহিম। আজিৰ দিনত মাজুলীত আমি special Provision এটা আনিছিলো যাতে গোটেই জিলাখন protect হয়।

Continue. SC/ST ইমানলৈকে গুচি গ'ল। এতিয়া মই ইয়াত যিমানেই বুজাই নাথাকো কিয়? ই এটা political মোৰ লৈ ল'ব। সেইকাৰণে যিহেতু এই গোটেই বস্তুটো পিচত মাজুলীৰ ৰাইজে বিবেচনা কৰি থাকিব। মাজুলীৰ chapter টো এতিয়া আমি drop কৰি iconic structure লৈ আহো। এই portion টো আমি provide (25) পৰ্য্যায়ক্ৰমে drop কৰি ৰাখিছো।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** চাৰ, মই যিখিনি কথা কৈছিলো Chapter 12 ত নতুনকৈ insert কৰিব বিচাৰিছো Chapter 10 ৰ ওপৰত মই ক'ব বিচাৰিছো যে মাননীয় মুখ্যমন্ত্ৰীয়ে যিটো proposal দিছে acceptable য়ে হয়। 100% Tribal য'ত আছে 100% Scheduled Caste আছে, এই গাওঁবিলাকক Micro Protected block বনাব। তাৰ কাৰণে Cabinate Sub-Commmittee বনাইছে। ডাঃ ৰণোজ পেগু আৰু এজন মাননীয় মন্ত্ৰীক দি বনাইছে। এইটো ভাল কথা হৈছে। কিন্তু চাৰ, 100% Tribal Village এই শব্দটোৰ লগত যোগ দিব 100% Tribal Village বুলি ক'লে অকল গাওঁখনহে বুজাব। 100% Tribal Village and hit Agricultural Land and gagging Land .Agricultural Land and gagging Land &gagging Landআৰু ডাঃ ৰণোজ পেগু , Cabinet sub committee ৰ Member ইয়াত আছে। মই আপোনাক জনাব বিচাৰিছো Agricultural Land and gagging Landএই ক্ষেত্ৰত অকল গাওঁ বুলি ক'লেই নহ'ব।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, (মুখ্যমন্ত্ৰী) ঃ** Tribal কাৰণে যি কৈছে সেইটোত মই Agree কৰিছো আৰু gagging আৰু কিবা কিবিৰ ক্ষেত্ৰত আপুনি যি Defination আগবঢ়াব, যিমান ক'ব তাত মই ১০০ শতাংশ Agree কৰি দিছো।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** এইটো propose কৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, (মুখ্যমন্ত্ৰী) ঃ** ইয়াত নায়েই। এই শব্দটোৰেই নাই।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** চাৰ, ইয়াত Statement ত object & Resolution ত লিখা আছে। proposed কৰিছে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** এইটো proposed বুজিছো, কিন্তু Act ত ইয়াত নাই।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, নাওঁবৈচা ঃ** পিছলৈ আনিম বুলি ইয়াত লিখিছে।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, (মুখ্যমন্ত্ৰী) ঃ** পিচলৈ আহিব। Cabinet sub committee খনে আপোনাৰ লগত কথা পাতি ল'ব। জনজাতীয় লোকৰ সংৰক্ষন আৰু সুৰক্ষাৰ কাৰণে আপোনাৰ যিমান positive পৰামৰ্শ হয় we will accept it.

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, নাওঁবৈচা ঃ** অধ্যক্ষ মহোদয় মই বিশেষকৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো। আৰু ডাঃ ৰণোজ পেগু ডাঙৰীয়াকো ক'ব বিচাৰিছো যে আপুনি Micro pro-

tected Block যেতিয়া বনাব, গাওঁৰ List যেতিয়া prepare কৰিব বিশেষকৈ কিছুমান গাওঁ আছে য'ত Revenue য়ে কয় এইটো আমাৰ মাটি Forest য়ে কয় এইটো আমাৰ মাটি। এতিয়া Revenue য়ে Survey কৰা নাই Forest য়েও Survey নকৰে। এনেকুৱা আমাৰ Tribel গাওঁ আছে। এইবিলাক আপোনালোকে Forest ৰ মাটি যদি Forest ক দিয়ক আৰু Revenue ৰ যদি Revenue ক দিয়ক। য'ত Forest ৰ মাটি হ'লে Forest place য়ে হ'ব Revenue ৰ হ'লে Revenue হ'ব। এতিয়া বস্তু টো এনেয়ে পেলাই থৈছে। Revinue য়ে নুচুৰে Forest য়েও নুচুৰে। মই লাগিলে আপোনাক News টো দি দিম। এনেকুৱা গাওঁ আছে আমাৰ। আৰু চাৰ, এই Micro Protected Block যিটো বনাব সেইটোট আমাৰ যিটো Forest Village আছে, এই Forest Village বিলাকো ইয়াত include কৰিব পাৰে নেকি?Micro Protected Block মই এইখিনি কথা বিশেষকৈ ডাঃ ৰণোজ পেগু ডাঙৰীয়াক কৈছো যে যিটো Forest Village মৰিগাওঁ ৰ Forest Village বিলাক প্ৰায় বিলাক ৯০ শতাংশ Tribal গাওঁ হয় আৰু ১০% Scheduled Caste ৰ গাওঁ আছে তাত। General গাওঁতো নায়েই। এই List ত Forest Village টো include কৰিব পাৰে নেকি। বিবেচনা কৰিব পাৰে। চাৰ, এই খিনিয়েই মোৰ ক'ব লগা আছিল।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ভূৱন গাম, (মাজুলী) ঃ** মাননীয় অধ্যক্ষ মহোদয় সন্মানীয় ভৰত নৰহ ডাঙৰীয়াই তেখেতৰ সমষ্টিৰ যি কয় কওঁক, তাত মোৰ ক'বলগীয়া নাই। মাজুলীৰ ৰাইজে যিটো বিচাৰিছে, অসমৰ যিটো বৰপেটা সত্ৰ আৰু বটদ্ৰবা মাজুলীৰ ৰাইজে heritage Belt & Block সেইটো বিচাৰিছে। আৰু তেখেতে যিদৰে কৈছে, তেখেতে কোৱা মতে যদি আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই Drop কৰিব নালাগে আৰু আজিৰ দিনতোতে আগবঢ়াই লৈ যাব লাগে বুলি ভাবিছো। মই এটা কাৰণেই কৈছো, কংগ্ৰেছ য়ে কোনোদিন মাজুলীৰ Development কৰা নাছিল। কাৰণ আজি আমাৰ BJP চৰকাৰ অহাৰ পিছত যি ধৰণে উন্নত হ'ল, কোনোৰে কল্পনা কৰা নাছিল যোৰহাট মাজুলিৰ দলং হ'ব কোনোৰে কল্পনা কৰা নাছিল ধুনাগুৰী দলং হ'ব আৰু কোনোৰে কলপনা কৰা নাছিল ডিব্ৰুগড় ৰ পৰা মাজুলি লৈকে টু-লেন হ'ব, ঢকুৱাখানাৰ ৰাস্তা হ'ব কোনোৰে কল্পনা কৰা নাছিল। কংগ্ৰেছৰ দিনত কোনো কাম হোৱা নাছিল। সেয়েহে কংগ্ৰেছৰ দিনত কাম নোহোৱাৰ বাবে মই তেখেতক মাজুলীৰ বিষয়ে ক'ব মানা কৰিছো আৰু মাজুলী ৰাইজে যি বিচাৰিছে সেইমতে হ'ব লাগে বুলি মই ভাবো। কাৰণ আজি আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যাতে এইধৰণে আমাক Bill বোৰ পাচ কৰিব লাগে । মই এই কথা টোকে ক'ব বিচাৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, (মুখ্যমন্ত্ৰী) ঃ** মই মাননীয় বিধায়ক মহোদয়ক অনুৰোধ কৰিম যে যিহেতু মাজুলী এটা Sensitive area আৰু ভৰত নৰহ ডাঙৰীয়াই কথাখিনি উল্লেখ কৰাৰ কাৰনে ইয়াত এটা সন্দেহ হ'ব আৰু এটা মানুহৰ মাজত ভুল বুজাবুজিৰ সৃষ্টি হ'ব, কাৰণ আমাৰ ভাল কামটোত এটা অসুবিধা সৃষ্টি হ'ব। গতিকে নৱেম্বৰ ত আমি মাজুলীৰ clause টো লৈ আহিম। বৰ্তমান সময়ত আজিৰ দিনটোত আমি মাজুলীৰ clause টো নাৰখাকে পাৰ কৰি দিওঁ। যিহেতু নৱেম্বৰ মাহলৈ বেছি দিন নাই গতিকে আপোনাৰ লগত ভৰত নৰহকো দেখুৱাই, যিহেতু উদ্দেশ্যটো তেখেতে কৰিব নালাগে বুলি কোৱা নাই। মাজুলীৰ point টো নৱেম্বৰ মাহত লৈ আহিম। আজি নালাগে, কাৰন Un-nesessary মানুহৰ মাহত এইটো লৈ খেলিমেলি আৰম্ভ হৈ থাকিব । গতিকে মাজুলীৰ বিষয়টো মই সদনত প্ৰতিশ্ৰুতি দিছো। নৱেম্বৰ মাহত মই লৈ আহিম।

**মাননীয় অধ্যক্ষ ঃ** ভূৱন পেগু।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** নৱেম্বৰ মাহলৈকে যাতে কোনো মানুহে মাটি কিনিব নোৱাৰে তাৰো এটা order দি দিম, যে এই কেইদিন কোনোৱে Regisration কৰিব নোৱাৰিব।

**মাননীয় অধ্যক্ষঃ** ভূৱন গাম, বিধায়ক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ**আপোনাৰ Sentiment টো মই বুজিছো, কিন্তু ভৰত নৰহ ডাঙৰীয়াৰও মাজুলী অলপ অলপ প্ৰভাৱ আছে। তাৰ ভিতৰৰ পৰাই কথা বিলাক উলিয়াই দি পেলাই ভাল বস্তু এখনকে বেয়া কৰি দিব। কিন্তু দহজন মানুহ আপোনাৰো ৰাজনৈতিক প্ৰতিদ্বন্দ্বী আছে।১০ টা paint উলিয়াই, এইটো point,এইটো উলিয়াব। সেইকাৰণে আমিও sincerely খুব positively আগবাঢ়িব লাগে। কাৰো মনত অলপো সন্দেহ নথকাকৈ ,নহ'লে এতিয়া ইয়াত authorised accupants মানে কাক বুজাইছে সি তিনিতা Generation নহয়। কাক বুজাইছে,এইখন Act ৰ definition ত কিন্তু এতিয়া ইমান ভিতৰলৈকে কোন যাব পাৰিব? ফট কৰি ক'ব যে আপোনাৰ টো মাটি নাই। গতিকে আপোনাৰ মাটি allote হোৱা নাই। গতিকে আপুনি ইয়াত বহি আছে। গতিকে আপুনি Unauthorised occupant, আপোনাৰ eviction হ'ব। যেতিয়া এই ধৰণৰ কথাবোৰ ক'বলৈ আৰম্ভ কৰিব আপুনি উওৰ দিব নোৱাৰিব। আৰু Last আপোনাৰো ৰাজনৈতিক ভাবে ক্ষতি হ'ব আৰু মহান উদ্দেশ্য এটা বেয়া হৈ যাব। সেইকাৰণে, আজি হ'ল আগষ্ট September october নৱেম্বৰ তাতে আমি লিখি দিলো যে The ... authorised occupants definition inludes all original inhabitance including those who are there in the Govt. Land. বুলি কৈ দিলে লেঠাটো মৰি গ'ল। একদম clear কৰি লৈ আহিম। তেতিয়া আৰু শব্দটোৱে গণ্ডগোল নহয়। আজিৰ দিনতো থাকক। আমি মাজুলীৰ part টো নৱেম্বৰত কৰি ল'ম।

**শ্ৰী ভূৱন পেগু, (জোনাই)ঃ** অধ্যক্ষ মহোদয় এই ৪ -৭ Assam Land & Revenue Regulation Act(1886 ).ইয়াত Chapler -10 include যেতিয়া হৈছিলে, এতিয়া Chapter-12 -include হ'ব গৈ আছে Amendment হৈ আৰু Chapler -10 include কোনে কৰিছিলে বুলি যদি কয়, অসমৰ আমাৰ প্ৰথম জনপ্ৰিয় মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈ ডাঙৰীয়াই আনিছিলে chapter-10. ১৯৪৭ ত আৰু Reveune Minister আছিল তেতিয়া বিষ্ণুৰাম মেধি আৰু এতিয়াও Chapler 12 insert কৰি আছে আমাৰ অসমৰ মুখ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই। তেতিয়াও খিলঞ্জীয়া মানুহক নিৰাপত্তা দিয়াৰ কাৰণে chapter -10 অনা হৈছিল। এতিয়াও chapter -১২ টোক খিলঞ্জীয়া মানুহক নিৰাপত্তা দিবৰ বাবে আনিব বিচাৰিছে। অধ্যক্ষ মহোদয়, এই যে স্বাধীনতাৰ লগে লগে, ১৯৪৭ ত Chapter -১০ যে আনিলে, কি পৰিস্থিতিত আনিব লগীয়া হ'ল? এই আইখন কিয় ইমান গুৰুত্ব পূৰ্ন আছিলে? যে ভাৰত স্বাধীন হোৱাৰ পিছত প্ৰথমজন মুখ্য মন্ত্ৰীয়ে দিয় এই আইনখন আনিলে? chapter-10 ত কিয় clause টো ভৰাই দিলে? আৰু আজি chapter ১২ টো after 75 years কিয় আনিব লগা হৈছে, এই কথাতো, chapter-10 অনাৰ আগত কি ঘটনা ঘটিছিলে এই কথাতো যদি উল্লেখ কৰা নাযায়, মই ভাবো যে আলোচনাটো incomplete হৈ থাকিব আমি বুজি নাপাম। অধ্যক্ষ মহোদয় তাৰ আগত যেতিয়া chapter-10 অনা হ'ল তাৰ পিছত যিখিনি বিধানসভাৰ মাজত আলোচনা হৈছে, তাৰ আগৰ panel Discussion বোৰৰ কেইটামান Report British ৰ দিনৰে, ইয়াৰ কথাবোৰত কি উল্লেখ আছে? In fact the creation of Tribal Belt &

Block had a direct relationship with the last scale of people from Estern Bengal present in Bangladesh, speceially from the Myanmar. The creation of Tribal belt and Block had a direct relationship with the large scale immigration of people from Eastern Bengal (present Bangladesh) specially from the Mymensingh area. The invasion of land hungry bengali immigrants, mostly Muslims,began sometime before 1911 and this is evident from the fact that in the census reports beginning from 1921. এই বিষয়টোৰ কথাবিলাক যেতিয়া বাৰে বাৰে আলোচনা হৈছিল তেতিয়া মাননীয় অধ্যক্ষ মহোদয়, খিলঞ্জীয়া মানুহক নিৰাপত্তা দিয়াৰ ক্লজ টোত বৃটিছে বনোৱা এই আইনখনত সংশোধনী আনিছে। দ্বিতীয়টো হ'ল Tribal belt and block. প্ৰথম প্ৰচেষ্টা আছিল British India ৰ দিনত first process was the line system. That was introduced in 1920. line system কিয় অনা হৈছিল খিলঞ্জীয়া মানুহক নিৰাপত্তা দিয়াৰ কাৰণে। তাত স্পষ্টকৈ লিখা আছে যে- The Line system was introduce in Assam from about the year 1920, with a view to restrict the unending flow of Bengal immigrants into and to restrict the settlement of such immigrants in certain areas for the protection of indigenous cutivators. Line system definite principle টো কি আছিল যে to restrict the indiscriminate conrush of the land grabbing immigrants to the detriment of the interest of the indigenous people. খিলঞ্জীয়া মানুহৰ মাটিৰ ক্ষেত্ৰত যিটো আগ্ৰাসন চলিছিল সেই আগ্ৰাসনক বন্ধ কৰিবৰ কাৰণে এই Line system টো অনা হৈছিল। Line system টো অনাৰ আগৰ আলোচনাৰ গোটেই ৰেকৰ্ডবোৰ মই চালো। যিবোৰ বৃটিছ ৰেভিনিউ অফিচাৰ সকলে দিছে। এইবোৰ আমাৰ এতিয়া ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰে বনোৱা নাছিল। তেওঁলোকে দিছে যে- In kamrup district the position had been much worsened. In this district in 1911 census,1921 census, 1931 census the number of immigrants population their actual number had increased more than 300 times in the Kamrup district. ৩০০ শতাংশলৈকে এই তিনিটা চেনচাচ ৰিপোৰ্টৰ পিছত বাঢ়ি গ'ল। মাননীয় অধ্যক্ষ মহোদয়, তাৰপিছত 1911 census ৰ পিছত 1911 census,1921census,1931census report then the Superintendent of census operation Mr. C.S. Mullan, I.C.S তেখেতে কৈছে যে - Those are startling figures and illustrate the wonderful rapidity with the lower Assam district are becoming colonies of Mymensingh of Muslim immigrants.এইটো বৰ ভয়ানক কথা। এইটো কোনোবা বি জে পি য়ে কৈছিল নেকি? বৃটিছ অফিচাৰ Mr. C.S. Mullan, I.C.S and he was the Superintendent of census operation. I will place all the record.

........................................সদনত হুলস্থুল...........................

**মাননীয় অধ্যক্ষ ঃ** তেখেতক কৈ থাকিবলৈ দিয়ক। ক'বলগীয়া থাকিলে পিছত ক'ব।

**শ্ৰী ভূৰন পেগু, (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Mr. C.S. Mullan য়ে ইমান

আচৰিত হৈ গৈছিল যে, তেখেতে কৈছিল - Wheresoever the carcass there will vultures gathered together. Where there is wasteland, thither flock the Mymensingh.

..........................................সদনত হুলস্থুল...........................

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ**মাননীয় অধ্যক্ষ মহোদয়, এইটো মাননীয় সদস্য শ্ৰী ভূৰন পেগু ডাঙৰীয়াৰ কথা নহয়, এইটো Mr. C.S. Mullan ৰ কথা, ইয়াত যুক্তি দিব লগীয়া কি আছে।

..........................................সদনত হুলস্থুল...........................

**শ্ৰী ভূৰন পেগু, (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তাৰ পিছত 1920 চনৰ Line system য়ে protection দিব পৰা নাই। কমিটিয়ে এইবোৰ কি হৈছে তাৰ ৰিপোৰ্ট বিচাৰিলে। ফলত কমিটিৰ ৰিপোৰ্টত হ'ল যে - The Line system Committee that the Tribal villages were the worst victims of unregulated encroachment of vacant land by the aggressive immigrants from Mymensingh resulting in disappearance of many tribal villages. The tribal inhabitants moved further into sub-montance zone. একেলগে ভুটান আৰু অৰুণাচনৰ সীমালৈকে tribal village এৰি যাব লগীয়া হৈছিল যাৰ ফলত ট্ৰাইবেল গাওঁবোৰ নাইকিয়া হৈ গৈছিল। তেওঁলোকৰ আগ্ৰাসনৰ স্বাৰ্থত। মাননীয় অধ্যক্ষ মহোদয়, line system ৰ ৰিপোৰ্টবোৰ পোৱাৰ পিছত তেতিয়াৰ আমাৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আৰু বিষ্ণুৰাম মেধি ডাঙৰীয়াই বিবেচনা কৰিলে যে লাইন প্ৰথাই দি নহ'ব tribal belt and block protection ৰ কাৰণে এখন আইন আনিব লাগিব। কিন্তু সেই আইনখন প্ৰথম যেতিয়া আলোচনাৰ বাবে আনিলে তেতিয়া Then Sir Sadulla again came into power in August,1942. It was a Muslim League Ministry and it again raised the Pandova's Box. In the name of Grow more Food campaign he encouraged fresh settlment of the immigrants even in the sub-montane areas inhabited specially by tribals. কথাটো সঁচা। This is History.

.............................. সদনত হুলস্থুল.......................................

**মাননীয় অধ্যক্ষ ঃ** তেখেতক ক'বলৈ দিয়ক। তেখেতে তথ্যৰ ওপৰত ভিত্তি কৰিহে কৈ আছে।

**শ্ৰী ভূৰন পেগু, (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত Mr. C.S. Mullan য়ে কৈছিল যে - British census Superintendent Mr. C.S. Mullan said in 1931 census report, if immigrants from then is Pakistan then continue this migration and land dakhal then Sivasagar is the only district where is Assam is well get themselves in their own home. শিৱসাগৰক বাদ দি বাকী সকলো ধ্বংস হ'ব বুলি কৈছিল। এইটোৱে সঁচা ঘটনা। মাননীয় অধ্যক্ষ মহোদয়, It is last evidence that large scale immigration of people from Eastern Bengal and their land grabbing nature not only Government land but land belong into indigenous people of Assam including tribal land to the creation of tribal belt and block. Why tribal belt and block?

**শ্ৰী দেৱব্ৰত শইকীয়া, ( বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া এখন বিশেষ বিলৰ ওপৰত আলোচনা হৈ আছে। গতিকে বিলৰ বিষয়ে ক'লে ভাল হয়। এইটো হয় যে বৃটিছৰ নৰ্থ-ইষ্টৰ ক্ষেত্ৰত এটা divide and rule policy আছিল বুলি কয়।

**শ্ৰী ভূৱন পেগু, (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ ৰেকৰ্ডবোৰ চাই unstared Assembly question কেইটামান পালো। সেইবোৰ কেনেকুৱা হয় যে - The Budget Session of Assembly 1958 ত শ্ৰী কাৰ্কো চন্দ দলে, বিধায়ক তেখেতে কৈছিল যে - At the Budget Session of Assembly 1958, about encroachment in North Lakhimpur Tribal belt to be replied by Shri Hareswar Das, Hon'ble Revenue Minister, তেখেতে সুধিছে যে - Wheather it is a fact that some Muslim immigrants had encroached in the tribal belt and block in Borchala Map in Naobaicha Mouja, North Lakhimpur sub division. ইয়াত উত্তৰ দিছে যে - Yes. তাৰপিছত আকৌ কৈছে যে- Wheather Government propose to settle the land with the encroachers. তাৰপিছত কৈছে যে - In 1956 the S.D.C passed order for settlment of land in this village with 43 Muslim immigrants. But on receipt of complains sub divisional officer has stopped issue of pattas.

..............................................সদনত হুলস্থুল......................................

**মাননীয় অধ্যক্ষ ঃ** তেখেতে ৰেকৰ্ডৰ পৰা কৈ আছে। তাত কি আপত্তি থাকিব লাগে।

**শ্ৰী ভূৱন পেগু, (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, unstarred Assembly question..................

**মাননীয় অধ্যক্ষঃ** তেওঁ recordটো কৈ আছে । ৰেকৰ্ডটো কোৱাত কি আপত্তি থাকিব লাগে ?আপোনাৰখিনি তেওঁ কোৱা নাই নহয়। আপুনি কিয় নিজক কোৱা বুলি ভাৱি লৈছে? তেওঁ ৰেকৰ্ডটোহে কৈ আছে। তেওঁক ক'বলৈ দিয়ক।

**শ্ৰী ভূৱন পেগু ( জোনাই)ঃ** অধ্যক্ষ মহোদয়, আৰু এটা Unstarred Assembly Question asked by Pakhirai Deka, MLA in the Budget Session of Assembly, 1959 regarding encroachment in Silabonda, Mangaldoi to be replied by Hon'ble Minister, Revenue. ইয়াত সুধিছে- Whether it is a fact that there is a tribal belt and block in the name of Silabonda in Somabari Mouza in Mangaldoi sub-division? উত্তৰত দিছে- Yes. তাৰ পিছত সুধিছে- Whether it is a fact that some Muslim immigrants encroached land there and they are subsequently evicted? উত্তৰত দিছে- Yes......interruptions....

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া)ঃ** অধ্যক্ষ মহোদয়, স্বাধীনতাৰ আগতে চাৰ চৈয়দ মহম্মদ সাদুল্লা মুখ্যমন্ত্ৰী আছিল .......interruptions....

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ**মাননীয় অধ্যক্ষ মহোদয়, মই কেইদিন মানৰ পৰা দেখি

আছো যে আপোনালোকে অসম বিধান সভাৰ কথা ক'লে বেয়া পায়। তেওঁ অসম বিধান সভাৰ প্ৰশ্ন উত্তৰৰ কথা কৈ আছে। উত্তৰখিনি কংগ্ৰেছৰ মন্ত্ৰী সকলে দিছিল। আপোনালোকে যদি আমাৰ মানুহখিনিক এনেকৈ কথা ক'বলৈ নিদিয়াৰ পৰ্যায়লৈকে লৈ যায় তেন্তে বৰ ডাঙৰ কথা হ'ব। এই সদনত দেখিছো আপোনালোকে হিন্দু খিলঞ্জীয়া বিধায়কখিনিক কথা ক'বলৈ নিদিয়াৰ প্ৰৱণতা হৈছে। It is a very dangerous trend, যদি আপোনালোকে কয় যে এই trend টোৰ বিৰুদ্ধেও আমি সদনত যুঁজিব লাগিব, তেতিয়া বৰ ডাঙৰ ঘটনা হ'ব আৰু ই বাহিৰলৈ মেছেজ পঠাব। ভূৱন পেগুয়ে যদি এটাও নিজৰ কথা কৈছে তেন্তে তেওঁক ধৰক। But, these are the answers given by the Hon'ble Members of the Congress Party in the Assam Legislative Assembly. আপোনালোকে বিধান সভাৰ ৰেকৰ্ড এটাও পঢ়িবলৈ নিদিয়ে, হুলস্থুল কৰে, এইয়া কি নতুন trend? অধ্যক্ষ মহোদয়, আমি তেন্তে ক'ব লাগিব যে আমি কথা কওঁতে এ.আই.ইউ.ডি.এফ বা আন দলৰ বিধায়কসকল বাহিৰত থাকক, আমাৰ হোৱাৰ পিছত আপোনালোক আহিব, তেতিয়া আমি ওলাই যাম আৰু আপোনালোকে কথা ক'ব। তেনেধৰণৰ পৰিৱেশ এটাৰ সৃষ্টি হ'ব। আপোনালোকে সদনত ইতিহাসো ক'বলৈ নিদিয়ে। গোপীনাথ বৰদলৈক, বিষ্ণুৰাম মেধিক quote কৰিবলৈ নিদিয়ে। এই dangerous trend টো ক'ৰ পৰা আৰম্ভ কৰিলে? মই এইবাৰ দেখিছো। ইমান আগ্ৰাসী নহ'ব। মাটিৰ পিছত বিধান সভাখনো যদি আগ্ৰাসন কৰিব বিচাৰে, কেনেকৈ হ'ব? আপোনালোকে শুনিব লাগিব ........interruptions....

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া)ঃ** অধ্যক্ষ মহোদয়, আমি আগ্ৰাসী নহয়.......interruptions....

**মাননীয় অধ্যক্ষঃ** Please silent. তেওঁ ৰেকৰ্ডটোহে পঢ়ি আছে ........interruptions....

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া)ঃ** নিজৰ ৰাজ্যতে এখন জিলাৰ পৰা আন জিলালৈ যাব নোৱাৰি। বৰ্ণনাটো positively কৰক .....interruptions....

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** আপুনি এই কেইদিন কি নতুন কথা ওলাই আছে যে নিজৰ জিলাৰ পৰা আন জিলাত যাব নোৱাৰে? অসম বিধান সভাত আইন আছে যে ট্ৰাইবেল বেল্ট আৰু ব্লকত আপুনি যাব নোৱাৰে। আপোনালোকে এনেধৰণৰ অদ্ভুত কথা ক'লে অসমখন জ্বলি থাকিব .....interruptions....

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া)ঃ** মাজুলীক protect কৰাটো আমি বিচাৰো.......interruptions....

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃঃ** আপুনি আইনখন পঢ়াই নাই। এইখন মাজুলীৰ লগত জড়িত নহয়। মাজুলীৰ portion টো মই উঠাই দিলো, we are now talking about the iconic structure, chapter 12 of the Assam Land & Revenue Regulation Act. কিয় Chapter 12 আনিবলগীয়া হ'ল তেওঁ তাৰপটভূমি কৈ আছে। আপোনালোকে কথাখিনি শুনিব লাগিব। এইখন সদনত বহি যদি গোপীনাথ বৰদলৈ, বিমলা প্ৰসাদ চলিহা, শৰৎ সিংহ, হিতেশ্বৰ শইকীয়া, তৰুণ গগৈৰ statement শুনিব বেয়া পায়, তেন্তে ই ডাঙৰ ঘটনা হৈ যাব। আপোনালোকে প্ৰথমে কথাখিনি শুনি লওঁক। You have all the rights to rebuke him. মই যদি এনেকৈ ক'ৰবাত কওঁ, তেতিয়া মুছলিমসকল থিয় হৈ যায়, আপোনালোকে হিন্দু-মুছলমানৰ কথা কোৱাটো কেনেকৈ বন্ধ কৰিব? These are hard realities of our life. আমি এনেকৈতো secular হোৱা নাই। Census তো ধৰ্মৰ কথা সোধে। হিন্দু, মুছলিম,

খ্ৰীষ্টান আদি জীৱনৰ realities। এজনে কৈছে তেওঁ হিন্দু, তেওঁ মুছলমানৰ কথা নুশুনে। তেন্তে Census উঠাই দিয়ক। হিন্দু ধৰ্ম, মুছলমান ধৰ্ম উঠাই দিয়ক। কোনেও শুনিব নালাগে। সকলো মানৱতাবাদী হৈ যাওঁক। Let everybody be human. তেওঁ এজন ট্ৰাইবেল নেতা। কালি যদি বজাৰত ওলাই যায় যে মুছলমান বিধায়কখিনিয়ে ট্ৰাইবেল বিধায়কে কথা কোৱাটো বন্ধ কৰা আৰম্ভ কৰিছে, আপোনালোকে ৰাতিপুৰা ৰমাকান্ত দেউৰীক কেনেকুৰা কৰিছে। মই কৈ আছো যে মোৰ দিনত communal clashes হোৱা নাই। মই হাত যোৰ কৰি অনুৰোধ কৰিছো যে এই যি নতুন trend আৰম্ভ কৰিছে, Don't do this. কিবা যদি অসংসদীয় কথা কয়, তেতিয়া দাঙি ধৰিব......interruptions....

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** চাৰ আপুনি গোটেই ৰেকৰ্ডখিনি চাই ল'ব যে ৰাতিপুৱাৰ ঘটনাটো কি কাৰণে হৈছিল। ৰেকৰ্ডবোৰ straight হোৱাটো ভাল। ট্ৰাইবেল মানুহক যে কথা ক'ব নিদিব, তেনেকুৰা কেতিয়াও হ'ব নোৱাৰে ।

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্য আপুনি continue কৰক। অলপ চমুকৈ কব।

**শ্ৰী ভূৱন পেগু (জোনাই)ঃ** অধ্যক্ষ মহোদয়, মই বিধান সভাৰ প্ৰশ্নহে পাঠ কৰি আছিলো। তাৰ ৰেকৰ্ড কেইটামান ভাল লাগিল কাৰণে লৈ আহিলো। মই ১৯৫৮ ৰ বিধায়ক কাৰ্কোচন্দ্ৰ দলে, ১৯৫৯ ৰ বিধায়ক পখিৰায় ডেকাৰ ৰেকৰ্ডখিনি ক'লো। During the August Session, 1953 of Assam Legislative Assembly, বিধায়ক মালচন্দ্ৰ পেগুৱে regarding tribal belt and block in Nagaon district এটা প্ৰশ্ন কৰিছিল যে - Whether the Govt. is aware that large number of encroachers mostly of whom are Muslims from Pakistan had been encroaching wetlands of Bardongra, Lankabheta Tribal Block in Lanka Mouza in Nagaon district? ইয়াৰ উত্তৰ Radhika Ram Das, Hon'ble Revenue Minister দিছে যে- 303 persons had encroached upon land in Bardongra, Lankabheta Tribal Blocks of which 83 are immigrant Muslim. These are old records. মই যদি আৰু ৰেকৰ্ড আনিলোহেঁতেন, গোটেই খিনি যদি পাঠ কৰো আৰু গোটেই তথ্যখিনি যদি চায়, খিলঞ্জীয়া মানুহৰ চকুপানী ওলাব। তেওঁলোকৰ যি আগ্ৰাসন আৰু অফিচাৰবোৰে পইচা-পাতি লৈ যেনেকৈ সহায় কৰে তেওঁলোকক, সেইটো dangerous design আছিল সেই সময়ত। মই আজিও on record ক'ব বিচাৰিছো যে লোকপ্ৰিয় গোপীনাথ বৰদলৈ যদি অসমৰ প্ৰথম মুখ্যমন্ত্ৰী হৈ এই chapter 10 টো নানিলেহেঁতেন, অসম আজি পাকিস্তানত সোমালেহেঁতেন। These are facts. মই বহুত কথাত যোৱাই নাই। These are government documents, Assembly records. অধ্যক্ষ মহোদয়, এই chapter 10ৰ পাছত নতুনকৈ যি chapter 12 আনি আছে, যোৱাকালি মই ভাৱি আছিলো যে এইটো যদি কংগ্ৰেছ চৰকাৰে ৬০ৰ দশকতে আনিলেহেঁতেন, এই কথাবোৰ বুজি-মেলি কংগ্ৰেছ চৰকাৰে ৭০ দশকত যদি আনিলেহেঁতেন, খিলঞ্জীয়া মানুহৰ কথা ভাৱি কংগ্ৰেছ চৰকাৰে যদি ৮০ দশকত আনিলেহেঁতেন, অসম আন্দোলনো নহ'লহেঁতেন, আজি আমি খিলঞ্জীয়া মানুহৰ protection ৰ কথা আলোচনা কৰিব লগা নহ'লহেঁতেন। তেওঁলোকে কিয় নানিলে? কিয়নো পূৰ্ববংগীয় Muslim Immigrants ৰ ভোটৰ আশাত সেই সময়ৰ কংগ্ৰেছ চৰকাৰে খিলঞ্জীয়া মানুহৰ পক্ষত কোনো আইন নানিলে। মই ভাৱো আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰে এই কাৰণতে

আইনখন আনিছে যে এশ বছৰ পিছত পুনৰ বাৰ এনেকুৱা আলোচনা যাতে নহওঁক, আকৌ এবাৰ ইয়াত খিলঞ্জীয়া মানুহে থিয় হৈ ক'বলগীয়া নহয় যে আমাক আগৰ চৰকাৰবোৰে protection নিদিলে, আমাৰ মাটি-বাৰী কাঢ়ি ল'ব দিলে, আমাৰ জীয়ৰী-বোৱাৰীক হাত দিব দিলে, আমাৰ সভ্যতাক হাত লগাব দিলে। এই যি বিধেয়কখন আনিছে, সঁচাকৈ ঐতিহাসিক দিন। মই ভাবো আগলৈ ইয়াতকৈ আৰু কঠোৰ আইন আনিব লাগিব। মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক পুনৰবাৰ ধন্যবাদ জনাই এই বিধেয়কখনৰ সমৰ্থনত মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ ...

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)ঃ** চাৰ, মই মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ কৰিব বিচাৰিছো যে আমি Iconic Heritage Institution ৰ protection ৰ কাৰণে চৰকাৰে যিটো বিল আনিছে, সেইটো আমি সমৰ্থন কৰিছো। ইমান ভাল সিদ্ধান্ত লোৱাৰ বাবে আমি স্বাগতম কৰিছো । মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ কৰিব বিচাৰিছো যে সত্ৰসমূহৰ ৫ কিলোমিটাৰ যিটো ৰেডিয়াচ, সেইটো অলপ কমাই তাৰ ঠাইত ৩ কিলোমিটাৰ বা ৪ কিলোমিটাৰ কৰিব পৰা যায় নেকি ?

মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ভূবন পেগু ডাঙৰীয়াই যিখিনি কথা কলে, তেখেতে ঠিকে কৈছে যে গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধিৰ দিনতেই chapter 10 টো য'ত tribal belt and block ৰ কথা আছে, কিন্তু তেখেতে কথাৰ প্ৰসংগত এইটো নকলে যে গোপীনাথ বৰদলৈ কংগ্ৰেছৰ মূখ্যমন্ত্ৰী আছিল, বা বিষ্ণুৰাম মেধি কংগ্ৰেছৰ পৰা মুখ্যমন্ত্ৰী আছিল। মই সন্মানীয় সদস্য ভূবন পেগু ডাঙৰীয়াক আৰু এটা ক'ব খুজিছো তেওঁলোকে কংগ্ৰেছৰ মূখ্যমন্ত্ৰী আছিল যদিও অকল তেওঁলোকে এইটো কৰা নাই। যেতিয়া গোপীনাথ বৰদলৈ চৰকাৰ গঠন কৰিব বিচাৰিছিলে, তেতিয়া কংগ্ৰেছৰ মেজৰিটি নাছিল চৰকাৰ গঠন কৰিবলৈ আৰু সেই সময়ত (বৰ্তমানৰ মূখ্যমন্ত্ৰী মহোদয়েও জানিব) ট্ৰাইবেল বিধায়ক বিলাক কংগ্ৰেছত তেতিয়া নাছিল। তেতিয়া ৰূপনাথ ব্ৰহ্ম, ভীমবৰ দেউৰী তেওঁলোকৰ এটা organization কৰিছিল Assam Tribal League, এই Assam Tribal League য়ে গোপীনাথ বৰদলৈক জোৰ দিছিলে যে আপোনাক আমি support কৰিম চৰকাৰ গঠন কৰক যদি আপুনি chapter 10 টো আনি tribal block & belt সৃষ্টি কৰে। সেহ Assam Tribal League ৰ demand মতে কংগ্ৰেছে একেলগে চৰকাৰ গঠন কৰিবৰ কাৰণে chapter 10 টো আনিছিল। সেই কাৰণে আমি ৰূপনাথ ব্ৰহ্মক, ভীমবৰ দেউৰীক আমি পাহৰিব নোৱাৰো। আৰু তেতিয়াৰ Tribal League আমি পাহৰিব নোৱাৰো।

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ**মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সদনত এটা resolution হ'ব লাগে যে ৰূপনাথ ব্ৰহ্ম, ভীমবৰ দেউৰীক সন্মান জনাই trible belt and block ৰ পৰা অনাকংশিত লোকসকলক উচ্ছেদ কৰিব লাগে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, নাওঁবৈছা ঃ** মাননীয় মূখ্যমন্ত্ৰী মহোদয় এইটো মই সমৰ্থন নকৰো। আমাৰ লক্ষীমপুৰৰ যিবিলাক Tribal belt and block আছে, তাত মুছলমান মানুহ নাই, general মানুহ আছে।

(.... সদনত হুলুস্থুল)

**মাননীয় অধ্যক্ষ ঃ** let him complete...

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ**মাননীয় অধ্যক্ষ মহোদয়, অনাকাংশিত মানে হ্লthose who are in protected class, সন্মানীয় সদস্য ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই কলে যে non tribal

আছে। non tribal ত protected class আছে। আপুনি যদি general মানুহখিনিৰ কাৰণে কথাটো কৈছে, সেইটো ভাল কথা, আদৰণি জনাইছো। কিন্তু বহুত tribal belt and block আছে, তাত অকল general মানুহে নাই, .....

(.... সদনত হুলুস্থুল)

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, নাওঁবৈছা** ঃ .মাননীয় অধ্যক্ষ মহোদয়, মই সেই বিষয়টোলৈ যাব বিচৰা নাই, সেইটো মোৰ উদ্দেশ্যও নহয়। মাত্ৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ৫ কিলোমিটাৰ radious টো কমাব পাৰে নে নোৱাৰে, যদি পাৰে, সেইটো কমাবলৈ চেষ্টা কৰিব।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া সন্মানীয় সদস্য শ্ৰী মনোৰঞ্জন তলুকদাৰ।

**শ্ৰী মনোৰঞ্জন তলুকদাৰ, সৰভোগ** ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ ভুলৰ বাবে belt & block ত মানুহ সোমাইছে। আজি বছৰ বছৰ ধৰি, বহু দশক ধৰি belt & block ত বিভিন্ন মানুহ আছে। কিন্তু তাত অকল মুছলমান আছে এনে কথা নহয়। মোৰ সমষ্টিত মই দেখা পাইছো যে বিশেষকৈ belt & block তৰ গাঁৱৰ পিছত গাঁও অসমীয়া গাওঁ আছে। আজি যদি আমি তেওঁলোকক আতৰ কৰিব লাগে, তেতিয়াহলে আমি কৰবাতটো তেওঁলোকক থাকিবলৈ ঠাই কৰি দিব লাগিব। এইটো সম্ভৱ জানো? আৰু স্থানন্তৰণ যদি কৰে কৰক, আমাৰ আপত্তি নাই, যিকোনো মূল্যতে ৰক্ষা হ'ব লাগে। কিন্তু আজি বি টি আৰ গঠন হোৱাৰ পিছত....

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, কথাটো হ'ল যে Tribal belt & block সুৰক্ষিত হ'ব লাগে। চৰকাৰে বি টি আৰৰ Tribal belt & block ত জেনেৰেল মানুহখিনিক সুৰক্ষিত কৰিবৰ কাৰণে, লক্ষীমপুৰ, ধেমাজিৰ কথা কওঁ, তাত ইতিমধ্যে protected class ৰ সংজ্ঞাটো ইতিমধ্যে বহল কৰি পেলাইছে। আগতে ঢকুৱাখানাত চুটিয়া, আহোম, তেখেতসকল protected নাছিল। এতিয়া আমি গোটেইখিনি সংশোধনীৰ জৰিয়তে protected class ত ৬ জনগোষ্ঠীও অন্তৰ্ভূক্ত কৰিছো আৰু গোৰ্খাকো অন্তৰ্ভূক্ত কৰিছো। যদি আপোনালোকে কয় যে এইখিনিক বাদ দি কিমান জেনেৰেল মানুহ আছে, আমি এটা পিয়ল কৰিব পাৰো, which is ratio of 90:10। গতিকে তাতো যদি আমি কওঁ, ১৯৫১ চনত যিখিনি মানুহ আছিল সেইখিনি মানুহ protected class হৈ যাব, ৩ টা generation ৰ পৰা থকা। তাৰ পিছত কোন ওলাব আপোনালোকেও জানে। গতিকে জেনেৰেল মানুহখিনিক ঢাল হিচাপে লৈ আমি কাৰোবাৰ protection ৰ কথা ক'ব নালাগে। কথাটো হ'ল এইটোৱে যে আপোনালোকৰ মনত আছে, স্পষ্টভাৱে কৈ দিয়ক যে মুছলমান মানুহখিনিও দুখীয়া হয়, বানপানী, গৰাখহনীয়াৰ পৰা আহিছে, গতিকে উচ্ছেদ কৰিব নালাগে। it is find, তাত কোনো অসুবিধা নাই, এইটো এটা যুক্তি হ'ব পাৰে। কিন্তু যদি কয় যে জেনেৰেল মানুহখিনিৰ কাৰণে Tribal belt & block সুৰক্ষিত কৰিব নালাগে, তাৰ notification with required only 5 minutes যে ৩ টা জেনেৰেচন থকা মানুহখিনিক they will be protected under Tribal belt & block। তেতিয়া কিন্তু বাকী মানুহখিনি vulnerable হৈ যাব।

(সদনত হুলুস্থুল)...

সন্মানীয় সদস্য ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই যিটো আবেদন কৰিছে specific to the Bill, মই উত্তৰ দিম। কিন্তু যদি বিষয়টো পৰে তেতিয়াহলে জেনেৰেল মানুহখিনিৰ কাৰণে জনজাতীয় মানুহখিনি অসুৰক্ষিত নহয়, তাৰ ফৰ্মুলা আছে। কিন্তু গোটেই যিটো উত্তৰ, ইতিমধ্যে

সন্মানীয় সদস্য ভুবন পেগু ডাঙৰীয়া কলে, অতীজৰে পৰা জনজাতীয় বিধায়ক সকলে জেনেৰেল মানুহক লৈ কেতিয়াও প্ৰশ্ন উত্থাপন কৰা নাই। আপোনালোকে প্ৰশ্নৰ trend টো ল'ব নোৱাৰিলে। মাল পেগু, কাৰ্কি দলে যিমান জনৰ প্ৰশ্ন সুধিছে, identify the trend। কাক উদ্দেশ্য কৰি প্ৰশ্নবোৰ আহি আছিল।

মই সন্মানীয় CPIM ৰ বিধায়ক, even প্ৰমোদ গগৈ ডাঙৰীয়াৰো এই ক্ষেত্ৰত ভাল ভাল speech আছে, মই পঢ়িছো যে যিটোৱে আমাৰ মতবাতটোক সমৰ্থন কৰে। Communist হলেও মাটিটো প্ৰথম।

**শ্ৰী মনোৰঞ্জন তলুকদাৰ, সৰভোগ ঃ** মাটিটো ৰক্ষা কৰিবই লাগিব। যিকোনো মূল্যত ৰক্ষা কৰক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** আপোনাৰ পৰামৰ্শটো আমি ললো। It is very good suggestion । Tribal belt & block ত আমি জনজাতীয় লোকসকলৰ লগত কথা পাতিম যে অসমীয়া জেনেৰেল মানুহ যিখিনি ৩ টা জেনেৰেচন ধৰি বসবাস কৰি আছে, can we bring a protection? যদি তেখেতসকলে আমাক হয় বুলি কয়, বাকী কামখিনি কৰাত আমাৰ সহজ হ'ব। গতিকে এইটো যদি হয় ভালে হ'ব। কিন্তু এটা কথা আপোনাক মই কলো যে আমাৰ House ত trend টো চাব আৰু এইটোৰ পৰা আমি শিকিব লাগে। যোৱা কালি কংগ্ৰেছ দলে মোৰ ওপৰত কেছ দিছে। কেছটো মোৰ ওপৰত কিয় দিয়ে। কংগ্ৰেছৰ সকলো বিধায়কে ১৯৪৮ চনৰ পৰা মই কোৱা কথাখিনিকে সদনত কৈ আহিছে। আমিটো কেতিয়াও পাকিস্থানি মুছলমান, শব্দ আমি কেতিয়াও ব্যৱহাৰ নকৰো। কিন্তু মাল চন্দ্ৰ পেগু, তেওঁ উল্লেখ কৰিছে আৰু মিঞা শব্দটো কেতিয়াৰ পৰা কোৱা কৰিছো যেতিয়া আপোনালোকে মানি লৈছে আমি মিঞা বুলি। তাৰ আগতে আমি মিঞা শব্দটো কোৱা নাছিলো। খুব সাৱধানে কৈছিলো যে পূৰ্ববঙ্গীয় অনুপ্ৰেৱেশকাৰী, এই ধৰণৰ শব্দ কৈছিলো। যেতিয়া আপোনালোকে মিঞাটো সৰ্বসন্মতিক্ৰমে মানি ললে যে আমি মিঞা বুলি তেতিয়া আমি মিঞা শব্দটো কওঁ, আগতে নকৈছিলো।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, (দক্ষিণ শালমৰা)** ঃ সৰ্বসন্মতিক্ৰমে কোনে মানি লৈছে?

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** তেতিয়াহ'লে মই সেইটো নাজানো। মই মানি লোৱা বুলি ভাবিছিলো। কাৰণ চেঙাৰ বিধায়কে মিঞা শব্দটো মানি লৈছিল। (সদনত গণ্ডগোল) মাননীয় অধ্যক্ষ মহোদয়, মইও মোৰ ভাষাতো correction কৰিব লাগিব কাৰণ কাৰো মনত দুখ দিয়া শব্দ মুখ্যমন্ত্ৰীয়ে ক'ব নোৱাৰে। মই ইমান দিনে মিঞাটো কৈ আছিলো এইবুলি ভাবি যে আপোনালোকে definition টো মানি লৈছে বুলি। যদি মানি লোৱা নাই কাইলৈ পৰা এই শব্দটো মইও নকওঁ। কাৰণ মই এইটো পদত থাকি ক'ব নোৱাৰো। ইমান দিনে মই কৈ আছিলো যে এইটো শব্দ পালে আপোনালোকে ভাল পায় বুলি। সন্মানীয় শব্দ বুলিহে কৈ আছিলো ইমানদিনে।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো ওলোৱা কাৰণেহে মই ক'লো নহ'লে নুঠিলোহেঁতেন। আমাৰ সন্মানীয় সদস্য শ্ৰীভৰত নৰহ ডাঙৰীয়াই ৫ কিলোমিটাৰ এৰিয়াটো কমাব পাৰে নেকি সত্ৰৰ। নগাওঁ বৰদোৱা আলিপুখুৰীত শংকৰদেৱ গুৰুজনাৰ জন্ম হৈছিল, তেতিয়া আপুনি যদি চাই নৈ, বিল আৰু এই সত্ৰখিনিত প্ৰায় ওচৰা-ওচৰিকৈ লাগি আছে। বৰদোৱা, নামপুৰ সত্ৰ, বালিসত্ৰ, ধিং শলোগুৰি সত্ৰ, পানবাৰী সত্ৰ, ধমধমীয়া সত্ৰ, আলিপুখুৰী সত্ৰ, কুবাইকাটা সত্ৰ এইবিলাক এৰিয়া যদি protection দিবলগীয়া হয়, সেইবিলাক এৰিয়া যদি চাবলগীয়া হয়, তেতিয়াহ'লে মই ভাৱো যে ৫ কিলোমিটাৰ বহুত কমেই হৈছে। এই গোটেইবোৰ সত্ৰ প্ৰায় লগলাগি আছে। বিলৰ যোগেদি লগালগি হৈ আছে। শান্তিজানৰ আৰু লেতেকুজানৰ যোগেদি

লগালগি হৈ আছে। ননৈ যোগেদি লগালগি হৈ আছে। আগতে সেইসমূহত নাওঁ আহিছিল, সেইপিনে আগতে খুজিবিল, দেওঁৰাবিল, বৈমাৰী বিল এই গোটেই বিলসমূহ ইখন সিখনকৈ লগলাগি ব্ৰহ্মপুত্ৰত লাগিছে। সেই কাৰণে মই ভাৱো যে, এইটো পাৰিলে ১০ কিলোমিটাৰ এৰিয়া cover কৰিব পৰাকৈ বিবেচনা কৰিব পাৰিলে ভাল হয়। এই কথাটোহে মই কৈছো।

**শ্ৰীদিগন্ত বৰ্মণ, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয় ইয়াত আছে। আমাৰ Tribal belt ৰ ক্ষেত্ৰত যিসকল অনা Tribal ৰ মানুহৰ অনা Tribal মাটি আছে, তেওঁলোকে বিক্ৰী কৰিব পাৰিব অনা Tribal ক যদিহে তেওঁলোকৰ Tribal belt আগৰ মাটি আছে, তেতিয়া কিনিব পাৰে। কিন্তু বহুতে কিনিব নোৱাৰে আৰ্থিকভাৱে স্বচ্ছল নহয়। তেতিয়া আমি দেখিছো বহুত company য়ে বিশেষকৈ চিমেণ্ট company য়ে বা অন্যান্য company ৰ ক্ষেত্ৰত সোনাপুৰ এৰিয়াত বা অন্যান্য ক্ষেত্ৰততো মই নাম নকওঁ, যিবিলাক company আছে তেওঁলোকে company এজন Tribal মানুহক director হিচাপে লয় আৰু signature টো তেওঁলোকে কৰে। যেতিয়া land sale ৰ permnission বিচাৰিব তেতিয়া signature টো সেই tribal ব্যক্তিজনৰ নামত কৰি তেওঁলোতে industry বিলাক বনাই আছে আৰু সেই company বিলাকৰ ক্ষেত্ৰত Executive Director জন সেই company ৰ অন্যান্য শ্ৰেণীৰ মানুহখিনিহে হয়। তাত তেওঁলোকে signature টো কৰিব। এইক্ষেত্ৰত কি ব্যৱস্থা ল'ব জনাব লাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ**মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী দিগন্ত বৰ্মণ ডাঙৰীয়াৰ পৰামৰ্শতো খুৰ আদৰণীয়। Tribal belt and block যদি majority of the share tribal ৰ নহয়, তেতিয়াহ'লে probably আমি এটা amendment clause আনি সেইটো transfer বন্ধ কৰি দিব পাৰো। মই তাৎক্ষণিকভাৱে ৰাজহ বিভাগৰ মন্ত্ৰীক ক'ম যে আমাৰ সকলোৰে লগত আলোচনা কৰক tribal belt and block ত company য়ে তেতিয়া মাটি কিনিব পাৰিব if the majority of the share holder is the tribal people গতিকে এই পৰামৰ্শটো আপোনাৰ positive পৰামৰ্শ। এই পৰামৰ্শটো আমি গ্ৰহণ কৰিম। যদিও এইবিলাক company আমাৰ দিনত হোৱা নাই কিন্তু আমাৰ দিন, তেওঁৰ দিন let us not go in to the debate tribal belt and block tribal মানুহৰ কাৰণে আৰু অধিক সুৰক্ষিত কৰাৰ কাৰণে এটা ভাল পৰামৰ্শ আৰু এই পৰামৰ্শটো মই মাননীয় মন্ত্ৰী শ্ৰীযোগেন মোহন ডাঙৰীয়াক অনুৰোধ কৰিম যে তৎক্ষণাত ভাৱে এই পৰামৰ্শটো কাৰ্য্যকাৰী কৰিব লাগে।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিলত যিখিনি কথা কোৱা হৈছে প্ৰথমতে মাজুলীৰ কথা কোৱা হৈছে। মাজুলীৰ ক্ষেত্ৰত আমাৰ ক'বলগীয়া আছে। আমাৰ মাজুলীৰ protection ৰ ক্ষেত্ৰত আমাৰ দ্বিমত নাই protected হ'ব লাগে। কোনো ধৰণৰ condition নাই। মাজুলী অসমৰ গৌৰৱ। গতিকে মাজুলীৰ protection ৰ চিন্তা বহুত আগতে কৰিব লাগিছিল। বহুত দেৰী হৈ গ'ল। গতিকে মাজুলী protect হওঁক সেইটো আমিও বিচাৰো। দ্বিতীয়তে, Tribal belt and block ৰ কথা আহিছে tribal সকলৰ অধিকাৰৰ কথা আহিছে belt টো সুৰক্ষিত হ'ব লাগে। তেখেতসকল আদিবাসী । গতিকে তেখেতসকলৰ যি অধিকাৰ সেই অধিকাৰৰ সুৰক্ষাৰ কথা সময়ে সময়ে উত্থাপন হৈ থাকে। তাত আমি কেতিয়াও আপত্তি কৰা নাই বিগত দিনত। আজিও বিধান সভাত মাননীয় অধ্যক্ষ মহোদয়, আমি tribal ভাই সকলৰ ভাষাৰ কথা official language হ'ব। হয়তো official স্বীকৃতি হিচাপে tribal দিয়া নাই। চাহ বাগানৰ

ভাইসকলক। ৬ জনগোষ্ঠীৰ আন্দোলন চলি আছে। ছয় জনগোষ্ঠীৰ তেখেতসকলক জনগোষ্ঠী declear কৰি tribal State লৈ গ'লেও আমি আপত্তি কৰা নাই। আমি তেখেতসকলৰ সমস্যা কথা আজিও উত্থাপন কৰিছো। মাননীয় সদস্যই যিটো ১৯১১ চনৰ পৰা যিখিনি কথা কৈছে, ইতিহাসৰ কথা কৈছে পেগু ডাঙৰীয়াই ১৯১১, ১৯২১, ১৯৩৩ সেই সময়ৰ কথা কৈছে। আজি দেৰ শ বছৰৰ আগৰ কথা কৈছে। এটা সময়ত ঢাকা অসমৰ ৰাজধানী আছিল। আজি যেনেকৈ গুৱাহাটী সামান্যতম জনসংখ্যা আছিল, এই ১ শ বছৰত কিমান population হৈ গ'ল গুৱাহাটীত। গুৱাহাটীত উজনি অসমৰ মানুহ আহিছে, ধুবুৰীৰ আহিছে আমি প্ৰত্যেকখন জিলাৰ পৰা আহি গুৱাহাটীত আহিছো। এখন ৰাজ্য যেতিয়া ঢাকা অসমৰ ৰাজধানী, ঢাকাৰ পৰা কোনোবা কামৰূপত আহিছে, কামৰূপৰ পৰা কোনো ঢাকালৈ গৈছে আপুনি নিজেও বাংলাদেশলৈ গৈছিল। আমাৰ অসমীয়া community এতিয়াও তাত আছে। স্বাধীনতাৰ পাছত তাত থাকি গ'ল। এনেকুৱা এখন জিলাৰ পৰা আন এখন জিলালৈ আমি যি কথা কৈ আছো এইকেইদিনৰ পৰা সেইটো এটা বাস্তৱ সত্য কথা আমি কৈ আছো। এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ মাননীয় মুখ্যমন্ত্ৰীয়ে যোৱাকালি কৈছে যে আমাৰ কৰুণাৰ সময়ৰ কথা কৈছে ১২ লাখ ল'ৰা-ছোৱালী হয়তো সেই সময়ত বাহিৰত আছিল , যিসময়ত কিবা অনুদানৰ কথা ঘোষণা কৰিছিল। বাহিৰৰ পৰা apply কৰিছিল। আজিও হয়তো ২৪ লাখ আছে। অসমীয়া জনতা বাহিৰৰ বেলেগ ৰাজ্যত আছে। কৰ্মসূত্ৰে আছে, কোনোবাই ঘৰ বনাইছে, এইটো নিজৰ ৰাষ্ট্ৰৰ ভিতৰত, ৰাজ্যৰ ভিতৰত এখন জিলাৰ পৰা আন এখন জিলালৈ যোৱা এইটো আজি নহয়। এইটো human nature. পৃথিৱীৰ গোটেই country ত আমাৰ ৰাষ্ট্ৰতো আমাৰ জিলাতো হৈছে কিন্তু আমি তেতিয়া আপত্তি কৰো যে যেতিয়া আজি কেৱল দেৰ শ বছৰৰ আগত নিজৰ ৰাষ্ট্ৰ বা নিজৰ ৰাজ্যত এখন জিলাৰ পৰা আন এখন জিলালৈ এই মৈমন চিঙিয়াৰ যিটো নাম কৈ আছে বা বংগীয় মূলৰ মুছলমান যি কথা কৈ থকা হৈছে কেৱল সেইসকল অহা নাই। অসমৰ জনসংখ্যা সামান্য আছিল। আমি যদি চিন্তা কৰো ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ পৰা ঝাৰখণ্ডৰ পৰা একে সময়তে আহিছে, বিহাৰৰ পৰা আহিছে, উৰিষ্যাৰ পৰা আহিছে বা অন্যান্যৰ পৰা আহিছে আৰু কিছুদিন আগত গ'লে উত্তৰ প্ৰদেশৰ পৰা বিভিন্ন ৰাজ্যৰ পৰা আহিছে ৫-৬ শ ৮ শ বছৰ আগত যদি যাওঁ, তেতিয়াহ'লে বহুত বাহিৰৰ পৰা আহিছে এই ইতিহাস আমি সকলোৱে জানো। মোতকৈয়ো মাননীয় সদস্য সকলে আৰু বেছি জানে। মই এইটো repeat কৰিব বিচৰা নাই। কিন্তু যেতিয়া এটা community ক target কৰা হয় যে নিজৰ ৰাষ্ট্ৰৰ এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ আহিছে বা এখন জিলাৰ পৰা আন এখন জিলালৈ গৈছে. সংবিধানে allow কৰিছে এশ দেৰ শ বছৰৰ আগতে তেওঁলোকে থিতাপি লৈছে, পৃথিৱীত তেওঁলোকৰ comunity নাই যে নিজৰ মাতৃভাষা বিসৰ্জন দি নতুন এটা ভাষা adopt কৰি আকোৱালি লৈ সেই ভাষাটোৰ সপোন দেখি স্কুল কলেজ ল'ৰা-ছোৱালীক সেই ভাষাতে পঢ়াই এই ভাষা জীয়াই ৰখাৰ ক্ষেত্ৰত এই জনগোষ্ঠীৰ অসমত যিমান অৱদান আছে মই ভাৱো বেলেগতকৈ কম নহয়। বেছি বুলিও মই নকওঁ। বেলেগতকৈ কোনোগুণে কম নহয় অসমীয়া মাধ্যমৰ এই বিদ্যালয় বিলাকৰ ল'ৰা-ছোৱালী যেনেকৈ পঢ়ি আছে এটা সময়ত স্বাধীনতা পালো আমি। অসমখন পাকিস্তানৰ লগত থাকিবনে ভাৰতৰ লগত থাকিব তেতিয়া কিন্তু উচমান আলী চাদাকে, মতলবু ৰহমান মজুমদাৰৰ পৰা আৰম্ভ কৰি আমিৰ উল্লা চাহাবে বৰপেটাৰ সেই বিধায়কজন, ধুবুৰীৰ সেই বিধায়ক জন মুছলমান হোৱা সত্বেও তেখেতসকলে ভোট দিলে। আমি ভাৰতৰ লগত থাকিম আমি পাকিস্থানৰ লগত নাযাও। সেইদিনাখন এই মতলবু ৰহমান মজুমদাৰ উচমান

আলী চাদাক, আমিৰ উল্লা চাহাব, বৰপেটা ধুবুৰীৰ মুছলমান বিধায়ক সকলে যদি পাকিস্তানত থাকিম বুলি, আব্দুল কাডিম এই সকলে যদি ইচ্ছা কৰিলেহেঁতেন হয়তো ভূ-খণ্ড আমি কেতিয়াও সেইটো কামনা নকৰো নাথাকিলহেঁতেন ভাৰতৰ লগত।

মাননীয় অধ্যক্ষ মহোদয়, এইবোৰ চেক্ৰিফাইচ আমাৰ পূৰ্ব পুৰুষ সকলেও কৰিছে। তাৰ পিছতো যদি উত্তৰাধিকাৰী জনগোষ্ঠীক যদি সদায় লক্ষ্য কৰি কথা-বতৰা কোৱা হয় তেতিয়া আমাৰ দুখ লাগে। আমি প্ৰতিবাদ কৰো। ট্ৰাইবেল বেল্ট ব্লকৰ কথা আহিছে। ইয়াত অ-জনগোষ্ঠীয় ভাই-ভনীসকল আছে, ইয়াত হিন্দু ও আছে, মুছলিমও আছে। আমি ট্ৰাইবেল লোকসকলক সুৰক্ষা দিব লাগিব। তেওঁলোকৰ অধিকাৰৰ কথা আমি চিন্তা কৰিব লাগিব। তাত কোনো ধৰণৰ আপত্তি নাই। তাত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি ব্যৱস্থা কৰে যদি তেওঁলোক ভাৰতীয় নাগৰিক হয় তেন্তে হিন্দু-মুছলিম সকলোৰে বাবে যাতে সমান ব্যৱস্থা গ্ৰহণ কৰে, তাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ থাকিল। মই মাজুলী আৰু ট্ৰাইবেল বেল্টৰ কথা ক'লো। Iconic Heritage ৰ কথা কৈছে। আমাৰ ইয়াৰ বাবে সন্মান আছে। তাত সীমা দি চাৰিওফালে বসবাস কৰা আমি জাতি-জনগোষ্ঠীৰ মানুহ আছো। ভাৰতৰ সংবিধানে প্ৰদান কৰা অধিকাৰ সকলোৰে উপভোগ কৰি আছো আৰু অনুষ্ঠান সমূহো আমি সন্মান কৰি আহিছো। মইনবাৰী সত্ৰ যেতিয়া ভাঙি গৈছিল সেই সত্ৰৰ মণিকূটটো মুছলিম মানুহৰ ঘৰত ৰাখি হিন্দু-মুছলিম সকলোৰে মিলি ঘী আৰু চাকি জ্বলাই বহুদিন ৰখি সৰভোগত স্থানান্তৰ কৰা হয়। এইবিলাক নজিৰো আছে। দৰঙৰ খটৰা সত্ৰ যেতিয়া ধুমুহাত ভাঙি যায় এজন মুছলমান অফিচাৰে নিজৰ পইচা দি সত্ৰখন বনাই দিয়ে। সেইজন ব্যক্তিৰ নাম কিন্তু খটৰা সত্ৰৰ ভিতৰত লিখি থোৱা হৈছে। আমি এই Iconic Heritage সংৰক্ষণ কৰাৰ নামত এটা জনগোষ্ঠীক টাৰ্গেট কৰি তেখেতসকলৰ মাটিৰ অধিকাৰৰ পৰা যাতে বঞ্চিত কৰা নহয়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া লৰেঞ্চ ইছলাৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী লৰেঞ্চ ই ছলাৰী, (পূব কোকৰাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে যি আসাম লেণ্ড এণ্ড ৰেভিনিউ ৰেগুলেশ্যন ছেকেণ্ড এমেণ্ডমেণ্ট বিল আনিছে, তাক আদৰণি জনাইছো। এইখন সময়োপযোগী বুলি আমি ক'ব বিচাৰো। মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা চৰকাৰখনে পুনৰ ট্ৰাইবেল সকলৰ বাবে যি বেল্ট এণ্ড ব্লক কৰিব বিচাৰিছে তাৰ বাবে আমি ধন্যবাদ জনাইছো। আমি **২০২০** চনত বি টি আৰ চুক্তিত ৭.১ আৰু ৭.২ ক্লজ দুটা আনিছিলো। মই চুক্তি স্বাক্ষৰকাৰীৰ এজন হিচাপে মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাদেৱক ধন্যবাদ জনাইছো। আমি ৭.১ ক্লজত কৈছিলো যে ট্ৰাইবেল ব্লকৰ বাহিৰেও অসমৰ বিভিন্ন অঞ্চলত আমাৰ ট্ৰাইবেল গাওঁ আছে আৰু সেই গাওঁসমূহক সুৰক্ষা দিব লাগে। আজি আমি সেইটো বাস্তৱত দেখিবলৈ পাইছো। ছাত্ৰ সন্থাত থকাৰ সময়ত আমি বিভিন্ন গাওঁ পৰিভ্ৰমণ কৰিছিলো আৰু অতি ওচৰৰ পৰা দেখিছিলো যে বিভিন্ন কাৰণত ট্ৰাইবেল লোকসকলে নিজৰ গাওঁ এৰি পলাই আহিবলগীয়া হৈছে। আমাৰ কোকৰাঝাৰৰ গাতে লাগি থকা বিলাসীপাৰা চাব-ডিভিজনৰ দুখন গাওঁ কোকৰাঝাৰলৈ আহিল আৰু তেনেকুৱা বহু গাওঁ আছে। আজি আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে পুনৰ ট্ৰাইবেল লোকসকলৰ সুৰক্ষাৰ ব্যৱস্থা কৰাৰ বাবে ধন্যবাদ জনাইছো। অলপ আগতে সন্মানীয় বিধায়ক ভৰত নৰহ ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ ৭.২ ক্লজত আমি এটা ক্লজ আনিছিলো যে চৰকাৰে খাচলেণ্ড, গেইজিং লেণ্ড আৰু ৰাটাৰ ব'ডিজৰ যিখিনি মাটি আছে তাৰ সুৰক্ষা দিব লাগে। যাতে চৰকাৰৰ যেতিয়া প্ৰয়োজন হয় সেই মাটিসমূহ ব্যৱহাৰ কৰিব পাৰে। সেই কাৰণে আমি বি টি আৰ একৰ্ডত এই কথাটো

সন্নিবিষ্ট কৰিছিলো আৰু আজি আমি বাস্তৱত ৰূপায়ণ হোৱাটো দেখিছো। Iconic Heritage ৰ ক্ষেত্ৰত আঢ়ৈ শ বছৰীয়া যিকোনো ধৰ্মীয় অনুষ্ঠান তাত হিন্দু, মুছলিম, খ্ৰীষ্টানৰ কথা নাই, যদি Iconic হয় তাত সংৰক্ষণৰ কথা কৈছে। এই বিলখনক সকলোৱে আদৰণি জনাব লাগে বুলি মই ক'ব বিচাৰিছো। এই বিলখন সকলোৰে বাবে আৰু যিহেতু ইয়াত কোৱা হৈছে যিসকলে তৃতীয় জেনেৰেশ্যনৰ পৰা এই অঞ্চলসমূহত বসবাস কৰি আছে, বনাঞ্চলত থকাৰ যি আইন তাত তিনিটা জেনেৰেশ্যনৰ কথা কোৱা হৈছে। মাজে মাজে মানুহে ইয়াক ভুল বুজে কেৱল ট্ৰাইবেল লোকসকলক দিয়া হৈছে আৰু আমাক দিয়া হোৱা নাই বুলি ভাৱে। বি টি আৰ তো কিছুমান দল-সংগঠনে এনেকুৱা কথা ক'ব বিচাৰে যে কেৱল ট্ৰাইবেল লোকসকলক মাটি দিয়া হয় আৰু অ-জনজাতীয় লোক সকলক মাটি দিয়া নহয়। আইনে কৈছে যে বনাঞ্চলবোৰত নন ট্ৰাইবেল লোকসকলো থাকিব পাৰে যদিহে তেওঁলোকে বসবাস কৰা ৭৫ বছৰ হৈছে আৰু তেওঁলোক যদি তৃতীয় জেনেৰেশ্যনৰ পৰা হয়, তেন্তে তেওঁলোকেও তাত বসবাস কৰিব পাৰে। তেনে ধৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয় বা এই চৰকাৰে Iconic স্থানসমূহত তেনেধৰণৰ লোকসকল থাকিব পাৰে বুলি এখন বিলত সন্নিবিষ্ট কৰিছে। ইয়াৰ দ্বাৰা কাৰো অপকাৰ নহয় আৰু আমি এই বিলক সম্পূৰ্ণ সমৰ্থন জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই কওঁক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উঃ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভাৱিছিলো যে মই ইয়াৰ ওপৰত কোনো বিতৰ্ক নকৰো। কিন্তু মাননীয় সদস্য ৰফিকুল হুছেইন ডাঙৰীয়া বিশেষকৈ যি কথা ক'লে মোৰ এনেকুৱা লাগিছে যে আমাৰ দেশখন বিভক্ত হৈছে আৰু এখন ইছলামিক ৰাষ্ট্ৰ হৈছে আৰু আমাৰ অসম খন আংশিক ইছলামিক ৰাজ্য হৈছে। আমি এইখন ৰাজ্যক যাতে ধৰ্মনিৰপেক্ষ বনাব পাৰো তাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয় পদক্ষেপ গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছো। সদনত ডিবেট কৰাৰ অধিকাৰ সকলোৰে আছে। কিন্তু য'ত জনজাতীয় লোকৰ স্বাৰ্থ জড়িত হৈ আছে তাত বিতৰ্ক হ'ব নালাগে, আদৰণি জনাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া বিৰোধী দলপতি ডাঙৰীয়াই কওঁক।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যিখন বিল ইয়াত উত্থাপন কৰিছে তাত আমাৰ ফালৰ পৰা কেইটামান কথা কোৱা হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মাজুলীৰ কথাখিনি ভৱিষ্যতে চিন্তা কৰি চাব বুলি কৈছে। তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো। কথাটো হ'ল যে ইতিহাসত সকলো কথা নিষ্ঠুৰভাৱে হ'লেও সত্য কথাই থাকে। বৃটিছৰ Divide and Rule Policy তাৰ এটা অন্যতম কাৰণ হৈছে বংগ বিভাজনৰ পিছত লৰ্ড কাৰ্জন অসমলৈ আহিছিল। তেখেত সকলৰ চেনচাচ ৰিপোৰ্টত এটা কথা ক'লে যে অসমত এক শ্ৰেণী মানুহৰ কিছু সমস্যা হ'ব। কিন্তু সেইখিনি সময়ত তেখেতসকলৰ চৰকাৰ আছিল আৰু তেওঁলোকে বিশ্ব যুদ্ধৰ দ্বাৰাই হওঁক বা আৰু বেছি খাদ্য উৎপাদনৰ বাবেই হওঁক অ অ-বিভক্ত ভাৰতবৰ্ষৰ এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যৰ লোক সকলক প্ৰব্ৰজন কৰাইছিল। সন্মানীয় সদস্য ভূৱন পেগু ডাঙৰীয়াই বহুখিনি কথাই ক'লে। ১৮২৬ চনত আমি বৃটিছৰ ওচৰত বশ্যতা স্বীকাৰ কৰিবলগীয়া হৈছিল আৰু এশ বিশ বছৰ পিছত ১৯৩৭ চনত ভীমবৰ দেউৰী ডাঙৰীয়াই যেতিয়া কাউঞ্চিল হৈছিল সেই ভাষণত তেখেতে কৈছিল যে এশ বছৰত আমি ভূমি পুত্ৰসকল বহু পিছুৱাই গৈছো। বৃটিছে খিলঞ্জীয়া লোকসকলক মাটিৰ অধিকাৰৰ পৰা বঞ্চিত কৰিছিল। তেওঁৰ নেতৃত্বতে ১৯৪৫ চনত খাচী দৰবাৰ হিল ৰিজ'লিউশ্যন লোৱা হৈছিল।

অধ্যক্ষ মহোদয় সেয়েহে আমি সেই কথাখিনি চাওঁতে ভৱিষ্যতৰ দিশত চাব লাগিব।

ইতিহাসত সকলো খিনি থাকে সেই গতিকে মই এইখিনি কথা কৈছো। আগলৈ যাতে আমি যিটো হৈ গ'ল, তাৰ পৰৱৰ্ত্তী সময়ত আমি সকলো আগবাঢ়ি যাব পাৰো সেই কথা খিনি চাব লাগিব কাৰণ ভীমবৰ দেউৰী ডাঙৰীয়াৰ নেতৃত্বত যেনেধৰণে গোটেইখিনি আগবাঢ়িছিল, তেখেতসকলে আনকি ভাৰতবৰ্ষৰ পৰা আতৰি থাকিম নেকি এনেকুৰা এটা ভাৱ চিন্তা কৰিছিল সেই সময়ত আমাৰ এই নেতাসকলে কিন্তু পৰৱৰ্ত্তী সময়ত তেখেতসকলে ভাৰতৰ লগত থাকিবলৈ ইচ্ছা প্ৰকাশ কৰিলে সেয়েহে উত্তৰ-পূৰ্বাঞ্চল আজি ভাৰতৰ অংশীদাৰ হৈ আছো । গতিকে এই কথাবিলাক কি কাৰণত আহিছিল কেনে ধৰণে সেইবোৰ মীসাংসা হৈছিল সেই কথাখিনি যে আলোচনাৰ মাধ্যমেৰে তেখেতসকলে মান্তি হোৱা বাবে আমি আজি ভাৰতবৰ্ষৰ অংশ হৈ আছো। সেই বাবে মই তেখেত সকলক ধন্যবাদ জনাইছো আৰু আমি যাতে তেনেকুৱা সকলোৱে তেনেকৈ থাকিব পাৰো তাৰ বাবে এই বিধানসভাই যাতে কাম কৰে এই আশা ৰখিছো।

**माननीय অধ্যক্ষঃ** শ্ৰী ৰূপজ্যোতি কুৰ্মী ।

**শ্ৰীভূৱন পেগু, জোনাই, ধেমাজীঃ** অধ্যক্ষ মহোদয়, Just one point আমাৰ বিৰোধী দলপতি ডাঙৰীয়াই যিটো Grow more Food বিষয়ত ক'লে, এইটো তাৰমানে ছাৰ চান্দুল্লাৰ মিনিষ্ট্ৰি মুছলীম লীগ মিনিষ্ট্ৰিহে Grow more Food আইনটো আনিছিল। মই এইটো শুদ্ধ কৰি দিছিলো এক নাম্বাৰ আকৌ দুই নম্বাৰ কথাটো কিন্তু আকৌ ৰিভাৰ্চ কৰিছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈ ডাঙৰীয়াই, তাৰ লগে লগে এই ছয় মাহৰ ভিতৰতে ৰিভাৰ্চ কৰিছিল গোপীনাথ বৰদলৈ ডাঙৰীয়াই স্বাধীনতাৰ আগত। এতিয়া অধ্যক্ষ মহোদয় ইয়াত খালী কথা এটা তেতিয়া লোকপ্ৰিয় গোপীনাথ বৰদলৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াই সচা কথা কৈছে ট্ৰাইবেল লীগক লগত লৈছিল, মুছলীম লীগক বিৰোধ কৰাৰ কাৰণে ছাৰ চান্দুল্লাক বিৰোধ কৰাৰ কাৰণে। সেইকাৰেণে পাকিস্তান নহ'ল। এতিয়া সেই কংগ্ৰেছ আৰু এতিয়াৰ কংগ্ৰেছৰ মাজত পাৰ্থক্য আছে। এতিয়া জনজাতীয় লোকক লগত লোৱা নাই, এতিয়াৰ কংগ্ৰেছ......

**(সদনত হুলস্থূল)**

**माननीय অধ্যক্ষঃ** হৈছে ঠিক আছে।

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলপতিঃ** ..........

**माननीय অধ্যক্ষঃ** হ'ব ধন্যবাদ। এতিয়া শ্ৰী ৰূপজ্যোতি কুৰ্মী একেবাৰে চমুকৈ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমাৰ চলি থকা বৰ্তমান চৰকাৰৰ মাননীয় মন্ত্ৰী ৰাজহ বিভাগৰ শ্ৰী যোগেন মহন ডাঙৰীয়াই খুব সুন্দৰ আৰু সময় উপযোগী বিল আনিছে। ইয়াৰ বাবে মাননীয় মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছো। মই দীঘলীয়াকৈ ক'ব বিচৰা নাই । সন্মানীয় জ্যেষ্ঠ্য বিধায়ক শ্ৰী ভূৱন পেগু ডাঙৰীয়া খুব সুন্দৰকৈ উপস্থাপন কৰিলে এই বিলৰ গুৰুত্বটোৰ বিষয়ে । মই এটা ৰিপোৰ্ট Illegal migration into Assam submitted to the Hon'ble President of India by the Governor of Assam on 8th November, 1998 ত সন্মানীয় সেই সময়ৰ Governor Lieutenant General Retired Shri S. K. Singha ডাঙৰীয়াৰ সেইসময়ৰ মহামান্য দেশৰ ৰাষ্ট্ৰপতি শ্ৰী কে আৰ নাৰায়ণন ডাঙৰীয়াই এটা ৰিপোৰ্ট দিছিল সেই ৰিপোৰ্ট মই গোটেই নকও। এটা interaction কৈছে the acted influx of illegal migration from Bangladesh into Assam and the consequent perceived table changed in the demographic pattern of a state has

been a matter of great concerned, it prestends to reduce the Assmese people to a minority in their own state as happened in Tripura and Sikkim. খুব সুন্দৰকৈ সেই সময়ত Governor Shri S. K. Singha ডাঙৰীয়াই সেই সময়ৰ ৰাষ্ট্ৰপতি শ্ৰী কে আৰ নাৰায়ণন ডাঙৰীয়াই ৰিপোৰ্ট দিছিল। সেই ৰিপোৰ্টত যিটো কৈছে যে ত্ৰিপুৰা আৰু চিকিমত যেনেকৈ খিলঞ্জীয়া লোক সকল পিছলৈ গৈ মাইন'ৰিটি হ'বলগীয়া হ'ল এই কথা অসমত গুৰুত্ব দিব লাগে। কিন্তু আজি সময় উপযোগী এই বিলখন ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক যুগে যুগে মনত ৰাখিব ।তেখেতৰ সময়ত আজি বিল আনিছে মই এটাই আহ্বান জনাম Tribal Belt and Block ত তেখেতে সুৰক্ষাৰ কথা ক'লে, 5 KM radius আৰু ২৫০ বছৰ পুৰণা আমাৰ কৃষ্টি সমূহ আছে, সুৰক্ষাৰ কথা কৈছে চাহ জনগোষ্ঠীৰ লোক সকল, আদিবাষী লোক সকলো ১৮২৬ ইয়াণ্ডাবু চুক্তিৰ পিছতে অসমলৈ চেটানাগপুৰ বিহাৰ, চত্তিশগড়, মধ্যপ্ৰদেশ, তেলেংগনা, অন্ধ্ৰপ্ৰদেশ, পশ্চিমবংগ বিভিন্ন ঠাইত বিভিন্ন ৰাজ্য বিভক্ত হৈ গ'ল। এবছৰ পিছত আমাৰ ২০০ বছৰ হ'ব ।এই ২৫০ বছৰটো ২০০ বছৰ কৰি চাহ বাগানৰ ৫ কিলোমিটাৰ ৰেডিয়াচৰ ভিতৰত আৰু বিশেষ প্ৰটেক্টেড ক্লাছ বুলি কৈছে চুতীয়া গাওঁৰ পৰা আদি কৰি অসমীয়া খিলঞ্জীয়া গাওঁত পাচ কিলোমিটাৰ ৰেডিয়াচত কোনো বেলেগে মাটি কিনাবেচা কৰিব নোৱাৰে, তেনেকুৱা এটা ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে বিশেষভাবে আহ্বান জনাইছো আৰু আমাৰ সুৰক্ষা আৰু ভৰিষ্যত নিৰাপত্তাৰ বাবে আহ্বান জনাইছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। উত্তৰ দিব মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ সদনৰ বাবে এটা খুব ঐতিহাসিক মুহুৰ্ত। আমাৰ এইখন সদনতে প্ৰাক্তন মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈ আৰু ৰাজহ মন্ত্ৰী শ্ৰী বিষ্ণুৰাম মেধি ডাঙৰীয়াই The Assam Land and Revenue (Regulation), Act 1886 যিখন আমাৰ ভূমি আইন আছে তাত দশম অধ্যায় সংলগ্ন হৈছে আৰু দশম অধ্যায়ত এই দুই গৰাকী পুৰোধা ব্যক্তিয়ে ট্ৰাইবেল বেল্ট আৰু ব্লক নিৰ্মাণ কৰিছিল ।আজি আমি এটা কথা স্বীকাৰ কৰিব লাগিব যে সময় আৰু পৰিৱেশৰ পৰিপ্ৰেক্ষিতত ট্ৰাইবেল বেল্ট আৰু ব্লক সমূহৰ বিভিন্ন অনাকাংক্ষিত লোকৰ প্ৰৱেশ ইয়াৰ যিটো মূল বৈশিষ্ট্য, সেই মূল বৈশিষ্ট্যটো আজিও জীয়াই আছে আৰু চৰকাৰৰ হাতত অফুৰন্ত ক্ষমতা আছে যে, আমি যেতিয়াই বিচাৰো তেতিয়াই অনাকাংক্ষিত লোক সকলক ইয়াৰ পৰা আতৰাব পাৰো । ঠিক তেনেধৰণে আকাংক্ষিত লোক সকলে যাতে এই ট্ৰাইবেল বেল্ট আৰু ব্লকটো ভূমি অধিকাৰ লাভ কৰিব পাৰে তাৰ কাৰণে যোৱা তিনিটা বছৰ আমাৰ চৰকাৰে বৃহৎ প্ৰচেষ্টা লৈছে আৰু ইয়াৰ ফলস্বৰূপে অসমৰ Schedule Caste and Schedule Tribes মৰাণ, মটক, চুতীয়া, আহোম, গোৰ্খা এই সম্প্ৰদায় সমূহ আমি ট্ৰাইবেল বেল্ট আৰু ব্লকক সুৰক্ষিত শ্ৰেণী হিচাপে ঘোষণা কৰিছো আৰু এই ক্ষেত্ৰত জনজাতীয় প্ৰত্যেকটো সংগঠনে বিৰোধীতা নকৰাকৈ আমাক আদৰণি জনাইছে । আমিও ইয়াৰ প্ৰতিদান অসমীয়া মূল জনজাতীয় সুঁতিৰ লোক সকলৰ প্ৰতি তেওঁলোকৰ যিটো মৰম তাকো আমি কৰবাত নহয় কৰবাত প্ৰতিদান দিব লাগিব । এই কাৰণে আমি এটা মাইক্ৰ বেল্ট এণ্ড ব্লকৰ কথা ইয়াত আনিছো । য'ত নেকি আৰু substantial Schedule Caste and Schedule Tribes ৰ গাওঁ আছে সেই গাওঁ বিলাককো আমি মাইক্ৰ বেল্ট এণ্ড ব্লক আমি ঘোষণা কৰিম । বি টি আৰ চুক্তিও ইয়াতে উল্লেখ আছিল যে ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ বাহিৰত থকা গাওঁ সমূহ আমি কেনেকৈ সুৰক্ষা দিব পাৰো এই কাম খিনি আমি দশম অধ্যায়ৰ সুবিধা লৈ কৰিব পাৰিম। তাৰ কাৰণে আমাক

দ্বাদশ অধ্যায়ৰ প্ৰয়োজন নাই । কেবিনেট চাব কমিটি নিৰ্মাণ কৰা হৈছিল । ৰণোজ পেগু ডাঙৰীয়া, যোগেন মোহন ডাঙৰীয়া আৰু পীযুষ হাজৰিকাক লৈ। মই আমাৰ বিধায়ক সকলক আহ্বান জনাম যে য'ত substantial Schedule Caste and Schedule Tribes মানুহ আছে আমি এশ শতাংশ বুলি কোৱা নাই substantial যদি তেখেত সকলে স্ব-ইচ্ছাই আমি কোনো লোকোকে জোৰ কৰিব নোৱাৰো তেখেত সকলে নিজে যদি Tribal Belt and Block ট সোমাৰ পাৰে with full protection.তাৰমানে ৬ জনগোষ্ঠী লোকৰ protection থাকিব, আমাৰ আদিবাসী, চাহ জনগোষ্ঠী সকলৰ protection থাকিব আৰু with that protection যদি তেওঁলোকে নিজৰ গাওঁখন আনিব খোজে সেইখি নিক আমি notify কৰিম। এইটো হ'ল আমাৰ ভূমিৰ অধিকাৰ খিলঞ্জীয়া লোকৰ বাবে সুৰক্ষিত কৰাৰ প্ৰথম স্তম্ভ। কংগ্ৰেছ দলে বিপ্লৱ শৰ্মা কমিটিক সমৰ্থণ কৰিছিল আৰু বিভিন্ন সময়ত আমাক কংগ্ৰেছ দলৰ পৰাই প্ৰশ্ন কৰা হয় যে ৬ নং দফা আপোনালোকে কিয় পালন কৰা নাই? এই যিমানবিলাক recomendation আছে, ই বিপ্লৱ শৰ্মা কমিটিত উল্লেখ কৰা recomendation নহ'লে ইয়াতকৈও বেছি ওপৰত গৈ কৰা কাম। এপ্ৰিললৈকে আমি আপোনালোকক reporting কৰি দিম যে বিপ্লৱ শৰ্মা কমিটিৰ ৰিপোৰ্টটো আমি মানিছোৱেই আৰু তেওঁ নোকোৱা কথাও আমি বেছিকৈ কৰিছো। যোৱাকালি অতুল বৰা ডাঙৰীয়াই কৈছে যে আমি কেন্দ্ৰলৈ পঠোৱা নাই। এপ্ৰিলত আমি উত্তৰ দিম, এতিয়া পঠোৱাৰ প্ৰয়োজন নাই কাৰণে আমি পঠোৱা নাই। কাৰণ আমি গোটেই কামখিনি কৰি দিছো। দ্বিতীয় স্তম্ভ এটা আজি আমি আনিছো -Protection of Iconic Heritage.ইয়াত কৈছে যে legal right is subject to religious right, religious convention. মই খুৱ important কথা কৈছো বৰপেটা সত্ৰৰ লগত মাজুলীত শাক্ত ধৰ্মাৱলম্বী লোক আছে। কিন্তু মাজুলীত শাক্ত ধৰ্মাৱলম্বী লোকে পূজা নকৰে। বৰপেটাত সত্ৰৰ কাষত যদি শাক্ত ধৰ্মাৱলম্বী লোক আছে, আমি তাত ৰঙা ফোট লৈ সত্ৰত নাযাওঁ because we have to respect the culture.Legal right is subject to culture of that particular land.আজি যদি মই বটদ্ৰৱাত যাওঁ যে মোৰ legal right আছে, কিন্তু মই ৰঙা ফোটটো লৈ যাম, it is not acceptable. মই AIUDF ৰ বিধায়ক সলক বাৰে বাৰে কৈ আছো don't insist on legal rights.All Legal Rights are subject to certain convention, certain practice.আজি যদি আমি বটদ্ৰৱা সত্ৰৰ ৫ কিঃমিঃৰ ভিতৰত থাকো আৰু মুছলমান লোকসকলে যদি কালি dictate দি দিয়ে যে ইয়াত আজান নহ'ব, ইয়াত কোনেও গৰু মাংস নাখাব, যেনেকৈ আজি শাক্ত ধৰ্মাৱলম্বী লোক সকলে দুৰ্গাপূজা নকৰে। এইখিনি কথা ক'লে মই সাম্প্ৰদায়িক নহয়। মোৰ ওপৰত তাৰ কাৰণে পুলিচ কেচ দিব নালাগে। আমি এইখিনি মনাব পাৰিম নে নাই? তেতিয়া আমি কি কম যে নহয়,আমি শুদ্ধ মুছলমান, ৫ সন্ধ্যা আমি নামাজ পঢ়িব লাগিব, আজান দিব লাগিব আৰু যিটো খোৱা আমাক allow কৰে, সেইটো আমি খাম। তেতিয়া এই দুটা condictory position ৰ মাজত compromise ক'ত হ'ব? বৰপেটা সত্ৰৰ ৫ কিঃ মিঃ ৰ ভিতৰত ১০ ঘৰ মুছলমান মানুহে মাটি ললে আৰু এই আইনখন মুছলমানৰ নহয়। মইও বৰপেটা সত্ৰত মাটি ল'ব নোৱাৰো। It is a political Secular Act.যেতিয়া ১০ ঘৰ মুছলমান মানুহে মাটি ল'ব তেতিয়া তেওঁলোকে মছজিদ বনাবই লাগিব। যদি মছজিদ বনায়, তাত আজান দিবই লাগিব। বৰপেটা সত্ৰৰ হৰিনাম ধ্বনি আৰু আজান দুয়োটা আইনমতে হ'ব পাৰে, আইনত কোনো বাধা নাই because India is a Secular Country. কিন্তু ই কাৰোবাৰ

মনত দুখ নিদিব নেকি? যেতিয়া সমাজত কোনোবাই কাৰোবাক দুখ দিয়ে, তেতিয়াই contradiction হয়, conflict আৰম্ভ হয় আৰু মানুহে নিজৰ অধিকাৰৰ বাবে যুঁজ দিয়ে আৰু চৰকাৰৰ দায়িত্ব কি? চৰকাৰে দুই community ৰ মাজত alignment কৰিব লাগিব যাতে দুয়োটাৰে interest জীয়াই থাকে। আজি আমি এইখন আইনত কি কৰিব খুজিছো যে ২৫০ বছৰ পুৰণা ৰং ঘৰ হ'ব পাৰে, চৰাইদেউ মৈদাম হ'ব পাৰে,কাৰেং ঘৰ হ'ব পাৰে বা তলাতল ঘৰ হ'ব পাৰে। আজি ৰাতিপুৱা টাই আহোম ছাত্ৰ সন্থাৰ একাংশ লোকে মোক লগত কৰিবলৈ আহিছিলে। তেওঁলোকে ক'লে যে তলাতল ঘৰত মুখ্যমন্ত্ৰী আনোৱাৰা টাইমুৰৰ দিনত কিছুমান অনাকাঙ্খিত লোকক মাটিৰ পট্টা দিয়া হ'ল। দেৱব্ৰত শইকীয়া ডাঙৰীয়াই এইটো কিমান সমৰ্থণ কৰে মই নাজানো, তেওঁলোকে মোক ক'লে যে ছাৰ, তলাতল ঘৰৰ এই মাটিখিনি বচাই দিয়ক। যদি আমি এই আইনখন আজিৰ পৰা ৩০ বছৰ আগত আনিলো হয়, মানুহৰ মাটি নাই, গৰাখহনীয়াত গৈছে, কিন্তু এই কথাটোৰে সেইটো নুবুজায় যে কামাখ্যা মন্দিৰৰ পাহাৰত মই settlement দিম, বা তলাতল ঘৰত মাটি দিম বা কাৰেং ঘৰত দিম বা পোৱামক্কাত দিম। সাম্প্ৰদায়িক সম্প্ৰীতিটো ৰক্ষা কৰাৰ কাৰণে সদায় আমি চেষ্টা কৰিব লাগিব আৰু মনত ৰাখিব লাগিব যে এখন তাল কেতিয়াও অকলে নাবাজে। এই বিলখনতো আমি জোৰ কৰা নাই। It is a anabilling Legislation. তেতিয়া ৰাইজে আবেদন কৰিব। আমি মাত্ৰ কৈছো যে আঢ়েশ বছৰীয়া মন্দিৰ, মছজিদ, চাৰ্জ ইয়াত গীৰ্জাও included.পোৱামক্কাও included. মন্দিৰ মছজিদত গৈও কোনোবাই ক'ব পাৰে যে তেওঁলোকে খালী ধৰ্মই কৰে,ধৰ্মও নহয়, culture is included.চৰাইদেউ মৈদাম, ৰংঘৰ,তলাতল ঘৰ all are included.আমি কি কৈছো যে ইয়াৰ ৫ কিঃমিঃ radiation ত বাহিৰৰ মানুহে মাটি কিনিব নোৱাৰে। ক'তো মুছলমান শব্দটো ব্যৱহাৰ হোৱা নাই, even মইও তাত মাটি কিনিব নোৱাৰো। যাৰ তিনিটা generation তাত বসবাস কৰি আছে, তেওঁলোকেহে তাত মাটি কিনিব পাৰিব। AIUDF ৰ ইয়াত বেয়া পাবলৈ কি আছে? কাৰণ চন্দ্ৰমোহন পাটোৱাৰীও বৰপেটা সত্ৰৰ কাষত গৈ মাটি কিনিব নোৱাৰিব, ৰূপক শৰ্মাও নোৱাৰিব। So, it is not targetted against any community.এতিয়া যদি বৰপেটা সত্ৰৰ কাষতো ৫ কিঃমিঃ radius ভিতৰত ৫১ বছৰৰ পৰা কোনোবা মুছলমান মানুহ আছে, তেওঁ কিনা বেচা কৰিব পাৰিব। তাত কোনো আপত্তি নাই। It is completly a political, secular law. আপোনালোকে বেয়া পাব পাৰে কাৰণ আপোনালোকৰ তাত মাটি কিনাৰ ইচ্ছা আছিল। কিন্তু আমি বেয়া পোৱা নাই কাৰণ তাত মাটি কিনাৰ ইচ্ছা নাই। আমি সেই সংস্কৃতিটোক সন্মান কৰো। কাৰণ মই এজন শাক্ত মানুহ, বৰপেটা সত্ৰৰ ওচৰত যদি মই যাওঁ মই কালি পূজা কৰিব লাগিব, দূৰ্গা পূজা কৰিব লাগিব,মই কিয় কৰো? এই যে হিন্দুৰ মাজতো contradiction আছে। কোনোবা বৈষ্ণৱ, কোনোবা শাক্ত কিন্তু আমি ইজনে সিজনক সন্মান কৰি চলো বা খ্ৰীষ্টান মানুহখিনিৰ লগত আমাৰ কোনো contradiction নাই আৰু অসমীয়া মুছলমান মানুহখিনিৰ লগত আমাৰ কোনো contradiction নাই। আজি আপোনালোকে কৈছে যে উজনিত অসমীয়া মুছলমানৰ বিৰুদ্ধে কোনো এটা শব্দ কোৱা নাই because we live in peace আৰু অসমীয়া মানুহতকৈ সাম্প্ৰদায়িক সম্প্ৰীতি বজাই ৰখাৰ কোনো উদাহৰণেই ভাৰতবৰ্ষত নাই। ৰাম মন্দিৰৰ আন্দোলন হোৱাৰ পাছতো অসমত অসমীয়া মানুহ থকা ঠাইত সাম্প্ৰদায়িক সংঘৰ্ষ হোৱা নাই। গতিকে মই ভাৱো এনেকুৱা ধৰণৰ আইনত আপোনালোকে সমৰ্থণ কৰক। ভৰত নৰহ ডাঙৰীয়াই কৈছে যে ৫ কিঃ মিঃ টো ৩ কিঃ মিঃ কৰক। **কংগ্ৰেছ দল এতিয়া উদাৰ হওঁক । বিষ্ণুৰাম মেধি , লোক প্ৰিয় গোপীনাথ বৰদলৈ**

- এইখন আসনতে বহি আছিল য'ত এতিয়া আপোনালোকে বহি আছে । এতিয়া ক'লে তেওঁৰ আত্মাটোকে অপমান কৰা হ'ব । হি ফট এগেইনষ্ট কমপ্লিটলী- এইটো চাদুল্লা চৰকাৰৰ নীতি আছিল । বৰদলৈ দেবে তাৰ বিৰোধীতা কৰিছিল । আজি মোৰ দুখ লাগে - মই যোৱা তিনি বছৰ অসমৰ মুখ্যমন্ত্ৰী হ'লো - গোপীনাথ বৰদলৈ দেবৰ সমাধিত মৃত্যু তিথিৰ দিনা মই মাল্যাৰ্পন কৰিবলৈ যাও কিন্তু তাত এজনো কংগ্ৰেছীক দেখা নাপাও । তেওঁ ভাৰত ৰত্ন আছিল । বলীন বৰদলৈ কংগ্ৰেছী বুলি ক'লে বেলেগ কথা মই আজি তিনি - চাৰি বছৰে নবগ্ৰহ শ্মশানলৈ গৈ আছো - এজনো কংগ্ৰেছী নেতা তালৈ নাযায় । প্ৰদেশ কংগ্ৰেছৰ সভাপতি তালৈ যোৱাটো দায়িত্ব আছিল

**শ্ৰীভৰত নৰহ, নাওবৈচা ঃ** - আমি কংগ্ৰেছৰ অফিছত সদায়ে তেখেতক শ্ৰদ্ধাঞ্জলি জনাও ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** ভৰত দা, মই আপোনাক প্ৰণাম কৰিছো- মোৰ ঘৰত থকা ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্ত্তিত মইতো মাল্য অৰ্পন কৰিমেই কিন্তু ৰাজহুৱা ষ্টেটমেন্টটোৰ এটা ভেল্যু আছে - মইও এজন কংগ্ৰছৰ মানুহ আছিলো । ৰাতিপুৱা যিকোনো এজন নেতা তালৈ গ'লে মানুহৰ মাজত কিমান এটা ভাল মেচেছ যাব। কাৰণ আপোনালোকে চাব গোপীনাথ দেবৰ মৃত্যু তিথিৰ দিনাখন গুৱাহাটীৰ পুৰনি মানুহখিনি তেখেতৰ সমাধিলৈ যায় । গতিকে বিৰোধী দলপতি, প্ৰদেশ কংগ্ৰছৰ সভাপতি তেওঁলোক যেতিয়া তালৈ যাব তেতিয়া সোনত সুঁৱগা চৰিব । কাৰণ তেওঁ এগৰাকী ভাৰত ৰত্ন হয় । মই মাত্ৰ এইটোৱে ক'লো যে তেখেতৰ পূণ্য তিথিত যেতিয়া আমি কংগ্ৰেছ- বিজেপি - এজিপি সকলোৱে যাম - ইট এনহেনচ আৱাৰ ট্ৰেডিশ্যন । আমাৰ ভাৰত ৰত্ন পোৱা মাত্ৰ দুজনেই আছে । তেখেতে কৰা কামটোকে আমি কন্টিনিউ কৰিব খুজিছো । আজি দেবব্ৰত শইকীয়াই এটা ভাল কথা কৈছে যে এইবোৰ কংগ্ৰেছেই কৰা গতিকে আমি আজি কংগ্ৰেছৰ লিগেচিটোকে আগবঢ়াই লৈ যাব খুজিছো । - দা লিগেচী অব গোপীনাথ বৰদলৈ এণ্ড বিষ্ণুৰাম মেধি- সেই কাৰণে এই আইনখনে আমাক এটা সুবিধা দিব । আমি ইমান কেয়াৰফুল আছো যে, যিয়ে মাটিত ইতিমধ্যে বহি আছে তাত কোনোধৰণৰ এভিকশ্যন নহয় । বৰদোৱা সত্ৰৰ ৫ কি.মি কোনোবাই মাটি লৈছে আমি কিয় সেইটো এভিকশ্যন কৰিম । কিন্তু তেওঁ বেলেগে আৰু মাটি কিনিব নোৱাৰে যদিহে তেওঁৰ তিনিটা প্ৰজন্ম হোৱা নাই । যদি কোনোবা মুছলমান হিন্দু বা খ্ৰীষ্টান মানুহৰ যদি তিনিটা প্ৰজন্ম হৈ গৈছে তেওঁ মাটি কিনিব পাৰিব । আজি আমি এটা সিদ্ধান্ত লৈছো যে, মাজুলীৰ পাৰ্টটো- আন অথোৰাইজড এনক্ৰোচাৰ ডাজ ইন ইনক্লুড দা অৰিজিনেল হেবিটেন্ট শব্দটো লৈ অহা নবেম্বৰত মাজুলীটো ইনক্লুড কৰি দিম যাতে কোনো ধৰণৰ কনফিউজন নাথাকে । কিন্তু বৰদোৱা- বৰপেটা আৰু সত্ৰসমূহৰ সমিতিও কিছু ৰিক'মেণ্ড কৰিব যে, এই খিনি আইক'নিক ষ্ট্ৰাকচাৰ কৰক । আমি আইকোনিক ষ্ট্ৰাকচাৰ বঢ়াই বঢ়াই লৈ যাব পাৰিম । সেই কাৰণে আমি ২৫০ বছৰ পুৰনাহৈ লৈছো - এশ বছৰ পুৰনা লোৱা নাই যাতে কোনোবাই কালি মন্দিৰ এটা বনাব- ইট কেন নট বি আইক'নিক ষ্ট্ৰাকচাৰ - উই হেভ দা ভেৰী কেয়াৰফুলী প্ৰিপেৰড দা ল গতিকে ইয়াত কাৰো আপত্তি কৰিবলগীয়া নাই । বৰদোৱা- হ'ল, ৰংঘৰ হ'ল , চৰাইদেউ হ'ল । ৰূপজ্যোতি কুৰ্মীও এটা সময়ত চাহ বাগিছাৰ কথা কৈছিলে , সেইটো আমি ভৱিষ্যতে আলোচনা কৰিম । এই আইনখনৰ দ্বাৰা আমি এটা কন্টিনিউটি কৰিব খুজিছো । ট্ৰাইবেল বেল্ট এণ্ড ব্লক হৈ গ'ল, মাইক্ৰ' ট্ৰাইবেল বেল্ট এণ্ড ব্লকো হৈ গ'ল । আজি আমাৰ দ্বাদশ অধ্যায় । বিপ্লৱ শৰ্মাৰ কমিটিৰ বাহিৰত আমি গৈ আছো । কংগ্ৰেছ দলে প্ৰত্যেকখন মিটিঙতে মোক ৬ নং দফাটো কিয় নকৰো বুলি জোকাই থাকে - উই আৰ গোয়িং বিয়ণ্ড ক্ল'জ নং ছিক্স । এতিয়া আমি গোৱালপাৰাত এখন আইন আনিব খুজিছো যে মাৰোৱাৰী মানুহে গোৱালপাৰাত মাটি কিনিছে আৰু চৰকাৰে

একো নকৰে বুলি কয় ।আমি খিলঞ্জীয়াৰ বাহিৰে কাৰো লগত নাই । গোৱালপাৰাত এচ টিৰ মাটি এচ টিকহে বিক্ৰী কৰিব পাৰিব। এচ চিৰ মাটি এচ চিকহে বিক্ৰী কৰিব পাৰিব। আৰু অবিচিৰ মাটি অবিচিকহে বিক্ৰী কৰিব পাৰিব। গতিকে মাটিখিনি কমিউনিটিৰ ভিতৰতে থাকি যাব । ঠিক তেনেকৈ কোচ ৰাজবংশী মানুহৰ মাটি তেওঁলোকৰ লগতে থাকি যাব । বিটিআৰত আমি আইন নকৰো । আমি বিটিআৰক সন্মান কৰো । ধুবুৰী - বঙাইগাওঁ - গোৱালপাৰা জিলাত নাথ সম্প্ৰদায়ৰ মাটি নাথৰ লগেত থাকিব । কেইটুকুৰামান মাটিহে বাছি আছে চাউথ শালমাৰাত । সেইখিনি মাটি আমি বছাব লাগিব । ২০০১ চনত ৰাজেদ আলি চৌধুৰীৰ সমষ্টিত ৬ হাজাৰ হিন্দু মানুহ আছিল কিন্তু আজি ১ হাজাৰ আছে । আমি এপ্ৰিলত ডেমোগ্ৰাফীৰ ওপৰত বুথে বুথে হোৱা পৰিৱৰ্ত্তনৰ এখন হোৱাইট পেপাৰ আনিম । যি কাৰণেই নহওক চাউথ শালমাৰাত চৰকাৰী মাটিত আপোনাৰ সমৰ্থনত সেই মানুহখিনি বহুৱাই দিব লাগিব । থাৰ্ড আইনখন আনিব খুজিছো - সেইখন হ'ল ইন্টাৰ কমিউনিটি লেণ্ড ট্ৰেনজিট । আমি গোৱালপাৰাত কৰিম - আন কোনোবা জিলাই যদি বিচাৰে উই কেন কিপ এণ্ড স্পাণ্ডিং ডেট - মইতো বিচাৰো এই আইনখন গোটেই ৰাজ্যতে হোৱা উচিত । এই সংক্ৰান্তত কিছুমান কমিটিয়ে ৰিপোৰ্ট দিলে লিগেল নহয় - কোৰ্টেটো ষ্ট্ৰাইক ডাউন কৰি দিব - অলপতে মই ইলেকশ্যনৰ কামত ঝাৰখণ্ড গৈ আছো- বাট আই এম ক্ল'চলী আই এম ষ্টাডিং চেটেলমেন্ট অৰ লেণ্ড ৰেভিনিউ- তাতে এইটো আছে - ছোটা নাগপুৰ- টিনেন্সি এক্ট এণ্ড ছানথাল পৰগনা টিনেঞ্চি এক্ট য'ত নেকি - আউট চাইড দা কমিউনিটি লেণ্ড ট্ৰেন্সপাৰ ইজ নট এলাউড । সেই আইনবোৰ চুপ্ৰিম কোৰ্টে অলৰেডী চীল লগাই থৈছে যে দিচ আৰ ভেলিড ল' । গতিকে মই এইবোৰ ষ্টাডি কৰি আছো আৰু বিপ্লৱ শৰ্মা আয়োগৰ বহু আগলৈ যাব পাৰিম উইদিন ওৱান এণ্ড হাফ ইয়েৰ এইটো আমি এজেণ্ডা হিচাপে লৈছো । এপ্ৰিল বা নবেম্বৰ মাহৰ চেশ্যনত আমি গোৱালপাৰা জিলাৰ আইনখন আনিম । য'ত আমি আউট চাইড দা লেণ্ড ট্ৰেন্সফাৰ আমি বন্ধ কৰিম । বড়োৰ মাটি বড়োৰ লগত থাকি গ'ল- কোচৰ মাটি কোচৰ লগত থাকি গ'ল নাথৰ মাটি নাথৰ লগত থাকি গ'ল আৰু আমি জেনেৰেল মানুহখিনি এই আইনৰ আওতাত নপৰো । আমাৰ মাটি কোনোবাই কিনা বেচা কৰিব খুজিলে কৰিব পাৰিব এইটোত কোনো কথা নাই অলপ ফ্ৰি লেণ্ড লাগে । তাতে চৰকাৰে যদি কিবা প্ৰজেক্টকৰিব খোজে তাত কোনো আপত্তি নাই এইটো নৰ্মেল লেণ্ড একোৱাৰ কৰিব পাৰিব । কাৰ্বি আঙলংত মাটিক লৈ হুলস্থূল হৈ আছে তাতো যদি আমি এই আইনখন এক্সটেণ্ড কৰি দিব পাৰো । মানুহৰ মাজত শংকা নোহোৱা হৈ গ'ল । কাৰ্বি মাটি কাৰ্বিকহে বেচিব পাৰিব- ডিমাচাৰ মাটি ডিমাচাক দিব পাৰিব - তেতিয়া পিপুল উইল ফিল প্ৰটেক্টেড । অসমত লিগেল ৰাইট দি ৰাখিব নোৱাৰিলে এটা সময়ত মেচকেয়াৰ হৈ যাব । যদি সাংবিধানিক প্ৰদত্ত অধিকাৰৰ কথা কও- উই হেভটো বেলেঞ্চ দ্য ষ্টেট । বৰপেটাৰ এটা কথা কওঁ- মানুহক মিচটেকেন কৰিব নালাগে বৰপেটা জিলাৰ চেনচাচত এতিয়াও পমুৱা মুছলমানসকলে মাতৃভাষা অসমীয়া বুলি নিলিখে । কংগ্ৰেছ দলৰ সাংসদ আব্দুল খালেকেই লিখা নাই । বেলেগৰ কথা বাদ দিয়ক । লিখা নাই হয়তো আপোনালোকে অসমীয়া মিডিয়ামত পঢ়িছো ত্যাগ কৰিছো এইটো নহয়। এইবাৰো চেনচাচৰ সময়ত আপোনালোকে কি কব মই জানো যদি অসমীয়া ভাষা বুলি কব লাগে আমাক খিলঞ্জীয়া বুলি কওক, তেতিয়াহে আমি অসমীয়া ভাষা লিখিম।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ** ছাৰ, ১০০ শতাংশয়ে লিখিম অসমীয়া ভাষা বুলি।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** আপুনি আজি এতিয়াৰ পৰিৱেশ মই কৈছো যে ২০০১ চেনচাচ, ২০১১ চেনচাচ। ২০১১ চেনচাচত কংগ্ৰেছ দলৰ সংসদ সদস্যই নিজৰ ভাষা অসমীয়া

বুলি লিখা নাই। মিঞা ভাষা বুলি লিখি দিছে, সেইটো কি ভাষা ভগৱাণে জানে। কিন্তু আপুনি লিখিছে সেই চেনচাচ ৰিপোৰ্টটো উলিয়াই লওক। জনিয়া চাৰ্কোলতটো বঙালী হিন্দু নাই, জনিয়া চাৰ্কোলত কেইজন আছে। কিমান আছে আপুনিয়ে কৈ দিয়ক সংখ্যাটো।

**ড° ৰফিকুল ইছলাম** ঃ জনিয়া চাৰ্কোলত বঙালী হিন্দু ২/৩ হাজাৰ হ'ব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** কিন্তু মাতৃভাষা বঙালী বুলি কোৱা মানুহৰ সংখ্যা বহুত বেছি। তাৰ মানে যেতিয়া।

**ড° ৰফিকুল ইছলাম** ঃ যি খিনি অসমীয়া লিখিছে সেই আপুনি আনিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** ধন্যবাদ। এইটো নহয়যে আপোনালোকে sacrifice কৰি গৈ আছে। It is a wrong statement. কাৰণ আজিলৈকে অসমীয়া শব্দটো এতিয়ালৈকে তাত গ্ৰহনীয়া হোৱা নাই, হ'ব হয়তো। আজি জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই কৈছে যে এইটো আমি কৰিম, যেতিয়া কৰিম তেতিয়া বেলেগ কথা। ২০২১ ত যেতিয়া আহিব সেইটো বেলেক কথা।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ** ঃ এইটো কৰিয়ে আছে, দুই এজনে বিতৰ্ক কৰিছে সেইটো বেলেগ কথা। বেছিভাগে এইটো কৰি আছে। যেতিয়াই এইটোকলৈ বিতৰ্ক হ'ব, যেতিয়া কথা পাতিম তেতিয়াই বহলাই কম যে কিছু সংখ্যাক কিয় হৈছে, যি সকল চেনচাচ বিষয়া যায় বহু মানুহক বুজাবলৈ অসুবিধা হয় ভুলতে এইটো কৰে। কিন্তু মনে প্ৰাণে সকলোৱে অসমীয়া ভাষা ভাল পায় আৰু আহি থকা দিনত পাব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মই এইটোকে কলো যে আপুনি এজন উদিয়মান বিধায়ক আপুনি এইটো কথা সুন্দৰ ভাৱে ইয়াত কৈছে আৰু তাক আমি আদৰণি জনাইছো। কিন্তু যিটো পুৰণি কথা কলে যে পুৰণা দিনত আমি এনেকৈ থাকিম বুলি কৈ আছিলো, আপুনি সেইকেইজন মানুহৰ কথা কলে যোনে অসমৰ লগত থাকিম বুলি কলে। কিন্তু অসমৰ লগত নথকা আন্দোলন কৰা মানুহ খিনি কোন আছিল? অসমত মুছলিম লিগ কোনে গঠন কৰিছিল? লাইক এ লেগু অফ পাকিস্তান কোনে কৈছিল? সেইবিলাক কোৱা মানুহেতো এইটো আপোনালোকৰ কমিউনিটিৰ পৰা ওলোৱা মানুহ। হাচানী চাহাব গ'ল। গৈ বাংলাদেশৰ পৰা সন্মানে নিদিলে আপুনি বুৰঞ্জী চাব। হাচানিয়ে ইয়াত হুলস্থূল লগাই বাংলাদেশত গ'ল, বাংলাদেশে গুৰুত্বই নিদিলে। তেওঁৰ জীৱনৰ বুৰঞ্জী পঢ়িব হাচানী জীৱনৰ শেষ সময়ছোৱা কিমান দুৰ্ভগীয়া সময়। নাম নিচানে নোহোৱা কৰি দিলে। সেই কাৰণে মোৰ অনুৰোধ যে আপোনালোকৰ লগত এটাই কথা য'ত খিলঞ্জীয়াৰ অধিকাৰ it is a adhikar recognized by United nations. Legal right বেলেগ। এতিয়া আপোনালোকে কৈছে যে উজনিত কিয় নাযাম? মই ৰিপিট নকৰো, কিয় নাযাব, যেতিয়া মানুহ সকলে মৰমৰে মাতিব আপোনালোক নিশ্চয় যাব, কোনোবাই বিনা নিমন্ত্ৰণত ক'ৰবাত যায় নেকি? কাৰো ঘৰতো কোনো নাযায় বিনানিমন্ত্ৰণত। সেই কাৰণে এই কথাটো যিমানে আপোনালোকে কৈ থাকিব resistance হ'ব। কিন্তু যদি ধুনীয়া শাক পাচলি সাৰ নাই pestiscides নাই ইউৰিয়া নাই, অগ্ৰেনিক শাক-পাচলি আমিও গৈ কিনি লৈ আহিম। কিন্তু শাক-পাচলিতো অৰ্গেনিক হ'ব লাগিব ন। গতিকে তেতিয়াতো আমিও যাম খাবৰ কাৰণে। গতিকে এইটো হ'ল সম্পৰ্ক। সম্পৰ্কটো বজাই ৰাখিলে আমি আগবাঢ়িব পাৰিম। গতিকে আজি মই ভাৱো যে অসম বিধান সভাৰ কাৰণে এটা গুৰুত্বপূৰ্ণ দিন। বটদ্ৰবাত এই আইনখন যদি আজিৰ পৰা ৩০ বছৰ আগত পাছ হ'ল হেতেন আমি উচ্ছেদ কৰিব লগীয়া নহ'ল হেতেন। আৰু ইমান কথাও কব নালাগিল হেতেনঙ্গ গতিকে মই

ভাৰো যে ইউ ডি আই এফ ৰ বিধায়ক খিনিয়ে কংগ্ৰেছৰ বিধায়ক খিনিয়ে যদি এইবিলাক কথাত সমৰ্থন কৰি থাকে তেতিয়া আপোনালোকে দেখিব আপোনালোকৰ মানুহে আদৰি লব। যেতিয়া আপোনালোকে মুকলি মনে যদি আজি প্ৰস্তাৱ দিয়ে যে বৰদোৱা সত্ৰত ৫ কি.মিটাৰ কিয় কৰিছে ১০ কি.মিটাৰ কৰি দিয়ক। তেতিয়া আপোনালোকক ইমান মানুহে ভাল পাব যে মই বুজাব নোৱাৰো। বৰপেটা সত্ৰত আপোনালোকে কওক যে ছাৰ এইটো ১০ কি.মিটাৰ কৰি দিয়ক। তেতিয়া বৰপেটাসত্ৰখন কোনে চাংসাই কৰা, প্ৰথম লাইসূটাটো চাংসাই কৰা নহয় জানো বৰপেটা সত্ৰখন। গতিকে সেই ধৰণৰ ইতিহাসো আমাৰ অসমত আছে। গতিকে মই আপোনালোকক বিচাৰো যে মোক গালি পাৰি লাভ নাই কাৰণ মইটো এটা চেন্টিমেন্টক ৰিপ্ৰেজেন্ট কৰি আছো। হিমন্ত বিশ্ব শৰ্মাৰ কি আছে, মই একোৱে নহয়। মই এটা লুপ্ত হ'ব পৰা এটা সত্বতাক মই প্ৰতিনিধিত্ব কৰি ইয়াত কথা কৈ আছো। গতিকে আপোনালোকে যেতিয়া আমাক সমৰ্থন কৰিব যে হয় ট্ৰাইবেল বেল্ট এণ্ড ব্ল'ক কৰি দিয়ক ছাৰ, বটদ্ৰবা কৰি দিয়ক, ধুবুৰী কেইটুকুৰ মান মাটি বাচি আছে আপোনালোকে ৰাখি থওঁক আমাৰ আপত্তি নাই। তেতিয়াহলেতো কোনে আপোনালোকক না কব। কোনে আপোনালোকক বিৰোধীতা কৰিব? সেই কাৰণে ভূপেন হাজৰিকাৰ এটা গান মনত ৰাখিব যে জিম যাবলৈ হলে কিছু এৰিব লাগিব কিছু ধৰিব লাগিব। আৰু ভূপেন হাজৰিকা এজন সমাজতান্ত্ৰিক চিন্তাধাৰাৰ ব্যক্তি আছিল। মনোৰঞ্জণ তালুকদাৰে জানে he was never a BJP. শেষত জইন কৰিলে তেওঁ গোটেইটোত he represent a socialist thought process আই পি পি এফৰ দিনৰ পৰা। কিন্তু ভূপেন হাজৰিকাও লিখি থৈ গৈছিল জিম যাবলৈ হলে কিছু এৰিব লাগিব কিছু ধৰিব লাগিব। মই সমৰ্থন কৰিছো জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়া আপোনালোকে জিম যাব খুজিছে এই মাটিক। যদি জিম যাব খুজিছে কিছু এৰিবই লাগিব আৰু এৰা খিনি আপোনালোকে ৰেডি হৈ লওক যে এইখিনি আমি এৰি দিম। কত্তৰতা যদি কৰি থাকে তেতিয়াহলেটো জিম যাব নোৱাৰিব সদায় conflict হ'ব। সেই কাৰণে মোৰ এই হাউচত অনুৰোধ with a very positive note. কোনো ইয়াত বিষাদ নাই। কাৰণ আমি জানো যে আমি ষ্ট্ৰাগ'ল কৰিবই লাগিব। এতিয়া কংগ্ৰেছৰ যিখিনি আমাৰে community ৰ মানুহ তেওলোকে যি কৈ আছে ভোটৰ কাৰণে কৈ আছে। ব্যক্তিগত ভাৰেতো ঘৰত ওলোটাই কয়, যে দাদা ভাল কৰিলে বুলি। এইটোতো কোনো কথাই নাই, মইতো নিজেই জানো যে what is the sentiment in Congress. ভোটৰ আশাত যি চলি আছে চলি আছে, সেইটো বেলেগ কথা। কিন্তু এটা লুপ্ত হ'ব খোজা সত্ত্বতাৰ মানুহখিনিয়ে কিছু দিন জীয়াই থকাৰ সংগ্ৰাম কৰিব খুজিছে। আমি কেইদিন মান যেন আৰু বাচি থাকোঙ্গ মমদাল নুমোৱাৰ আগতে আমি অলপ জ্বলিব খুজিছো। এইখিনি কথা মই গৌৰৱৰে কোৱা নাই মই চকুপানী পেলাই কৈছো। যে লুপ্ত হ'ব পৰা এটা জাতি অসম বিধান সভাত চিঞৰী চিঞৰী কেইদিন জীয়াই থকাৰ অধিকাৰ বিচাৰিছে। আৰু কেইদিনমান জীয়াই থকাৰ অধিকাৰ বিচাৰিছে। ধুবুৰী গ'ল, গোৱালপাৰা গ'ল, বৰপেটা গ'ল, দৰং গ'ল, নগাঁও গ'ল, মৰিগাওঁ গ'ল, গ'ল মানে মাটিবাৰীবোৰ গুচি গ'ল। সেই কাৰণে মই বাৰে বাৰে কৈ আছো যে এটা লুপ্ত হ'ব পৰা জাতি আপোনালোকে আমাৰ লগত আগ্ৰাসী নহ'ব। আমি জীয়াই থকাৰ এটা সংগ্ৰাম কৰি আছো। যে কেনেকৈ আৰু কেইদিনমান জীয়াই থাকিব পাৰো।

**শ্ৰীদেৱব্ৰত শইকীয়া** ঃ ছাৰ, এইটো গ'ল বুলি কৈছে, কেনেকৈ অসমীয়া জাতি অসমীয়া সমাজখন যাব পাৰে?

...............(হুলস্থূল)..................

(বিৰোধী কংগ্ৰেছে সদন ত্যাগ কৰে)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** ইতিহাসে আপোনালোকক কেনেকৈ চাব, কংগ্ৰেছৰ ২০২১ চনৰ চেনচাচ ফিগাৰ ওলোৱাৰ পিছত আপোনালোকে নিজে দুখ কৰিব। ২০২১ চনৰ চেনচাচ ফিগাৰ ওলোৱাৰ পিছত আৰু মই আজি ইয়াত অনুৰোধ কৰিছো যি খিনি জিম যাব খুজিছে কমুৱা মুছলমান মানুহ কাৰো শত্ৰু নাই। জিম যাব খোজা মুছলমান মানুহ খিনিয়ে আমাক সহায় কৰক। আমি একো আপোনালোকৰ পৰা কাঢ়িব খোজা নাই। যি আছে সেইখিনি আপোনালোকৰ থাকিব আমাৰ পৰা আৰু লপ্ত নাকাঢ়িব। যি আছেই আছেই, আমি আপোনালোকৰ পৰা আৰু একো কাঢ়ি লোৱাৰ আকাংশা নাই। সেই কাৰণে এই আইন খনত মই আনিছো যে যাৰ মাটি বহি আছে সি বহি থাকিব, ইয়াত মই লিখা নাই যে all indegeneous মানুহ খিনিৰ মাটি কাঢ়ি লোৱা হ'ব । মই লিখিছো যে যিখিনি মানুহৰ মাটি আছে, সেইখিনিৰ মাটি থাকিব। মাত্ৰ এটাই অনুৰোধ যদি আপোনালোকে জিন যাব খুজিছে, ভূপেন হাজৰিকাৰ ভাষাত আমাৰ পৰা আৰু নাকাঢ়িব, আৰু এটা লুপ্ত হ'ব পৰা জাতিৰ অধিকাৰ বিধান সভাত যেতিয়া আমি আহিছিলো এইবাৰ মই অসমৰ মুখ্যমন্ত্ৰী হৈছিলো, আৰু হ'ম নহম এইটো কথা নাই, শেষ দিনাখনলৈকে জাতি, মাটি, ভেটিৰ অধিকাৰৰ বাবে আমি যুঁজিম আৰু সেই বাবে ইয়াত আহিছো আৰু আপোনালোকৰ মই সমৰ্থন বিচাৰিছো। মই বদৰুদ্দিন আজমল ডাঙৰীয়াৰো সমৰ্থন বিচাৰিছো, চিৰাজুদ্দিন আজমলৰো মই সমৰ্থন বিচাৰিছো, ৰকিবুল হুছেইনৰো মই সমৰ্থন বিচাৰিছো, আব্দুল খালেকৰো মই সমৰ্থন বিচাৰিছো যে যিখিনি জনজাতীয় আৰু আমাৰ অসমীয়া খিলঞ্জীয়ালোকৰ আছে। সেইখিনি থাকিব দিয়ক। আমিনো কি কৰিম, বটদ্ৰৱা সত্ৰখন লৈ জীয়াই থাকিম ক'ৰবাত বাথৌ মন্দিৰ এটা লৈ জীয়াই থাকিম এইখিনিকে। কেনেকৈ জিন যাব যদি আমাৰ জনসংখ্যা নিয়ন্ত্ৰণ হয়, কেইটামান কাম যদি আমি কৰো আমাৰ মাজত কাজিয়াই নাথাকে। কংগ্ৰেছেটো কাজিয়া লগাব খুজি থাকে হিন্দু মুছলমানৰ মাজত। কংগ্ৰেছৰ পলিচিটোৰে বেলেগ। আমাৰ কাজিয়া লগাৰ কোনো মতলবেই নাই। আমি মাত্ৰ code of conduct এটা মই indirectly সেইদিনাখনো কোৱা নাছিলো। মই কিয় চিঞৰ বাখৰ কৰি থাকো। মোক এটা code of conduct লাগে। এইখিনি কাম আমি দুয়োটা community য়ে মিলামিছা কৰিবৰ কাৰণে আমি এই code of conduct টো মানি চলো। যদি ক'ৰবাত নামঘৰ আছে, ৫ কিঃ মিঃ ৰ ভিতৰত আমি গৰু আৰু গাহৰিৰ মাংস নাখাওঁ। cattle Act ত সেইটোৰে provision আছে। সেইটো provisionটো সমৰ্থন কৰাৰ কাৰো আপত্তি থাকিব নোৱাৰে। simple provision এটা । এই provision টোক আমি কিয় সমৰ্থন কৰিব নোৱাৰো ? এইকেইটাত আপোনালোকে চিঞৰি চিঞৰি সমৰ্থন কৰে নহয় অসমীয়া মানুহ টো অলপ মৰম দিলেই পমি যায়। আমাৰ মানুহৰ আশা ইমানেই একো নাইয়ে আমাৰ মানুহৰ আশা। অকনমান এখন গামোচা দিলেই আমাৰ মানুহ পমি যায়। কেইটামান মাত্ৰ আপোনালোকে কৈ দিয়ক, এই বিলাক নকৰ হাউচত নকব যে আমি যামেই আপোনালোকে ক'ব যে আমি ভাল বস্তু তৈয়াৰ কৰিম আপোনালোক নিজেই আহিব। মৌ মাখিয়ে নিজেই ৰাণী মৌৰ পিছত আহি যায় যে আমাৰ মাছ, গাখীৰ ইমান টাগাৰা, সৰভোগৰ দৈ বিচাৰি আমি নাযাওঁ জানো আজি বিয়াবাৰু পাতিলে ? গতিকে আপোনালোকেও নিজে মাতিব। সেই কাৰণে মই এইটোৰে বিচাৰিছো কংগ্ৰেছটো এতিয়া কিবা হৈ আছে, ভোটৰ মতলৰত কিবা হৈ গৈছে। একো বুজিয়েই নাপায় কি কৰি আছে তেওঁলোকে. কিন্তু আপোনালোকে এটা জাতিক প্ৰতিনিধিত্ব কৰে আৰু বহু সময় আমি একেলগে মিলিজুলি থাকিব লাগিব। কেইটামান অসমৰ iconic structure আছে, তাত ৫ কিঃ মিঃ

থাকিব দিয়ক আপোনালোকেও আপোনালোকৰ মানুহখিনিক ক'ব, এইটো ভাল প্ৰস্তাৱ আনিছে ৫ কিঃ মিঃ হে। বৰপেটা টাউনতহে ক'তোটো বাহিৰত আমি যোৱা নাই বটদ্ৰৱাৰ ৫ কিঃ মিঃ হে । আজি আপোনালোকৰ মাইনৰেটিৰ বিধায়ক সকলে টি ভি ত গৈ ষ্টেটমেন্ট দি দিয়ক, যে এইটোক আমি সমৰ্থন কৰিছো। চাব মানুহে আপোনালোকক কেনেকে আদৰি লয়। আমাৰ মানুহৰ একো নাই কেৱল অকনমান মৰম। একোৱেই নাই আজি আপোনালোকে মেজিক চাওঁক মোক com-munal, communal কৈ থাকিলে একো সমস্যাৰ সমাধান নহয়। টি ভি ত গৈ কৈ দিয়ক যে বৰপেটা, বটদ্ৰৱা সত্ৰ সংৰক্ষণৰ কাৰণে চৰকাৰে যি প্ৰস্তাৱ আনিছে তাত আমাৰ মুকলিমুৰিয়া সমৰ্থন আছে। কালিৰ পৰা অসমত হিন্দু, মুছলমান, মিঞা, বাংলাদেশী এই শব্দবিলাকেই নোহোৱা হৈ যাব। একোৱেই নাই যে এতিয়া কলে, যে অসমীয়া ভাষা কম। মানুহে ভাবে যে অসমীয়া ভাষা কৈ দিছে ইমান ভাল, এটা শব্দটেই মানুহ গলি যায়, একো নাথাকেই। আজি কংগ্ৰেছৰ অৱস্থা চাওঁক। গোপীনাথ বৰদলৈৰ সমাধিত নোযোৱাটো is a matter of record . তাকো বিৰোধিতা কৰিব লাগে নে যে আমাৰ অফিচত আমি মাল্যঅৰ্পণ কৰো। তেনেকে চলিব নেকি? সেই কাৰণে মই আপোনালোকক আহ্বান জনাইছো এইখন আৰু অহা কেইদিন মানত ৩-৪ খন আনিব আৰু সেইখিনিত আমি আপোনালোকৰ সমৰ্থন বিচাৰিম। মই ভাবো যে অকনমান আপোনালোকে আমাক সমৰ্থন কৰক কেইটামান বিষয়ত কোনো ক্ষতি নহয়। ইমান ভূ-খণ্ড আছে 78 thousand square কিঃ মিঃ একোক্ষতি নহয়। কাৰ্বি সকলক থাকিব দিয়ক, বড়ো সকলক থাকিব দিয়ক, মিচিং সকলক থাকিব দিয়ক কেইটামান নামঘৰ, মন্দিৰ থাকিব দিয়ক সমস্যাটো সমাধান হ'ব। এইখিনি কৰি দিয়ক আৰু কোনো কথাই নাই। আমাৰ intension টো একো বেয়া নহয় আৰু মই আজিও কৈছো, যে এতিয়া আপোনালোকে মোক চাব ক'তো মই মুছলমান মানুহ এজন দেখিলেও সাৰতি লওঁ। মোৰ কোনো অনুভৱেই নাই . কিন্তু য'ত মই দেখিছো যে এই কথাখিনিয়ে এটা জাতিক নোহোৱা কৰি দিব, তাত টো ষ্টেণ্ড দিবই লাগিব। তাত যদি ষ্টেণ্ড নিদিওঁ মোৰ নামটো দেৱব্ৰত শইকীয়াৰ দৰে ইতিহাসে লিখি থৈ দিব। মইটো দেৱব্ৰত শইকীয়া হ'ব নোৱাৰো । ইমানটো নিজৰ ভৰিৰ ওপৰত নিজে ঠিয় দিব লাগিব। গতিকে মই হাউচত অনুৰোধ কৰিম এই আইনখন অনুগ্ৰহ কৰি পাচ কৰক, আৰু মই অনুৰোধ কৰিম যে AIUDF দলেও আমাক সমৰ্থন কৰক।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**ড° ৰফিকুল ইছলাম,(জনিয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা কলে, বিভিন্ন iconic heritage ৰ কথা ক'লে, কৈ কৈ অনাগত পৰিকল্পনা তেখেতে যেনেকে কৰিলে সেই হিচাপে হ'লে অসমৰ কমেও 80% area যেনেকে তেখেতে পৰিকল্পনা কৰিব বিচাৰিছে, বান্ধিব বিচাৰিছে , মই এই কথা ক'ব বিচৰা নাই অকল মুছলমানক target কৰিছে। কিন্তু মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিশ্চয় এই কথা চিন্তা কৰিব। অনাগত দিনত যেনেকুৱা ধৰণে এই বিলখনত অনা হৈছে, যিটো পৰিকল্পনা কৰিছে, তেনেকুৱা কৰিলে ভাৰত বৰ্ষৰ কিন্তু অন্য ৰাজ্যত তেনেকুৱা কৰা নাই। আনকি অযোধ্যাটো নাই, বানাৰসটো তেনেকুৱা ধৰণৰ সিদ্ধান্ত লোৱা নাই, আৰু এইটো ললে আমাৰ ৰাজ্যখনৰ কাৰণে বেয়া হ'ব। ৰাজ্যৰ সকলো জনগোষ্ঠী, মই নকওঁ যে অকল মুছলমান, হিন্দু ভাই সকলো এনেকুৱা বিপদত পৰিব। মানুহৰ এই land transformation যিটো কথা , হেৰিটেইজৰ প্ৰতি সন্মন আমাৰ আছে। থাকিবও আমি কৰিম, আৰু কৰি আহিছো। মাননীয় অধ্যক্ষ মহোদয় মই ভাবো উচিৎ নহ'ব এইটো ৰাজ্যখনৰ কাৰণে। ৰাজ্যত বসবাস কৰা প্ৰত্যক জাতি

জনগোষ্ঠিৰ কাৰণে এইটো ক্ষতিকাৰক হ'ব। গতিকে এই বিলখন আনিব নালাগে আৰু পাচ কৰিব নালাগে। আমি ইয়াৰ বিৰোধিতা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। মই এতিয়া প্ৰস্তাৱটো সদনত ভোটদানৰ বাবে ৰাখিলো। প্ৰস্তাৱটো হ'ল যে

The Assam Land and Revenue Regulation (Second Amendment) Bill, 2024.

যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত কৰা হ'ল। এতিয়া সদনত বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে ৰখা হ'ল। ২ নং দফাত কোনো সংশোধনী নাই । মই এতিয়া ২ নং দফা সদনত ভোটৰ বাবে ৰাখিলো। প্ৰস্তাৱটো হ'ল ২ নং দফা বিধেয়কখনৰ অংশ হ'ব।

যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, ২ নং দফা বিধেয়কখনৰ অংশ হ'ল।

৩নং দফাত মাননীয় দলপতি শ্ৰী দেৱব্ৰত শইকীয়াৰ আৰু আমিনুল ইছলাম ডাঙৰীয়া আৰু তেখেতৰ সহযোগি সকলৰ সংশোধনী প্ৰস্তাৱ আছে। কিন্তু দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকল অনুপস্থিত এতিয়া শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকল, প্ৰস্তাৱটো উঠাই ল'ব নে?

**ড° ৰফিকুল ইছলাম, (জনিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয় আমি উঠাই নলওঁ, আমি বিচাৰিছো যে এই বিলখন পাচ হ'ব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো সদনত দাঙি ধৰিলো।

যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, সংশোধনী দুটা নাকচ কৰা হ'ল। এতিয়া ৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, ৪ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

মই এতিয়া ১ নং দফা অধিনিয়ম, সূত্ৰ; প্ৰস্তাৱনা আৰু শিৰোনাম সদনত ভোটদানৰ বাবে ৰাখিলো। প্ৰশ্নটো হ'ল যে ১ নং দফা অধিনিয়ম, সূত্ৰ; প্ৰস্তাৱনা আৰু শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া তেখেতৰ সহযোগী সকলৰ সংশোধনী প্ৰস্তাৱ আছিল। মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া তেখেতৰ সহযোগী সকল অনুপস্থিত। এতিয়া শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলৰ সংশোধনী প্ৰস্তাৱটো উঠাই ল'বনে?

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** আমি উঠাই নলওঁ। আমি বিচাৰিছো এই বিলখন পাচ হ'ব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই সংশোধনী প্ৰস্তাৱটো সদনত দাঙি ধৰিলো।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে,
সংশোধনী দুটা নাকচ কৰা হ'ল।

এতিয়া ৩ নং দফাতো বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

৩ নং দফাতো বিধেয়কখনৰ অংশ হ'ল।

মই এতিয়া ১ নং দফা অধিনিয়ম সূত্ৰ প্ৰস্তাৱনা আৰু শিৰোনাম সদনত ভোট দানৰ বাবে ৰাখিলো। প্ৰশ্নটো হ'ল ১ নং দফা অধিনিয়ম সূত্ৰ প্ৰস্তাৱনা আৰু শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

১ নং দফা অধিনিয়ম সূত্ৰ প্ৰস্তাৱনা আৰু শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী। with Government Amendment

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Land and Revenue Regulation second (Amendment) Bill, 2024, with Government Amendment পাৰিত কৰণৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল যে বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন চৰকাৰী সংশোধনৰ জৰিয়তে পাৰিত কৰা হ'ল।

সদন অহা ৩০ আগষ্ট, ২০২৪ তাৰিখ ৰাতিপুৱা ৯ বজালৈ স্থগিত ৰখা হ'ল।